স্থাপিত ১৯৬৮ চন

# কামপুৰ মহাবিদ্যালয় আলোচনী

# KAMPUR COLLEGE MAGAZINE

## ২০১৮-১৯ বৰ্ষ

## SESSION : 2018-19




তত্ত্বাৱধায়ক
ড° কুশল টাইদ

সম্পাদিকা
শ্ৰীলোনামণি বৰা

# মহাবিদ্যালয় সংগীত

গীতিকাৰ - ভানু শইকীয়া
সুৰকাৰ - গগণ বৰুৱা

আলোক সন্ধানী আমি
আগুৱাই যাবলৈ প্ৰেৰণা দিয়া
ৰজাই জ্ঞান বীণা
বন্দো বাগ্‌দেবী
আমি আলোকৰে যাত্ৰী।

কপিলী নিশাৰীৰ তীৰ উজলাই
জ্ঞানৰ দিপালী উঠিছে জ্বলি
ভেদা-ভেদ পৰিহৰি
যাওঁ আগবাঢ়ি
জ্ঞানৰ সৰগ ধিয়াই।

কন্দলি মাধৱৰ চৰণ ধিয়াই
জগত গুৰুৰ বন্দনা গাই
সম্প্ৰীতি বঢ়াই তুলি
যাওঁ আগবাঢ়ি
জ্ঞানৰ পোহৰ বিলাই
দশোদিশ যাওঁ উজ্বলাই।।

# কামপুৰ মহাবিদ্যালয়

# আলোচনী

২০১৮-১৯ বর্ষ

স্থাপিত ১৯৬৮ চন

# KAMPUR COLLEGE MAGAZINE

Session : 2018-19


তত্ত্বাৱধায়ক
ড° কুশল টাইদ

সম্পাদিকা
শ্ৰীলোনামণি বৰা

স্থাপিত ১৯৬৮ চন

**Kampur College Magazine, Session - 2018-19**
An Annual publication of the Students' Union of Kampur College, Edited by Miss Lunamoni Bora and published by Dr. Harekrishna Deva Sarma, Principal, Kampur College, Kampur, Nagaon, Assam, Pin - 782426.

কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনী ২০১৮-১৯, অধ্যক্ষ ড° হৰেকৃষ্ণ দেৱ শৰ্মাৰ দ্বাৰা প্ৰকাশিত আৰু সম্পাদিকা শ্ৰীলোনামণি বৰাৰ দ্বাৰা সম্পাদিত।

**সম্পাদনা সমিতি**

**ড° হৰেকৃষ্ণ দেৱ শৰ্মা**, উপদেষ্টা

**শ্ৰীযুতা মিনি দেৱী**, উপদেষ্টা

**শ্ৰীযুতা ৰিজু লস্কৰ**, শিক্ষক সদস্যা

**শ্ৰীযুত প্ৰশান্ত লস্কৰ**, শিক্ষক সদস্য

**শ্ৰীযুতা এলিজাবেথ এল থেইক**, শিক্ষক সদস্যা

**ড° কুশল টাইদ**, তত্ত্বাৱধায়ক

**শ্ৰীলোনামণি বৰা**, সম্পাদিকা

**শ্ৰীকাজি নাৰ্গিছ চুলতানা**, ছাত্ৰী সদস্যা

**শ্ৰীসুচিত্ৰা ৰয়**, ছাত্ৰী সদস্যা

**শ্ৰীনিকুমণি লস্কৰ**, ছাত্ৰী সদস্যা

**বেটুপাতৰ পৰিকল্পনা**

সম্পাদনা সমিতি

**মুদ্ৰণ**

গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন

মিলনপুৰ, নগাঁও (অসম)

# উচৰ্গা

কামপুৰ মহাবিদ্যালয় পৰিয়ালৰ হাতত...

**সৰ্বানন্দ সোণোৱাল**

সত্যমেৱ জয়তে

মুখ্যমন্ত্ৰী, অসম
গুৱাহাটী

দিছপুৰ
২১-১২-২০১৯



## শুভেচ্ছাবাণী

নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত কামপুৰ মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ আলোচনীখন প্ৰকাশৰ বাবে যো-জা চলোৱা হৈছে বুলি জানিবলৈ পাই মই সুখী হৈছো।

সমাজ এখনক আলোকৰ বাটেৰে আগুৱাই নিয়াৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা অপৰিসীম। শক্তিশালী সামাজিক স্তৰ নিৰূপণ আৰু বিকাশৰ গতি ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত শিক্ষাই সদায়ে শক্তিশালী পৰিকাঠামো নিৰ্মাণ কৰে। শিক্ষাই মানুহৰ বিবেকক স্পৰ্শ কৰি জ্ঞানৰ বাটেৰে আগুৱাই যোৱাৰ বাবে পৰিৱেশ নিৰ্মাণ কৰাৰ লগতে সৃজনীশীল চিন্তাধাৰাৰ উন্মেষত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এই ক্ষেত্ৰত শিক্ষানুষ্ঠান সমূহে বিদ্যাৰ্থীসকলক গুণগত শিক্ষা প্ৰদানেৰে প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ়ি তোলাৰ দিশত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে। কামপুৰ মহাবিদ্যালয়ে ইয়াৰ জন্মলগ্নৰে পৰা শিক্ষাৰ উৎকৰ্ষ সাধনৰ বাবে নিৰলস প্ৰয়াস চলাই অহাটো আশাপ্ৰদ দিশ। শিক্ষানুষ্ঠানৰ বাৰ্ষিক আলোচনী এখনে শিক্ষাৰ্থী সকলক জ্ঞান আহৰণৰ সুযোগ প্ৰদান কৰাৰ উপৰি বৌদ্ধিক চেতনাবোধ জাগ্ৰত কৰাৰ দিশত ইতিবাচক ভূমিকা গ্ৰহণ কৰে। কামপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখনে শৈক্ষিক বাতাবৰণ গঢ়ি তোলাৰ ক্ষেত্ৰত অধিক উৎকৰ্ষিত মনোভাৱেৰে আগবঢ়াৰ দিশত সংশ্লিষ্ট সকলোকে অধিক প্ৰেৰণা যোগাব বুলি আশা কৰিলো।

মই কামপুৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশৰ কামনা কৰাৰ লগতে মুখপত্ৰখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলো।

(সৰ্বানন্দ সোণোৱাল)

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য
**Siddhartha Bhattacharya,** MA, LLB
**Cabinet Minister**
Department of Education
Guwahati Development Department
Department of Law and Justice
Government of Assam

सत्यमेव जयते

Block-D, 4th Floor,
Assam Secretariat, Dispur
Guwahati-781006, Assam
Tel. No. 0361-2237267
Mobile No. 94350-10789
e-mail : siddharthabhatta@gmail.com
ministeredu26@mail.com



## শুভেচ্ছাবাণী

কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাই প্ৰতি বছৰৰ দৰে এই বছৰো মহাবিদ্যালয় আলোচনীখন প্ৰকাশৰ দিহা কৰিছে বুলি জানিবলৈ পাই মই নথৈ আনন্দিত হৈছো।

নগাঁও জিলাৰ এখন অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে কামপুৰ মহাবিদ্যালয়ে ১৯৬৮ চনৰ পৰা অঞ্চলটোৰ লগতে ওচৰ চুবুৰীয়া বহু অঞ্চল সামৰি শিক্ষাৰ প্ৰসাৰণৰ ক্ষেত্ৰত এক উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। শৈক্ষিক, সামাজিক, সাংস্কৃতিক আদি সকলো দিশতে সেৱা আগবঢ়াব পৰাকৈ মানৱ সম্পদ গঢ় দি মহাবিদ্যালয়খনে সামাজিক উত্তৰণতো অৰিহণা যোগাইছে। সাহিত্য চৰ্চাৰ পৰিৱেশ গঢ়ি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মানসিক, বৌদ্ধিক উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত মহাবিদ্যালয় আলোচনীসমূহ অন্যতম। এই ক্ষেত্ৰত কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ উদ্যোগত প্ৰকাশ পাবলগীয়া আলোচনীখনেও সাহিত্য চৰ্চাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলক আকৰ্ষিত কৰাৰ লগতে মৌলিক চিন্তা-চৰ্চা আৰু সৃজনীমূলক প্ৰতিভা বিকাশত অৰিহণা যোগাব।

মহাবিদ্যালয় আলোচনীখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশিত হওঁক তাৰে কামনা কৰিলো।

(সিদ্ধাৰ্থ ভট্টাচাৰ্য্য)

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Prof. Pratap Jyoti Handique**
**Vice-Chancellor**
Phone : +91-361-2570412(O); 2570408 (R)
Fax : +91-361-2675515
E-mail ID : vc@gauhati.ac.in
pjhandique@rediffmail.com



# MESSAGE

I am happy to learn that Kampur College, Nagaon is going to publish its Annual College Magazine for the session 2018-19 very soon. College Magazine is a strong medium for the constituent members of a college for an intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I hope that the said publication will be richly endowed with contributions from both the students and teaching community and will make interesting reading. I wish all success in the effort and hope the Magazine will be well accepted by the readers.

P. J. Handique

Date : 23.12.2019

**( P. J. Handique )**

**Address :** Gopinath Bardoloi Nagar
Jalukbari, Guwahati-781014
Assam, India

**Phone :** 0361 2570412

**Web :** www.gauhati.ac.in



## অধ্যক্ষৰ একলম

মহাবিদ্যালয়ৰ আলোচনী এখন ছাত্র-ছাত্রীসকলৰ বাবে বৌদ্ধিক বিকাশৰ একমাত্র মাধ্যম। কামপুৰ মহাবিদ্যালয়ৰ বিভাগীয় প্রতিযোগিতামূলক 'প্রাচীৰ পত্রিকা' সমূহেও আলোচনীখন প্রকাশ কৰাত বিশেষ অৰিহণা আগবঢ়াইছে। মহাবিদ্যালয়ৰ শিক্ষকবৃন্দৰ উৎসাহ-উদ্দীপনাত ছাত্র-ছাত্রীসকলে প্রতি বছৰে ভৱিষ্যতেও একোখনকৈ সর্বাংগ সুন্দৰ আলোচনী প্রকাশৰ বাট মুকলি কৰি ৰাখিব বুলি কামনা কৰিলো। ছাত্র-ছাত্রীসকলৰ সাহিত্য সৃষ্টিৰ বাবে বৌদ্ধিক বিকাশৰ সাধনা অটুট থাকক।

**ড° হৰেকৃষ্ণ দেৱ শৰ্মা**
অধ্যক্ষ
কামপুৰ মহাবিদ্যালয়, নগাঁও



# তত্ত্বাৱধায়কৰ একলম

কামপুৰ মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ বাৰ্ষিক আলোচনীখনৰ তত্ত্বাৱধায়কৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই আলোচনী প্ৰকাশৰ ক্ষেত্ৰত কিছু বাধাৰ সন্মুখীন হ'ব লগা হয়। ইয়াৰ প্ৰধান কাৰণ হ'ল ছাত্ৰ-ছাত্ৰীৰ লেখনিৰ অভাৱ। আলোচনীৰ কাৰণে সম্পাদিকাই কেইবাবাৰো ছাত্ৰ-ছাত্ৰীসকলক লেখনিৰ আহ্বান জনোৱাৰ পিছতো পৰ্যাপ্ত লেখনি নোপোৱাটো অতি দুৰ্ভাগ্যজনক। ই ছাত্ৰ-ছাত্ৰীৰ কাৰণে অশুভ লক্ষণ। বৰ্তমানেও আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য চৰ্চাৰ পূৰ্ঠ পৰিৱেশ এটি গঢ় লৈ উঠা নাই। তথাপি সংগৃহীত লেখনি আৰু বিভাগসমূহৰ প্ৰাচীৰ পত্ৰিকাৰ পৰাই নিৰ্বাচন কৰি আলোচনীখনৰ বাস্তৱ ৰূপ দিবলৈ প্ৰয়াস কৰাৰ লগতে ৰুচিশীল কৰিবলৈ চেষ্টা কৰা হৈছে। এই ছেগতে ছাত্ৰ-ছাত্ৰীসকললৈ এটি বিনম্ৰ আহ্বান ভৱিষ্যতলৈ সৃষ্টিশীল সাহিত্য কৰ্মৰাজীৰে নিজৰ প্ৰতিভাক উদ্ভাষিত কৰিবলৈ যত্ন কৰিব লাগে আৰু সাহিত্যৰ প্ৰতি সদায় আগ্ৰহী হোৱা উচিত। কাৰণ আলোচনীখন হৈছে নিজস্ব ভাৱ অনুভূতি, মতাদৰ্শ আদি প্ৰকাশ কৰিব পৰা এটি মাধ্যম। মহাবিদ্যালয় আলোচনী একোখনে ছাত্ৰ-ছাত্ৰী তথা যুৱ প্ৰজন্মক উন্নত সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত উৎসাহ, অনুপ্ৰেৰণা যোগায়। সাহিত্যৰ সাধাৰণ উদ্দেশ্য হৈছে অলৌকিক আনন্দ দান কৰা। মনীষীসকলৰ মতে সাহিত্য জীৱনৰ নিৰ্মোহ বিশ্লেষণ আৰু ব্যক্তিগত অভিজ্ঞতাই সাহিত্যৰ ধৰণী স্বৰূপ (Personal Experience is the basis of all real Literature)। গতিকে আলোচনীখনৰ উদ্দেশ্য হৈছে— ছাত্ৰ-ছাত্ৰীসকলৰ গুণগত মানদণ্ডৰ সাহিত্যৰে এক ভেটি নিৰ্মাণ কৰি মানসিক, বৌদ্ধিক বিকাশ লাভ কৰা।

আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত আৰম্ভণিৰ পৰা শেষলৈকে সহায়-সহযোগিতা তথা দিহা-পৰামৰ্শ আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় শ্ৰদ্ধাৰ ড° হৰেকৃষ্ণ দেৱ শৰ্মা ছাৰ, শৈক্ষিক বিষয়া তথা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মিনি দেৱী বাইদেউ, ভূগোল বিভাগৰ সহকাৰী অধ্যাপিকা ৰিজু লস্কৰ বাইদেউৰ লগতে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া তথা সকলো শুভাকাংক্ষীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। সম্প্ৰতি গোটেই বিশ্বত কৰ'ণা মহামাৰী দুৰ্যোগৰ মাজতো কম সময়ৰ ভিতৰত আলোচনীখন প্ৰকাশ কৰি উলিয়াই দিয়া বাবে গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যনৰ স্বত্বাধিকাৰী শ্ৰীযুত কংকন গোস্বামী ডাঙৰীয়াৰ লগতে সমূহ কৰ্মকৰ্তালৈ এই সুযোগতে আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনালো।

শেষত ১৯৬৮ চনতে প্ৰতিষ্ঠা হোৱা নগাঁও জিলাৰ দক্ষিণ-পশ্চিম অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান কামপুৰ মহাবিদ্যালয়ে আৰু এক পৰিৱৰ্তনৰ দিশে আগবাঢ়ক। ৰাজ্যখনৰ ভিতৰতে উচ্চ শিক্ষাৰ এক অগ্ৰণী অনুষ্ঠান হিচাপে গঢ় লৈ উঠক। মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উত্তৰোত্তৰ কামনা কৰি অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

**ড° কুশল টাইদ**

তত্ত্বাৱধায়ক, আলোচনী বিভাগ



# সম্পাদকীয়

যিসকল মহান ব্যক্তিৰ ত্যাগৰ বিনিময়ত কামপুৰ মহাবিদ্যালয়ে গঢ় লৈ উঠিল, সৰ্বপ্ৰথমে মই তেখেতসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। লগতে কামপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো। ২০১৮-১৯ বৰ্ষৰ কামপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদিকা পদৰ বাবে মোক বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত কৰে। এই গধুৰ দায়িত্বভাৰ লৈয়ে বিগত দুটা বছৰে মহাবিদ্যালয়ৰ অপ্ৰকাশিত আলোচনীখনৰ প্ৰকাশৰ প্ৰয়াস কৰোঁ।

সাহিত্য হ'ল এখন সমাজৰ দাপোণ স্বৰূপ। সাহিত্যত সমাজৰ সকলো দিশ প্ৰতিবিম্বিত হোৱাৰ দৰে একোখন আলোচনীতো শিক্ষানুষ্ঠান এখনৰ সমগ্ৰ প্ৰতিচ্ছবি প্ৰতিফলিত হয়। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক তথা মানসিক বিকাশৰ ভেটি নিৰ্মাণ কৰি তেওঁলোকৰ সৰ্বাংগীন বিকাশৰ পথ সুচনা কৰাই হৈছে আলোচনী এখনৰ প্ৰধান উদ্দেশ্য।

এই আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত যিসকলে বিভিন্ন লেখাৰে আলোচনীখন সমৃদ্ধ কৰিলে তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। লগতে বিভিন্ন দিহা-পৰামৰ্শেৰে আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক এই ছেগতে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আলোচনীখনৰ তত্ত্বাৱধায়কৰ গুৰু দায়িত্বত থকা অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° কুশল টাইদ ছাৰৰ নেৰা-নেপেৰা প্ৰচেষ্টা তথা সহায়-সহযোগিতা অবিহনে আলোচনীখন প্ৰকাশ কৰাটো সম্ভৱ হৈ নুঠিলহেঁতেন। গতিকে ছাৰৰ ওচৰত মই সদায় ঋণী। তদুপৰি আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সকলো দিশতে সহায়-সহযোগিতা আগবঢ়োৱা সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যাৰ লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়ালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সৰ্বশেষত আলোচনীখনত জ্ঞাতে-অজ্ঞাতে ৰৈ যোৱা ভুলৰ বাবে আপোনাসবৰ ওচৰত ক্ষমা ভিক্ষা মাগিলো।

জয়তু কামপুৰ মহাবিদ্যালয়।

ধন্যবাদেৰে —

**লোনামণি বৰা**

আলোচনী সম্পাদিকা

# সূচীপত্ৰ


■ **প্ৰবন্ধ শিতান**

- ভাৰতীয় আৰ্যভাষাৰ মূল আৰু অসমীয়া ভাষাৰ জন্ম আৰু বিকাশ ● **মিনি দেৱী**।। ১৫
- পৰীক্ষা ভীতি ● **নমিতা বৰঠাকুৰ**।। ১৯
- বিহংগম দৃষ্টিত ব্ৰহ্মপুত্ৰ নদী ● **ৰিজু লস্কৰ**।। ২১
- বিশ্বায়ন আৰু ভাৰতীয় মহিলা ● **পাৰুল ভূঞা**।। ২৫
- 'মে-ডাম্-মে-ফি' উৎসৱ আৰু ইয়াৰ প্ৰাসংগিকতা ● **ড° মণ্টু চেতিয়া**।। ২৮
- ৰবীন্দ্ৰনাথ ঠাকুৰৰ সাহিত্যত সমন্বয় চিন্তা ● **ড° কুশল টাইদ**।। ৩১
- বৰ্তমান সমাজ আৰু ধৰ্ম ● **পান্নালাল পুৰকায়স্থ**।। ৩৪
- এখন ঐতিহ্যমণ্ডিত নগৰ 'তেজপুৰ' ● **লোনামণি বৰা**।। ৩৬
- কামপুৰৰ মৃৎশিল্প ● **ডনা দাস**।। ৩৮
- স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকাল ঃ এক ঐতিহাসিক মূল্যায়ন ● **দৰ্শনা দলৈ**।। ৪২
- জৈৱ বৈচিত্ৰ্যৰ প্ৰয়োজনীয়তা ● **বৰ্ণালী বৰা**।। ৪৬
- বৰক'লাৰ অসমীয়া শিখসকল ● **লোহিত লস্কৰ**।। ৪৮
- লিওনাৰ্ডো-ডা-ভিঞ্চি ● **ভনিতা বৰা**।। ৫১
- সাম্প্ৰতিক সময়ত যুৱ উচ্ছৃংখলতা ● **ৰক্তিম শইকীয়া**।। ৫২
- ছাত্ৰ ৰাজনীতি আৰু ইয়াৰ প্ৰাসংগিকতা ● **পংকজ বৰা**।। ৫৪
- সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা ● **দেৱশ্ৰী শইকীয়া**।। ৫৬
- বৃন্দাবনী বস্ত্ৰ ● **পাৰ্থ প্ৰতীম বৰা**।। ৫৮
- মহিলা সবলীকৰণ আৰু সমাজ উন্নয়নত মহিলাৰ ভূমিকা ● **কংকনা লস্কৰ**।। ৫৯
- ড্ৰাগছ ঃ এক সামাজিক ব্যাধি ● **প্ৰিয়ংকা বৰা**।। ৬০
- অসমৰ টাই ফাকে বা ফাকিয়ালসকল ● **পূজা ভূঞা**।। ৬১
- গুণোৎসৱ আৰু প্ৰাথমিক শিক্ষাৰ ভৱিষ্যৎ ● **পৰিমিতা লস্কৰ**।। ৬২
- সময়ৰ সদ্ব্যৱহাৰ ● **কাকলি দেৱী**।। ৬৩
- অসম চুক্তি ● **গীতাঞ্জলী বৰা**।। ৬৪
- মোৰ দৃষ্টিত কামপুৰ মহাবিদ্যালয় ● **পল্লৱী লস্কৰ**।। ৬৫

■ **গল্প শিতান**

- আকাশৰ ছাঁ ● **ঝৰ্ণা বৰা**।। ৬৯
- প্ৰতিদান ● **নিকুমণি লস্কৰ**।। ৭২
- কাল ধুমুহা ● **মামুন লস্কৰ**।। ৭৪
- এমুঠি জোনাকৰ সন্ধানত ● **দেৱশ্ৰী শইকীয়া**।। ৭৫
- টেলিফোন ● **শংকৰজ্যোতি বৰুৱা**।। ৭৬
- ৰঙীণ মুখত ক'লা দাগ ● **মনোৰঞ্জন পাটৰ**।। ৭৭
- উপলব্ধি ● **প্ৰতীক্ষা ভট্টাচাৰ্য**।। ৭৮

■ **কবিতা শিতান**

- তাই (মোৰ সহকৰ্মী) ● **পূৰ্ণানন্দ নাথ**।। ৮১
- অক্লান্ত পথিক ● **পদুম কাকতি**।। ৮২
- দেউতা ● **ড° নিৰঞ্জন ঠেঙাল**।। ৮২
- নুবুজাকৈ ● **অতনু বৰা**।। ৮৩

- ✦ বন্ধু ● **হিমাক্ষী দেৱী**।। ৮৩
- ✦ পোচাকৰ যৌৱন ● **শান্তিৰাম লস্কৰ**।। ৮৪
- ✦ মাতৃ ● **বৰ্ণালী শৰ্মা**।। ৮৪
- ✦ অপৰাজেয় ● **বক্তিম শইকীয়া**।। ৮৫
- ✦ ল'ৰালি ● **পৰিস্মীতা ভৰালী**।। ৮৫
- ✦ আশাৰ কঠিয়া ● **নিজৰা হীৰা**।। ৮৬
- ✦ কৃষক ● **কাজু শইকীয়া**।। ৮৬
- ✦ চকুলো ● **ৰিয়া দে**।। ৮৭
- ✦ অনামিকা ● **শঙ্কৰজ্যোতি বৰুৱা**।। ৮৭
- ✦ অপূৰ্ণ ● **মহিদুল ইছলাম**।। ৮৮
- ✦ সপোন ভগাৰ সপোন ● **মানসজ্যোতি শইকীয়া**।। ৮৯
- ✦ শান্তি বিচাৰি ● **বিংকী বৰদলৈ**।। ৮৯
- ✦ প্ৰতীক্ষা ● **কাকলি দেৱী**।। ৯০
- ✦ নাৰী তুমি দেৱী ● **মানসজ্যোতি সিংহ**।। ৯০

■ **English Section**

- ✦ Selflessness : The Foundation of Leadership ● **Deep Kalita**।। ৯৩
- ✦ Professional Ethics of Teacher ● **Dr. Niranjan Thengal**।। ৯৫
- ✦ The role of Library in developing the society ● **Deepamoni Das**।। ৯৯
- ✦ Mobile Games: The Modern Addiction ● **Elizabeth L Thiek**।। ১০১
- ✦ Life Skills-Based Education in 21st Century ● **Rubi Dutta**।। ১০৪
- ✦ Climate Change ● **Bikeson Hanse**।। ১০৭
- ✦ Impact of Tourism in Indian Economy ● **Priti Kar**।। ১০৯
- ✦ Does Sophisticated Military Technology Make us Safer ● **Mahidul Islam**।। ১১০
- ✦ An Agreement with Life ● **Mahidul Islam**।। ১১১
- ✦ Some Important Articles of Indian Constitution ● **Hirock Jyoti Dey**।। ১১২
- ✦ Quiz ● **Suchitra Roy**।। ১১২

■ **हिन्दी विभाग**

- ✦ अम्बिकागिरि रायचौधुरी का समन्वयवादी दृष्टिकोण ● **प्रशांत लस्कर**।। ১১৫
- ✦ शिल्पी और सृष्टि ● **भूपेन चन्द्र शर्मा**।। ১১৭
- ✦ १ मलिक मुहम्मद जायसी के जीवन वृत्त ● **विप्लव मंडल**।। ১১৯
- ✦ स्वज्ञान गीत ● **भूपेन चन्द्र शर्मा**।। ১২৪
- ✦ प्रकृति ● **निकीता बरा**।। ১২৫
- ✦ मेरा भारत ● **भनिता बरा**।। ১২৬

- ■ ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন।। ১২৯
- ■ সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন।। ১৩০
- ■ সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন।। ১৩১
- ■ গুৰু ক্ৰীড়া সম্পাদকৰ প্ৰতিবেদন।। ১৩২
- ■ লঘু ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন।। ১৩৩
- ■ The Secretary of Debate and Symposium।। ১৩৪
- ■ Report of the Literary and Fine Arts Secretary।। ১৩৫
- ■ ২০১৮-১৯ বৰ্ষৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ প্ৰতিযোগিতাসমূহৰ ফলাফল।। ১৩৬
- ■ ২০১৮-১৯ বৰ্ষৰ কামপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা।। ১৩৯
- ■ প্ৰকাশিত আলোচনীসমূহৰ সম্পাদক আৰু তত্বাৱধায়কসকলৰ তালিকা।। ১৪০

# প্রবন্ধ শিতান

# ভাৰতীয় আৰ্যভাষাৰ মূল আৰু অসমীয়া ভাষাৰ জন্ম আৰু বিকাশ

**মিনি দেৱী**, সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

ভাষা মানৱ সমাজৰ অত্যাৱশ্যকীয় সম্পদ। আদিম কালত মানুহে প্ৰকৃতিৰ লগত সংগতি স্থাপন কৰি জীৱন নিৰ্বাহ কৰিছিল। প্ৰাকৃতিক পৰিৱেশত কিবা অসুবিধা বা সমস্যাৰ সন্মুখীন হ'লেই এখন ঠাইৰ পৰা আন এখন ঠাইলৈ ঢাপলি মেলিছিল। সেয়ে আদিম কালত মানুহে যাযাবৰী জীৱন যাপন কৰিব লগা হৈছিল। সময়ত জনসংখ্যা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰাত তেওঁলোকৰ মাজতেই সংঘাত আৰম্ভ হয় আৰু সংঘৰ্ষৰ পৰিণতিত কেবাটাও দল বা ফৈদত বিভক্ত হৈ বিচ্ছিন্ন হৈ পৰে। পৰৱৰ্তী সময়ত এই দল বা ফৈদ বিলাকে নিজৰ সুবিধা অনুযায়ী পৃথিৱীৰ বিভিন্ন স্থানত স্থায়ীৰূপে থাকিবলৈ লোৱাত একোখনকৈ সুকীয়া সমাজৰ সৃষ্টি হয়।

মানৱ সমাজ য'তেই নাথাকক কিয়, দৈনন্দিন কাৰ্যৰ অপৰিহাৰ্য অংগ স্বৰূপ ভাষাটোও বিশেষভাৱে যোগাযোগৰ মাধ্যমৰূপে সমাজখনত প্ৰচলিত হৈ আছিল। গতিকে পৃথিৱীৰ বিভিন্ন স্থানত থকা বা বসবাস কৰা অঞ্চলত ভাষাৰ মাজত থকা তাৰতম্য বিশেষভাৱে লক্ষণীয়। ইতিহাসৰ পম খেদি গ'লে ৰাজকীয় শাসন ব্যৱস্থাৰ ক্ষেত্ৰত যুদ্ধ-বিগ্ৰহেৰে আধিপত্য স্থাপন কৰাৰ ফলত সেই ঠাইৰ ভাষাৰ মাজতো বিশেষ বিশেষ নতুন নতুন লক্ষণ পৰিলক্ষিত হোৱা দেখা যায়। কিয়নো ভাষাক কেতিয়াও একেটা ৰূপতে ধৰি ৰাখিব নোৱাৰি। ভাষা হৈছে পৰিৱেশৰ দাস। নদীৰ বোঁৱতী ধাৰাৰ দৰে ভাষায়েও বিভিন্ন ৰূপ পৰিগ্ৰহণ কৰি আহি আজি পৃথিৱীত অসংখ্য ভাষাৰ প্ৰচলন হৈ আছে। পৃথিৱীত বসবাস কৰি থকা সমাজসমূহত এখন সমাজে আন এখন সমাজত প্ৰচলিত হৈ থকা ভাষা বুজি নাপায়। কিন্তু ভাষা বৈজ্ঞানিক সকলে ভাষাৰ বাহ্যিক আৰু আভ্যন্তৰীন দিশ বিজ্ঞানসন্মত পদ্ধতিৰে অধ্যয়ন কৰি পৃথিৱীৰ ভাষাসমূহক কেবাটাও গোষ্ঠীত বিভক্ত কৰি একো একোটা পৰিয়ালৰ অন্তৰ্ভুক্ত কৰি দেখুৱাই দিবলৈ সক্ষম হৈছে।

পৃথিৱীৰ ভাষাসমূহৰ ভিতৰত যিবোৰ ভাষাৰ প্ৰাচীনতম নিদৰ্শন বা ৰচনা পোৱা গৈছে, সেইবিলাক ৰচনা বা নিদৰ্শন থকা ভাষাৰ ৰূপগত, ধ্বনিগত আৰু শব্দগত দিশবোৰ বিজ্ঞানসন্মত পদ্ধতিৰে অধ্যয়ন কৰি ভাষাতাত্ত্বিকসকলে পুংখানুপুংখভাৱে চালিজাৰি চাই পৃথিৱীৰ ভাষাসমূহৰ মূলতঃ আঠটা পৰিয়াল বুলি সিদ্ধান্তত উপনীত হৈছে। পৃথিৱীৰ ভাষা পৰিয়াল কেইটাক একো একোটা ভাষাগোষ্ঠীত পৰিণত কৰা। এই আঠোটা ভাষাগোষ্ঠী কেইটা হ'ল —

১। ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল (Indo-European)
২। ছেমীয়-হেমীয় পৰিয়াল (Semito-Hamitic)
৩। দ্ৰাবিড়ীয় পৰিয়াল (Dravidian)
৪। অষ্ট্ৰিক ভাষা পৰিয়াল (Austric)
৫। তিব্বত-চীনীয় পৰিয়াল (Tibeto-Chinese)
৬। উৰাল-আলটাই পৰিয়াল (Ural-Altaic)
৭। ককেছীয় পৰিয়াল (Caucasian)
৮। এস্কিমো পৰিয়াল (Eskimo)

উক্ত পৰিয়াল বা ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত ভাষাবোৰৰ উপৰিও পৃথিৱীত আৰু বহুতো ভাষাৰ প্ৰচলন আছে। এই প্ৰচলিত ভাষাবোৰক কোনো ভাষাগোষ্ঠীৰ ভাষাসমূহৰ লগত বিজ্ঞানসন্মত অধ্যয়নেৰে গোট খুৱাই পৰিয়ালৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰি বাবে সেইবোৰ ভাষাক অবৰ্গীকৃত ভাষা বুলি কোৱা হৈছে।

ভাষাতাত্ত্বিক সকলে নিৰূপণ কৰা ভাষা গোষ্ঠীকেইটাৰ ভিতৰত পৃথিৱীৰ সৰ্ববৃহৎ ভাষাগোষ্ঠীটো হ'ল— 'ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠী'। এই ভাষাগোষ্ঠীৰ মহত্ত্ব আৰু গৌৰৱৰ

কাৰণ কেৰাটাও দিশেৰে চালিজাৰি চাব পাৰি। জনসংখ্যা, বিজ্ঞানৰ ন ন আৱিষ্কাৰ, সাহিত্য সৃষ্টি, ভাষাতত্ত্বৰ চৰ্চা, ধৰ্মীয় দিশ, ভাষিক অৱদান ইত্যাদি সকলো দিশৰ পৰা এই ভাষাগোষ্ঠীটোৱে প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। আমাৰ ভাৰতবাসীৰ বাবে বৰ গৌৰৱৰ বিষয় এইটোৱে যে ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত ভাষাত সৰ্বপ্ৰথম সাহিত্য ভাৰতবৰ্ষতেই ৰচনা কৰা হৈছে। খৃঃপূঃ ১৫০০ তেই ভাৰতীয় আৰ্যসকলে ঋক্‌বেদ ৰচনা কৰি কৃতিত্বৰ অলংকাৰ পিন্ধি চিৰদিনলৈ গৌৰৱ আৰু মহত্ত্বৰ স্থান দখল কৰি যুগমীয়া হৈ জিলিকাই ৰাখিছে। থমাচ্ য়ুঙ্ নামৰ প্ৰখ্যাত ভাষাতাত্বিক গৰাকীয়ে 'ইণ্ডো-ইউৰোপীয়' নামটো নামকৰণ কৰিছিল। প্ৰাচ্য পণ্ডিত মেক্সমুলাৰ আকৌ এই ভাষাগোষ্ঠীক 'আৰ্য' বুলি নামকৰণ কৰিছিল। প্ৰকৃততে এই ভাষাগোষ্ঠীৰ লোক ইউৰোপৰ পৰা ভাৰতবৰ্ষলৈকে বিস্তাৰিত হৈ বসবাস কৰা বাবে বা ভাষাৰ প্ৰসাৰতা সুদূৰ প্ৰসাৰী হোৱা বাবেই 'ইণ্ডো-ইউৰোপীয়' ভাষাগোষ্ঠী বুলি নামকৰণ কৰা হৈছে। তাৰোপৰি এই গোষ্ঠীৰ আদিম বাসস্থান সম্বন্ধেও বিভিন্ন পণ্ডিতে বিভিন্ন মতবাদ পোষণ কৰিলেও সৰহ সংখ্যক পণ্ডিতে দক্ষিণ ৰাছিয়াৰ ইউৰেছীয় অঞ্চলকে আদিম বাসস্থান হিচাপে সমৰ্থন কৰিছে। পিচত এচিয়া মহাদেশলৈ প্ৰসাৰিত হৈ ভাৰতবৰ্ষতো 'ভাৰতীয় আৰ্য' হিচাপে প্ৰতিষ্ঠিত হৈছে।

'ইণ্ডো-ইউৰোপীয়' ভাষাগোষ্ঠীৰ মুঠ শাখা ন-টা। এই শাখা কেইটা হ'ল—

১। কেলটীয় (Celtic)
২। ইটালীয় (Italic)
৩। জাৰ্মানীয় বা টিউটনীয় (Germanic or Teutonic)
৪। গ্ৰীক (Greek)
৫। টোখাৰীয় (Tokharian)
৬। বাল্টো স্লাবীয় (Balto-Slavic)
৭। আলবানীয় (Albanian)
৮। আৰ্মেনীয় (Armenian)
৯। ইণ্ডো-ইৰাণীয় বা আৰ্য (Indo-Aryan or Aryan)

এই শাখাসমূহক লৈ ১৮৭০ খৃষ্টাব্দত এছকোলি নামৰ ভাষাতাত্বিক গৰাকীয়ে পশ্চিমফালৰ শাখাক 'কেন্তম্' আৰু পুবফালৰ শাখাক 'সতম্' বুলি দুটা প্ৰধান ভাগত ভাগ কৰি দেখুৱাইছে। ভাষাৰ ক্ষেত্ৰত এটা লক্ষণীয় দিশ হ'ল যে ভাষা এটা কেতিয়াবা সুদূৰ প্ৰসাৰী হৈ বিকাশ লাভ কৰিব পাৰে আৰু কেতিয়াবা ভাষা এটা মৃত্যুমুখতো পৰিব পাৰে। 'ইণ্ডো-ইউৰোপীয়' ভাষাগোষ্ঠীৰ অন্তৰ্গত 'টোখাৰীয়' শাখাৰ ভাষাসমূহ অধুনা লুপ্ত বা মৃত্যুমুখত পৰিছে। গতিকে 'কেন্তম্' শাখাৰ অন্তৰ্গত ভাষা হ'ল— কেলটীয়, ইটালীয়, জাৰ্মানীয়, গ্ৰীক ভাষা। আনহাতে 'সতম্' শাখাৰ অন্তৰ্গত ভাষা হ'ল— বাল্টো-স্লাবীয়, আলবানীয়, আৰ্মেনীয় আৰু ইণ্ডো-ইৰাণীয় বা 'আৰ্য'। 'ইণ্ডো-ইৰাণীয় বা আৰ্য' শাখাৰ প্ৰধান উপশাখা তিনিটা।

১। ইৰাণীয় আৰ্য
২। দৰদীয় আৰ্য
৩। ভাৰতীয় আৰ্য।

খৃঃপূঃ ১৫০০ শতাব্দীতেই ইৰাণৰ পৰা এটা দল বা ফৈদ আহি ভাৰতত প্ৰবেশ কৰা বাবে ফৈদ বা দলটোৱে 'ভাৰতীয় আৰ্য' ভাষা হিচাপে স্বীকৃত হয়। ভাৰতীয় আৰ্যভাষা ভাৰতত প্ৰবেশ কৰাৰ পূৰ্বতে অষ্ট্ৰিক ভাষাগোষ্ঠী, দ্ৰাবিড় ভাষাগোষ্ঠী আৰু তিৰ্ব্বত-বৰ্মী ভাষাগোষ্ঠীৰ লোকে বসবাস কৰি আছিল। কিন্তু ভাৰতীয় আৰ্যভাষী লোকসকল পৰাক্ৰমী, শিক্ষিত, বুদ্ধিমান আৰু কৰ্মপটু আছিল। তেওঁলোকে অষ্ট্ৰিক, দ্ৰাবিড় গোষ্ঠীৰ লোকসকলক খেদি পঠিয়াই পাঞ্জাৱত খোপনি পুতি পৰৱৰ্তী সময়ত মধ্যভাৰতলৈ বিস্তৃতি লাভ কৰে আৰু নিজৰ সভ্যতা, সাহিত্য আৰু সংস্কৃতি ভাৰতত প্ৰতিষ্ঠা কৰে। উত্তৰ আৰু পুব ভাৰত পৰ্যন্ত নিজৰ দখললৈ আনি নিজৰ ভাষাটোক ভাৰতত প্ৰতিষ্ঠা কৰে। ভাৰতীয় আৰ্য ভাষাৰ মূল ভাষা সংস্কৃত। ভাষা আৰু সাহিত্যৰ দৃষ্টিকোণেৰে চালে ভাৰতীয় আৰ্যভাষাক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি।

১। প্ৰাচীন ভাৰতীয় আৰ্যভাষা ঃ (খৃঃপূঃ ১৫০০- খৃঃপূঃ ৬০০ শতিকা)
২। মধ্য ভাৰতীয় আৰ্যভাষা ঃ (খৃঃপূঃ ৬০০ - ৯৫০ খৃষ্টাব্দলৈ)
৩। নব্য ভাৰতীয় আৰ্যভাষা ঃ (৯৫০ খৃষ্টাব্দৰ পৰা বৰ্তমানলৈকে)

প্ৰাচীন ভাৰতীয় আৰ্যভাষা স্তৰত শিক্ষিত আৰু পুৰোহিত শ্ৰেণীৰ লোকসকলে বেদ, ব্ৰাহ্মণ, উপনিষদ, আৰণ্যক আদি সাহিত্য ৰচনা কৰিছিল। এই সাহিত্যৰাজিৰ ভাষাক বৈদিক সংস্কৃত বুলি কোৱা হয়। আনহাতে জনসাধাৰণৰ মুখত প্ৰচলিত সংস্কৃত ভাষাত ৰামায়ণ, মহাভাৰতৰ দৰে মহাকাব্য ৰচনা কৰা হৈছিল। গতিকে জনসাধাৰণৰ ভাষাত ৰচনা কৰা বাবে ভাষাটোৰ নাম আছিল লৌকিক সংস্কৃত। অৰ্থাৎ প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰত বৈদিক সংস্কৃত আৰু লৌকিক সংস্কৃতত ৰচনা কৰা সাহিত্যৰাজিৰ নিদৰ্শনে আমাক স্পষ্ট প্ৰমাণ দাঙি ধৰিব পাৰিছে।

মধ্য ভাৰতীয় আৰ্যভাষা ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰ। খৃঃপূঃ ৬০০ শতাব্দীৰ পৰা ৯৫০ খৃষ্টাব্দ বা দশম শতিকালৈকে মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ হিচাপে নিৰ্ণীত হৈছে। মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰত আকৌ তিনিটা স্তৰ পোৱা যায়। সেই স্তৰকেইটা হ'ল—

১। পালি স্তৰ— (খৃঃপূঃ ৬০০ শতাব্দীৰ পৰা খৃষ্ট জন্মলৈকে)
২। প্ৰাকৃত স্তৰ ঃ (খৃষ্ট জন্মৰ পৰা ৬০০ খৃষ্টাব্দলৈকে)

৩। অপভ্ৰংশ স্তৰ ঃ (৬০০ খৃঃৰ পৰা ৯৫০ খৃঃ বা দশম শতিকালৈকে)

পালি স্তৰত বৌদ্ধধৰ্মক কেন্দ্ৰ কৰি লিখা সাহিত্যৰাজিয়ে হ'ল মূল নিদৰ্শন। পালিভাষাৰ উৎকৃষ্ট নিদৰ্শন হৈছে বৌদ্ধধৰ্মৰ মূল শাস্ত্ৰ 'ত্ৰিপিটক' গ্ৰন্থখন। তাৰোপৰি সহযানী বৌদ্ধসকলে ৰচনা কৰা সাহিত্য, অশোকৰ অনুশাসন আৰু শিলালিপি, অশোকে খোদিত কৰা বৌদ্ধ বাণীসমূহত প্ৰয়োগ কৰা ভাষাই এই স্তৰৰ নিদৰ্শন দাঙি ধৰে। দৰাচলতে পালি কোনো বিশেষ অঞ্চলৰ ভাষা নহয়। ভাৰতবৰ্ষত প্ৰচলিত পাঁচটা প্ৰাকৃতৰ সংমিশ্ৰণত গঢ় লৈ উঠা এটা মিশ্ৰভাষাই স্বাভাৱিক ৰূপ লোৱা বৌদ্ধধৰ্মীয় ভাষা।

প্ৰাকৃত স্তৰত ভাৰতবৰ্ষত পাঁচটা প্ৰাকৃত ভাষাৰ সাহিত্যিক নিদৰ্শন থকাৰ প্ৰমাণ পোৱা যায়। সাহিত্য ৰচনা নকৰালৈকে কোনো এটা ভাষাই কেতিয়াও মৰ্যাদা লাভ কৰিব নোৱাৰে। ভাৰতবৰ্ষত প্ৰচলিত মহাৰাষ্ট্ৰী প্ৰাকৃত, শৌৰসেনী প্ৰাকৃত, মাগধী প্ৰাকৃত, অৰ্দ্ধমাগধী প্ৰাকৃত আৰু পৈশাচী প্ৰাকৃতত বিভিন্ন সাহিত্যৰ সৃষ্টিয়ে প্ৰাকৃত ভাষাসমূহৰ মৰ্যাদা স্থায়িত্ব কৰিলে। এই প্ৰাকৃত ভাষাসমূহৰ ব্যৱহাৰ সংস্কৃত নাটকতো দেখা পোৱা যায়। প্ৰাকৃতৰ ভিতৰত শ্ৰেষ্ঠ প্ৰাকৃত হৈছে মহাৰাষ্ট্ৰী প্ৰাকৃত। যিয়েই নহওক কিয়, মূলতঃ প্ৰাকৃত সাহিত্য বুলিলে কথা-সাহিত্য, মহাকাব্য, গীতিকাব্য, নাট্য সাহিত্য, ধৰ্মীয় সাহিত্য, ধৰ্ম নিৰপেক্ষ সাহিত্য, অনেক ব্যাকৰণ ৰচনাই প্ৰাকৃত ভাষাক সমৃদ্ধিশালী কৰি তুলিছে।

অপভ্ৰংশ বা অৱহট্‌ঠ ভাষাৰ স্তৰ মধ্যভাৰতীয় আৰ্যভাষাৰ তৃতীয় স্তৰ। প্ৰতিটো প্ৰাকৃতৰ পৰাই এটাকৈ অপভ্ৰংশ স্তৰ পোৱা যায়। প্ৰতিটো প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা অপভ্ৰংশ বা অৱহট্‌ঠ স্তৰৰ বিভিন্ন শিতানৰ সাহিত্য সৃষ্টিয়ে এই স্তৰটোক উল্লেখযোগ্য স্তৰ হিচাপে চিহ্নিত কৰা হৈছে। বিশেষকৈ এই স্তৰৰ শ্ৰেষ্ঠ সাহিত্য হিচাপে বিদ্যাপতি ৰচিত 'কীৰ্ত্তিলতা' আৰু 'কীৰ্ত্তিপতাকা' নামৰ আখ্যান কাব্যই স্তৰটোক মহীয়ান কৰি তুলিবলৈ সক্ষম হৈছে।

ভাৰতীয় আৰ্যভাষাই দ্বিতীয় স্তৰ অতিক্ৰম কৰি তৃতীয় স্তৰত নব্য ভাৰতীয় আৰ্যভাষা স্থিতিয়ে ভাৰতবৰ্ষত বহুতো নতুন নতুন ভাষাৰ জন্ম দিছে। আধুনিক ভাৰতীয় আৰ্যভাষাৰ অন্যতম ভাষা এটা হৈছে আমাৰ অসমীয়া ভাষা। অসমীয়া ভাষা মূলতঃ আৰ্যভাষা। মাগধী প্ৰাকৃতৰ মাগধী অপভ্ৰংশৰ প্ৰাচ্য শাখাৰ পৰা অসমীয়া, বঙালী আৰু উৰিয়া ভাষাৰ জন্ম হোৱা বাবে এই তিনিটা ভাষাক ভগিনী ভাষা বুলিও কোৱা হয়। একে মূলৰ পৰা সৃষ্ট ভাষা বাবে তিনিওটা ভাষাৰ যথেষ্ট মিলো পোৱা যায়। কিন্তু পণ্ডিত সকলৰ মাজত অসমীয়া ভাষাৰ জন্ম সম্বন্ধে বিভিন্ন মতবাদৰ অন্তত মূলতঃ তিনিটা মতবাদ পোৱা যায়। সেই মতবাদ কেইটা হ'ল—

১। অসমীয়া ভাষাৰ জন্ম হৈছে মাগধী প্ৰাকৃতৰপৰা।
২। অসমীয়া ভাষাৰ জন্ম হৈছে কামৰূপী প্ৰাকৃতৰ পৰা।
৩। অসমীয়া ভাষাৰ জন্ম হৈছে প্ৰাচ্য আৰু পশ্চিমা প্ৰাকৃতৰ মিশ্ৰিত ৰূপৰ পৰা।

প্ৰথম মতবাদৰ পোষকতা কৰে গ্ৰীয়াৰ্চন, ড° বাণীকান্ত কাকতি, সুনীতি কুমাৰ চেটাৰ্জী আদি পণ্ডিতসকলে। দ্বিতীয় মতবাদৰ পোষকতা কৰে বেণীমাধৱ বৰুৱা, নাথান ব্ৰাউন, বিশ্বেশ্বৰ হাজৰিকাকে ধৰি আন কেবাগৰাকী পণ্ডিতে। তৃতীয় মতবাদৰ পোষকতা কৰে ডিম্বেশ্বৰ নেওগ, কালিৰাম মেধি, কলকলাল বৰুৱা আদি পণ্ডিত সকলে। অসমীয়া ভাষাৰ জন্মৰ আঁত বিচাৰি গ'লে আমি আৰু এটা উল্লেখযোগ্য দিশ পাওঁ। ৬৪৩ খৃঃত চীনা পৰিব্ৰাজক হিউৱেন চাঙে অসমৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ দিনত আহি মন্তব্য কৰিছিল— 'তেওঁলোকৰ (কামৰূপৰ) ভাষা মধ্য ভাৰতৰ ভাষাৰ পৰা সামান্য পৃথক'। হিউৱেন চাঙৰ মন্তব্যই অসমীয়া ভাষাৰ জন্মৰ ইতিহাসত এটা কথাই প্ৰতিপন্ন কৰে যে ৭ম শতিকাতেই অসমীয়া ভাষাই সুকীয়া ঠাঁচ গ্ৰহণ কৰিছিল। তাৰোপৰি অসমৰ ৰজাদিনীয়া তামৰফলি সমূহতো লিখা শব্দবোৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক দিশেৰে অধ্যয়ন কৰিলে অসমীয়া শব্দ বুলিয়েই থিৰাং কৰিব পাৰি। কিন্তু লিখিত সাহিত্য অবিহনে এটা ভাষাই স্বীকৃতি নাপায়।

অসমীয়া ভাষাৰ জন্মৰ প্ৰথম নিদৰ্শন থকা পুথি হ'ল চৰ্যাপদ। চৰ্যাপদৰ বিষয়বস্তু মূলতঃ বৌদ্ধধৰ্মক লৈ লিখা গীতৰ সংকলন। অসমৰ ২৪ জন বৌদ্ধ সিদ্ধাচাৰ্যই ভাৰতৰ বিভিন্ন স্থানত থকা বিহাৰ বা সংঘত থাকি ধৰ্ম চৰ্চা কৰিছিল। গতিকে সেই সময়ছোৱাত ভাৰতৰ বিভিন্ন প্ৰাকৃত ভাষাৰ লগত পৰিচিত হৈছিল। সেই সময়ত ধৰ্মীয় কাৰণত ভাষাৰ সংমিশ্ৰণৰ প্ৰভাৱৰ বাবে হয়তো অসমীয়া ভাষাৰ মূল বিচাৰ কৰা সন্দৰ্ভত পণ্ডিতসকলৰ মাজত বিভিন্ন মতবাদ পৰিলক্ষিত হোৱা দেখা যায়। তাৰোপৰি ভাৰতীয় আৰ্যগোষ্ঠীৰ লোকসকল ভাৰতত প্ৰৱেশ কৰাৰ বহু আগতেই ভাৰতত তিনিটা ভাষাগোষ্ঠীৰ লোক বসবাস কৰি আছিল। তেওঁলোকৰ লিখিত সাহিত্য নাছিল যদিও এই তিনিটা গোষ্ঠীৰ লোকসকলে কোৱা ভাষাই ভাৰতীয় আৰ্যভাষাত বিশেষ প্ৰভাৱ বিস্তাৰ কৰিছিল। ভাৰতত প্ৰথম প্ৰৱেশ কৰা অষ্ট্ৰিক গোষ্ঠীৰ বহু শব্দই অসমীয়া শব্দ ভাণ্ডাৰত ঠাই পাইছিল। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত অষ্ট্ৰিকগোষ্ঠীৰ লোকেই নহয়, তিব্বত-বৰ্মী ভাষাগোষ্ঠীৰ ভাষাতো ব্যৱহৃত বহুতো শব্দ অসমীয়া শব্দ ভাণ্ডাৰত সোমাই আছে। কথিত ভাষাৰূপে অসমত বিভিন্ন জনগোষ্ঠীৰ ভাষাই মাগধী প্ৰাকৃত-মাগধী অপভ্ৰংশৰ পৰা উদ্ভৱ হোৱা অসমীয়া ভাষাত বিশেষভাৱে প্ৰভাৱ পেলায়। অসমীয়া

ভাষা মূলতঃ আৰ্যভাষা গোষ্ঠীৰ পৰা জন্ম লাভ কৰিলেও শব্দ ভাণ্ডৰৰ ক্ষেত্ৰত অনাৰ্য ভাষাগোষ্ঠীৰ প্ৰভাৱ বিশেষভাৱে লক্ষণীয়। অসমত ইংৰাজ ৰাজত্বৰ শাসন কালছোৱাৰ প্ৰভাৱত ইংৰাজী ভাষাৰ বহু শব্দ আজি অসমীয়া শব্দত পৰিণত হৈছে। মুঠতে অসমত পূৰ্বৰেপৰা বসবাস কৰা আহোম বা টাই, বড়ো, ডিমাছা, দেশী-বিদেশী বহুতো শব্দ অসমীয়া ভাষাত ব্যৱহৃত হৈ অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰক যথেষ্ট সমৃদ্ধিশালী কৰি তুলিছে।

হেম সৰস্বতী অসমীয়া সাহিত্যৰ প্ৰথম বাট কাটোতা। 'প্ৰহ্লাদ-চৰিত' ৰচনা কৰি অসমীয়া সাহিত্যৰ দুৱাৰ মুকলি কৰাৰ পাছত আমি সাহিত্যৰ বুৰঞ্জীত প্ৰাক্-বৈষ্ণৱ, বৈষ্ণৱ-যুগ, বুৰঞ্জী সাহিত্যৰ যুগকে ধৰি আজি অসমীয়া সাহিত্যই বিশ্বৰ দুৱাৰতো টোকৰ মাৰিছে। আজিৰ অসমীয়া ভাষাৰ পথাৰত থিয় দি ভৱিষ্যত আমাৰ ভাষা কিমানদূৰ আগবাঢ়িব, সেইটো বিচাৰ যদি কৰা হয়, তেন্তে ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা ক'বই লাগিব যে আমাৰ ভাষাক আমি হৃদয়েৰে শ্ৰদ্ধা কৰিব লাগিব। ভাষাৰ লগত জাতি-সাহিত্য-সংস্কৃতিৰ এৰাব নোৱাৰা সম্পৰ্ক আছে। যাৰ ভাষা নাই তেওঁলোকৰ সাহিত্য নাই। আমি নিজৰ জাতিৰ, নিজৰ ভাষাক লৈ গৌৰৱ কৰাৰ লগতে ভাষাটোক আমি নিৰ্ভুলকৈ ক'ব আৰু লিখিব জানিব লাগিব। কিয়নো ভাষাৰ প্ৰতি একাত্ম শ্ৰদ্ধা নাথাকিলে ভাষাৰ এদিন মৃত্যুও ঘটিব পাৰে। এজন লোক বহুভাষী হ'ব পাৰে, কিন্তু নিজৰ ভাষাক সুৰক্ষিত কৰাটো প্ৰতিজন অসমীয়াৰ নিজস্ব দায়িত্ব। আনৰ ভাষাক ব্যৱহাৰ কৰি নিজৰ ভাষাক হেয় কৰিলে, নিজৰ ভাষা ম্লান হৈ পৰাটো তেনেই স্বাভাৱিক। গতিকে আমাৰ সুবদি অসমীয়া ভাষাক আমি সকলোৱে শ্ৰদ্ধাৰে ৰক্ষা কৰাটো আমাৰ কৰ্তব্য। হেমসৰস্বতী, মাধৱ কন্দলী, শংকৰদেৱ-মাধৱদেৱকে ধৰি বহু সাহিত্যিকে অসমীয়া ভাষা-সাহিত্যক মহীয়ান কৰি তোলাৰ পাছতো এদিন এই অসমতে অসমীয়া ভাষাৰ মৃত্যু ঘটিছিল। অসমত এন্ধাৰ যুগৰ অৱসান ঘটাবলৈ হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকনকে ধৰি বহু কম বয়সীয়া ডেকাই কিমান ত্যাগ কৰি ভাষাক উদ্ধাৰ কৰিবলগীয়া হৈছিল, সাহিত্যৰ বুৰঞ্জীৰ পাত মেলি চালেই স্পষ্টকৈ জানিব পাৰি। অসমীয়া সাহিত্যত বিশেষকৈ জোনাকী যুগৰ ত্ৰিমূৰ্তিস্বৰূপ চন্দ্ৰকুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামীয়ে 'জোনাকী কাকত'ৰ যোগেদি অসমীয়া ভাষাক সুৰক্ষিত কৰা বাবে আজিলৈ অসমীয়া ভাষাই সুস্থ-সবল ৰূপত মূৰ দাঙি উঠিছে। সেয়ে আমি আমাৰ স্বদেশানুৰাগেৰে, জাত্যাভিমানেৰে আমাৰ চেনেহী অসমীয়া ভাষা আৰু সাহিত্যক শ্ৰদ্ধা জনাই আগবাঢ়ি যাবলৈ মৰণপণ লোৱাটোৱে আমাৰ মূল কৰ্তব্য। ■


**প্ৰসঙ্গ পুথি ঃ**

১। গোস্বামী, উপেন্দ্ৰ নাথ ঃ ভাষা বিজ্ঞান, চতুৰ্থ পৰিবৰ্দ্ধিত সংস্কৰণ, ১৯৮২, নিউ বুক ষ্টল, গুৱাহাটী।

২। ঠাকুৰ, নগেন ঃ পৃথিৱীৰ বিভিন্ন ভাষা, ষষ্ঠ প্ৰকাশ, ২০১১, ত্ৰিনয়ন গ্ৰাফিক অফছেট, উদ্যোগ পাম, বামুণীমৈদাম, গুৱাহাটী।

৩। পাঠক, ৰমেশ ঃ অসমীয়া ভাষাৰ ইতিহাস, প্ৰথম প্ৰকাশ, ১৯৮৫, পূৰ্বোদয় প্ৰেছ - ১০, কৈলাশ বোস ষ্ট্ৰীট, কলকাতা।

৪। শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, নৱম সংস্কৰণ, ২০০৯, অৰুণোদই প্ৰেছ, শিলপুখুৰী, গুৱাহাটী।




## অমৃত বাণী

কিতাপেই আধুনিক পৃথিৱীখন শাসন কৰিছে। যি সমাজত কিতাপৰ প্ৰচলন নাই সেই সমাজ থকা-নথকা একে কথা।

— ভলটেয়াৰ



# পৰীক্ষা ভীতি

নমিতা বৰঠাকুৰ, সহযোগী অধ্যাপিকা, শিক্ষা বিভাগ

পৰীক্ষা পদ্ধতি হৈছে ছাত্ৰ-ছাত্ৰীৰ জ্ঞানৰ জোখ লোৱাৰ এক প্ৰয়োজনীয় ব্যৱস্থা। আধুনিক শিক্ষাত বিশেষকৈ আনুষ্ঠানিক শিক্ষা ব্যৱস্থাত পৰীক্ষা প্ৰক্ৰিয়াৰ গুৰুত্ব কোনেও নুই কৰিব নোৱাৰে। পৰীক্ষাৰ সহায় নোলোৱাকৈ এনে প্ৰক্ৰিয়াত ছাত্ৰ-ছাত্ৰীসকলৰ আৰ্জিত জ্ঞানৰ পৰিমাপন কাৰ্য অসম্ভৱ বুলিয়ে ক'ব পাৰি। স্বাভাৱিক ভাৱেই পৰীক্ষা প্ৰক্ৰিয়াটোৱে কম বেছি পৰিমাণে পৰীক্ষাৰ্থীৰ মনত ভয়ৰ সঞ্চাৰ কৰাৰ লগতে এক চাপ আৰু উদ্বিগ্নতাৰ সৃষ্টি কৰে। সাধাৰণ উদ্বিগ্নতা সকলোৰে জীৱনত থাকে। বৰঞ্চ জীৱনত সফলতা অৰ্জন কৰিবলৈ হ'লে ব্যক্তিয়ে কিছু উদ্বিগ্নতা অনুভৱ কৰা প্ৰয়োজন।

কিন্তু যেতিয়া পৰীক্ষাৰ্থীয়ে পৰীক্ষাৰ প্ৰতি এক কাল্পনিক ভয় অনুভৱ কৰি অতিমাত্ৰা উদ্বিগ্নতাত ভোগি দৈহিক, মানসিক অৱসাদ গ্ৰস্ততাৰ স্বীকাৰ হৈ পৰে তেনে ছাত্ৰ-ছাত্ৰীক তেনে অৱস্থাক মনোবিজ্ঞানৰ ভাষাত 'পৰীক্ষা ভীতি' বা 'Examination Phobia'ত ভোগা বুলি কোৱা হয়। এই পৰীক্ষা ভীতিৰ বাবে বহুতো ছাত্ৰ-ছাত্ৰীয়ে যোগ্যতা থকা সত্ত্বেও আশানুৰূপ ফল দেখুৱাব নোৱাৰে। এনে ধৰণৰ অত্যাধিক চাপত ভোগা ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাৰ সময়ত মূৰ ঘূৰোৱা, বমি হোৱা, পেটৰ অসুখ, জ্বৰ আদি বিভিন্ন ধৰণৰ শাৰীৰিক অসুস্থতাত ভোগে। পৰীক্ষাৰ প্ৰতি অহেতুক ভয়ৰ মাত্ৰা অত্যাধিক হ'লে পৰীক্ষাৰ্থীয়ে কেতিয়াবা আত্মগোপনৰ দৰে পন্থা অৱলম্বন কৰাও দেখা যায়। মাত্ৰাধিক পৰীক্ষা ভীতিৰ ফলত পৰীক্ষাৰ্থীৰ মনলৈ আত্মহত্যাৰ প্ৰৱণতাও আহে। কেন্দ্ৰীয় চৰকাৰৰ গৃহ বিভাগৰ ৰাষ্ট্ৰীয় অপৰাধ ৰেকৰ্ড ব্যুৰো (National Crime Bureau) ৰ তথ্য অনুসৰি ভাৰতৰ মুঠ আত্মহত্যাৰ ঘটনাৰ ভিতৰত ২২ শতাংশই পৰীক্ষাত আশানুৰূপ ফলাফল লাভ নকৰাৰ ভয়। গতিকে এইটো অনস্বীকাৰ্য যে এই পৰীক্ষা ভীতি বা পৰীক্ষাৰ প্ৰতি কাল্পনিক ভয় 'Examination Phobia' বিষয়টো অভিভাৱক, শিক্ষক তথা ছাত্ৰ-ছাত্ৰীয়ে নিজেও গুৰুত্ব দিবলগীয়া বিষয়। কিছু সাৱধানতা অৱলম্বন কৰিলে সঠিক সময়ত চিনাক্তকৰণ আৰু প্ৰতিৰোধৰ ব্যৱস্থা কৰি আমি আমাৰ উঠি অহা প্ৰজন্মক এই ব্যাধিৰ পৰা ৰক্ষা কৰিব পাৰো।

পৰীক্ষা ভীতিৰ কাৰণ সমূহৰ ভিতৰত— বিষয় নিৰ্বাচন কৰোতে হোৱা ভুলৰ ফলত পঢ়িবলগীয়া বিষয়ৰ প্ৰতি অনীহা

বা অমনোযোগিতা, অভিভাৱকৰ অত্যাধিক হেঁচা বা কম সচেতনতা, ছাত্ৰ-ছাত্ৰীৰ পূৰ্ব পৰিকল্পনাৰ অভাৱ, পৰীক্ষাৰ বাবে প্ৰস্তুতিৰ অভাৱ বা অতিমাত্ৰা প্ৰস্তুতি, ফলাফলৰ বাবে আগতীয়া উদ্বিগ্নতা, জিৰণিৰ অভাৱ, পুষ্টিকৰ খাদ্যৰ অভাৱ, ম'বাইল ফোন বা ইণ্টাৰনেটৰ প্ৰতি অতিমাত্ৰা আসক্তি আদি অন্যতম।

ছাত্ৰ-ছাত্ৰীয়ে শিকিবলগীয়া বিভিন্ন ধৰণৰ বিষয়বস্তু উপযুক্তভাৱে শিকিছেনে নাই তাক জনাৰ একমাত্ৰ মাধ্যম হৈছে পৰীক্ষা প্ৰক্ৰিয়া। গতিকে ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত বহিবৰ বাবে নিজকে দৈহিক, মানসিক ভাৱে প্ৰস্তুত কৰিবই লাগিব। এক সুশৃংখল জীৱনৰ অধিকাৰী হ'বলৈ হ'লে ব্যক্তি জীৱনৰ প্ৰত্যেক স্তৰতে কিছুমান কৰিবলগীয়া কৰ্তব্য আৰু দায়িত্ব থাকে। ছাত্ৰ জীৱনৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হৈছে নিজৰ ৰুচি, সক্ষমতা অনুযায়ী বিষয় সমূহ নিৰ্বাচন কৰি খৰচি মাৰি, আনন্দেৰে সেই বিষয়সমূহ অধ্যয়ন কৰি সাহসেৰে পৰীক্ষাত অৱতীৰ্ণ হৈ নিজৰ সুন্দৰ ভৱিষ্যতৰ পথ মুকলি কৰা।

পঢ়া-শুনা নিয়মিতভাৱে কৰাটো ল'ৰা-ছোৱালীয়ে কৰি থকা অন্যান্য কাম বিলাকৰ দৰে এটা প্ৰয়োজনীয় কাম বুলি ইয়াৰ অভ্যাস সৰুতেই ঘৰখনৰ পৰিৱেশ তথা পিতৃ-মাতৃয়ে গঢ় দিব লাগে। তেতিয়া পঢ়া-শুনা কৰাৰ এটা সুন্দৰ অভ্যাস গঢ়ি উঠে আৰু বোজা যেন অনুভৱ নহয়।

পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাওঁতে এক সুন্দৰ পৰিকল্পনাৰ প্ৰয়োজন। বৈজ্ঞানিক পৰিকল্পনাৰে প্ৰতিদিনে নিজৰ পঢ়িবলগীয়া পাঠসমূহ পঢ়ি গ'লে পৰীক্ষাৰ সময়ত সমস্যাৰ সৃষ্টি নহয়।

পৰীক্ষাৰ কাল্পনিক অকৃতকাৰ্যতাৰ ভয়ৰ পৰা ছাত্ৰ-ছাত্ৰীসকলে নিজকে মুক্ত কৰিবলৈ চেষ্টা কৰিব লাগে। অকৃতকাৰ্যতাৰ ভয়ে অকৃতকাৰ্য হোৱাত বৰঙনিহে যোগায়।

পৰীক্ষাৰ ভয়ৰ পৰা মুক্ত হোৱাৰ এটা ভাল উপায় হৈছে পৰীক্ষাৰ্থীসকলে ঘৰত এখন প্ৰশ্নকাকত লৈ পৰীক্ষা দিয়াৰ অভ্যাস কৰা। ইয়াৰ ফলত আত্মবিশ্বাস বাঢ়ে আৰু এনে ধৰণৰ অভ্যাসে পৰীক্ষা গৃহত অহেতুক ভয়ৰ পৰা ছাত্ৰ-ছাত্ৰীক মুক্ত কৰিব পাৰে।

পৰীক্ষাৰ প্ৰস্তুতি চলাওঁতে পৰীক্ষাৰ্থীয়ে পাঠৰ পুনৰাবৃত্তি কৰাটো অতি প্ৰয়োজনীয় কথা। প্ৰথমে আগতে পঢ়া পাঠটোৰ পুনৰাবৃত্তি কৰিহে পৰৱৰ্তী পাঠলৈ আগবাঢ়িব লাগে। এনেদৰে পুনৰাবৃত্তিৰ প্ৰক্ৰিয়া বা বিষয়টো শেষ নোহোৱালৈকে আগুৱাই লৈ যাব লাগে। তেতিয়া পাহৰি যোৱাৰ ভয় নাথাকে। ফলত আত্মবিশ্বাস অটুট থাকে।

পঢ়াত ব্যাঘাত জন্মোৱা বিভিন্ন পৰিৱেশীয় কাৰক সমূহৰ পৰা আঁতৰি থাকিব লাগে। ম'বাইল ফোন, টিভি, ইণ্টাৰনেট আদি কমাই ব্যৱহাৰ কৰিব লাগে। মন আৰু মগজুৰ জিৰণি পৰীক্ষাৰ্থীৰ বাবে অতি প্ৰয়োজনীয়। মগজুৰ ভাল কামৰ বাবে ভাল টোপনিৰ অতি প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীয়ে অতি কম সময় শুই পঢ়া-শুনা কৰিলে মগজুৱে জিৰণি নাপায়।

ঠিক তেনে ধৰণে সন্তুলিত আহাৰেও পৰীক্ষাৰ্থীৰ শৰীৰ সুস্থ কৰি ৰখাত সহায় কৰে। 'সুস্থ দেহত সুস্থ মন'— এৰিষ্টটলৰ এই আপ্তবাক্য শাৰী মনত ৰাখি সুষম আহাৰ তথা দৈহিক ব্যায়ামৰ জৰিয়তে শৰীৰটোক সুস্থ কৰি ৰখাৰ চেষ্টা কৰিব লাগে। পঢ়াৰ মাজে মাজে বহাৰ পৰা উঠি অলপ খোজ কঢ়াৰ অভ্যাস কৰিব লাগে।

প্ৰাৰ্থনা বা ধ্যানে পৰীক্ষাৰ্থীৰ মনলৈ প্ৰশান্তি আনে। যিকোনো সমস্যাৰ মুখামুখি হ'ব পৰাকৈ নিজক প্ৰস্তুত কৰিবলৈ হ'লে ধ্যান বা যোগাভ্যাসৰ অতি প্ৰয়োজন।

'সংগীত' মানসিক উদ্বিগ্নতা আঁতৰ কৰাৰ এক উল্লেখযোগ্য মাধ্যম। পৰীক্ষাৰ্থীসকলে পঢ়াৰ মাজে মাজে গীত শুনিও মনৰ উদ্বিগ্নতা দূৰ কৰি এক শান্ত মন মগজুৰ অধিকাৰী হ'ব পাৰে।

ছাত্ৰ-ছাত্ৰীসকলে মনত ৰখা উচিত যে তেওঁলোকে যেতিয়া উদ্বিগ্নতাত ভোগি থাকে বা সকলো সময়তে চাপ অনুভৱ কৰি থাকে, তেতিয়া কেতিয়াও সম্পূৰ্ণকৈ নিজৰ পাৰদৰ্শিতা সমূহ প্ৰদৰ্শন কৰিব নোৱাৰে। 'A relaxed mind is the secret to success, not only in the examination hall but in life as well.'

ভাৰতৰ প্ৰধান মন্ত্ৰী মাননীয় শ্ৰীযুত নৰেন্দ্ৰ মোদী ডাঙৰীয়াই তেখেতৰ 'Exam Warriors' নামৰ গ্ৰন্থখনত পৰীক্ষাৰ্থীসকলক পৰীক্ষাৰ বাবে আতংকিত বা ভীতিগ্ৰস্থ হোৱাৰ বিপৰীতে যোদ্ধা (Warrior) হ'বলৈ আহ্বান জনাইছে। পৰীক্ষাৰ্থী সকলক উদ্দেশি লিখা এই বিশেষ গ্ৰন্থখনত শ্ৰদ্ধাৰ মোদী ডাঙৰীয়াই পৰীক্ষা সমূহক উৎসৱৰ দৰে জ্ঞান কৰি উদ্‌যাপন কৰাৰ পৰামৰ্শ আগবঢ়াইছে। যেনেদৰে এটা সুন্দৰ উৎসৱ পালন কৰিবৰ বাবে আগতীয়া প্ৰস্তুতিৰ প্ৰয়োজন, ঠিক তেনেদৰে উৎসাহ-উদ্দীপনাৰে আগতীয়াকৈ প্ৰস্তুতি চলাই 'পৰীক্ষা' নামৰ উৎসৱটোত অংশগ্ৰহণ কৰিবলৈও পৰীক্ষাৰ্থীসকললৈ আহ্বান জনাইছে। এনে ধৰণে পৰীক্ষা প্ৰক্ৰিয়াক এক উৎসৱৰ দৰে গ্ৰহণ কৰিলে শিক্ষাৰ্থীসকলে জীৱনৰ যিকোনো পৰীক্ষাত সুফল তথা কৃতকাৰ্যতা লাভ কৰিব পাৰিব। ■

# বিহংগম দৃষ্টিত ব্ৰহ্মপুত্ৰ নদী

**ৰিজু লস্কৰ**, সহকাৰী অধ্যাপিকা, ভূগোল বিভাগ

একোখন নদী অনুসন্ধিৎসু লোকৰ বাবে অন্বেষণৰ উৎস। মানুহৰ সভ্যতা সংস্কৃতিৰো অন্যতম আধাৰ হৈছে নদী। নদী আৰু মানুহৰ সম্পৰ্ক চিৰন্তন। মানুহৰ বিৱৰ্তনৰ ইতিহাসত নদীৰ ভূমিকা অনস্বীকাৰ্য। পৃথিৱীৰ প্ৰাচীন সভ্যতাসমূহ নদীক কেন্দ্ৰ কৰিয়েই গঢ় লৈ উঠিছিল। নীল নদীৰ সভ্যতা, সিন্ধু উপত্যকাৰ সভ্যতা আদি হৈছে ইয়াৰ উৎকৃষ্ট উদাহৰণ। ব্ৰহ্মপুত্ৰ নদীৰ পাৰতো তেনে এক সভ্যতা গঢ় লৈ উঠিছিল। অসমৰ বুকুৰেদি প্ৰবাহিত এই নদীৰ দুয়োপাৰতে বিভিন্ন জাতি-উপজাতিৰ সংমিশ্ৰণত এই সভ্যতাই প্ৰাণ পাই উঠিছিল। সেয়ে ব্ৰহ্মপুত্ৰ নদী অসমৰ প্ৰাণ স্বৰূপ। অসমীয়াৰ বুকুৰ আপোন। প্ৰেৰণা আৰু আকাংক্ষাৰ উৎস।

ব্ৰহ্মপুত্ৰ পৃথিৱীৰ অন্যতম বৃহৎ নদী। ই ভাৰতৰ প্ৰধান নদী কেইখনৰ এখন। ইয়াৰে উৎপত্তি স্থল হৈছে তিৰ্ব্বতৰ দক্ষিণাঞ্চলৰ হিমালয় পৰ্বত। ই তিৰ্ব্বত, ভাৰতবৰ্ষ আৰু বাংলাদেশৰ বুকুৰেদি বৈ গৈ গংগা নদীৰ লগত লগ হৈ বংগোপসাগৰত পৰিছে। সৰ্বমুঠ ২৮৮০ কি.মি. দৈৰ্ঘ্যৰে ব্ৰহ্মপুত্ৰ নদীখন হৈছে পৃথিৱীৰ চতুৰ্থখন দীৰ্ঘতম নদী। এই নদীখন চাংপো নাম লৈ তিৰ্ব্বত (চীনদেশ), ব্ৰহ্মপুত্ৰ নাম লৈ অসম (ভাৰত) আৰু যমুনা নাম লৈ বাংলাদেশৰ মাজেৰে বৈ গৈছে। এই ফালৰ পৰা ইয়াক এখন আন্তৰ্জাতিক নদী বুলি ক'ব পাৰি। ব্ৰহ্মপুত্ৰ নদীৰ ১৬২৫ কি.মি. তিৰ্ব্বত, ৯১৮ কি.মি. ভাৰতত আৰু ৩৩৭ কি.মি. বাংলাদেশত অৱস্থিত। পানী পৰিবহণৰ জোখেৰে ব্ৰহ্মপুত্ৰৰ



স্থান পৃথিৱীৰ ভিতৰত চতুৰ্থ আৰু গেদ পৰিবহণৰ জোখেৰে দ্বিতীয় স্থানত আছে।

অতীতত পৌৰাণিক শাস্ত্ৰমতে ব্ৰহ্মপুত্ৰক 'লৌহিত্য' নামেৰে জনা গৈছিল। অসমত বিভিন্ন জনগোষ্ঠীৰ মাজত ইয়াক ভিন্ ভিন্ নামেৰে জনা যায়। বড়ো ভাষাত বুল্লুবুথুৰ, চিংফৌ-মিছিমি ভাষাত তালুক, অসমীয়াত লুইত, বৰলুইত, চিৰিলুইত আদি নামেৰে জনাজাত। একেখন নদীয়েই বেলেগ বেলেগ নামেৰে ভিন্ ভিন্ ঠাইৰ মাজেৰে বৈ গ'লেও সেইখন নদীয়ে বিভিন্ন ঠাইৰ ভিন্ ভিন্ জনগোষ্ঠীৰ আৰ্থ-সামাজিক তথা সাংস্কৃতিক ধাৰা বহন কৰিছে। ইয়াত কেৱল অসমৰ ব্ৰহ্মপুত্ৰখনৰ বিষয়েহে আলোচনা কৰা হৈছে। অসমৰ অৰ্থনীতি, সমাজনীতি, ৰাজনীতি আৰু জনজীৱনৰ প্ৰতিটো স্তৰত ব্ৰহ্মপুত্ৰৰ প্ৰভাৱ অনস্বীকাৰ্য।

ব্ৰহ্মপুত্ৰ নদীৰ উৎপত্তি সম্বন্ধে বহুতো কাহিনী, উপকাহিনী আছে। ইয়াৰ ভিতৰত 'কালিকাপুৰাণ'ৰ কাহিনীটো সৰ্বজনবিদিত। কালিকাপুৰাণৰ আখ্যানমতে ব্ৰহ্মাৰ পুত্ৰ হোৱাৰ বাবে এই নদীৰ নাম ব্ৰহ্মপুত্ৰ। শান্তনু মুনিৰ পত্নী পুত্ৰহীনা আমোঘাই ব্ৰহ্মাৰ ঔৰসত লাভ কৰিছিল এক জলময় সন্তান। এই জলময় সন্তানক শান্তনু মুনিয়ে পুত্ৰৰূপে গ্ৰহণ কৰি উত্তৰে কৈলাশনাথ, পুবে সম্বৰ্তক, দক্ষিণে গন্ধমাদন আৰু পশ্চিমে জাৰুধি, এই চাৰি পৰ্বতৰে পৰিবেষ্টিত ভূখণ্ডত ৰক্ষণাবেক্ষণ দি ৰাখে। তাতেই সন্তানটিৰ আয়তন বাঢ়ি কুণ্ড এটাৰ আকৃতি ধাৰণ কৰে। পাছত পৰশুৰামে এই কুণ্ডতে স্নান কৰি মাতৃ হত্যাৰ পাপৰ পৰা মুক্তি লাভ কৰে। তেতিয়াৰ পৰা এই তীৰ্থৰ নাম হয় পৰশুকুণ্ড। এই তীৰ্থৰ মহিমা দেখি এই কুণ্ডৰ পানীয়ে আনকো পৱিত্ৰ কৰক বুলি পৰশুৰামে পাৰ কাটি দি তললৈ বৈ যাবলৈ সুবিধা কৰি দিয়ে। এইদৰেই ব্ৰহ্মপুত্ৰৰ উৎপত্তি হ'ল বুলি শাস্ত্ৰমতে জনা যায়।

ভৌগোলিক ব্যাখ্যামতে সাগৰপৃষ্ঠৰ পৰা ৫৩০০ মিটাৰ উচ্চতাত অৱস্থিত কৈলাস পৰ্বতৰ দক্ষিণ ঢালত ব্ৰহ্মপুত্ৰৰ উৎপত্তি হৈছে। তিব্বত মালভূমিৰ এই অংশত কেইবাটাও হিমবাহৰ পানী আহি এটা কুণ্ড বা হ্ৰদত জমা হয়হি। তাৰ নাম ব্ৰহ্মকুণ্ড। ইয়াৰে চেমায়াংদুং হিমবাহৰ পৰা ব্ৰহ্মপুত্ৰৰ উৎপত্তি হৈছে বুলি জনা যায়। তিব্বতৰ চাংপো শব্দৰ অৰ্থ হ'ল পৰিশোধক। বৰফ গলা নিৰ্মল পানী প্ৰবাহিত হোৱাৰ বাবেই নদীখনৰ নাম চাংপো হ'ল। চাংপো নদীখনে পূবলৈ বৈ আহি হিমালয়ৰ নামচা বাৰোৱা শৃংগৰ ওচৰত ভাৰতৰ অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰি চিয়াং নাম আৰু অসমৰ জোনাই মহকুমাত প্ৰবেশ কৰি দিহাং নাম লয়। অসমৰ পাছিঘাটৰ পৰা ৫২ কিলোমিটাৰ দক্ষিণত অৱস্থিত ক'বো চাপৰিৰ (শদিয়াৰ) ওচৰত উত্তৰ-পূবৰ পৰা দিবাং আৰু পূব দিশৰ পৰা লোহিত নদী আহি দিহাং নদীৰ লগ লাগে। এই দিহাং, দিবাং আৰু লোহিত নদীৰ সংগম ক্ষেত্ৰৰ পৰাই নাম লয় ব্ৰহ্মপুত্ৰ। ইয়াৰ পৰাই ব্ৰহ্মপুত্ৰই অসমৰ মাজেৰে পশ্চিমলৈ বৈ আহে আৰু ধুবুৰীৰ ওচৰত দক্ষিণলৈ ঘূৰি বাংলাদেশত প্ৰৱেশ কৰে। অসমত ব্ৰহ্মপুত্ৰৰ মুঠ দৈৰ্ঘ্য ৬৫০ কিলোমিটাৰ। বাংলাদেশত ই ভিন্ ভিন্ ঠাইত যমুনা, পদ্মা আৰু মেঘনা নামেৰে জনাজাত হৈছে। মেঘনা নাম লৈয়েই ই অৱশেষত বংগোপসাগৰত পৰিছে।

ব্ৰহ্মপুত্ৰ নদীখন কেৱল অসমৰে বা ভাৰতৰেই নহয়, বিশ্বৰ সমগ্ৰ নদীসমূহৰ ভিতৰতে উল্লেখনীয়। কিন্তু অতি পৰিতাপৰ কথা যে পৃথিৱীৰ কম মানুহেহে এই নদীখনৰ তাৎপৰ্য সঠিককৈ জানে। ব্ৰহ্মপুত্ৰ নদীখনে ইয়াৰ উপত্যকাৰ বিভিন্নাংশত বেলেগ বেলেগ ধৰণে মানুহৰ ক্ৰিয়া কলাপত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। সৰ্বসাধাৰণৰ দৃষ্টিত ব্ৰহ্মপুত্ৰ নদীখনে প্ৰলয়ংকৰী বানপানীৰ সৃষ্টি কৰি সাধাৰণ ৰাইজলৈ কঢ়িয়াই আনে দুৰ্যোগৰ বিভীষিকা। সময়ে সময়ে হোৱা এই বিভীষিকাক বাদ দি অসমৰ প্ৰাকৃতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত ব্ৰহ্মপুত্ৰৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি ক'ব পাৰি।

ব্ৰহ্মপুত্ৰ নদীখনে বহুপৰিমাণে অসমৰ প্ৰাকৃতিক পৰিৱেশৰ দিশত নিৰ্ণায়ক ভূমিকা লৈছে। ব্ৰহ্মপুত্ৰ নদী এক বিপুল জলসম্পদৰ গৰাকী। এই নদীয়ে গড় হিচাপে ছেকেণ্ডত ২০,০০০ ঘনমিটাৰ পানী পৰিবহণ কৰে। ব্ৰহ্মপুত্ৰ নদীৰ পানীভাগ বৰফগলা আৰু বৰষুণৰ পানীৰে পৰিপুষ্ট। খৰালি কালত ইয়াৰ পানী যথেষ্ট তলত থাকে, যদিও বাৰিষা কালত পানী ফেনে-ফোটোকাৰে বাঢ়ি বানপানী আৰু খহনীয়াৰ সৃষ্টি কৰে।

ব্ৰহ্মপুত্ৰ নদীৰ আন এটা উল্লেখযোগ্য দিশ হৈছে গেদ পৰিবহণ। গেদ পৰিবহণৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰত চীনৰ হোৱাংহো নদীৰ পাছতেই ব্ৰহ্মপুত্ৰৰ স্থান। ব্ৰহ্মপুত্ৰ নদীয়ে বছৰি প্ৰায় ৪০ কোটি টন গেদ পৰিবহণ কৰে। অৱশ্যে বাৰিষাকালত এই হাৰ বহুখিনি বৃদ্ধি পায়। সেই সময়ত এই হাৰ দিনে ২০ লাখ টন। এইখিনিতে উল্লেখ কৰিব পাৰি যে ১৯৫০ চনৰ ভূমিকম্পৰ পাছত ইয়াৰ তলিভাগ উঠি অহাৰ বাবে নদীখনৰ গেদ পৰিবহণ ক্ষমতা বহুখিনি কমি যায়। ইপিনে গছ-গছনি আদি বেছিকৈ ধ্বংস কৰাৰ বাবে, পাহাৰ-পৰ্বত কাটি ৰাস্তা-ঘাট নিৰ্মাণ কৰাৰ ফলতো ভূমিক্ষয় বেছিকৈ হ'বলৈ লৈছে। ইয়াৰ ফলস্বৰূপে নদীখনত অসংখ্য বালিচৰ সৃষ্টি হোৱা দেখা যায়। ব্ৰহ্মপুত্ৰ নদীৰ মাজত সৃষ্টি হোৱা নদী দ্বীপ মাজুলী পৃথিৱীৰ ভিতৰত বৃহত্তম নদী দ্বীপ। ব্ৰহ্মপুত্ৰৰ নদীদ্বীপ আৰু চৰ- চাপৰিবিলাক বেছিভাগেই অস্থায়ী। প্ৰায় এহেজাৰমান চাপৰি তুলনামূলকভাৱে স্থায়ী যদিও বাৰিষা বেছিভাগৰে আকাৰ-আকৃতিৰ ক্ৰটি বিচ্যুতি ঘটে। প্ৰতিটো

ডাঙৰ বানপানীয়ে ক'ৰবাত খহায় আৰু আন ক'ৰবাত নতুনকৈ সৃষ্টি কৰে। ব্ৰহ্মপুত্ৰৰ এই চৰ-চাপৰিবিলাকৰ বেছিভাগতে বৰ্তমান মানুহে বসতি কৰিবলৈ লৈছে। মানুহৰ বসতিস্থল আৰু আনুসাংগিকভাৱে কৃষিভূমিলৈ পৰিৱৰ্তিত হোৱা এই চৰ-চাপৰিবিলাকৰ প্ৰাকৃতিক বৈশিষ্ট্যৰো পৰিৱৰ্তন হ'ব ধৰিছে। অসমৰ এক বুজন পৰিমাণৰ জনসংখ্যা বাস কৰা এই চৰ-চাপৰিবিলাকে অসমৰ প্ৰাকৃতিক ভূমিদৃশ্য, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

ব্ৰহ্মপুত্ৰৰ উপনৈসমূহক বাদ দি ব্ৰহ্মপুত্ৰ কেতিয়াও স্বয়ং সম্পূৰ্ণ নহয়। ব্ৰহ্মপুত্ৰ নদীত সংযোজিত হোৱা উপনৈ সমূহে ব্ৰহ্মপুত্ৰক গোটেই বছৰ জলপৃষ্ঠ কৰি ৰখাত সহায় কৰিছে আৰু নদীখনক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। ব্ৰহ্মপুত্ৰ নদীত তিব্বতৰ অংশত ২২ খন, ভাৰতত ৩৯ খন আৰু বাংলাদেশত ৩ খন উপনৈ সংযোজিত হৈছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে অসমৰ ভূমিদৃশ্য অতি মোহনীয় আৰু আকৰ্ষণীয় কৰিছে। অসমৰ এই নদ-নদীৰ নৈসৰ্গিক শোভাই প্ৰতিজন প্ৰকৃতি প্ৰেমীক আপ্লুত আৰু শিহৰিত কৰি তোলে। এই নদ-নদীসমূহৰ ক্ৰিয়াৰ ফলত সৃষ্টি হোৱা পলসুৱা উৰ্বৰ উপত্যকা অঞ্চলে কৃষিকৰ্মৰ যোগেদি জীৱিকা নিৰ্বাহ কৰাত বিশেষভাৱে সহায় কৰিছে।

অতীজৰে পৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ বৰ্ণনা বিভিন্ন ৰচনা আৰু টোকাত পোৱা যায়। সপ্তম শতিকাৰ চীনা পৰিব্ৰাজক হিউৱেনচাঙৰ ভ্ৰমণ বৃত্তান্ততো ব্ৰহ্মপুত্ৰৰ অতুলনীয় সমৃদ্ধিৰ বিৱৰণ আছে। স্বাধীনতাৰ আগে পিছে অসমৰ আধুনিক বিকাশৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰৰ অৰিহণা অসামান্য আৰু অন্তহীন। প্ৰাকৃতিক ঐশ্বৰ্যৰে অসমৰ ঔদ্যোগিক সৌধ গঢ়াৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ নদীৰ ভূমিকা আছিল তুলনাহীন। স্বাধীনতাৰ পাছত নতুন তৈল ক্ষেত্ৰৰ অন্বেষণৰ লগে লগে গঢ়ি উঠিল নতুন নতুন নগৰ। খনিজ তেলৰ উদ্যোগৰ আলমতে আধুনিক প্ৰগতিৰ পৰিৱেশ, যোগাযোগ, পৰিবহণৰ বিচিত্ৰ মাধ্যমৰ অৱতাৰণা হ'ল যদিও তেল উদ্যোগৰ প্ৰতিষ্ঠাৰ কালত ব্ৰহ্মপুত্ৰই আছিল যোগাযোগৰ একমাত্ৰ নিৰ্ভৰযোগ্য পথ। এই পথেৰেই অসমৰ অৰণ্যৰ পৰাও বিবিধ সম্পদ বাহিৰলৈ আৰু বাহিৰৰ পৰা অসমলৈ আমদানি-ৰপ্তানি হৈছিল। অসমৰ আন এটা উল্লেখযোগ্য উদ্যোগ, চাহ উদ্যোগৰ আৰম্ভণি কালতো অসমৰ বাণিজ্যিক ক্ষেত্ৰত একমাত্ৰ নিৰ্ভৰযোগ্য যাতায়তী মাধ্যম আছিল ব্ৰহ্মপুত্ৰ। ব্ৰহ্মপুত্ৰৰ বুকুৰেদিয়েই অসমৰ চাহ বাগিছালৈ আহিছিল চাহ বনুৱাৰ দল। এই চাহ বনুৱাসকলেই অসমক চাহ উৎপাদনৰ ক্ষেত্ৰত বিশ্বৰ দৰবাৰত উচ্চ আসনত বহুৱাত অৰিহণা যোগালে আৰু অসমৰ সাংস্কৃতিক জগতখনকো বিচিত্ৰ সাংস্কৃতিক সংযোজনেৰে সমৃদ্ধ কৰিলে। অসমত ৰেল পথ, পকী পথ নোহোৱাৰ দিনত ব্ৰহ্মপুত্ৰই দেশৰ বাকী অংশৰ লগত সম্বন্ধ আৰু যোগাযোগ সহজ আৰু নিবিড় কৰিছিল। এই যোগাযোগে অসমৰ বাবে নতুন সমৃদ্ধিৰ দুৱাৰ মুকলি কৰিছিল। ব্ৰহ্মপুত্ৰ নদীৰ পাৰত গঢ় লৈ উঠিল নতুন নতুন নগৰ। অতি প্ৰাচীন কালতেই ব্ৰহ্মপুত্ৰৰ পাৰত প্ৰাগজ্যোতিষপুৰ, শোণিতপুৰ, ধুবুৰী আদি নগৰ গঢ়ি উঠিছিল। বৰ্তমানো গোৱালপাৰা, পলাশবাৰী, গুৱাহাটী, তেজপুৰ, শিলঘাট, খাৰুপেটীয়া, বিশ্বনাথ, ডিব্ৰুগড় আদি অসমৰ বহু নগৰ আৰু ব্যৱসায় প্ৰধান ঠাই ব্ৰহ্মপুত্ৰৰ পাৰতে অৱস্থিত। ১৯৫০ চনৰ প্ৰলয়ংকৰী ভূমিকম্পৰ আগতে ধুবুৰীৰ পৰা ডিব্ৰুগড়লৈ জাহাজ চলাচলৰ সুবিধা আছিল। ভূমিকম্পটোৰ পাছত ব্ৰহ্মপুত্ৰৰ তলিভাগ তৰাং হোৱাৰ ফলত এই যাতায়াতৰ পথ বন্ধ হৈ পৰে। অৱশ্যে অসমৰ ঠায়ে ঠায়ে সীমিত অঞ্চলত এতিয়াও ব্ৰহ্মপুত্ৰত জাহাজেৰে যাতায়াতৰ সুবিধা আছে। ব্ৰহ্মপুত্ৰত জল পৰিবহণৰ লগতে জল পৰ্যটনৰ, জলসিঞ্চনৰ আৰু জলবিদ্যুত উৎপাদনৰ বিশাল সম্ভাৱনা অন্তৰ্নিহিত হৈ আছে।

ব্ৰহ্মপুত্ৰ নদী অনেক ঐশ্বৰ্য আৰু মহিমাৰে সমৃদ্ধ যদিও ইয়াৰ এক ভয়ংকৰ ৰূপো আছে। বাৰিষা ফেনে-ফোটোকাৰে ব্ৰহ্মপুত্ৰই বিশাল ৰূপ ধাৰণ কৰে। তিনিওফালে উচ্চ ভূমিৰে আগুৰি থকা অসম উপত্যকাত বানপানী সৃষ্টি হোৱাটো নদীখনৰ এক স্বাভাৱিক প্ৰক্ৰিয়া। অতীজতে এই বানপানী আছিল আশীৰ্বাদস্বৰূপ। বানপানীৰ বাবেই অসম উপত্যকা সাৰুৱা কৃষিভূমিৰূপে বিকশিত হৈছিল, মাছ-কাছৰে উভৈনদী অঞ্চলৰূপে পৰিগণিত হৈছিল। কিন্তু ইংৰাজসকলে বানপানী প্ৰতিৰোধৰ বাবে মথাউৰি নিৰ্মাণ কৰাৰ পাছত দ অঞ্চলসমূহক বানপানীমুক্ত কৰি ৰাখিছিল যদিও পিছৰ কালত মথাউৰিবোৰ দুৰ্বল হৈ পৰাত আৰু মেৰামতিৰ অভাৱত দুৰ্বল অংশত হঠাতে মথাউৰি ভাঙি খেতি-পথাৰ নষ্ট কৰি সংহাৰী ৰূপ ধাৰণ কৰিবলৈ ধৰিলে। পিছলৈ জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণেও প্ৰলয়ংকৰী বানপানী সৃষ্টি হোৱাত অৰিহণা যোগালে। প্ৰলয়ংকৰী বানে মানুহ, জীৱ-জন্তু, ঘৰ-দুৱাৰ আৰু অনেক সা-সম্পত্তি ধ্বংস কৰাৰ লগতে যাতায়াত ব্যৱস্থাও ক্ষতিগ্ৰস্ত কৰে। সেই সময়ত ব্ৰহ্মপুত্ৰ অসমৰ বাবে অভিশাপ স্বৰূপ হৈ পৰে। অৱশ্যে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জৰিয়তে উপযুক্ত আঁচনিৰ প্ৰস্তুতিৰে এই অভিশাপক আশীৰ্বাদলৈ পৰিৱৰ্তিত কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

ব্ৰহ্মপুত্ৰ নদীৰ জল প্ৰবাহৰ পৰিমাণ দেশৰ সকলো প্ৰধান নদীতকৈ বেছি যদিও জলসম্পদৰ উন্নয়ন আৰু ব্যৱহাৰৰ মাত্ৰা অতি নগণ্য। জলসিঞ্চনৰ পূৰ্ণ সম্ভাৱনা থকা স্বত্বেও অসম জলসিঞ্চনৰ ক্ষেত্ৰত অতি পিছপৰা। অসমৰ মুঠ খেতি মাটিৰ মাত্ৰা ২৩ শতাংশতহে বৰ্তমানলৈকে জলসিঞ্চন কৰা হৈছে। খৰালি কালত পানীৰ অভাৱত বহুতো খেতিৰ মাটি ছন পৰি

থাকে। বছৰৰ ছমাহ ছন পৰি থকা বাবেই আশা কৰা মতে অসমে কৃষি উৎপাদন কৰিব পৰা নাই। ব্ৰহ্মপুত্ৰৰ বিশাল জলৰাশিক অসমৰ কৃষিক্ষেত্ৰত ব্যৱহাৰ কৰিব পাৰিলে অসমে কৃষি উৎপাদনত দেশৰ ভিতৰতে আগস্থান ল'ব পাৰে।

ভাৰতবৰ্ষৰ মুঠ জলসম্পদৰ প্ৰায় ২০ শতাংশই ব্ৰহ্মপুত্ৰ নদীয়ে বহন কৰে। ব্ৰহ্মপুত্ৰৰ জলসম্পদৰে চহকী উত্তৰ-পূব ভাৰত দেশৰ ভিতৰতে জলবিদ্যুৎ শক্তি উৎপাদনৰ অন্যতম সম্ভাৱনাপূৰ্ণ অঞ্চল হিচাপে পৰিগণিত হৈছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ জলসম্পদৰ সদ্ব্যৱহাৰ আৰু জলবিদ্যুৎ উৎপাদনৰ দ্বাৰা অকল অসমেই নহয়, সমগ্ৰ উত্তৰ-পূব ভাৰতেই দেশৰ ভিতৰতে এটা চহকী অঞ্চল হিচাপে প্ৰতিষ্ঠিত হ'ব পাৰে। কিন্তু অসমবাসীৰ বাবে ব্ৰহ্মপুত্ৰ এতিয়াও সম্ভাৱনা হৈয়ে আছে। সৰু সৰু বান্ধ নিৰ্মাণৰ যোগেদি অসমে বিদ্যুৎ উৎপাদনত আত্মনিৰ্ভৰশীল হোৱাৰ লগতে বানপানীও নিয়ন্ত্ৰণ কৰিব পাৰে।

ব্ৰহ্মপুত্ৰ নদীৰ বান নিয়ন্ত্ৰণ আৰু জলসম্পদ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৯৮১ চনতে ব্ৰহ্মপুত্ৰ বৰ্ড গঠন কৰি দিছে যদিও এই ক্ষেত্ৰত বৰ্ডে কাৰ্যকৰীকৰণ হোৱাকৈ প্ৰস্তাৱিত আঁচনিবোৰ সঠিককৈ ৰূপায়ণ কৰিব পৰা নাই। জলবিদ্যুৎ শক্তি উৎপাদনৰ যথেষ্ট উন্নতি কৰাৰ সম্ভাৱনা অন্তৰ্নিহিত হৈ আছে। ব্ৰহ্মপুত্ৰ নদীক আধাৰ হিচাপে লৈয়েই অসমে কৃষি ক্ষেত্ৰ, উদ্যোগ ক্ষেত্ৰ, যাতায়াত, নগৰীকৰণ আৰু আধুনিকীকৰণত উন্নতিৰ শিখৰত অৱতীৰ্ণ হ'ব পাৰে। কিন্তু তথাকথিত উদ্যোগীকৰণ, অৰ্থনৈতিক উন্নয়ন আৰু আধুনিকীকৰণৰ নামত মানুহ নদীখনৰ ক্ষতিকাৰক ভূমিকাতহে অৱতীৰ্ণ হৈছে। উন্নয়নৰ নামত মানুহে নদীখনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। সাম্প্ৰতিক সময়ত আন্তঃৰাজ্যিক নদী সংযোগীকৰণ, প্ৰাকৃতিক তেল আৰু গেছ আয়োগৰ ভূ-কম্পন জৰীপ, বৃহৎ ক্ষমতাসম্পন্ন জলবিদ্যুৎ প্ৰকল্প স্থাপন, পৰ্বত পাহাৰৰ খননৰ ফলত হোৱা অপৰিমিত গেদ সৃষ্টি, আদি অলেখ সমস্যাৰে ব্ৰহ্মপুত্ৰ নদীখন ভাৰাক্ৰান্ত। এই সমস্যাবিলাক কেৱল নদীখনৰ প্ৰতিয়েই ভাবুকি নহয়, অসম তথা অসমীয়া জাতিৰ বৈচিত্ৰ্য, ঐতিহ্য আৰু ঐশ্বৰ্যৰ প্ৰতিও ভাবুকি স্বৰূপ।

'জিলিকাব লুইতৰে পাৰ... শত শত বন্তিৰে জ্ঞানৰ দিপাৱলীয়ে' লুইতৰ পাৰত জ্ঞানৰ আলোকেৰে আলোকোজ্জ্বল কৰি তোলাৰ সপোন দেখা সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰায়ভাগ গীততে ব্ৰহ্মপুত্ৰ নদীৰ বন্দনা আছে। ব্ৰহ্মপুত্ৰ অসমীয়া জাতিৰ আয়ুসৰেখা, জীৱন শলিতা। অসমৰ সাহিত্য, সংগীত, লোককলা, সংস্কৃতি আদি সমস্ত দিশকে সমৃদ্ধ কৰি তোলা ব্ৰহ্মপুত্ৰক প্ৰতিজন অসমীয়াই ড° ভূপেন হাজৰিকাদেৱৰ দৰে গ্ৰহণ কৰিব লাগিব।

চিৰ প্ৰৱাহমান এই বিশাল নদীখনৰ গুৰুত্ব আজিৰ প্ৰজন্মই সঠিকভাৱে অনুধাৱন কৰিব লাগিব। আজিৰ প্ৰজন্মই নদীখনক বুজি উঠিবলৈ অধ্যয়নত ব্ৰতী হ'ব লাগিব। প্ৰয়োজন সাপেক্ষে নদীখনৰ বিভিন্ন দিশক লৈ গৱেষণা কৰিব লাগিব। ইয়াৰ বাবে অগ্ৰজসকল, অভিজ্ঞ ব্যক্তিসকল, বেচৰকাৰী সংস্থা বা চৰকাৰেও নতুন প্ৰজন্মক নদীখনৰ সম্পৰ্কত সজাগ আৰু সক্ৰিয় হৈ উঠাৰ পৰিৱেশ গঢ়ি তুলিব লাগিব। আহক, প্ৰকৃতিৰ এই অমূল্য দানক মানৱ কল্যাণৰ সৰ্বোত্তম ৰূপত ব্যৱহাৰ কৰিব পৰাকৈ আমি সকলোৰে এনে এক পৰিৱেশ গঢ়াৰ পণ লওঁ। ■



## অমৃত বাণী

অন্ধবিশ্বাস, কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা।

— **সৰ্বপল্লী ৰাধাকৃষ্ণণ**

# বিশ্বায়ন আৰু ভাৰতীয় মহিলা

**পাৰুল ভূঞা,** সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

শিক্ষা হৈছে বিকাশৰ মূল শক্তি। মানুহৰ জীৱন, সমাজ, সামাজিক ৰীতি-নীতি, অৰ্থনৈতিক অৱস্থা, সাংস্কৃতিক পৰম্পৰা, কৃষ্টি সভ্যতা এই সকলোবোৰৰ বিকাশ মূলতঃ শিক্ষাৰ ওপৰত নিৰ্ভৰ কৰে। বৰ্তমান বিশ্বায়ন বা গোলকীকৰণৰ যুগ। বিশ্বায়নে মূল্যবোধৰ পৰিৱৰ্তন ঘটাইছে। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নতিয়ে বৃহৎ মানৰ সমাজৰ বিকাশৰ লগত জাতীয় ভাৱধাৰাৰ বিকাশ, আন্তৰ্জাতিক দৃষ্টিভংগীৰ বিকাশ, জাতীয় অৰ্থনৈতিক বিকাশ আৰু বিশ্বৰ অৰ্থনৈতিক বিকাশৰ ধাৰণাও সংযোগ কৰিছে। বিশ্বায়ন বুলি ক'লে বিশ্বৰ বিভিন্ন দেশৰ লগত অৰ্থনীতি আৰু সমাজৰ তথ্য ধাৰণা, প্ৰযুক্তি সামগ্ৰী, সেৱা, মূলধন, বিত্ত আৰু জনসাধাৰণৰ সংহতি ঘটাকে বুজায়। বিশ্বায়নৰ মূল শক্তি হৈছে সংযোগ। বিশ্বায়ন এক দীঘলীয়া প্ৰক্ৰিয়া। সমগ্ৰ বিশ্বৰ লগতে ভাৰতত ৯০ দশকৰ পৰা বিশ্বায়নৰ বতাহ বলিবলৈ আৰম্ভ কৰিছে।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা আজি ৭২ বছৰ পাছতো খুব কম সংখ্যক মহিলাইহে উচ্চ বৃত্তিৰ পদ মৰ্যদাৰে ভাৰতীয় সমাজত উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়াও বহু মহিলাক আধুনিক আৰু বিশ্বায়ন প্ৰক্ৰিয়াই স্পৰ্শ কৰিবলৈ সক্ষম হোৱা নাই। ইয়াৰ মূল কাৰণ হ'ল ভাৰতীয় সমাজত প্ৰচলিত লিংগ বৈষম্য। বেছিভাগ মহিলাই এতিয়াও শিক্ষা, সম্পত্তি, পৰিয়ালৰ সিদ্ধান্ত দিব পৰা ক্ষমতা, ৰাজনৈতিক প্ৰতিনিধি হোৱা আৰু আইনৰ অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। অসমতো লিংগ বৈষম্য অতি স্পষ্ট। বহুতো ঠাইত মেট্ৰিকৰ দেওনা পাৰ হোৱাৰ পাছতেই ছোৱালীৰ বিয়াৰ বয়স হৈছে বুলি ধৰি লৈ বিয়াৰ বন্দবস্ত কৰা দেখা যায়।

বিশ্বায়ন প্ৰক্ৰিয়াত ব্যক্তিগত খণ্ডৰ উৎপাদন বৃদ্ধিৰ বাবে যদিও বেছি দৰমহা আৰু মজুৰিৰ সুবিধা দিয়া হয়, প্ৰকৃতাৰ্থত মহিলাসকলে আনুষ্ঠানিক বা চৰকাৰী খণ্ডত কাম কৰিবলৈ ভাল পায় আৰু কামৰ শিথিলতা আশা কৰে। কিয়নো ব্যক্তিগত খণ্ডত কাম কৰা মহিলাসকলে সামাজিক নিৰাপত্তা, চিকিৎসাৰ সুবিধা, প্ৰসৱৰ সময়ত পাব লগা ছুটী বা সন্তান জন্ম দিয়াৰ পাছত সন্তানক যত্ন লোৱাৰ কাৰণে ছুটীৰ সুবিধা লাভ নকৰে। আনকি তেওঁলোকে নিম্নতম মজুৰিতো কাম কৰিব লগা হয়।

বৰ্তমান মুক্ত অৰ্থনৈতিক ব্যৱস্থাই বিশ্বৰ বজাৰখনক তুমুল প্ৰতিযোগিতাৰ মাজলৈ ঠেলি পঠিয়াইছে। তথ্য প্ৰযুক্তিৰ ব্যাপক প্ৰচাৰ হোৱাৰ লগে লগে মানুহৰ ৰুচিৰো পৰিৱৰ্তন হৈছে। বিশ্বৰ বজাৰত এতিয়া থলুৱা হস্তনিৰ্মিত সৌহাৰ্দ্য সামগ্ৰীৰ (Eco-friendly Product) চাহিদা বৃদ্ধি পাইছে। ভাৰতত তেনে ধৰণৰ হস্ত নিৰ্মিত ৰপ্তানীকৃত সামগ্ৰীৰ ক্ষুদ্ৰ উদ্যোগসমূহত বহুতো মহিলাই কাম কৰে। সেই উদ্যোগৰ নিয়োগকৰ্তা সকলে নিজে অধিক মুনাফা লাভ কৰিলেও মহিলাসকলক বহুত কম মজুৰিত নিয়োজিত কৰে। আনহাতে কিছুমান উদ্যোগৰ পৰিৱেশ যথেষ্ট নিম্নমানৰ আৰু স্বাস্থ্য সন্মত নহয়। তেনে পৰিৱেশৰ বিৰূপ প্ৰভাৱ তাত কাম কৰা মহিলাসকলে ভোগ কৰিব লগা হয়। আনকি মহিলাসকলক সাময়িকভাৱে নিয়োগ কৰা হয় আৰু যিকোনো মুহূৰ্তত কৰ্মক্ষেত্ৰ এৰিবলগীয়া হ'ব পাৰে।

বিশ্বায়নৰ যুগ প্ৰতিযোগিতাৰ যুগ। গোলকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ লগে লগে বহুতো চৰকাৰী খণ্ড ব্যক্তিগতখণ্ডলৈ হস্তান্তৰিত হৈছে। বিশ্বায়নৰ প্ৰভাৱত উদ্যোগজাত সামগ্ৰীসমূহ উচ্চ মানৰ নহ'লে মুক্ত বজাৰ ব্যৱস্থাত বজাৰ দখল কৰিব নোৱাৰে। গতিকে শ্ৰমিক সকলৰ দক্ষতাৰ প্ৰশ্নও আহি পৰিছে। প্ৰকৃততে ভাৰতীয় মহিলাৰ কাৰণে চৰকাৰী খণ্ডৰ চাকৰিয়েই বেছি সুবিধাজনক। চৰকাৰী খণ্ডত কাম কৰা মহিলা সকলে অধিক সামাজিক নিৰাপত্তা আৰু সা-সুবিধা ভোগ কৰিব পাৰে। ব্যক্তিগত খণ্ডত কাম কৰি থকা মহিলাসকলে কামৰ পৰা অব্যাহতি নাপাই ইচ্ছাকৃতভাৱে অৱসৰ ল'বলৈ বাধ্য হয়।

সাম্প্ৰতিক আৰ্থ সামাজিক ব্যৱস্থাত হেজাৰ হেজাৰ ভাৰতীয় মহিলা, যিসকলে আগতে কেতিয়াও চাকৰি বিচৰা নাছিল, তেওঁলোকে যিকোনো ধৰণৰ কামত নিয়োজিত হ'বলৈ আৰম্ভ কৰিছে। বিশেষকৈ বৰ্তমান হৈ থকা অবিৰত মূল্য বৃদ্ধিৰ বাবে, পৰিয়ালৰ ব্যয় যথেষ্ট বৃদ্ধি হৈছে আৰু সেয়েহে অধিক উপাৰ্জনৰ কাৰণে স্বামী-স্ত্ৰী দুয়োজনে চাকৰি কৰিবলৈ বাধ্য হৈছে। চৰকাৰী খণ্ডবোৰ বন্ধ হৈ যোৱাৰ লগে লগে বহু পৰিয়ালৰ পুৰুষ মুৰব্বীজন নিবনুৱা হৈ পৰিছে আৰু তেওঁলোকৰ পত্নীয়ে উপায়হীন হৈ যিকোনো প্ৰকাৰৰ কাম কৰিবলৈ আগবাঢ়ি আহিছে।

বৰ্তমান সময়ত চৰকাৰে বিভিন্ন সামাজিক কাৰ্যৰ শিতানত মহিলাৰ কাৰণে নানাধৰণৰ আঁচনিৰ যোগেদি ব্যয় ধাৰ্য কৰিছে। বাস্তৱত কিন্তু বিভিন্ন ৰঙা ফিটাৰ মেৰপাক আৰু দুৰ্নীতিৰ হেতু সেই আঁচনিবোৰ শতকৰা এশভাগ সুফল মহিলাসকলে এতিয়াও লাভ কৰিব পৰা নাই। বৰ্তমান চৰকাৰে আত্ম সহায়ক গোট আৰু ক্ষুদ্ৰ বিত্তীয় ব্যৱস্থাৰ ওপৰত অধিক গুৰুত্ব দি মহিলাক স্বাৱলম্বী কৰাত গুৰুত্ব দিছে। আমাৰ বৰ্তমানৰ চৰকাৰেও মহিলা সবলীকৰণৰ বাবে 'বেটী বচাও বেটী পঢ়াও' অভিযান ৰূপায়ণ কৰাৰ সংকল্প লৈছে। মহিলা সকলক আৰ্থিক দিশত সহায় কৰিবৰ বাবে বিত্তীয় বৰ্ষত 'Gender Budget' আৰম্ভ কৰাৰ পৰিকল্পনা লৈছে।

চহৰ অঞ্চলত বসতি কৰা কিছু আধুনিক মহিলাৰ ছবিখন চাই মহিলাৰ আৰ্থ-সামাজিক মৰ্যাদা উন্নত হৈছে বুলি ক'লে হয়তো সম্পূৰ্ণ শুদ্ধ নহ'ব। এতিয়াও ভাৰতবৰ্ষৰ বহু ভিতৰুৱা অঞ্চলত মহিলাই লাজমান কাতি কৰি মুকলি অঞ্চলত শৌচ প্ৰস্ৰাৱ কৰা দেখা যায়। মহিলা সকলে সন্তান জন্ম দিয়া, লালন-পালন কৰাৰ ওপৰিও ঘৰৰ সকলো কাম বন কৰে, পানীৰ নাটনি অঞ্চলত বহু দূৰৰে পৰা পানী আনিব লগা হয়।

ভাৰতীয় মহিলাসকলে চাকৰি কৰি আৰ্থিকভাৱে যিমানেই সবল নহওঁক কিয়, ভাৰতীয় সমাজত বিয়াৰ পিছত তেওঁলোকক প্ৰথমে কাৰোবাৰ পত্নী আৰু তাৰ পিছত কাৰোবাৰ বোৱাৰী, কাৰোবাৰ মাতৃৰূপে যি পৰম্পৰাগত পৰিচয় সেইটোহে বিচাৰ কৰা হয়। তেওঁলোকৰ চাকৰিৰ মৰ্যাদা পাছতহে গুৰুত্ব দিয়া হয়। চাকৰিয়াল মহিলাসকলে সদায় সামাজিক সীমাবদ্ধতাৰ কথা চিন্তা কৰি কাম কৰিবলগীয়া হোৱা কাৰণে পুৰুষৰ দৰে স্বাধীনচিতীয়া কৈ কাম কৰাৰ সুযোগ নাপায়। তদুপৰি চাকৰি আৰু ঘৰুৱা জীৱনৰ সামঞ্জস্য বজাই ৰখাত যথেষ্ট অসুবিধা হয়। আনহাতে পশ্চিমীয়া নাৰীৰ দৰে ভাৰতীয় নাৰীয়েও যদি সংসাৰ নকৰাকৈ অকলশৰে জীৱন কটোৱাৰ সিদ্ধান্ত লয় তেতিয়া সমাজে তেওঁক সন্দেহৰ চকুৰে চাবলৈ আৰম্ভ কৰে। যদিও আজিকালি মহিলাসকলে সকলো ধৰণৰ চাকৰি কৰিব পাৰে, তথাপি তেওঁলোকে কৰ্মস্থলীত নিৰাপত্তাহীনতা, যৌন আতিশয্য আৰু বৈষম্যৰ বলি হয়। অৱশ্যে এইবোৰ বিচাৰ কৰিবলৈ আইনৰ ব্যৱস্থা আছে যদিও বহু মহিলাই নিজক সমাজৰ চকুত হেয় হোৱাৰ ভয়ত এই আইনবোৰৰ সুবিধা গ্ৰহণ নকৰে।

বিশ্বায়ন প্ৰক্ৰিয়াই এখন বহল কৰ্ম ক্ষেত্ৰৰ সৃষ্টি কৰিছে আৰু সেয়েহে বৰ্তমান মহিলাসকলে নিৰ্দিষ্ট সামাজিক পৰিসীমাৰ বাহিৰলৈ গৈ কাম কৰাৰ সুবিধা লাভ কৰিছে। তথাপিও মহিলাসকলে সন্মুখীন হোৱা এটা প্ৰধান সমস্যা হৈছে— সামাজিক মনোভাৱৰ সমস্যা। ভাৰতীয় সমাজ এতিয়াও পুৰুষ প্ৰধান আৰু পৰিয়ালৰ আটাইতকৈ বয়সস্থ পুৰুষজনেহে পৰিয়ালৰ মুৰব্বী হিচাপে সকলো সিদ্ধান্ত একপক্ষীয়ভাৱে গ্ৰহণ কৰিব পাৰে। মহিলাক নিজৰ অভিমত ব্যক্ত কৰাৰ বা স্বাধীনভাৱে থকাৰ কোনো সুযোগ নিদিয়ে। কিন্তু বিশ্বায়নৰ বতাহ লগা আধুনিক ভাৰতীয় সমাজত মহিলাসকলে পশ্চিমীয়া নাৰীৰ দৰে স্বাধীনভাৱে আত্মনিৰ্ভৰশীল হৈ জীৱন যাপন কৰিবলৈ ইচ্ছা কৰে।

নাৰীৰ আৰ্থ-সামাজিক মৰ্যাদা বৃদ্ধিৰ কাৰণে ভাৰতবৰ্ষত নাৰীৰ সম্পত্তিৰ অধিকাৰ দিয়া হৈছে যদিও খুউব কম সংখ্যক মহিলাইহে প্ৰাপ্য সম্পত্তিৰ পৰা বঞ্চিত হ'লে আদালতৰ কাষ চপা দেখা যায়। ঠিক সেইদৰে স্বামী বা আন পুৰুষৰ পৰা শাৰীৰিক বা মানসিক নিৰ্যাতন পালেও অৰ্থনৈতিক আৰু সামাজিক মৰ্যাদা লাঘৱ হোৱাৰ ভয়ত আদালতৰ কাষ চাপিবলৈ সংকোচ বোধ কৰে।

আজি বিশ্বায়নৰ যুগতো গ্ৰাম্য অঞ্চলৰ মহিলাসকলে অত্যাধিক শাৰীৰিক শ্ৰম কৰে আৰু সেই অনুপাতে খাদ্য ভোগ কৰিব নোৱাৰাৰ কাৰণে পুষ্টিহীনতাত ভোগে। এতিয়াও ভাৰতৰ কিছু উচ্চ উপাৰ্জনকাৰী মহিলাই কিছুমান কুসংস্কাৰপূৰ্ণ পৰম্পৰাগত ভাৰতীয় ৰীতি নীতিৰ ঠেক গণ্ডীৰ পৰা বাহিৰ ওলাই আহিব পৰা নাই। বৰ্তমানেও বহু নাৰীয়ে ভোগৰ সামগ্ৰী ৰূপে দিন কটাবলগীয়া হৈ আছে।

সাম্প্ৰতিক ৰাজনৈতিক ছবিখনতো মহিলাসকলৰ এক উৎসাহজনক স্থিতি দেখিবলৈ নাপাওঁ। চলিত লোকসভাত মুঠ ৫৪৩ জন সদস্যৰ ভিতৰত মাত্ৰ ৭৮ গৰাকীহে মহিলা সদস্য। কোনোমতে ১৪% পাৰ হ'বলৈ সক্ষম হৈছে। ১৯৫২ চনৰ প্ৰথম লোকসভাত ৪৯৯ জন সদস্যৰ ভিতৰত মহিলা আছিল ২২ গৰাকী। শতকৰা হাৰ ৪.৪% কিন্তু বিশ্বায়নৰ মুখ দেখা ভাৰতীয় সমাজত তেতিয়াৰ পৰা মাত্ৰ ৫৬ গৰাকী বৃদ্ধি হৈছে।

স্বাধীনতাৰ পিছৰ পৰা আজিলৈকে ভাৰতত মাত্ৰ ১৪ গৰাকী মহিলাইহে মুখ্যমন্ত্ৰী হ'বলৈ সক্ষম হৈছে। অসম বিধানসভাত বৰ্তমান ১২৬ গৰাকী বিধায়কৰ ভিতৰত মাত্ৰ ৮

গৰাকীহে মহিলা বিধায়ক। ২০১১ চনৰ লোকপিয়ল মতে ভাৰতত মহিলাৰ শিক্ষিতৰ হাৰ ৬৫.৪৬%। প্ৰগতিশীল বিশ্বায়নৰ যুগতো ৩৪.৩৪% মহিলাই শিক্ষাৰ পোহৰ পোৱা নাই। মহিলাসকলক সঁচা অৰ্থত বিশ্বায়ন প্ৰক্ৰিয়াই অন্তৰ্ভুক্ত কৰি সবলীকৰণ কৰিব লাগিলে কেইখন মাত্ৰ সভা বা আলোচনাচক্ৰই যথেষ্ট নহয়। তৃণমূল পৰ্যায়ৰ পৰা মহিলাসকলক হাতে-কামে সবলীকৰণ কৰাৰ চেষ্টা কৰিব লাগিব। ভাৰতীয় মহিলাসকলে আজি সমাজত প্ৰচলিত জাতিভেদ আৰু পুৰুষ প্ৰধান প্ৰথাৰ বিৰুদ্ধে যুঁজ দিবলগীয়া হৈছে। বিচাৰ ব্যৱস্থা, অসামৰিক সেৱা, সংবাদ মাধ্যম, বৃহৎ ব্যৱসায়, প্ৰশাসনিক সেৱা আদি পদবোৰৰ বেছিভাগেই পুৰুষে কাৰ্যানিৰ্বাহ কৰি থকা পৰিলক্ষিত হয়।

নিৰ্বাচন প্ৰক্ৰিয়াত মহিলাসকলে অংশগ্ৰহণ কৰিলেও তেওঁলোকে টিকট পাবলৈ কোনো ক্ষমতাশালী ব্যক্তিৰ আত্মীয় হ'লেহে সুবিধাজনক হোৱা দেখা যায়। মহিলাসকলৰ বিশেষ যোগ্যতাতকৈ কোনো বিশেষ ব্যক্তিৰ পত্নী, জীয়ৰী, ভগ্নী আদি সম্পৰ্কইহে যোগ্যতাৰ মাপকাঠি হিচাপে বিবেচিত হয়।

বিশ্বায়নে ভাৰতীয় সমাজত খাদ্য, পিন্ধন আদি সংস্কৃতিৰ পৰিবৰ্তন আনিলেও ভাৰতীয় হিন্দু সমাজত প্ৰচলিত জাতিভেদ প্ৰথা, উচ্চ-নীচৰ ধাৰণা, সৰু-ডাঙৰ, ধনী-দুখীয়া, ভি আই পি-সাধাৰণ, পৱিত্ৰ-অপৱিত্ৰ, স্ত্ৰী-পুৰুষ আদি বৈষম্যৰ পৰিৱৰ্তন আনিব পৰা নাই। ইয়াৰ ফল স্বৰূপে আৰ্থ-সামাজিক উন্নয়নত বাধাৰ সৃষ্টি হৈছে। ভাৰতবৰ্ষত প্ৰতি ১০০০ জন পুৰুষৰ বিপৰীতে মাত্ৰ ৯৪০ গৰাকী মহিলাহে আছে (২০১১ চনৰ লোকপিয়ল)। প্ৰতিদিনে ভাৰতবৰ্ষত চলা বলাৎকাৰ, নাৰী ধৰ্ষণৰ দৰে পৈশাচিক ঘটনা সংঘটিত হোৱা শুনিবলৈ পোৱা যায়। ডাইনী হত্যাৰ দৰে চৰম নাৰকীয় ঘটনা আজিৰ মুক্ত বিশ্বৰ অংশীদাৰ ভাৰতবৰ্ষত হৈ আছে। যৌতুক প্ৰথাৰ বলি হৈ বহু নাৰীয়ে অকালতে ঘুণীয়া হৈছে, মৃত্যু মুখত পৰিবলগীয়া হৈছে। নাৰীসকল প্ৰকৃত অৰ্থত সবল হ'বলৈ হ'লে সমাজত পৰম্পৰাগতভাৱে চলি অহা বৈষম্যবোৰ দূৰ হ'ব লাগিব। প্ৰতি গৰাকী নাৰীয়ে শিক্ষাৰ পোহৰ পাব লাগিব। ভাৰতবৰ্ষত নাৰীয়ে যেতিয়া লিংগ বৈষম্য, যৌতুক প্ৰথা, ভ্ৰূণ হত্যা, বলাৎকাৰ আদি যিকোনো ধৰণৰ অন্যায় আৰু শোষণৰ প্ৰতি মাৰ বান্ধি থিয় দিব পাৰিব, তেতিয়াই ভাৰতীয় নাৰী প্ৰকৃত অৰ্থত সবল হ'ব আৰু আধুনিক বিশ্বায়ন প্ৰক্ৰিয়াৰ অংশীদাৰ হ'ব বুলি গৌৰৱ কৰিব পাৰিব। ■



## অমৃত বাণী

আনৰ দোষ-গুণ বা আনে কি কৰিলে, কি নকৰিলে, তালৈ চকু নিদি নিজে কি কৰিছে বা কৰা নাই তালৈহে চকু দিয়া উচিত।

— **বুদ্ধদেৱ**

# ‘মে-ডাম্-মে-ফি’ উৎসৱ আৰু ইয়াৰ প্ৰাসংগিকতা

**ড° মণ্টু চেতিয়া,** সহকাৰী অধ্যাপক, বুৰঞ্জী বিভাগ

অসমত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠীসমূহৰ প্ৰত্যেকৰেই নিজৰ একোটা উৎসৱ আছে। এই উৎসৱতেই সেই জনগোষ্ঠীটোৰ জাতীয় ঐতিহ্য, স্বকীয় বৈশিষ্ট্য পৰিস্ফুট হোৱাৰ লগতে পৰম্পৰাগত ৰীতি-নীতি আৰু প্ৰৱাহমান সংস্কৃতিৰ ধাৰা অন্তৰ্নিহিত হৈ থাকে। এনে উৎসৱসমূহৰ লগত জনগোষ্ঠীটোৰ ঐশ্বৰ্য্যশীল জাতীয়তাবোধৰ ভাৱধাৰাও সংপৃক্ত হৈ থাকে। অসমত ছশবছৰ কাল ৰাজত্ব কৰি বৰ অসমৰ ভেটি প্ৰতিষ্ঠা কৰা আহোম বা টাই আহোমসকলৰ এই জাতীয় উৎসৱটি হ’ল ‘মে-ডাম্-মে-ফি’। পূৰ্বতে ‘মে-ডাম্-মে-ফি’ বছৰৰ অন্য সময়ত অনুষ্ঠিত কৰা হৈছিল যদিও সম্প্ৰতি প্ৰতি বছৰে ৩১ জানুৱাৰী দিনটোত অসমৰ সকলো অঞ্চলতেই ইয়াৰ উদ্‌যাপনৰ স্থায়ী দিন হিচাপে ধাৰ্য কৰা হৈছে।

‘মে-ডাম্-মে-ফি’ এটা আহোম শব্দ। আহোম ভাষাত ‘মে’ মানে তৰ্পণ বা পূজা, ‘ডাম্’ মানে মৃতক আৰু ‘ফি’ মানে দেৱতা। অৰ্থাৎ ‘মে-ডাম্-মে-ফি’ মানে হৈছে ‘মৃত দেৱতাসকলৰ কাৰণে কৰা পূজা। আন এক অৰ্থত উপৰিপুৰুষ সকলৰ উদ্দেশ্যে কৰা পূজা বা তৰ্পণ।[১] ইয়াৰ পৰা এটা কথা বুজিব পাৰি যে টাই আহোমসকলে মানুহৰ মৃত্যুৰ পাছৰ ইহলোক বা পৰলোকক বিশ্বাস কৰিছিল আৰু এই বিশ্বাসেই এই মে-ডাম্-মে-ফি উৎসৱৰ মূল ভেটি বুলিব পাৰি।

‘মে-ডাম্-মে-ফি’ত আহোমসকলৰ প্ৰথমজন আদিপুৰুষ ‘লেংডনক’ মাজত লৈ মুঠ আঠজন দেৱ-দেৱীক পূজা দিয়া হয়। এই দেৱ-দেৱীসকল হৈছে ‘খাওখাম’ (জন্মৰ অধিপতি), আই-লেং-ডিন’ (পৃথিৱীৰ গৰাকী), ‘লাংকুৰি’ (শিৱ দেৱতা), ‘জন-চাই-হুং’ (সৰ্ব অধিপতি), ‘চিৎল্লাম-চাম’ (সপ্তস্বৰ্গৰ অধিপতি), ‘মুৎকুম-টাইকুম’ (চন্দ্ৰ-সূৰ্যৰ অধিপতি) আৰু ‘জাছিংফা’ (সৰ্ববিদ্যাৰ অধিপতি)।[২] অষ্টকোণীয়াকৈ সজা একোটা মণ্ডপত আঠজন দেৱতাৰ নামত অৰ্ধ চন্দ্ৰাকাৰে পূজাৰ বেদীসমূহ স্থাপন কৰা হয়। মাটিৰ ঢিপ বা বাঁহৰ বা কল থৰুৱাৰে সজা আসন ‘মেহেঙা’ত পূজাৰ দৈৱেদ্য আগবঢ়োৱা হয়। পূজাৰ নৈৱেদ্য হিচাপে আগবঢ়োৱা হয়— চাউল (আৰৈ চাউল) কণী (কুকুৰাৰ



কণী), মিঠাতেল, নিমখ, আদা, লুকলাও (সাঁজৰ ৰহি), আলু, পিঠা, চাকিবন্তি, ফুল, ধূপ আদি সামগ্ৰী।[৩] এই সামগ্ৰীসমূহ সম্পূৰ্ণ ধৰ্মীয় নীতি-নিয়মেৰে দেৱতাসকললৈ আগবঢ়াই বছৰটোৰ বাবে নিজৰ লগতে জ্ঞাতি, দেশ-জাতিৰ মংগলৰ বাবে মৃত দেৱতাসকলক প্ৰাৰ্থনা জনোৱা হয়। সাধাৰণতে তিনিজন পুৰুহিতে এই সমগ্ৰ পূজাৰ কাম-কাজসমূহ পৰিচালনা কৰে। উল্লেখযোগ্য যে অস্থায়ীভাৱে পূজাৰ চৌহদতে উপৰিপুৰুষ 'পুলিন-পুখা'ও স্বৰ্গদেউসকলৰ নামত মৈদাম সাজি স্মৃতি তৰ্পণ কৰা পৰম্পৰাও এই উৎসৱৰ সময়ত দেখিবলৈ পোৱা যায়। প্ৰথমে পুৰুহিতসকলে (মলুঙসকলে) 'এএগ্ৰাপলক' (শান্তিপানী) ছটিয়াই ঠাইখন শুদ্ধি কৰাৰ উপৰিও সমবেত ৰাইজকো 'এএগ্ৰাপলক' খোৱাই শুদ্ধিকৰণ কৰে আৰু তাৰ পাছত নিজৰ নিজৰ কামত অগ্ৰসৰ হয়।[৪] মলুঙসকলে যজ্ঞৰ মন্ত্ৰ মতাৰ আগতে পূজাৰ দায়-দোষ থাকিলে মৰিষণ কৰিবৰ বাবে প্ৰাৰ্থনা মন্ত্ৰ মাতি জনমিং (আশীৰ্বাদ) লয়। জনমিঙৰ মন্ত্ৰ হ'ল এনে ধৰণৰ—

"চ্যাও নুৰু চ্যাও কাউ ঐ
চ্যাও নুৰু চ্যাও কাউ ঐ
চ্যাও নুৰু চ্যাও কাউ ঐ
পুথাও খাম চয়মন জাখাও খাম নো...।"

ইয়াৰ পৰৱৰ্তী পৰ্যায়ত পুৰোহিত সকলে প্ৰতিজন দেৱতাৰ নামত পৃথকে পৃথকে মন্ত্ৰ-শ্লোক মাতি 'ফুৰাৰ' নাম প্ৰসঙ্গ কৰি পূজাৰ সামৰণি মাৰে।

চীন দেশত থকা কালৰে পৰা টাই আহোমসকলে উপৰিপুৰুষৰ পূজা বা 'মে-ডাম-মে-ফি' অনুষ্ঠান বা উৎসৱ পালন কৰি আহিছে। অসমত চুকাফাৰ ৰাজত্ব কালত চৰাইদেউত ৰাজধানী স্থাপন কৰি 'মে-ডাম-মে-ফি' উৎসৱ পালন কৰাৰ কথা বুৰঞ্জীত লিপিবদ্ধ আছে। স্বৰ্গদেউ চুহুংমুং, চুক্লেংমুঙ চুচেংফা, চুলিক্‌ফা আদিৰ ৰাজত্বকালতো এই উৎসৱ পালন কৰা হৈছিল। চুহুংমুং বা দিহিঙ্গীয়া ৰজাই পৰাক্ৰমী চুতীয়াসকলক আৰু কছাৰীসকলক পৰাস্ত কৰি ৰাজকীয় আড়ম্বৰেৰে দুবাৰ 'মে-ডাম্-মে-ফি' উৎসৱ পতাৰ কথা বুৰঞ্জীত উল্লেখ আছে। চুক্লেংমুং বা গড়গঞা ৰজাই মোগল আৰু কছাৰীসকলক পৰাভূত কৰি আৰু কোঁচসকলৰ লগত শান্তি স্থাপন কৰি 'মে-ডাম্-মে-ফি' উৎসৱ পাতিছিল বুলি জানিব পৰা যায়। সেই ৰীতিকেই অনুসৰণ কৰি চুচেংফা বা প্ৰতাপ সিংহইয়ো কছাৰী আৰু মোগলসকলৰ লগত যুদ্ধ অৱতীৰ্ণ হোৱাৰ আগত এই উৎসৱ উদ্‌যাপন কৰিছিল। পৰৱৰ্তী সময়ত হিন্দু ধৰ্মৰ প্ৰভাৱত পৰি জয়ধ্বজ সিংহই পূৰ্বৰে পৰা প্ৰচলিত এই 'মে-ডাম্-মে-ফি' উৎসৱ পালনত অৱহেলা কৰাৰ কাৰণেই মোগলে ৰাজধানী গড়গাঁৱত পদাৰ্পন কৰিছিল আৰু স্বৰ্গদেৱে ৰাজধানী এৰি ভগনীয়া হ'বলগীয়া হৈছিল। আনকি মোগলৰ কৰতলতীয়া ৰজা হৈ নিজৰ জীয়েকক মোগললৈ যাচিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছিল। পিছত ৰজা চক্ৰধ্বজ সিংহই এই সকলোবোৰ কথা উপলব্ধি কৰি হেৰুৱা ৰাজ্যখণ্ড পুনৰ উদ্ধাৰৰ দৃঢ় সংকল্প লৈ মহাসমাৰোহেৰে 'মে-ডাম্-মে-ফি' উৎসৱ ৰাজ্যত অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছিল।

'মে-ডাম্-মে-ফি' আদিতে আহোম ৰাজসভাত ৰাজকীয়ভাৱে অনুষ্ঠিত কৰিছিল যদিও পিছলৈ ই লাহে লাহে সৰ্বসাধাৰণ মানুহৰ মাজলৈ বিয়পি পৰিল। আহোমসকলে বিশেষকৈ পুৰোহিত শ্ৰেণী যেনে দেওধাই, মহন আৰু বাইলুংসকলে ঘৰে ঘৰে বৰঘৰৰ চুকত মন্দিৰ সদৃশ পৱিত্ৰতা আৰু শ্ৰদ্ধাৰে 'ডাম চুক' পাতি 'ডাম্' অৰ্থাৎ 'মৃত দেৱতাক' প্ৰতিষ্ঠা কৰি ৰাখে। ইয়াতেই তেওঁলোকে 'লুকলাও' (সাঁজৰ ৰহি) ৰঙা কুকুৰা বা কুকুৰাৰ কণীৰে ঘৰৰ 'মৃতকৰ' অৰ্থাৎ 'ডামৰ' উদ্দেশ্যে এখন থাল বা তিনিখন থাল সজাই পূজা অৰ্চনা দিয়ে। ইয়াকেই সাধাৰণতে 'চুকত দিয়া' বা 'মৃতকক দিয়া' বা 'মৃতোকত দিয়া' বুলিও কোৱা হয়।[৫] তদুপৰি টাই আহোমসকলে পিতৃ-মাতৃৰ মৃত্যুৰ দিনা বা মৃত্যু তিথিত প্ৰতি বছৰে বছৰেকীয়া নামেৰেও উপৰিপুৰুষৰ পূজা বা উপাসনা পালন কৰাতো পৰিলক্ষিত হয়, সাধাৰণতে বিহুৰ সংক্ৰান্তিৰ দিনা, নখোৱা, বিয়া-বাৰু নাইবা ঘৰত কিবা শুভ কাৰ্য আৰম্ভ কৰিলে ভকত গোটাই মৃতকক পূজা দিয়াতো আহোমসকলৰ এটা চলিত নিয়মত পৰিণত হৈছে। কাৰণ কোনো উৎসৱ বা ঘৰুৱা শুভ কৰ্মৰ আগতে পূজিলে আগন্তুক সময়খিনি ভালে- কুশলে পাৰ হ'বলৈ আশীৰ্বাদ দিয়ে বুলি তেওঁলোকে গভীৰভাৱে বিশ্বাস কৰে।

আহোম স্বৰ্গদেউসকলৰ ৰাজত্ব অৱসান হোৱাৰ লগে লগে ৰাজহুৱাভাৱে 'মে-ডাম্-মে-ফি' উৎসৱ উদ্‌যাপন কৰা পৰম্পৰা প্ৰায় বন্ধ হৈছিল বুলি ক'ব পাৰি। অৱশ্যে ঘৰুৱাভাৱে আৰু বংশাৱলীৰ ৰূপত সীমিত হাৰত ইয়াৰ প্ৰচলন হৈ আছিল। বৰ্তমানৰ 'মে-ডাম্-মে-ফি' ৰূপটো বিংশ শতিকাৰ মাজভাগৰ পৰা গুৱাহাটীৰ কেইজনমান জ্ঞাতি-কুটুম্বৰ প্ৰচেষ্টাত আৰম্ভ হৈছিল। ১৯৪০-৪৫ চনৰ পৰা উত্তৰ গুৱাহাটীৰ মণিকনেশ্বৰত কিছু বছৰ ৰাজহুৱাভাৱে 'মে-ডাম্-মে-ফি' অনুষ্ঠিত কৰাৰ কথা জানিব পাৰি।[৬] তাৰ পাছত ১৯৭২ চনত গড়গাঁৱত ৰাজহুৱাভাৱে কাৰেং ঘৰৰ প্ৰাংগণত 'মে-ডাম্-মে-ফি' আয়োজন কৰা হৈছিল। ১৯৮৪ চনত প্ৰয়াত হিতেশ্বৰ শইকীয়াই অসমৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত জয়সাগৰৰ তলাতল ঘৰৰ বাকৰিত আড়ম্বৰপূৰ্ণ কাৰ্যসূচীৰে 'মে-ডাম্-মে-ফি' ৰাজ্যিক ভিত্তিত উদ্‌যাপন কৰাৰ ব্যৱস্থা কৰিছিল। ইয়াৰ পাছৰ পৰাই 'মে-ডাম্-মে-ফি' উদ্‌যাপন কৰা এক পৰম্পৰাই আহোম সম্প্ৰদায় লোকসকলৰ মাজত গঢ় লৈ উঠিল। লগে লগে অসম চৰকাৰেও

৩১ জানুৱাৰী দিনতো 'মে-ডাম্-মে-ফি' উদ্‌যাপনৰ স্থায়ী দিন হিচাপে ঘোষণা কৰে।[৬]

সাম্প্ৰতিক সময়ৰ গুৰুত্বপূৰ্ণ প্ৰশ্নটো হৈছে যে 'মে-ডাম্-মে-ফি' বা এনেধৰণৰ স্বকীয় জনগোষ্ঠীয় উৎসৱসমূহ আমি কিয় পালন কৰিব লাগে? উত্তৰত ইয়াকে ক'ব পাৰি যে, ইবোৰ হৈছে আমাৰ ঐতিহ্য আৰু পৰম্পৰা। অতীতৰ শুদ্ধ বিশ্লেষণৰ ওপৰতেই প্ৰতিষ্ঠা হয় বৰ্তমান আৰু বৰ্তমানে নিৰ্ধাৰণ কৰে ভৱিষ্যতৰ। যি অতীতৰ গৌৰৱৰ বিষয়ে একো নাজানে, তেওঁ কেতিয়াও বৰ্তমানৰ বাবে সাজু হ'ব নোৱাৰে। যি সমাজ নিজৰ ঐতিহ্যৰ সম্পৰ্কে অৱগত বা সচেতন নহয়, তেওঁলোকে কেতিয়াও বৰ্তমানৰ ভেটি গঢ়ি তুলিব নোৱাৰে। গতিকে আমি সকলোৱেই আমাৰ ঐতিহ্য আৰু পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল হোৱাৰ লগতে এইবোৰৰ সংৰক্ষণ আৰু পালনত গুৰুত্ব দিব লাগে।

দ্বিতীয়তে, সংস্কৃতি হৈছে এখন সমাজ বা একোটা জাতিৰ দাপোণ স্বৰূপ। কোনো এটা জাতি বা জনগোষ্ঠীৰ নিজস্ব পৰিচয় নিহিত হৈ থাকে সেই জাতি বা জনগোষ্ঠীটোৰ সংস্কৃতিৰ ওপৰত অথবা সাংস্কৃতিকভাৱে তেওঁলোক কিমান সচেতন তাৰ ওপৰত। নিজস্ব স্বকীয় ঐতিহ্য আৰু সংস্কৃতি নথকা জনগোষ্ঠী এটা শিপা নাইকীয়া গছ এডালৰ দৰে। গতিকে এনেবোৰ কথা উপলব্ধি কৰিয়েই আজিৰ অসমৰ অনাৰ্যমূলীয়া জনগোষ্ঠীয় লোকসকলে ক্ৰমে হেৰুৱাৰ উপক্ৰম হোৱাত পূৰ্বৰ ঐতিহ্য আৰু সংস্কৃতি ৰক্ষা কাৰ্যত নিজকে আত্মনিয়োগ কৰাৰ পৰিলক্ষিত হৈছে। এই ক্ষেত্ৰত 'মে-ডাম্-মে-ফি'ৰ দৰে ধৰ্মীয় আৰু সাংস্কৃতিক অনুষ্ঠানসমূহৰ গুৰুত্ব অসীম।

শেষত এই কথা স্বীকাৰ কৰিব লাগিব যে সম্প্ৰতি 'মে-ডাম্-মে-ফি' উৎসৱে কেৱল আহোম জনগোষ্ঠীৰ লোকসকলকে নহয়, অন্যান্য জনগোষ্ঠীয় লোকসকলকো ইয়াৰ লগত জড়িত কৰাই লৈ সকলোৰে মাজত এক সম্প্ৰীতি আৰু সমন্বয়ৰ পৰিৱেশ গঢ়ি তুলিবলৈ সক্ষম হৈছে। বাস্তৱ অভিজ্ঞতাৰ পৰা এই কথা উপলব্ধি কৰিব পাৰি যে বৰ্তমান সময়ত 'মে-ডাম্-মে-ফি' কেৱল আহোমসকলৰে হৈ থকা নাই। পৰ্বত-ভৈয়ামৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ অংশগ্ৰহণ আৰু সহযোগত ই এক সমন্বয়ৰ সেতুলৈ পৰ্যবেক্ষিত হৈছে। সেয়েহে আজিৰ অসমৰ প্ৰেক্ষাপটত 'মে-ডাম্-মে-ফি'ৰ দৰে উৎসৱসমূহ উদ্‌যাপন কৰাৰ নিশ্চয়কৈ প্ৰাসংগিকতা আছে। আৰু ইয়াক সময়ৰ আহ্বান বুলি বিবেচনা কৰিব পাৰি। ■

---

**পাদটীকা :**

১। গগৈ, পদ্মেশ্বৰ ; Tai Ahom Religion and Culture, গুৱাহাটী, ১৯৭৬, পৃষ্ঠা ৫৭।
২। চেতিয়া, উমেশ ; আহোম বুৰঞ্জী আৰু সংস্কৃতি, ধেমাজি, ২০১৩, পৃষ্ঠা ২৯৬।
৩। গগৈ, নীলকান্ত ; অসমৰ লোকসংস্কৃতিৰ সুবাস, ধেমাজি, ২০১৭, পৃষ্ঠা ৮২।
৪। চেতিয়া, উমেশ ; পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ২৯৬।
৫। গগৈ, নীলকান্ত ; পূৰ্বোক্ত গ্ৰন্থ, পৃষ্ঠা ৮২।
৬। চেতিয়া, যোগেন ; সমন্বয় সম্প্ৰীতিৰ উৎসৱ 'মে-ডাম্-মে-ফি' প্ৰকাশিত প্ৰবন্ধ, দৈনিক বাতৰি, ২০০৭, ৩১ জানুৱাৰী, পৃষ্ঠা ১০।

## গুৰুত্বপূৰ্ণ তিনি

- ✦ তিনিজন উপকাৰীৰ উপকাৰ পৰিশোধ কৰা টান — পিতৃ-মাতৃ, অভিভাৱক আৰু গুৰুজন।
- ✦ তিনিজনৰ সংগ এৰা — জুৱাৰী, মদাহী আৰু ব্যভিচাৰী।
- ✦ তিনিটা বস্তু নিজৰ মনৰ পৰা মচি পেলোৱা — লোভ, খং আৰু দ্বেষ।
- ✦ তিনিজনক বাধা নিদিবা — ধৰ্ম প্ৰচাৰ কৰোঁতাক, দান দিওতাক আৰু শুশ্ৰূষা কৰোঁতাক।
- ✦ তিনিটা সদায় নিজৰ কৰি লোৱা — সত্য, ধৰ্ম আৰু সদাচাৰ।
- ✦ তিনিটা গুণ আয়ত্ত কৰা — নম্ৰতা, সৰলতা আৰু ভদ্ৰতা।
- ✦ তিনিটা বস্তু নাচাবা — নিজৰ গুণ, আনৰ দোষ আৰু দুষ্টৰ মহত্ব।

সংগ্ৰাহক - **ভাৰ্গৱ বৰা, পঞ্চম ষাণ্মাসিক**



# ৰবীন্দ্ৰনাথ ঠাকুৰৰ সাহিত্যত সমন্বয় চিন্তা

**ড° কুশল টাইদ,** সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

ভাৰতৰ জাতীয় জীৱনৰ এক উজ্জ্বল নক্ষত্ৰ হ'ল ৰবীন্দ্ৰ নাথ ঠাকুৰ। ১৯১৭ চনত বিশ্ব সাহিত্যৰ সৰ্বোচ্চ সন্মান নোবেল বঁটা প্ৰাপ্তিৰ মাজেৰে ৰবীন্দ্ৰনাথ ঠাকুৰে ভাৰতীয় সাহিত্যকো বিশ্ব সাহিত্যৰ মৰ্যদা প্ৰদান কৰি গৈছে।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ জীৱন দৰ্শন বুলি ক'লে বিশ্ব মানৱতাবোধৰ দৰ্শনকেই বুজা যায়। এই জীৱন দৰ্শনত সোমাই আছে বিশ্বশান্তি, মানবীয় মূল্যবোধ আৰু সমন্বয় চিন্তা। বিশেষকৈ ভাৰতীয় পটভূমিত ৰবীন্দ্ৰনাথ ঠাকুৰৰ সমন্বয় চিন্তাৰ দৰ্শনে তেওঁৰ অনুৰাগীসকলক যথেষ্ট পৰিমানে প্ৰভাৱান্বিত কৰি আহিছে। ৰবীন্দ্ৰনাথ ঠাকুৰৰ সমন্বয় চিন্তাৰ প্ৰকাশ ঘটিছে তেওঁৰ ৰচনাৱলী আৰু ব্যক্তিগত জীৱন কৰ্মত। এই ৰচনাৱলীৰ মাজত আছে উপন্যাস, গল্প, প্ৰবন্ধ, কবিতা আৰু গীতা।

ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্ম হয় ১৮৬১ চনৰ ৭ মে' মাহত। তেওঁ মৃত্যু বৰণ কৰে ১৯৫১ চনৰ ৭ আগষ্ট মাহত। ৰবীন্দ্ৰনাথৰ জীৱন কালৰ এই আশীটা বছৰ আছিল ভাৰতীয় জীৱনৰ সংকট কাল। হিন্দু পুনৰুত্থানবাদ, মুছলিম লীগৰ আন্দোলন, গো হত্যা বিৰোধী আন্দোলন আদি। পৃথকত্ববাদী আন্দোলন আদিয়ে এই সময়ছোৱাত ভাৰতীয় জীৱন অস্থিৰ কৰি তুলিছিল। তদুপৰি এই আন্দোলনবোৰৰ গইনা লৈ এফালে হিন্দু চেতনাৰ নামত সাম্প্ৰদায়িকতাবাদ আৰু আনফালে মুছলিম চেতনাৰ নামত মুছলিম সাম্প্ৰদায়িকতাবাদে অবিভক্ত ভাৰতৰ সমাজ জীৱন অস্থিৰ কৰি তুলিছিল। ভাৰতবৰ্ষৰ সমাজ জীৱনৰ এই জটিল সন্ধি ক্ষণতেই ৰবীন্দ্ৰনাথ ঠাকুৰে আৰম্ভ কৰিছিল সাহিত্য চৰ্চা। গল্প, কবিতা, উপন্যাস, গীত আদি মৌলিক সাহিত্য সৃষ্টিৰ উপৰি ৰবীন্দ্ৰনাথে সমসাময়িক ঘটনাৱলীৰ ওপৰতো আলোকপাত কৰিছিল। তেনে সাহিত্য কৰ্মৰ মাজেৰেই সমন্বয় চিন্তাই প্ৰাধান্য পাইছিল।

ভাৰতীয় জীৱনৰ সমন্বয় আৰু সংঘাতক উপলক্ষ্য কৰি

ৰবীন্দ্ৰনাথ ঠাকুৰৰ যি কেইটা ৰচনাই গুৰুত্ব লাভ কৰিছিল ইয়াৰ ভিতৰত 'ঘৰে-বাইৰে', 'গোড়া' (উপন্যাস), 'ধৰ্মমোহ' (কবিতা), 'ধৰ্ম শিক্ষা' (প্ৰবন্ধ), 'মুছলমানৰ গল্প' আদি উল্লেখযোগ্য। এই আটাইবোৰ ৰচনাত ৰবীন্দ্ৰনাথে ভাৰতীয় সমাজ জীৱনৰ ধৰ্মীয় আৰু বৰ্ণগত সংঘাতৰ বিপৰীতে সমন্বয় চিন্তাক গুৰুত্ব প্ৰদান কৰিছে। বিশেষকৈ ৰবীন্দ্ৰনাথৰ জনা-বুজা সময়ৰে পৰা তেওঁ দেখা ধৰ্মীয় বিভাজন, ৰাজনীতিকেন্দ্ৰিক সাম্প্ৰদায়িক চিন্তা আদিয়ে তেওঁক ভিতৰি ভিতৰি ব্যথিত কৰি তুলিছিল আৰু সেই বিভাজনৰ বিপৰীতে তেওঁ সাহিত্য কৰ্মৰ মাজেৰে ভাৰতীয় সমাজক জাগ্ৰত কৰিছিল -

'হেথায় আৰ্য্য, হেথায় অনাৰ্য্য, হেথায় দ্ৰাবিড় চীন।
শক হুন দল পাঠান মোগল এক দেহে হ'লো লীন।।'

ভাৰতৰ জাতীয় জীৱনৰ সমন্বয়ৰ কথা ক'লেও ৰবীন্দ্ৰনাথ ঠাকুৰে কিন্তু বিভাজনৰ কাৰণবোৰকো চিনাক্ত কৰিছিল। কুৰি শতিকাৰ প্ৰথম দশকৰ ভাৰতীয় ৰাজনীতিত হিন্দু আৰু হিন্দুত্বৰ নামত যি বিভাজনে গা কৰি উঠিছিল তাৰ নিৰাময়ৰ বাবে ৰবীন্দ্ৰনাথে তেওঁৰ ৰচনাৰ মাজেৰে চেষ্টা কৰিছিল। কুৰি শতিকাৰ তৃতীয় দশকৰ প্ৰথম ভাগত আদম চুমাৰীৰ ৰিপৌচিৰু সময়ত যেতিয়া ৰবীন্দ্ৰনাথক সোধা হৈছিল যে তেওঁ হিন্দুনে ব্ৰাহ্মণ, তেতিয়া তেওঁ এক বিবৃতিৰ জৰিয়তে কৈছিল -'মই হিন্দু সমাজত জন্ম গ্ৰহণ কৰিছো, মই ব্ৰাহ্মণ সম্প্ৰদায়ভুক্ত। মোৰ ধৰ্ম বিশ্বজনীনতা আৰু সেয়াই হিন্দুধৰ্ম।'

ৰবীন্দ্ৰনাথ ঠাকুৰে ধৰ্মক সদায় বিশ্বজনীন আৰু মানৱীয় দৃষ্টিভংগীৰে চোৱাৰ চেষ্টা কৰিছিল। তেওঁ ব্ৰাহ্মণ হ'লেও ব্ৰাহ্মণবাদী আধিপত্যবাদৰ বিৰোধিতা কৰিছিল। আনকি তেওঁ পীৰ আলী নামৰ এগৰাকী মুছলমান লোকৰ ঘৰত আহাৰ গ্ৰহণ কৰা বাবে বংগৰ ব্ৰাহ্মণ সমাজে তেওঁক 'পীৰালী ব্ৰাহ্মণ' বুলি প্ৰত্যাখ্যান কৰাৰ চেষ্টা কৰিছিল। অৱশ্যে কেইবাগৰাকী তৰুণ ব্ৰাহ্মণে ৰবীন্দ্ৰনাথৰ পক্ষত থিয় হৈ ব্ৰাহ্মণ্যবাদৰ বিৰোধিতা কৰিছিল।

ব্ৰাহ্মণ সম্প্ৰদায়ত জন্মগ্ৰহণ কৰি হিন্দু পৰিয়ালেৰে সমৃদ্ধ হ'লেও ৰবীন্দ্ৰনাথে হিন্দুধৰ্ম আৰু হিন্দুত্বৰ নামত সৃষ্টি হোৱা সাম্প্ৰদায়িকতাৰ ঘোৰ বিৰোধী আছিল। ১৮৯৫-১৯০৫ চনৰ ভিতৰত ৰবীন্দ্ৰনাথে পাৰিবাৰিক সংৰক্ষণশীলতাৰ মাজত জীৱন যাপন কৰিছিল। আনকি তেওঁ পশ্চিমবংগৰ বোলপুৰত ব্ৰাহ্ম চৰ্য্যাশ্ৰম' প্ৰতিষ্ঠা কৰি ব্ৰাহ্ম ধৰ্ম মত প্ৰচাৰ কৰিছিল। সেই সময়ছোৱাত ৰবীন্দ্ৰনাথে স্বামী বিবেকানন্দ, ভাগিনী নিবেদিতা, ব্ৰহ্ম বান্ধৱ উপাধ্যায় আদিৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। কিন্তু ১৯০৫ চনত 'গোড়া' উপন্যাস ৰচনা কৰাৰ পিছৰে পৰা ৰবীন্দ্ৰনাথৰ ধৰ্ম সম্পৰ্কীয় দৃষ্টিভংগীৰ পৰিৱৰ্তন ঘটে আৰু ব্ৰাহ্ম সমাজৰ সংকীৰ্ণতাৰ পৰা মুক্তি লাভ কৰাৰ চেষ্টা কৰে। সেইবাবেই তেওঁ পৰৱৰ্তী সময়ত ধৰ্ম সম্পৰ্কে নতুন দৃষ্টিভংগী দাঙি ধৰি কৈছিল- 'মানুহ হিচাপে মানুহৰ যি মূল্য সেইখিনিকেই সহজ প্ৰীতিৰ সতে স্বীকাৰ কৰাটোৱেই হ'ল প্ৰকৃত ধৰ্ম বুদ্ধি।' তদুপৰি তেওঁ ধৰ্মীয় গোড়ামীক সমালোচনা কৰি কৈছিল -'মানুহক ঘৃণা কৰা যি দেশৰ ধৰ্মৰ নিয়ম, প্ৰতিবেশীৰ হাতত পানী খালে যি সকলৰ পৰকাল নষ্ট হয়, পৰক অপমান কৰি যি সকলে জাতি ৰক্ষা কৰে, পৰৰ হাতত চিৰদিন অপমানিত নোহোৱাকৈ যি সকলৰ গতি নাই, তেওঁলোকে যি সকলক ম্লেচ্ছ (Metor) বুলি অৱজ্ঞা কৰি আহিছে, সেই ম্লেচ্ছৰ অৱজ্ঞা তেওঁলোকে সহ্য কৰিবই লাগিব।'

ৰবীন্দ্ৰনাথে পৰ ধৰ্ম বিদ্বেষক সমালোচনা কৰি কৈছে—

'বিধৰ্ম বলি মাৰে পৰ ধৰ্মৰে
নিজ ধৰ্মৰ অপমান কৰি ফেৰে।'

একেদৰে 'ধৰ্ম মোহ' কবিতাত গোষ্ঠী সংঘৰ্ষ বা বিদ্বেষ আৰু ধৰ্মীয় অসদৃশীলতাৰ সম্পৰ্কে কৈছে -

'যে পূজাৰ বেদী কৰে
গিয়েছে ভেসে
ভাঙো ভাঙো আজি ভাঙো তাৰে
নিঃশেষেং
ধৰ্মকাৰাৰ প্ৰাচীৰে বজ্ৰ হানো
এ অভাগা দেশে জ্ঞানেৰ আলোক আনো।'

ৰবীন্দ্ৰনাথ ঠাকুৰ সমন্বয়ৰ ধাৰাটোক চহকী কৰিবলৈ ধৰ্মীয় ঐতিহ্যক মানৱীয় দৃষ্টিভংগীৰে চোৱাৰ চেষ্টা কৰিছিল। তেওঁ দেশপ্ৰেম, ৰাজনীতি আদিৰ পৰা ধৰ্ম মোহক পৃথক কৰি ৰাখিছিল। আনকি তেওঁ ধৰ্মৰ নামত ধৰ্মীয় উন্মাদনাৰে সমন্বয় বিনষ্ট কৰাৰ বিপৰীতে ধৰ্মীয় বিশ্বাস বিহীন নাস্তিকতাকবাদৰো পোষকতা কৰিছিল।

ৰবীন্দ্ৰনাথৰ সমন্বয় চিন্তাৰ বিস্তৃতি ঘটিছে ভাৰতৰ হিন্দু-মুছলমান সম্পৰ্কৰ বিচাৰ আৰু মূল্যায়নৰ মাজেৰে। এই সন্দৰ্ভত তেওঁৰ কেইখনমান প্ৰাসংগিক ৰচনা হ'ল-'সদুপায়,' 'আত্ম পৰিচয়', 'ধৰ্মেৰ অধিকাৰ', 'লোকহিত', 'দেশহিত', 'সমস্যা', 'সুবিচাৰৰ অধিকাৰ', 'কালান্তৰ', 'হিন্দু-মুছলমান' আদি। আনকি 'ঘৰে-বাইৰে' আৰু 'গোড়া' উপন্যাসতো ৰবীন্দ্ৰনাথে হিন্দু-মুছলমান সম্পৰ্কক নতুন দৃষ্টিভংগীৰে চোৱাৰ চেষ্টা কৰিছে। 'গোড়া' উপন্যাসত গোড়া নামৰ চৰিত্ৰটোৰ মাজেৰে ৰবীন্দ্ৰনাথে সমন্বয়ৰ এক নতুন মূল্যবোধৰ জন্ম দিয়াৰ চেষ্টা কৰিছে। হিন্দু ধৰ্মী লোকে এজন মুছলমান ল'ৰাক লালন-পালন কৰাৰ মহৎ নিদৰ্শন দাঙি ধৰি তাত ধৰ্মৰ প্ৰতি মোহ ভংগ হোৱা গোড়াৰ মুখেৰে ৰবীন্দ্ৰনাথে কোৱাইছে - 'মোৰ কথা আপুনি ঠিক বুজি পাইছে?

মই যি দিন ৰাতি হ'ব খুজিছিলো, অথচ হ'ব পৰা নাছিলো। আজি মই তাকে হৈছো। আজি মই ভাৰতবৰ্ষীয়, মোৰ মাজত হিন্দু-মুছলমান, খৃষ্টান কোনো সমাজৰ কোনো ধৰণৰ বিৰোধ নাই।'

ৰবীন্দ্ৰনাথৰ এনে চিন্তাৰ মাজত প্ৰকৃত ধৰ্ম নিৰপেক্ষতা আৰু দেশপ্ৰেমৰ চূড়ান্ত নিদৰ্শন পোৱা যায়। 'ঘৰে-বাইৰে' উপন্যাসতো তেওঁ গো হত্যাক কেন্দ্ৰ কৰি বিনষ্ট হ'ব খোজা হিন্দু-মুছলমান সমন্বয়ৰ এনাজৰীডাল অটুত ৰখাৰ স্বাৰ্থত সাম্প্ৰদায়িক সম্প্ৰীতিৰ চৰিত্ৰ ৰূপায়ণ কৰিছিল।

ৰবীন্দ্ৰনাথে সমন্বয়ৰ ঐতিহ্যক তুলি ধৰিবলৈ তেওঁৰ ৰচনাত হিন্দু-মুছলমান সাম্প্ৰাদায়িক শক্তিক কুঠাৰঘাত কৰিছিল। তেনে শক্তিৰ উদ্ভৱ ঘটিছিল অবিভক্ত ভাৰতবৰ্ষখন হিন্দু আৰু মুছলমানক কেন্দ্ৰ কৰি বিভাজিত হোৱা ঘটনাৱলীৰ আধাৰত। সেয়ে তেনে বিভাজন আৰু ধৰ্মীয় সংকীৰ্ণতাক কেন্দ্ৰ কৰি ৰবীন্দ্ৰনাথে ৰচনা কৰিছিল 'মুসলমানিৰ গল্প', 'কাবুলিৱালা', 'দৃষ্টান', 'দুৰাশা মনিহাৰা', 'ক্ষুধিত পাষান' আদি। 'মুসলমানিৰ গল্পত' ৰবীন্দ্ৰনাথে পিতৃ-মাতৃহীন কমলাৰ মাজেৰে সমন্বয়ৰ উজ্বল নিদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। কমলা পিতৃ-মাতৃহীন সন্তান। তাই গাভৰু হোৱাত বিয়াৰ বন্দোবস্ত কৰা হয়। বিয়াৰ ৰাতি ডকাইতৰ চৰ্দাৰ হাবিৰখাঁই কমলাক বন্দী কৰি লৈ যায়। ভীতিগ্ৰস্ত কমলাক হাবিয়ে অভয় দি কয়- 'বুজিছো, তুমি হিন্দু ব্ৰাহ্মণৰ কন্যা। মুছলমানৰ ঘৰলৈ যোৱাত তোমাৰ সংকোচ হৈছে। এটা কথা মনত ৰাখিবা, যিসকল যথাৰ্থতে মুছলমান তেওঁলোকে ধৰ্মনিষ্ঠ ব্ৰাহ্মণকো সন্মান কৰে। মোৰ ঘৰত তুমি হিন্দুৰ ঘৰৰ জীয়ৰীৰ দৰে থাকিবা। হাবিৰখাঁৰ কথা শুনি কমলাই নিৰ্ভয় চিত্তে হাবিৰখাঁৰ সৈতে ঘৰলৈ যায়। হাবিৰখাঁই কমলাৰ বাবে পূজাৰ ব্যৱস্থা কৰি দিয়ে। তাই হিন্দু ধৰ্মীৰ জীয়ৰীৰ দৰেই হাবিৰখাঁৰ ঘৰত জীৱন নিৰ্বাহ কৰে। গাভৰু কমলাৰ জীৱনলৈ প্ৰেমৰ জোঁৱাৰ আহে। হাবিৰখাঁৰ মাজু ল'ৰাই প্ৰেমৰ প্ৰস্তাৱ দিয়াত কমলাই তেওঁৰ প্ৰেমত পৰে। হাবিৰখাঁই কথাটো জনাৰ পিছত কমলাই কয়, 'কবা, মোৰ ধৰ্ম নাই। মই যাক ভালপাওঁ সেই ভাগ্যৱানেই মোৰ ধৰ্ম। যিগৰাকী দেৱতাই মোক আশ্ৰয় দিছে সেই ভালপোৱাৰ সন্মানৰ মাজেৰে মই তেওঁকেই পূজা কৰোঁ, তেৱেঁই মোৰ দেৱতা। তেওঁ হিন্দুও নহয়, মুছলমানো নহয়। আপোনাৰ মাজু ল'ৰা কৰিমক মই হৃদয়ৰ অভ্যন্তৰত গ্ৰহণ কৰিছোঁ। মোৰ ধৰ্ম কৰ্ম তেওঁৰ সৈতেই বান্ধ খাই পৰিছে। আপুনি মোক মুছলমান কৰি লওঁক। ইয়াত মোৰ কোনো আপত্তি নাই। মোৰ দুয়োটা ধৰ্মই থাকি গ'ল তাতনো কি হ'ব।' আনহাতে একেদৰে 'গোড়া' উপন্যাসতো চৰিত্ৰৰ জৰিয়তে ৰবীন্দ্ৰনাথে কৈছে - 'মোৰ মাজত হিন্দু-মুছলমান-খৃষ্টান কোনো সমাজৰ কোনো বিৰোধ নাই।'

ৰবীন্দ্ৰনাথ ঠাকুৰক সমন্বয় চিন্তাৰ মাজত মূলতঃ হিন্দু-মুছলমানৰ প্ৰসংগই স্থান পাইছে। ইয়াৰ অন্যতম কাৰণ এয়ে যে ৰবীন্দ্ৰনাথৰ জন্ম আৰু কৰ্মক্ষেত্ৰ বংগৰ সমাজ জীৱন কুৰি শতিকাৰ প্ৰথম ভাগত ৰাজনীতিকেন্দ্ৰিক ধৰ্মীয় বিভাজনে আচ্ছন্ন কৰি তুলিছিল। সেইবাবেই ৰবীন্দ্ৰনাথে সেই বিভাজনৰ পৰা মানুহক উদ্ধাৰ কৰিবলৈ সামাজিক মিলন আৰু সমন্বয়ৰ কথা কৈছিল। সেইবাবেই নিজে হিন্দু বুলি পৰিচয় প্ৰদান কৰিয়ো ৰবীন্দ্ৰনাথে হিন্দু ধৰ্মৰ গোড়ামীৰ পৰা মানুহক উদ্ধাৰ কৰাৰ কথা কৈছিল। ৰবীন্দ্ৰনাথ ঠাকুৰে বিদ্ৰোহী কবি কাজী নজৰুল ইছলামৰ সৈতেও এই সম্পৰ্কে আলোচনা কৰিছিল বুলি জনা যায়।

ৰবীন্দ্ৰনাথৰ সমন্বয় চিন্তাত বংগীয় চুফীবাদী গীতি কবি লালন ফকীৰৰ গীতৰ প্ৰভাৱ পৰিছিল। লালন ফকীৰে কৈছিল—

'মৰলে মানুষ হ'বে মাটি একই শ্মশান কবৰে মানুষ হইয়া দিয়োদা বেথা মানুষেৰ প্ৰাণেতে।'

ৰবীন্দ্ৰনাথৰ মানসিকতাকো এনে ধৰণৰ চিন্তাই প্ৰভাৱান্বিত কৰিছিল। সেইবাবেই তেওঁ লালন ফকীৰৰ দৰে হিন্দু-মুছলমান মুক্ত সাধনাক উৎসাহিত কৰিছিল। ব্ৰাহ্মণ জমিদাৰৰ সন্তান হোৱা সত্বেও ৰবীন্দ্ৰনাথ ঠাকুৰ বংগৰ অৱহেলিত নমঃশূদ্ৰ আৰু জমিদাৰৰ দ্বাৰা অত্যাচাৰত মুছলমান খেতিয়কসকলৰো আপোন হ'ব পাৰিছিল। তেওঁৰ অনেক ৰচনাত জীৱন্ত হৈ উঠিছে এইসকল নিপীড়িতৰ জীৱন। মুঠতে জমিদাৰৰ সন্তান ৰবীন্দ্ৰনাথে বৰ্ণবাদী আভিজাত্যৰ সাজ দলিয়াই পেলাই পিন্ধিব খুজিছিল জাত-পাতহীন সমন্বয়ৰ সাজ। সেইবাবেই তেওঁ ভাৰতীয় সমাজত এগৰাকী আদৰ্শনীয় ব্যক্তি, সমন্বয়ৰ সেনানী।

আলোচনাৰ অন্তত ক'ব পাৰি যে ৰবীন্দ্ৰনাথ ঠাকুৰ সাহিত্যৰ এজন উপাসক, সমাজ সংস্কাৰক পুৰোধা ব্যক্তি। ইয়াৰ উপৰি তেওঁ একেধাৰে দাৰ্শনিক, কবি, গীতিকাৰ, ঔপন্যাসিক আছিল। তেওঁ লেখনিৰ জৰিয়তে সমগ্ৰ বিশ্বৰ মাজত সমাদৃত হৈছিল। ৰবীন্দ্ৰনাথে মানৱতাবাদী হিচাপে মানুহবোৰক যেনেদৰে ভাল পাইছিল, তেনেকৈ দেশবাসীকো ভাল পাইছিল। মানুহক ভাল নাপালে দেশৰ মানুহক ভালপোৱা নাযায়। তেওঁ দেশবাসীৰ কল্যান কামনা কৰিছিল আৰু তাৰ কাৰণে তেওঁ আজন্ম প্ৰচেষ্টা চলাইছিল। তেওঁৰেই হ'ল 'স্বদেশ আত্মাৰ বাণী মূৰ্তি।' ■

# বৰ্তমান সমাজ আৰু ধৰ্ম

**পান্নালাল পুৰকায়স্থ**, কাৰ্যালয় সহায়ক

ধৰ্ম চৰ্চাৰ মূল লক্ষ্য হৈছে পৰম সুখ আৰু শান্তি লাভ। পৃথিৱীৰ বিভিন্ন দেশত ভিন্ ভিন্ ধৰ্মীয় সংস্কাৰ আছে। আমাৰ ভাৰতবৰ্ষতো বিভিন্ন জাতি, ধৰ্ম, ভাষা আৰু সংস্কৃতি আছে। প্ৰত্যেকেই নিজস্ব উপলব্ধ তত্ত্বজ্ঞানৰ জৰিয়তে ধৰ্ম প্ৰচাৰ কৰি আহিছে। প্ৰত্যেকৰে ধৰ্মৰ উদ্দেশ্য আৰু লক্ষ্য কিন্তু একেই। ই হৈছে সৰ্বশক্তিমান ভগৱানক লাভ অথবা আত্মজ্ঞান লাভ কৰা। ধৰ্মৰ দেশ ভাৰতবৰ্ষ, য'ত বিভিন্ন জাতি-ধৰ্ম-সম্প্ৰদায়ৰ লোক, বিভিন্ন সংস্কৃতি, আচাৰ অনুষ্ঠান ইত্যাদি আছে। বৰ্তমান আমাৰ ভাৰতবৰ্ষত অতীতৰ সেই গৌৰৱ পাহৰি গৈ মানুহৰ দিনক দিনে মানসিক অৱনতি ঘটা পৰিলক্ষিত হৈছে। ইয়াৰ মূল কাৰণ হ'ল আৰ্য ঋষিসকলৰ মতাদৰ্শ অৱলম্বন নকৰি আধুনিক পাশ্চাত্য ৰীতিৰ অনুকৰণ কৰা। ফলস্বৰূপে আমি সুখ শান্তি হেৰুৱাৰ লগতে মানসিক ৰোগৰ চিকাৰ হ'বলগীয়া হৈছে।

দিনক দিনে ভাৰতবৰ্ষত মুনি ঋষি বা সাধু সন্ন্যাসীৰ সমদূৰ কমি গৈছে। আৰ্যবান, ভোগ-সৰ্বস্ব, শিক্ষিতলোকৰ সন্মান বাঢ়ি গৈছে। মানুহৰ অৰ্থ-যশ প্ৰতিপত্তি লাভৰ আশাত দৌৰিছে। দেৱ-দেৱীৰ পূজাৰী নহৈ কাম, ক্ৰোধৰ পূজাৰী হৈ আমি তাৰেই দাস হৈ পৰিছো।

বৰ্তমান শিক্ষা ব্যৱস্থা দুৰাৱস্থা আধ্যাত্মিক আৰু নৈতিক অৱনতিৰ অন্যতম কাৰণ। আমি গৌৰৱ কৰি কৈ থাকো অতীতৰ তুলনাত বৰ্তমানে যথেষ্ট শিক্ষাৰ প্ৰসাৰ ঘটিছে। মানুহৰ আৰ্থিক উন্নতিও হৈছে, বিশ্বৰ দৰবাৰত ভাৰতবৰ্ষই শ্ৰেষ্ঠ যোগ্যস্থান অধিকাৰ কৰিছে। কিন্তু আমি এই সাধাৰণ প্ৰবাদ বাক্যটি পাহৰি যাওঁ 'চিক চিকাই থাকিলেই সোণ নহয়'।

আনকি আমাৰ বাহ্যিক উন্নতি হৈছে, কিন্তু অন্তৰ্নিহিত কোনো উন্নতি হোৱা নাই। আমাৰ আত্মিক উন্নতি ঘটা নাই, দেখা যায় যে সমাজৰ বেছি সংখ্যক শিক্ষিত লোকেই স্বাৰ্থপৰ, নীতিজ্ঞানহীন, উচ্ছৃংখল, কামুক, মদ্যপী আৰু নাস্তিক প্ৰকৃতিৰ। তেওঁলোক বাহিৰত ভদ্ৰতাৰ মুখা পিন্ধি ঘূৰি ফুৰে। পাশ্চাত্য ৰীতিৰ অনুকৰণেৰে তেওঁলোক অন্ধ। আৰু এক শ্ৰেণীৰ লোক সমাজত দেখা যায় ৰাজনৈতিক ক্ষমতাৰ বলেৰে বলীয়ান, তেওঁলোকৰ মুখত মাত্ৰ সমাজৰ উন্নতিৰ কথা আৰু নাৰী প্ৰগতিৰ কথা শুনিবলৈ পোৱা যায়। কিন্তু কামত নিজকৰ্মা। তেওঁলোকে সুযোগ বুজি পৰ্দাৰ আঁৰত গমন ৰত হয়। সমাজৰ উন্নতিৰ কথা আমি যিমানেই নকওঁ কিয় আমাৰ আত্মিক উন্নতি নহৈ অৱনতিহে হোৱা দেখা যায়। কাৰণ বৰ্তমান আমাৰ অন্ন সংস্থাপনৰ পথ দিব পৰা নাই। ফলস্বৰূপে সমাজত নিবনুৱাৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে আৰু যুৱ সমাজত মাদক দ্ৰব্যত আসক্ত হৈ নীতি জ্ঞানহীন হৈ পৰিছে।

এই সকলো সমস্যা সমাধানৰ পথ এটাই সেইটো হ'ল বিদ্যালয়ত প্ৰচলিত পাঠ্য পুথিত ধৰ্মীয় বিষয় আৰু নীতিশিক্ষা মূলক বিষয়ৰ অন্তৰ্ভুক্তি কৰণ; কিন্তু সেইটো আকৌ শিশু পাঠ্যপুথিৰ পৰা আৰম্ভ কৰিব লাগিব।

অন্যফালে চলচ্চিত্ৰ জগত আৰু এক ক্ষতিকাৰকৰ দিশ। কাৰণ চলচ্চিত্ৰত সু-শিক্ষাৰ পৰিৱৰ্তে কু-শিক্ষাৰ প্ৰভাৱ বেছিকৈ পৰা দেখা যায়। শিশুৰ মনত অশ্লীল আদব-কায়দা চিত্ৰৰ প্ৰভাৱ বেছিকৈ প্ৰভাৱ পৰে। শৈশৱৰ পৰাই শিশুৰ সুন্দৰ মানসিকতাৰ পৰিৱৰ্তে কুচিৎ মানসিকতা গঢ়ি উঠে। তাৰ বাহিৰেও কৈশোৰ চলচ্চিত্ৰই যথেষ্ট ক্ষতিকাৰক হিচাপে প্ৰভাৱ পেলায়।

আমি যদি পৃথিৱীৰ সকলো শিল্পোন্নত, বিজ্ঞানোন্নতি অৰ্থ মান দেশৰ ফালে দৃষ্টি গোচৰ কৰোঁ তেন্তে আমি দেখা পাওঁ, সেই সকলো দেশৰ অধিকাংশ মানুহেই এতিয়া মানসিক ৰোগৰ চিকাৰ। তাৰ ফলত সুখ-শান্তি বিহীন জীৱন, শুষ্ক মৰুভূমিৰ ন্যায় নিৰ্জন বিষাদ মনৰ সৃষ্টি হয়। বেছিভাগ মানুহে ঈশ্বৰক তথা পৰলোক নামানে, স্থূল দৃষ্টিৰে তেওঁলোক যি দেখে সেইটোকেই সত্য বুলি স্বীকাৰ কৰে। চাৰ্বাকসকলৰ মতে

তেওঁলোকৰ মূলমন্ত্ৰ হ'ল —

যাবৎ জীবেৎ সুখম জীবেৎ।
ঋনং কৃত্বা ঘৃতং পিবেৎ।।

অৰ্থাৎ যিমান দিন জীয়াই থাকিবা, সুখত থাকিবা, ঋণ কৰি হ'লেও ঘী পান কৰি জীৱন অতিবাহিত কৰিবা।

আচলতে জীৱনত সুখ-শান্তি আহিব ক'ৰ পৰা। অন্যফালে কিছু সমাজ বিৰোধী নৰৰূপী গদৰ্ভ ধৰ্মক ব্যৱসায়ত পৰিণত কৰিছে। পেটৰ দায়ত অন্যান্য উপায় গ্ৰহণ কৰি তেওঁলোকে ধাৰ্মিকৰ ছদ্মবেশ ধাৰণ কৰি সাধাৰণ মানুহক বিভ্ৰান্ত কৰিছে, সেইবাবে সাধু-সন্ন্যাসী দেখিলেই সাধাৰণ মানুহৰ মনত সন্দেহৰ বীজৰ দানা বান্ধে।

সুস্থ সমাজ আৰু সংস্কৃতিৰ লগত শান্তিময় পৰিয়াল গঠনৰ লক্ষ্যত বিভিন্ন সমস্যা সমাধানৰ উপায় বিবেচনা কৰি চালে দেখা পাওঁ যে—

১। ব্ৰহ্মাচাৰ্য সম্পৰ্কে অজ্ঞতা আমাৰ সমাজৰ অধঃগতিৰ মুখ্য কাৰণ। ক্ষণস্থায়ী সুখৰ আশাত মানুহে যে নিজৰ চৰম ক্ষতি কৰি আছে। সেইবোৰ আজিও অনেকেই অজ্ঞাত। সেয়েহে কিশোৰ-কিশোৰীসকলৰ ব্ৰহ্মাচাৰ্যৰ (বিন্দুধাৰণা) উপকাৰিতা আৰু ব্ৰহ্মাচাৰ্য হীনতাৰ (বিন্দুক্ষয়ৰ) অপকাৰিতা সম্বন্ধে অৱগত প্ৰদান কৰাৰ প্ৰয়োজন। আকৌ এই মহান দায়িত্ব আমি সকলোৱেই পালন কৰিব লাগিব যাতে পৰৱৰ্তী কালত সমাজত আদৰ্শ গৃহস্থৰ উদ্ভৱ ঘটে আৰু স্বামী বিবেকানন্দ, জগত গুৰু শঙ্কৰচাৰ্য্য, বীৰ্যৱান মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱ, স্বামী নিৰ্গমানন্দ পৰমহংসদেৱ আৰু সতী সাবিত্ৰী, মা সাৰদা, মা বিষ্ণুপ্ৰিয়া, মালুধাংসুবালা ন্যায় সতী নাৰী আৰু মনীষীৰ দৰে জন্ম হয়।

২। নাৰী জাতিৰ অৱমাননা সমাজৰ অৱনতিৰ আন এটি কাৰণ। প্ৰত্যেক নাৰীয়ে আদ্যশক্তি মহামায়াৰ অংশস্বৰূপিনী। তাকে লৈ আমি বিস্মৃত। সেইবাবে নাৰী শক্তি বিকাশৰ প্ৰতি লক্ষ্য ৰাখি উদ্বুদ্ধ কৰিব লাগিব। প্ৰত্যেক পিতৃ-মাতৃ আৰু অভিভাৱকৰ পুত্ৰ সন্তানৰ প্ৰতি অন্ধ ভালপোৱা, মৰম-স্নেহ ত্যাগ কৰি কন্যা সন্তানৰ প্ৰতি বিশেষ যত্নপৰ হ'ব লাগে।

৩। সকলো পিতৃ-মাতৃ আৰু অভিভাৱকে সংযম অৱলম্বন কৰাটো বিশেষ প্ৰয়োজন আৰু সন্তানৰ বিদ্যালয়ত পাঠ্যক্ৰম ভুক্ত পাঠ্যপুথিৰ লগত ধৰ্মীয় নীতিজ্ঞান মূলক পুথিৰ পাঠদান আৱশ্যক।

৪। কিশোৰ-কিশোৰীসকলৰ খেলা-ধূলা আৰু শৰীৰ চৰ্চাৰ লগতে যোগাসন আৰু ধৰ্মালোচনাত উদ্বুদ্ধ কৰাৰ প্ৰয়োজন, যাতে কু-অভ্যাসত জড়িত কৰিব নোৱাৰে।

৫। সকলো পিতৃ-মাতৃৰ কৰ্তব্য সাত্ত্বিক গুণৰ চৰ্চা কৰা আৰু তেওঁলোকৰ সন্তানসকল যাতে সাত্ত্বিক গুণৰ অধিকাৰী হয় সেইবাবে আহাৰ শুদ্ধি বিশেষ প্ৰয়োজন আৰু চিত্তশুদ্ধিৰ বাবে মহাপুৰুষসকলৰ জীৱনীমূলক কাহিনীৰ পাঠদান দিয়াটো আৱশ্যক।

৬। ৰাগাদ্বেষ, কপটতা, বিভেদ-বৈষম্যৰ প্ৰাচীৰ উঠাই মানুহ আগবাঢ়ি যাব লাগিব মানুহৰ ওচৰত। মাত্ৰ নীতি কথা বা ধৰ্মীয় উপদেশ নহয়, আপোন হতাশা আৰু দুৰ্বলতা ত্যাগ কৰি মোহগ্ৰস্ত মানুহক আশাৰ আলোক দেখুৱাব লাগিব। যি আশাত সি অগ্ৰসৰ হ'ব অমৃতৰ সন্ধানত। তথাপিও আমি যেতিয়া যেনেকুৱা অৱস্থাত নাথাকো কিয়, শুদ্ধ উপদেশনুসাৰে কৰ্তব্য কৰ্মস্থিৰ কৰিব লাগিব। হয়তো আধাৰ ভেদে প্ৰত্যেকৰ কৰ্ম এখন নাওতে হ'ব পাৰে। এটা কথা অনস্বীকাৰ্য যে প্ৰকৃত ধৰ্ম চৰ্চা আৰু আধ্যাত্মিক চেতনাই এখন মানৱ সমাজক সুস্থ আৰু সুন্দৰ ভাৱে গঢ়ি তুলিব পাৰে। আমি জন্ম-জন্মান্তৰ সঞ্চিত পুণ্যৰ বলত আৰু পাৰিবাৰিক সু-সংস্কৃতিৰ প্ৰভাৱত সদ্গুৰুৰ নিৰ্দেশিত পথত আগবাঢ়ি যাব লাগিব অমূৰ্তৰ সন্ধানত। ইয়াৰ সদ্গুৰু হিচাপে ক'বলৈ যাওঁতে স্বামী প্ৰস্তানন্দ সৰস্বতী মহাৰাজৰ ভাষাত যিয়েই নিৰ্বিকল্প সমাধি লাভৰ অন্তত শ্ৰীশ্ৰীসদ্গুৰুৰ ইচ্ছাত আৰু প্ৰেৰণাত জীৱ জগতৰ উদ্ধাৰৰ বাবে গুৰু শক্তি ধাৰণা কমি আকৌ জন্ম লাভ কৰে, তেওঁৱেই প্ৰকৃত সদ্গুৰুৰ পদবাচ্য। শ্ৰীশ্ৰীজগত গুৰুৰ কাম সমাপণৰ উপযুক্ত আধাৰ বিবেচনা কৰি যাৰ নিষ্কলঙ্ক অৱস্থাপ্ৰাপ্ত হয়, তেতিয়া নিৰ্বিকল্প অৱস্থা লাভ কৰি সিদ্ধ হয় আৰু তেওঁলোকৰ পৱিত্ৰ হৃদয়ত নিজে জীৱ উদ্ধাৰৰ ৰূপ কাৰ্যৰ সাধনাপযোগী আধাৰ ৰূপে অধিষ্ঠিত হয়, সেইটো নহ'লে নিৰ্বিকল্প অৱস্থাপ্ৰাপ্ত হ'লে তেওঁৰ দেহ নাথাকে লগতে সৰ্ব সাধনাসিদ্ধ মহাপুৰুষ কেতিয়াও স্বদেশত উভতি নাহে। 'ই হৈব প্ৰবিলীয়ৰে' তাৰ তৎক্ষণাত শৰীৰ কাৰা মুক্ত হৈ সেই নিৰ্বিকল্প স্বৰূপত অৰ্থাৎ নিৰ্গুণ নিৰুপাধিক ব্ৰহ্মাস্বৰূপত লয় প্ৰাপ্ত হয়। যিয়েই নিৰ্বিকল্প অৱস্থা প্ৰাপ্ত হয় তেওঁলোকে তাৰ পৰাই সেই পৰম পদ প্ৰাপ্ত হয়। একমাত্ৰ শ্ৰীশ্ৰীজগত গুৰুৰ যাৰ অধিষ্ঠিত হয়, তেৰাই তাৰ পৰাই পৰম পদত বিলীন নহৈ দেহস্থ হৈ গুৰু লীলা আৰু জীৱ জগতৰ উদ্ধাৰ কাৰ্যত ব্ৰতী হয়। এনে ক্ষেত্ৰত যিসকলে মহাপুৰুষ দেহস্থ হয়, তেৰাই জীৱ মুক্ত সদ্গুৰুৰ নামত অভিহিত হয়। ■

# এখন ঐতিহ্যমণ্ডিত নগৰ 'তেজপুৰ'

**লোনামণি বৰা,** পঞ্চম ষাণ্মাসিক

'তেজপুৰ' অসমৰ এখন অতি বিতোপন ঐতিহ্যপূৰ্ণ নগৰ। ব্ৰহ্মপুত্ৰ নদীৰ পাৰত অৱস্থিত তেজপুৰ নগৰৰ প্ৰাকৃতিক সৌন্দৰ্য অতি মনোৰম। ই শোণিতপুৰ জিলাৰ সদৰ ঠাই। ১৮৩৫ চনত ইংৰাজে তেজপুৰত পূৰ্বৰ দৰং জিলাৰ সদৰ স্থাপন কৰে। জিলাৰ সদৰ হিচাপে স্বীকৃতি পোৱাৰ পাছত তেজপুৰৰ গুৰুত্ব বাঢ়িবলৈ ধৰিলে আৰু ক্ৰমান্বয়ে উন্নতি লাভ কৰি আহি বৰ্তমানৰ অৱস্থা পাইছেহি।

**নামৰ উৎপত্তি ঃ** পৌৰাণিক গ্ৰন্থসমূহৰ মতে অতীতৰ 'বাণ' নামৰ এজন পৰাক্ৰমী ৰজাই তেজপুৰত ৰাজধানী পাতি ৰাজত্ব কৰিছিল। তেওঁ শিৱভক্ত আছিল। তেওঁৰ জীয়েক ঊষা পৰম সুন্দৰী আছিল। শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধই ঊষাৰ লগত গন্ধৰ্ব বিবাহ কৰিছিল। এই কামত ৰজা ক্ষুন্ন হৈ অনিৰুদ্ধৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছিল। এই যুদ্ধত বাণ ৰজাৰ ফলীয়া হৈ শিৱই অৰ্থাৎ 'হৰ' আৰু অনিৰুদ্ধৰ ফলীয়া হৈ শ্ৰীকৃষ্ণই অৰ্থাৎ হৰিয়ে যুদ্ধ কৰা বাবে এখন বিশাল আৰু ভয়ানক যুদ্ধ হ'ল আৰু সেই হৰি-হৰৰ যুদ্ধত সৈন্যৰ তেজেৰে নৈ বৈ গ'ল। সেয়ে ঠাইখনৰ নাম তেজপুৰ হোৱা বুলি ক'ব পাৰি।

**প্ৰাকৃতিক অৱস্থা ঃ** এই নগৰখনৰ দক্ষিণ দিশত নগৰৰ কাষেদি বৈ যোৱা ব্ৰহ্মপুত্ৰ নদী আৰু নগৰখনৰ ভিতৰুৱা নদীসমূহে আৰু উত্তৰ দিশত থকা অৰুণাচল প্ৰদেশৰ পাহাৰ-পৰ্বত আৰু নগৰখনৰ ভিতৰুৱা পাহাৰসমূহেও ইয়াক এক বিশেষ ধৰণৰ ৰূপ প্ৰদান কৰিছে। কিয়নো নগৰখনৰ দক্ষিণত ব্ৰহ্মপুত্ৰ আৰু উত্তৰ দিশত অৰুণাচল প্ৰদেশৰ পাহাৰসমূহ। নগৰখনৰ ভিতৰতে মাজে মাজে হোলা বা দ' ঠাই, মাজে মাজে পাহাৰৰ টিলা বা উপ-নৈ আছে। তাৰোপৰি নগৰখনৰ মাজে মাজে খন্দা হজৰা পুখুৰী, পদুম পুখুৰী আদি পুখুৰীসমূহ উপলব্ধ। এই নগৰত থকা হোলা বা দ' ঠাই আৰু পুখুৰীৰ বাবে পানী পুখুৰী আৰু উপ-নৈ সমূহলৈ বৈ যায়। অৱশ্যে বৰ্তমান পাহাৰৰ লগতে হোলাবোৰলৈও মানুহৰ বসতি প্ৰসাৰিত হ'বলৈ ধৰাত অসমৰ বহুতো নগৰৰ দৰে ইয়াতো ভৱিষ্যতে বানপানী সমস্যাই গা কৰি উঠিব পাৰে।

**জনসংখ্যা ঃ** তেজপুৰ নগৰখন অতি সৰু আকাৰৰ পৰা ক্ৰমে বাঢ়ি আহি বৰ্তমানৰ অৱস্থা পাইছেহি। ১৯০১ চনত অৰ্থাৎ



আজিৰ প্ৰায় এশ বছৰৰ পূৰ্বে তেজপুৰৰ জনসংখ্যা আছিল মাত্ৰ ৫০০০। এই সংখ্যা বাঢ়ি আহি ১৯৫১ চনত প্ৰায় ১৯০০০ হয়। বৰ্তমান ২০০১ চনৰ তথ্য অনুসৰি ইয়াৰ মুঠ জনসংখ্যা ৫৮২৮০ জন। মন কৰিবলগীয়া কথা যে বৰ্তমান নগৰখনৰ ওচৰৰ গাঁও সমূহ নগৰখনৰ ভিতৰুৱা হ'ব ধৰিছে। এনে গাঁওবোৰৰ সৈতে নগৰখনৰ মুঠ জনসংখ্যা হ'বগৈ ১০২,৫০৫ জন (২০১১, লোকপিয়ল)।

**নদ-নদী ঃ** তেজপুৰ নগৰৰ কাষেদি অসমৰ এখন ডাঙৰ নদী ব্ৰহ্মপুত্ৰ পাৰ হৈ গৈছে। তাৰোপৰি ইয়াৰ দুখন উপ নৈ 'গাভৰু' আৰু 'জীয়া ভৰলী' ইয়াৰ মাজেদি পাৰ হৈ গৈছে। এই নগৰখনত কিছুমান হোলা আৰু পুখুৰী দেখা যায়। যিবোৰ তেজপুৰ নগৰখনৰ পৰিৱেশ।

**জলবায়ু ঃ** তেজপুৰ অসমৰ এখন উল্লেখযোগ্য নগৰ। ইয়াত ক্ৰান্তীয় মৌচুমীয় জলবায়ু বিৰাজ কৰিছে। সেয়ে ইয়াত বছৰি গড়ে কমেও ১৫০ ছে.মি. বৰষুণ হয়। অৱশ্যে অসমৰ আন ঠাইৰ তুলনাত ইয়াত কিছু ঠাণ্ডা অনুভৱ হয়। তদুপৰি ইয়াৰ ভু-প্ৰাকৃতিক গঠনো বিভিন্ন প্ৰকাৰৰ হয়।

**যাতায়ত ঃ** নগৰ এখনৰ শ্ৰীবৃদ্ধি নিৰ্ভৰ কৰে ইয়াৰ যাতায়ত ব্যৱস্থাৰ ওপৰত। নগৰৰ যাতায়ত ব্যৱস্থা বুলিলে ভিতৰৰ বাট-পথ আদিক নুবুজায়। বৰং অন্যান্য ঠাইৰ লগত ইয়াৰ সংযোগ ব্যৱস্থাটোহে বুজায়। যাতায়তৰ ক্ষেত্ৰত তেজপুৰ বহুতো আগবঢ়া। ৰেলপথ, জলপথ, বিমানপথ আৰু স্থলপথ এই চাৰিওটা যাতায়ত ব্যৱস্থাৰ যোগেদি অন্যান্য ঠাইৰ লগত সংযোগ আছে। বিশেষকৈ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ, উত্তৰ-পুৰ সীমান্ত ৰেলপথ, ব্ৰহ্মপুত্ৰ নদীৰ দ্বিতীয়খন দলং কলিয়া ভোমোৰা দলং আৰু তেজপুৰৰ শালনী বাৰীৰ বিমান ঘাটিয়ে আন বাহিৰা ঠাইৰ লগত নগৰখনৰ যোগাযোগ উন্নত কৰিছে।

**কৃষি উৎপাদন ঃ** ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ দুয়োখন উপ নৈৰ লগতে তাত থকা হোলা, পুখুৰী আৰু বৰষুণৰ পানীয়ে ঠাইখন সজীৱ কৰি ৰাখিছে। সেয়ে অসমৰ আন ঠাইৰ দৰে ইয়াৰো খেতি-বাতি ভাল হয়। ইয়াৰ প্ৰধান শস্যসমূহ হ'ল— ধান, কুঁহিয়াৰ, মাহ, সৰিয়হ, মৰাপাট, চাহপাত আদি।

**প্ৰাকৃতিক সম্পদ ঃ** তেজপুৰ নগৰখন ক্ৰান্তীয় মৌছুমীয় অঞ্চলত অৱস্থিত। সেয়ে তেজপুৰত দুই ধৰণৰ উদ্ভিদ পোৱা যায়। সেই দুবিধ হৈছে চিৰ সেউজীয়া আৰু পৰ্ণপাতী উদ্ভিদ। চিৰ সেউজীয়া উদ্ভিদৰ ভিতৰত— নাহৰ, হলং, হলক, মাকৰি, শাল, তিতাচপা, অৰ্জুন, অগৰ আদি আৰু পৰ্ণপাতী উদ্ভিদৰ ভিতৰত— শাল, চেগুণ, শিঙৰী, বনচোম, উৰিয়াম, পদ্ম, শিমলু, গমাৰি, কঁঠাল আদি। এনেবোৰ উদ্ভিদ থকাৰ বাবে তেজপুৰত নামেৰি ৰাষ্ট্ৰীয় উদ্যান আৰু দুখনকৈ অভয়াৰণ্য আছে ক্ৰমে— 'বুঢ়া চাপৰি' আৰু 'সোণাই-ৰূপাই'। এইবোৰৰ পৰা বহুতো লাগতীয়াল কাঠ আৰু উদ্যোগৰ কেঁচামাল পোৱা যায়। এইবোৰত পোৱা অসমৰ আপুৰুগীয়া সম্পদসমূহ হ'ল বাঘ, হাতী, শৰপহু, দেওহাঁহ, ধনেশ পক্ষী, সোণালী বান্দৰ, বনৰীয়া ম'হ আদি।

**শিল্প উদ্যোগ ঃ** অসমৰ অন্য ঠাইৰ দৰে তেজপুৰ শিল্প উদ্যোগ বৰ বেছি আগবঢ়া নহয়। অৱশ্যে তেজপুৰ মহকুমাত থকা কেইবাখনো ঠাইত উদ্যোগ গঢ়ি উঠিছে। যেনে— তেজপুৰৰ ওচৰৰ চাৰিদুৱাৰত এটা কপাহী সূতা প্ৰস্তুত কৰা কাৰখানা আছে। তাৰোপৰি ঘৰুৱা শিল্প হিচাপে বাঁহ-বেতৰ শিল্প, মাটিৰ বাচন-বৰ্তন সজা, তাঁতশাল আদি বস্ত্ৰ তৈয়াৰী শিল্প আদি গঢ়ি উঠা দেখা যায়।

**পৰ্যটন কেন্দ্ৰ ঃ** ভাৰতৰ বিভিন্ন ঠাইৰ লোকে এই ঐতিহ্যমণ্ডিত নগৰখন চাবলৈ আহে আৰু ইয়াৰ মূলকাৰণ সমূহ —

১। তেজপুৰৰ বিভিন্ন পাহাৰ, ব্ৰহ্মপুত্ৰ নদী, ব্ৰহ্মপুত্ৰৰ দুখন উপ নৈ, হোলা বা দ' ঠাই আদিৰে ভৰা এখন প্ৰাকৃতিক সৌন্দৰ্যৰ ঠাই, যিবোৰ উপভোগ কৰিবলৈ বহুতো পৰ্যটক আহে।

২। তেজপুৰ বাণ ৰজাৰ ৰাজ্যৰ ভগ্নাংশেষ স্বৰূপ। তদুপৰি ইংৰাজসকলৰ উপৰিও অন্য বহুতো ৰজাৰ ৰাজধানী বা সদৰ ঠাই আছিল। সেয়ে অনুসন্ধিৎসু লোক, গৱেষক, বুৰঞ্জীবিদ আদিৰ প্ৰৱেশ ঘটে।

৩। তেজপুৰত বহুতো মঠ-মন্দিৰ, চিত্ৰলেখা উদ্যান, অগ্নিগড় পাহাৰ আৰু বহুতো পুখুৰী আছে। এইবোৰ চাবলৈ বহুতো পৰ্যটক বা তীৰ্থযাত্ৰী আহে।

৪। তেজপুৰত এখন ৰাষ্ট্ৰীয় উদ্যান আৰু দুখন অভয়াৰণ্য আছে। ইয়াত পোৱা বন্যপ্ৰাণী আৰু উদ্ভিদ চাবলৈও বহুতো লোক আহে।

৫। তেজপুৰত অসমৰ কেইবাটাও উল্লেখযোগ্য প্ৰতিষ্ঠান কেন্দ্ৰ আছে। যেনে— বিশ্বনাথ চাৰিআলিৰ কৃষি মহাবিদ্যালয়, তেজপুৰ চিকিৎসা মহাবিদ্যালয়, তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, তেজপুৰৰ মানসিক চিকিৎসালয়, মিছামাৰীৰ ভাৰতীয় বিমান বাহিনীৰ সৈন্য বাহিনীৰ এটা শিবিৰ, চাৰিদুৱাৰত ভাৰতীয় সৈন্য বাহিনীৰ এটা ডাঙৰ শিবিৰ, এটা কপাহী সূতা কটা কল আদি অন্যতম। শিঙৰীত চাহপাত উৎপাদন কেন্দ্ৰ এটিও আছে। এইবোৰৰ বাবে বিভিন্ন লোক তেজপুৰলৈ আহে।

তেজপুৰ অসমৰ এখন প্ৰধান ঐতিহ্যমণ্ডিত নগৰ। এই নগৰখনৰ উন্নয়নৰ বাবে চৰকাৰে নগৰীয়া সমস্যাসমূহ সমাধান কৰি ইয়াক এখন সৰ্বাংগ সুন্দৰ পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ যথেষ্ট থল আছে। ■

(গ্ৰন্থৰ সহায় লৈ)

# কামপুৰৰ মৃৎশিল্প

**ডনা দাস,** পঞ্চম ষাণ্মাসিক



প্ৰাচীন কালৰে পৰা অসমত বিভিন্ন প্ৰকাৰৰ শিল্প চৰ্চা প্ৰমাণ পোৱা যায়। এই শিল্পসমূহে দৈনিক ব্যৱহাৰ্য সামগ্ৰী হিচাপেই হওঁক বা নান্দনিক দিশতে হওঁক বিশেষ প্ৰভাৱ বিস্তাৰ কৰি আহিছে। প্ৰাচীন কালত বিভিন্ন ধৰণৰ গ্ৰাম্য শিল্প জনসমাজত বিশেষভাৱে চৰ্চিত হৈছিল। তেওঁলোকে সততে পোৱা বিভিন্ন প্ৰাকৃতিক উপাদানৰ সহায়ত শিল্প চৰ্চা কৰিছিল। মানুহে অঘৰী জীৱন ত্যাগ কৰি কৃষিকৰ্মৰ লগত জড়িত হোৱাৰ লগে লগে অৰ্থাৎ কৃষিভিত্তিক সভ্যতাৰ বিকাশৰ লগে লগে মানুহৰ সম্পৰ্ক যিহেতু অভিন্ন, সেইবাবে প্ৰাচীন কালত লোকসকলে মাটিৰ সহায়তেই বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰি লৈছিল বুলি ধাৰণা কৰিব পাৰি। অসমতো অতি প্ৰাচীনকালৰ পৰা মৃৎশিল্পৰ চৰ্চা হৈছিল। প্ৰাচীন যুগৰ কেতবোৰ নিদৰ্শনৰ পৰা অসমত মৃৎশিল্প চৰ্চা হোৱাৰ উমান পাব পাৰি। আহোম ৰাজত্ব কালত অসমৰ মৃৎশিল্পীসকলক বিশেষ সুবিধা তথা মৰ্যদা প্ৰদান কৰা হৈছিল। কিন্তু অসমলৈ বৃটিছৰ আগমণৰ লগে লগে এই শিল্পীসকল অৱহেলিত হৈ পৰিল। অৱশ্যে সাম্প্ৰতিক সময়ত এই শিল্পীসকলে শিল্পবিধ বৰ্তাই ৰাখিব খুজিছে যদিও শিল্প চৰ্চালৈ অহা বিভিন্ন প্ৰতিবন্ধকতাৰ বাবে শিল্পীসকলে তেওঁলোকৰ শিল্প চৰ্চা অব্যাহত ৰাখিবলৈ কঠোৰ সংগ্ৰাম কৰিবলগীয়া হৈছে। অসমৰ নগাঁও জিলাৰ কামপুৰ ৰাজহচক্ৰৰ অন্তৰ্গত কুমাৰপট্টী অঞ্চলতো বিহাৰী আৰু বেঙ্গলী সম্প্ৰদায়ৰ লোকসকলে মৃৎশিল্পৰ পৰম্পৰা ধৰি ৰাখিছে। তেওঁলোকে বিগত প্ৰায় ৮০-৯০ বছৰ ধৰি মাটিৰ বাচন প্ৰস্তুত কৰি নিজৰ পৰিয়াল পোহপাল দিয়াৰ লগতে মাটিৰ বাচন প্ৰস্তুত কৰাৰ ঐতিহ্য-পৰম্পৰা ৰক্ষা কৰি আহিছে।

সাধাৰণতে যিবোৰ কাৰ্য মানুহৰ মনক অহেতুক আনন্দৰ অনুভূতি প্ৰদান কৰে, সেইবোৰকে শিল্প হিচাপে অভিহিত কৰিব পাৰি। সকলো শিল্প তথা কৰ্মৰে একোটা স্বতন্ত্ৰ পৰিচয়, গুৰুত্ব আৰু সম্ভাৱনা থাকে। সেই শিল্প বা কৰ্মক কেন্দ্ৰ কৰি একোখন সমাজ গঢ় লৈ উঠে। সংশ্লিষ্ট সমাজত বসবাস কৰা শিল্পজীৱী মানুহখিনিৰো কিছুমান স্বকীয় গুণ আৰু বৈশিষ্ট্য থাকে। যিবোৰ গুণৰ জৰিয়তে তেওঁলোক সমাজত বিশেষ পৰিচয় লাভ কৰিবলৈ সক্ষম হয়। এনেধৰণৰ শিল্পকৰ্মৰ ভিতৰত মৃৎশিল্প উল্লেখযোগ্য। মৃৎশিল্প প্ৰধানকৈ সমাজৰ সৰ্বসাধাৰণ, চহা লোকসকলৰ মাজত প্ৰচলিত। সেইবাবে ইয়াক লোকশিল্প বা গ্ৰাম্য শিল্প হিচাপে অভিহিত কৰা হয়। লোক ঐতিহ্যৰ ধাৰক আৰু বাহক হ'ল লোকশিল্প। লোকশিল্প হ'ল মানুহৰ হাতেৰে সৃষ্টি কৰা এক শিল্প। এই শিল্পীসকলে মৃৎপাত্ৰ নিৰ্মাণৰ বাবে প্ৰয়োজনীয় কেঁচামাল (মৃৎপাত্ৰ নিৰ্মাণত ব্যৱহৃত মাটি) পথাৰৰ মাটি বা নদীৰ কাষত থকা মাটি। এক ফুট পৰ্যন্ত গাত খান্দি সংগ্ৰহ কৰে। পাছত মাটিখিনি খুন্দি দুই তিনি দিনৰ বাবে তিয়াই ৰখা হয়। এনে মৃৎশিল্পৰ পৰম্পৰা কামপুৰ অঞ্চলতো বহু দিনৰে পৰা চলি আহিছে। কামপুৰ কুমাৰপট্টী অঞ্চলত ব্যৱসায় কৰা মৃৎশিল্পীসকলে নিৰ্মিত মৃৎপাত্ৰসমূহ হ'ল— বিভিন্ন প্ৰকাৰৰ টেকেলি, বিভিন্ন প্ৰকাৰৰ কলহ, মলা, চৰু, নদিয়া, মঠীয়া, ভাবুকী, চাকি, ধূপদানি, ধুনাদানি, উধান, নাগাৰা, খোল, গছা, পুতলা, চিলিম, সুতুলী, পইচা থোৱা টেকেলি, টাব, পানী ফিল্টাৰ আদি।

**মৃৎপাত্ৰ নিৰ্মাণৰ ব্যৱহৃত সঁজুলিঃ**

কামপুৰ কুমাৰপট্টী অঞ্চলত মৃৎশিল্প চৰ্চা কৰা শিল্পীসকলে মৃৎপাত্ৰ নিৰ্মাণত বিভিন্ন প্ৰকাৰৰ সঁজুলি ব্যৱহাৰ কৰে। এই বিহাৰী আৰু বেঙ্গলী সম্প্ৰদায়ৰ লোকসকলে বিশেষকৈ 'চাক'ৰ সহায়ত মৃৎপাত্ৰ নিৰ্মাণ কৰে। মৃৎশিল্প নিৰ্মাণত ব্যৱহাৰ কৰা সামগ্ৰীসমূহ এনেধৰণৰ—

**ক) কেঁচামাল ঃ**

**মাটি ঃ** মৃৎপাত্ৰ নিৰ্মাণৰ বাবে আটাইতকৈ প্ৰয়োজনীয় কেঁচামাল হ'ল মাটি। তেওঁলোকে এই মাটি পথাৰৰ পৰা সংগ্ৰহ কৰে। অৰ্থাৎ পথাৰৰ মাটি এক ফুট পৰ্যন্ত গাঁত খান্দি অতি বিপদ সংকুল পদ্ধতিৰে মাটি সংগ্ৰহ কৰে। এইবোৰ মাটি পাতল বগা ৰঙৰ, মিহি আৰু আলতীয়া। তেওঁলোকে এই মাটিবোৰক 'আলতীয়া' বুলি কয়। এনে ধৰণৰ মাটিহে মৃৎপাত্ৰ নিৰ্মাণৰ বাবে উপযোগী।

**বালি ঃ** মৃৎপাত্ৰ নিৰ্মাণৰ বিভিন্ন স্তৰত বালি ব্যৱহাৰ কৰে। কুমাৰপট্টীৰ মৃৎশিল্পীসকলে বালি কপিলী নদীৰ কাষৰ পৰাই সংগ্ৰহ কৰা দেখা যায়। শিল্পীসকলে মৃৎপাত্ৰ নিৰ্মাণৰ বাবে সংগ্ৰহ কৰা মাটিবোৰ পাত্ৰ নিৰ্মাণৰ বাবে উপযোগী কৰি তুলিবৰ বাবে মাটিবোৰ ভৰিৰে খচে। এনেদৰে মাটি খচোতে বালি ছটিয়াই লোৱা হয়। এই মাটিবোৰ যিহেতু আলতীয়া, সেইবাবে মাটিবোৰ খচা ঠাইত যাতে লাগি নধৰে তাৰ কাৰণে তলত বালি ছটিয়াই লয়। অন্যহাতে মাটিৰ পাত্ৰ গঢ় দিয়াৰ বিভিন্ন স্তৰত বিভিন্ন কামত বালি ব্যৱহাৰ হয়।

**পানী ঃ** মৃৎপাত্ৰ নিৰ্মাণত আৱশ্যকীয় আন এবিধ প্ৰয়োজনীয় সামগ্ৰী হ'ল পানী। পাত্ৰ নিৰ্মাণৰ প্ৰায়বোৰ স্তৰতে পানীৰ প্ৰয়োজন হয়। মৃৎপাত্ৰ নিৰ্মাণৰ বাবে উপযুক্ত কৰি তোলা মাটি পাত্ৰৰ গঢ় দিব পৰাকৈ পানী ছটিয়াই কোমল কৰি লোৱা হয়। তদুপৰি মাটি খচা কাৰ্যতো পানী প্ৰয়োজন হয়। অন্যহাতে পাত্ৰৰ আকাৰ দিওঁতে পাত্ৰৰ বিভিন্ন অংশৰ নিৰ্মাণ কাৰ্যত পানীত কাপোৰ তিয়াই লৈ মিহি কৰা দেখা যায়। আৰু ইয়াৰ উপৰি পাত্ৰৰ গাত ৰং দিয়া সময়তো পানী ব্যৱহাৰ কৰে।

**কাঠৰ টুকুৰা (পাৰোণ) ঃ** মৃৎশিল্পকাৰসকলে পাত্ৰবোৰৰ নিৰ্মাণ প্ৰক্ৰিয়া শেষ হোৱাৰ পিছত পাত্ৰবোৰ জুইত পোৰে। এই প্ৰক্ৰিয়াক 'পাগ দিয়া' বুলি কোৱা হয়। পাগ দিয়া সময়ত পাগশালি বা পেঘালিত মাটিৰ পাত্ৰবোৰ এক নিৰ্দিষ্ট শৈলীৰে জপা হয়। এনেদৰে জাপোতে পাত্ৰবোৰৰ মাজে মাজে কাঠৰ টুকুৰা দিয়া হয়। এনেধৰণৰ কাঠৰ টুকুৰাবোৰক 'পাৰোণ' বোলা হয়। মাটিৰ বাচন পাগ দিবলৈ বাৰ ঘণ্টামান দহণ কৰিবলৈ ৰখা হয়।

**প্ৰাকৃতিক ৰঙ ঃ** মৃৎশিল্পীসকলে মৃৎপাত্ৰৰ গাত ৰং দিবৰ বাবে প্ৰাকৃতিক ৰং ব্যৱহাৰ কৰা দেখা যায়। কুমাৰ বা মৃৎশিল্পকাৰসকলে প্ৰাকৃতিক উপাদানৰ সহায়ত এই ৰং প্ৰস্তুত কৰি লয়।

**খ) অন্যান্য সঁজুলি ঃ** মৃৎপাত্ৰ নিৰ্মাণত ব্যৱহাৰ কৰা সঁজুলিসমূহ হ'ল—

**১। মাটিৰে নিৰ্মিত সজুঁলি ঃ** বালিয়া, মাজনি, আফৰি, এঠানি আৰু ঘোটাস্তা।

**বলিয়া ঃ** মৃৎশিল্পীসকলে বিশেষকৈ কলহ আৰু টেকেলি নিৰ্মাণ কৰোতে পাত্ৰটোৰ আকাৰ বা গঢ়টো সুন্দৰ কৰিবৰ বাবে কলহ আৰু টেকেলিৰ আকৃতিৰ সৰু এটি সামগ্ৰী ৰাখি তাক আধাৰ হিচাপে লৈ পাত্ৰটোৰ তলৰ পৰা ওপৰলৈ ক্ৰমে নিৰ্মাণ কৰি আহে। এই সৰু সামগ্ৰীবিধকেই 'বলিয়া' বুলি কোৱা হয়। এইবিধ সামগ্ৰী মৃৎশিল্পীসকলে মাটিৰে নিৰ্মাণ কৰি লয়।

**মাজনি ঃ** পাত্ৰ এটা নিৰ্মাণ হোৱাৰ পিছত অৰ্থাৎ পূৰ্ণাংগ ৰূপ পোৱা পিছত পাত্ৰটো মিহি কৰিবৰ বাবে ঘূৰণীয়া, চুপি জাতীয় এবিধ মাটিৰ সামগ্ৰী ব্যৱহাৰ কৰা হয়, সেই ডালকে 'মাজনি' বুলি কোৱা হয়। মাজনি ডালৰ ওপৰ ফালেদি হাতেৰে ধৰিব পৰা এটা অংশ থাকে, তাতে ধৰি মৃৎপাত্ৰবোৰ গাত ঘূৰাই ঘূৰাই মিহি কৰা হয়। মাজনিয়ে মিহি কৰাৰ পিছত মৃৎপাত্ৰবোৰ শুকাবৰ বাবে ৰ'দত দিয়া হয়।

**আফৰি ঃ** আফৰি মেলাহী বা বহল কেৰাহী এখনৰ দৰে। কাঠৰ পাট এখনৰ ওপৰত আফৰিখন ৰাখি পাত্ৰ নিৰ্মাণৰ বাবে উপযোগী কৰা মাটিবোৰ লৈ পাত্ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰে।

**এথালি ঃ** এথালি আকৃতি আফৰিৰ দৰেই মাত্ৰ এইবিধ সঁজুলিৰ তলফালে খুৰা লগোৱা থাকে। পাত্ৰ নিৰ্মাণৰ সময়ত এথালিৰ ওপৰত ৰাখি পাত্ৰৰ আকাৰ দিয়ে। ইয়াত ওপৰ অংশ নিমজ বা মিহি। এথালি বিভিন্ন প্ৰকাৰৰ থাকে, যেনে সৰু এথালি, বৰ এথালি আদি।

**ঘোটোস্তা ঃ** মাটিৰে এইবিধ সঁজুলিত পাত্ৰ নিৰ্মাণৰ সময়ত প্ৰয়োজন হোৱা বালি, পানী, কাপোৰ আদি মজুত ৰাখে। ইয়াৰ আকৃতি নাল নাইকিয়া সগ এটাৰ দৰে।

**২। বাঁহেৰে নিৰ্মিত সজুঁলি ঃ** পিটোন, চাকমাৰি।

**পিটোন ঃ** মৃৎপাত্ৰ নিৰ্মাণৰ বাবে প্ৰথমে যি মাটিৰ লডা লোৱা হয়, সেই লডাটো পাত্ৰৰ আকৃতি দিবৰ বাবে মৃৎশিল্পীসকলে ঘৰতে তৈয়াৰ কৰি লোৱা এডাল বাঁহৰ

মাৰি ব্যৱহাৰ কৰে। এই মাৰিডালকেই 'পিটোন' বোলা হয়। মাৰিডালৰ এটা মূৰ হাতেৰে ধৰিব পৰা আৰু পাত্ৰ মিহি কৰা বা 'পিটোন' বোলা হয়। মাৰিডালৰ এটা মূৰ হাতেৰে ধৰিব পৰা আৰু পাত্ৰ মিহি কৰা বা পিটা চেপেটা। কুমাৰসকলে চাকত পাত্ৰ নিৰ্মাণ কৰাৰ পিছতহে এই সঁজুলি ব্যৱহাৰ কৰে।

**চাকমাৰি ঃ** পাত্ৰ নিৰ্মাণত ব্যৱহাৰ কৰা চাকখন ঘূৰাবৰ বাবে যি ডাল মাৰি ব্যৱহাৰ কৰে, সেইডালেই চাক মাৰি।

**৩। কাঠেৰে নিৰ্মিত সজুঁলি ঃ** খুন্দা মাৰি, কাঠ-পাট আৰু চাক।

**খুন্দা মাৰি ঃ** শিল্পীসকলে যিকোনো পাত্ৰৰ তলৰ অংশ মিহি কৰিবৰ বাবে এইডাল ব্যৱহাৰ কৰে। মাৰিডাল গোটা আৰু আগটো মিহি।

**কাঠৰ পাট ঃ** মৃৎপাত্ৰ নিৰ্মাণ কৰোঁতে 'আফৰি' নামৰ সঁজুলিবিধ কাঠৰ পাট এখনৰ ওপৰত ৰখা হয়। এনে কৰিলে পাত্ৰ গঢ় দিবলৈ সুবিধা হয়। সেইবাবে পাত্ৰ নিৰ্মাণত কাঠৰ পাটৰ প্ৰয়োজন।

**চাক ঃ** এইবিধ সঁজুলি কাঠ আৰু বাঁহৰ সংমিশ্ৰণত সৃষ্টি। 'চাক'খন গৰুগাড়ীৰ চকাৰ লগত ৰিজাব পাৰি। চাকখন এটা শিল বা টান কাঠৰ এটুকুৰাত স্থাপন কৰি চাক মাৰিৰে ঘূৰাব পৰাকৈ প্ৰস্তুত কৰা হয়। চাক ঘূৰি থাকোতেই তেওঁলোকে চাকত মাটিৰ লডা দি বিভিন্ন পাত্ৰ নিৰ্মাণ কৰে। বৰ্তমান চাকবোৰক যন্ত্ৰচালিত মটৰৰ দ্বাৰা ঘূৰাই মাটিৰ বাচন প্ৰস্তুত কৰে। এই চাকবোৰ কুমাৰ সকলে 'মটৰ চাক' বুলি কোৱা হয়। এই মটৰ চাকটো চলাবলৈ বিদ্যুতৰ প্ৰয়োজন।

**মৃৎপাত্ৰ নিৰ্মাণ পদ্ধতি ঃ**

মৃৎপাত্ৰ প্ৰস্তুত কৰা পদ্ধতিবোৰ এনেধৰণৰ—

**মাটি খনন ঃ** মৃৎপাত্ৰ নিৰ্মাণৰ প্ৰথম প্ৰক্ৰিয়া হ'ল মাটি খন্দা কাৰ্য। এই কাৰ্য অতি বিপদ সংকুল। তেওঁলোকে নদীৰ কাষৰ বা পথাৰৰ মাটি সংগ্ৰহ কৰে। এই মাটি সংগ্ৰহ কৰিবলৈ এক ফুট পৰ্যন্ত গাত খান্দে আৰু পাতল বগা ৰঙৰ অতি পিচল মিহি আৰু আলতীয়া মাটিৰ স্তৰ পালেই খন্দা কাৰ্য বন্ধ কৰে। এই স্তৰৰ মাটিবোৰ খান্দি মাটিৰ লডাবোৰ উলিয়ায়। মাটি খন্দা প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত মাটিখিনি ঘৰলৈ আনি সংৰক্ষণ কৰে।

**মাটি খচা ঃ** শিল্পীসকলে সংগ্ৰহ কৰা মাটিবোৰ গাঁত খান্দি ৰখা হয়। এই মাটিবোৰক সৰা বাঁহ এচটাৰে খণ্ড খণ্ড কৰে আৰু পানী ছটিয়াই কোমল কৰি বহল এটুকুৰা ঠাইত বালিৰ ওপৰত ৰাখি ভৰিৰে খচে। খচি থাকোতে প্ৰয়োজন অনুসৰি বালি আৰু পানী ছটিয়াই থাকে। এনেদৰে খচাৰ পিছত মাটিবোৰ পাত্ৰ নিৰ্মাণৰ বাবে উপযোগী হৈ পৰে।

**খোলনি দিয়া ঃ** শিল্পীসকলে প্ৰথমতে মাটি খচাৰ পিছত খণ্ড খণ্ড কৰা মাটিৰ লডাবোৰ আফৰি ওপৰত লৈ লডাটো আঙুলিৰে হেঁচি এটা খোলাৰ সৃষ্টি কৰে। এই স্তৰতে পাত্ৰৰ প্ৰথম আকৃতি দিয়ে। খোলাটো কৰোতে ভৰিৰে আফৰিখন ঘূৰাই থাকে আৰু দুই হাতেৰে পাত্ৰ খোলনি দিয়ে।

**গঢ়া বা গঢ়নি ঃ** এই স্তৰত পাত্ৰ গঢ়া প্ৰক্ৰিয়া আৰম্ভ হয়। অৰ্থাৎ খোলনি দিয়াৰ পিছত প্ৰথমে পাত্ৰবোৰ ডিঙি অংশ সাজে। গঢ় বা গঢ়নি স্তৰতেই পাত্ৰ এটা পূৰ্ণাংগ ৰূপ দিবলৈ যত্ন কৰা হয়।

**পিতা ঃ** মৃৎপাত্ৰবোৰ গঢ়াৰ পিছত অৰ্থাৎ নিৰ্মাণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত পাত্ৰবোৰ অলপ ৰ'দত শুকাবলৈ দিয়া হয়। অলপ টান হোৱাৰ পিছত এথালিৰ ওপৰত ৰাখি বলিয়াৰে ভিতৰফালে হেঁচা দি পিটোনেৰে পিতি পাত্ৰটোৰ সুনিৰ্দিষ্ট আকাৰ দিয়ে। অৱশ্যে সকলো মৃৎপাত্ৰতে পিতা প্ৰক্ৰিয়াৰ প্ৰয়োজন নহয়। পাত্ৰটোৱে উপযুক্ত আকাৰ পোৱাৰ পিছত 'মাজনি'ৰ সহায়ত অসমান অংশবোৰ সমান আৰু মিহি কৰে।

**কঁহ আৰু ৰাঙনি ঃ** মৃৎপাত্ৰসমূহ ভালদৰে শুকুওৱাৰ পিছত 'ৰাঙনি' আৰু 'কঁহ' দি অৰ্থাৎ ৰঙ দি আকৰ্ষণীয় কৰি তোলা হয়। তেওঁলোকে প্ৰস্তুত কৰা ৰঙৰ পাত্ৰ গাৰ সৰু কাপোৰ আৰু আঙুলিৰে বুলাই দিয়ে। এনে কৰিলে পাত্ৰবোৰ দেখিবলৈ সুন্দৰ হোৱাৰ লগতে ক'ৰবাত ফুটা থাকিলেও বন্ধ হৈ পৰে।

**পাগ দিয়া ঃ** মৃৎ নিৰ্মাণৰ ই হ'ল অন্তিম স্তৰ। পাত্ৰৰ নিৰ্মাণ প্ৰক্ৰিয়া শেষ হোৱাৰ পিছত পাত্ৰবোৰ পুৰিবৰ বাবে পেঘালি বা পাগশালি তৈয়াৰ কৰে। অৰ্থাৎ একপ্ৰকাৰৰ গোলাকৃতিৰ গাঁত খান্দে। পুৰিলে বা তাপ পালে পাত্ৰবোৰৰ ৰং উজ্জ্বল হয়। ভালদৰে ৰ'দত শুকুওৱা পাত্ৰবোৰ এক বিশেষ পদ্ধতিৰে পেঘালিত সজোৱা হয় আৰু পাত্ৰবোৰৰ ফাঁকে ফাঁকে খৰি সুমুৱাই দিয়া হয়। ইয়াৰ পিছত সজোৱা পাত্ৰবোৰৰ কাষে কাষে ৰঙা মৃৎপাত্ৰ যেনে— কলহ, টেকেলিৰ টুকুৰা আৰু খেৰ দি ঢাকি দিয়া হয়। ইয়াৰ পিছত গোবৰ, আলতীয়া মাটি আৰু পানীত গুলি এক প্ৰকাৰৰ প্ৰলেপ দিয়া হয় আৰু তলত জুই জ্বলাই দিয়া হয়। জুই দিয়াৰ পিছত ধোঁৱাবোৰ ওলাই যাবৰ বাবে প্ৰলেপটোৰ ওপৰত সৰু

সৰু ফুটা কৰি দিয়া হয়। পেঘালিত জুই দিয়াৰো নিয়ম আছে। জোখতকৈ বেছি তাপ পালে পাত্ৰবোৰৰ আকৃতি বেয়া হৈ যায় আৰু কমকৈ তাপ পালে ব্যৱহাৰৰ উপযোগী হৈ নুঠে, অৰ্থাৎ সহজে ভাঙি যায়। পেঘালি মুঠ এঘাৰ বা বাৰ ঘণ্টা জুই দিয়া হয়। এই প্ৰক্ৰিয়া শেষ হোৱাৰ পিছত পাত্ৰবোৰৰ বিক্ৰীৰ বাবে উপযোগী হৈ পৰে।

**মৃৎশিল্পৰ গুৰুত্ব, সংকট আৰু অৰ্থনৈতিক পৰিস্থিতিঃ**

আগৰ দিনত মানুহে দৈনন্দিন জীৱনত মাটিৰে সজা বস্তু ব্যৱহাৰ কৰিছিল যদিও আজিকালি অৱশ্যে কম সংখ্যক মানুহেহে ব্যৱহাৰ কৰা দেখিবলৈ পোৱা যায়। আধুনিকতাৰ প্ৰভাৱত পৰি মানুহে মাটিৰ বাচন-বৰ্তন তথা মাটিৰে সজা বস্তু কেৱল ড্ৰয়িংৰুমত সজাবলৈহে ব্যৱহাৰ কৰা পৰিলক্ষিত হয়।

অসমৰ বিভিন্ন ঠাইৰ দৰে নগাঁও জিলাৰ কামপুৰ কুমাৰপট্টীৰ এলেকাটোৰ সমাজ জীৱনতো মৃৎশিল্পৰ গুৰুত্ব অধিক। মৃৎশিল্পৰ দ্বাৰা উৎপাদিত হোৱা বিভিন্ন সামগ্ৰীবোৰ যেনে— মাটিৰ চাকি, কলহ, টেকেলি, ঘট, ধূপদানি, ধুনাদানি, চিলিম, পইচা থোৱা টেকেলি আদি। প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখিহে বিভিন্ন আকাৰত এই পাত্ৰবোৰ তৈয়াৰ কৰা হয়। অৱশ্যে ধৰ্মীয় কাম-কাজৰ পৰা আৰম্ভ কৰি বিয়া সবাহ আৰু দৈনন্দিন জীৱনত বিভিন্ন ক্ষেত্ৰতো মাটিৰ পাত্ৰ তৈয়াৰ কৰে।

সম্প্ৰতি পলিথিন আৰু প্লাষ্টিকৰ ব্যৱহাৰে জনজীৱনলৈ অস্বাস্থ্যকৰ পৰিৱেশ তথা সংকট নমাই আনিছে। এই ক্ষেত্ৰত মৃৎশিল্পই উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। প্লাষ্টিক কাপৰ পৰিৱৰ্তে মাটিৰ কাপ আৰু বাচন ব্যৱহাৰ কৰি মৃৎশিল্পক উন্নত পৰ্যায়লৈ আনি মৃৎশিল্পক উজ্জীৱিত কৰে তেনেহ'লে দেশৰ প্ৰগতিত কিছু হ'লেও অৰিহণা যোগাব পাৰিছে বুলি ক'ব পাৰি। বৰ্তমান জটিল অৰ্থনৈতিক পৰিস্থিতি আৰু ঔদ্যোগিককৰণৰ ফলত এই শিল্প মৃতপ্ৰায় অৱস্থা। প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি আনুসংগিক খৰচৰ মাত্ৰা বাঢ়ি যোৱাৰ লগ লগে মৃৎশিল্পৰ লগত জড়িত শিল্পসকলেও বহুতো সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। ফলত ব্যৱসায়ত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে আৰু শিল্পীসকলেও উৎপাদনৰ মাত্ৰা কমাই দিবলগীয়া হৈছে। উল্লেখযোগ্য যে দেৱালীৰ উৎসৱ সময়তহে প্ৰয়োজনীয় চাকি আৰু শিৱৰাত্ৰিৰ সময়ত চিলিমৰ কিছু বিক্ৰী-বাৰ্তা হয়। এই ক্ষেত্ৰত তেওঁলোক অৰ্থনৈতিকভাৱে স্বাৱলম্বী। প্ৰাপ্ত তথ্য অনুসৰি কামপুৰ অঞ্চলৰ কুমাৰসকলে এই সময়ত মাটিৰ বাচন প্ৰস্তুত কৰি ২০ হাজাৰ টকা পৰ্যন্ত উপাৰ্জন কৰে।

**মৃৎশিল্পৰ পৰম্পৰা আৰু পৰিৱৰ্তন ঃ**

মৃৎশিল্প বুলি ক'লে সাধাৰণতে আমি লোকসমাজত পৰম্পৰাগত ভাৱে চলি থকা শিল্পকেই বুজো। লোক সমাজত দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰীৰ পৰা আৰম্ভ কৰি বিভিন্ন উৎসৱ-অনুষ্ঠানত বিশেষভাৱে প্ৰয়োজন হোৱা বিভিন্ন সামগ্ৰীলৈকে ইয়াৰ পৰিসৰ পৰিব্যাপ্তি হৈ আছে। কামপুৰ নগৰৰ কুমাৰ পট্টীত মৃৎশিল্প গঢ় লৈ উঠিছে মূলতঃ বেঙ্গলী আৰু বিহাৰী সম্প্ৰদায় তথা কুমাৰসকলক লৈ। তেওঁলোকৰ জীৱন আৰু জীৱিকাৰ লগত অতীজৰে পৰা মৃৎশিল্পই এক বিশেষ স্থান অধিকাৰ কৰি আহিছে আৰু পৰম্পৰাগতভাৱে মাটিৰ বাচন প্ৰস্তুত কৰি আহিছে।

পূৰ্বতে এই অঞ্চলৰ কুমাৰসকলে পুটাত চকা ব্যৱহাৰ কৰি মাটিৰ পাত্ৰ গঢ়ি তুলিছিল। বৰ্তমান সময়ৰ পৰিৱৰ্তনৰ লগে লগে মাটিৰ পাত্ৰ গঢ়ি তোলা পদ্ধতিও সলনি হৈছে। এতিয়া শিল্পীসকলে বিদ্যুৎ চালিত মটৰ চকা ব্যৱহাৰ কৰি মাটিৰ বাচন প্ৰস্তুত কৰা দেখা যায়। এনে পৰিৱৰ্তনৰ ফলত তেওঁলোক কম কষ্টত অধিক লাভান্বিত হৈছে আৰু কম সময়ৰ ভিতৰত বহুতো মাটিৰ বাচন প্ৰস্তুত কৰিবলৈ সক্ষম হয়। এই মটৰ চকাৰ জৰিয়তে এটা আৰু দুটা চকা লগাই লৈ দুজন মানুহে মাটিৰ বাচন প্ৰস্তুত কৰিব পাৰে।

আলোচনাৰ শেষত ক'ব পাৰি যে মৃৎশিল্প সংৰক্ষণ বা জীয়াই ৰাখিবলৈ হ'লে শিল্পীসকলৰ লগতে সমাজৰ সকলো ব্যক্তিয়েই গুৰুত্ব সহকাৰে আদৰি লোৱাৰ প্ৰয়োজন। মৃৎশিল্পই সন্মুখীন হোৱা বিভিন্ন প্ৰত্যাহ্বানসমূহ চৰকাৰেও কিছু সমাধান কৰিলে শিল্পবিধৰ সংৰক্ষণ সম্ভৱ হৈ উঠিব। তদুপৰি মৃৎশিল্পৰ উন্নত প্ৰযুক্তি প্ৰয়োগ কৰি অৰ্থাৎ আধুনিকীকৰণৰ জৰিয়তে আকৰ্ষিত কৰিব পাৰিলেও শিল্প বিধে বিশ্বৰ দৰবাৰত সমাদৰ লাভ কৰিব। ■

**প্ৰসঙ্গ পুথি**

১। দাস, নাৰায়ণ (মুখ্য সম্পাঃ) ঃ অসমৰ সংস্কৃতি কোষ, জ্যোতি প্ৰকাশন, পানবজাৰ, গুৱাহাটী- ১

২। দাস, নাৰায়ণ আৰু ৰাজবংশী, পৰমানন্দ, (সম্পাঃ) ঃ অসমীয়া সংস্কৃতিৰ কণিকা, চন্দ্ৰপ্ৰকাশ, পাণবজাৰ, গুৱাহাটী- ১

৩। মিলি, ৰত্নেশ্বৰ, গোহাঁই, পুণ্যলতা, (সম্পাঃ) ঃ অসমৰ লোক-কলা, কিৰণ প্ৰকাশন, পাণবজাৰ, গুৱাহাটী-১

৪। হাকাচাম, উপেন ৰাভা ঃ বৰ অসমৰ বৰ্ণিল সংস্কৃতি, বীণা প্ৰকাশন, পাণবজাৰ, গুৱাহাটী- ১

**সংবাদদাতা ঃ**

ভাৰু কুমাৰ (৮০), কুমাৰ, কুমাৰপট্টী, কামপুৰ। বিচৰণ কুমাৰ (৭০), ব্যৱসায়ী, কুমাৰপট্টী, কামপুৰ। কাৰ্তিক কুমাৰ (৬০), কুমাৰ, কুমাৰপট্টী, কামপুৰ। বিজয় কুমাৰ (২৫), কুমাৰ, কুমাৰপট্টী, কামপুৰ।



# স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকাল ঃ এক ঐতিহাসিক মূল্যায়ন

**দৰ্শনা দলৈ,** পঞ্চম যাণ্মাসিক

ৰুদ্ৰসিংহক আহোম শাসন কালৰ শ্ৰেষ্ঠ ৰজা বুলি কোৱা হয়। কাৰণ তেওঁৰ শাসন কালছোৱা বহুতো উল্লেখযোগ্য ঘটনাৰে ভৰা। তেওঁৰ শাসন কালতে অসমীয়া ভাষা-সাহিত্য আৰু সাংস্কৃতিক জীৱনৰ উল্লেখযোগ্য পৰিবৰ্তন হৈছিল। তেৱেঁই প্ৰথম মোগলসকলৰ বিৰুদ্ধে যুদ্ধ কৰাৰ বা বংগদেশ জয়ৰ পৰিকল্পনা হাতত লৈছিল। আহোম মতে চুখ্ৰাংফা আৰু হিন্দু মতে ৰুদ্ৰসিংহ নাম লৈ ১৬৯৬ খ্ৰীঃত তেওঁ ৰাজপাটত নিজকে অধিষ্ঠিত কৰে। ৰুদ্ৰসিংহ এজন নিৰক্ষৰ লোক আছিল যদিও তেওঁ এজন অতি প্ৰখৰ ৰাজনীতিজ্ঞ আছিল। ৰুদ্ৰসিংহৰ সকলোবোৰ দিশ বিবেচনা কৰি বহুতো ঐতিহাসিকে তেওঁক আহোম বংশৰ শ্ৰেষ্ঠ ৰজা বুলি অভিহিত কৰিছে। ৰাজ্যৰ ৰাজনৈতিক দিশৰ উপৰিও সাংস্কৃতিক জীৱনলৈও তেওঁ বহুতো অৱদান যোগাইছিল। তেওঁক আন কিছুমান ঐতিহাসিকে আনকি দক্ষিণ ভাৰতৰ শ্ৰেষ্ঠ সামৰিক বীৰ শিৱাজীৰ লগত তুলনা কৰিছে। তেওঁ মাতৃ জয়মতীৰ নাম চিৰস্মৰণীয় কৰাৰ বাবে তেওঁ বিশাল 'জয়সাগৰ' পুখুৰী খন্দাই ইয়াৰ পাৰত 'জয়দৌল' নিৰ্মাণ কৰিছিল।

**চুখ্ৰাংফা ওৰফে ৰুদ্ৰসিংহ (১৬৯৬-১৭১৪ খ্ৰীঃ) ঃ** গদাধৰ সিংহৰ মৃত্যুৰ পিছত তেওঁৰ বৰপুত্ৰ লাই কোঁৱৰে আহোম মতে চুখ্ৰাংফা আৰু হিন্দুমতে ৰুদ্ৰসিংহ নাম লৈ ৰাজপাটত উঠে। এওঁৰ মাতৃ হ'ল জয়মতী কুঁৱৰী। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকাল অসমৰ ইতিহাসৰ এক গৌৰৱোজ্জ্বল অধ্যায়। বহুতো ঐতিহাসিকে ৰুদ্ৰসিংহক আহোমৰ ৰাজবংশত সৰ্বশ্ৰেষ্ঠ ৰজা বুলি আখ্যা দিব বিচাৰে।

**ৰুদ্ৰসিংহৰ বৈষ্ণৱসকলৰ প্ৰতি গ্ৰহণ কৰা নীতি ঃ** পিতৃ গদাধৰ সিংহৰ বৈষ্ণৱ নিৰ্যাতিন নীতি ত্যাগ কৰি স্বৰ্গদেউ ৰুদ্ৰসিংহই নিৰ্যাতিত গোসাঁই-মহন্তসকলক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰিছিল। গদাধৰ সিংহৰ ভয়ত পলাই যোৱা বৈষ্ণৱ গোসাঁই-মেধিসকলক মাতি আনি তেওঁ গড়গাঁৱৰ ওচৰৰে মাজুলীত পুনৰ সংস্থাপন কৰিলে। ইয়াৰ ফলত এহাতেদি এই বৈষ্ণৱ গোসাঁইসকল সন্তুষ্ট হ'ল আৰু আনহাতেদি গড়গাঁৱৰ পৰা ৰজাই তেওঁলোকৰ কাৰ্যকলাপৰ ওপৰত সতৰ্ক দৃষ্টি ৰখাত সুবিধা হ'ল। প্ৰভাৱশালী আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ কেশৱদেৱক শদিয়াৰ পৰা অনাই নিজ সত্ৰ পুনৰ ওভতাই দিয়াৰ ব্যৱস্থা কৰিছিল। তদুপৰি গদাধৰ সিংহৰ দৰেই বৈষ্ণৱ সত্ৰাধিকাৰসকলৰ ক্ৰমবৰ্ধমান জনপ্ৰিয়তা

আৰু প্ৰতিপতিত তেওঁ যথেষ্ট চিন্তিত হৈছিল। সেয়েহে তেওঁ বৈষ্ণৱসকলৰ মাজত বিভাজন সৃষ্টি কৰি তেওঁলোকক দুৰ্বল কৰাৰ প্ৰচেষ্টা চলাইছিল। সেই উদ্দেশ্যৰে তেওঁ গড়গাঁৱত এখন ধৰ্ম সভা পাতি শূদ্ৰ মহন্ত বা মেধিসকলক ব্ৰাহ্মণক শৰণ দিয়াতো শাস্ত্ৰ বিৰোধী বুলি ঘোষণা কৰি নিষেধ কৰিলে। ইয়াৰ ফলত ৰুদ্ৰসিংহই আশা কৰাৰ দৰেই বৈষ্ণৱসকলৰ মাজত বিভাজনৰ সৃষ্টি হৈ তেওঁলোকৰ পূৰ্বৰ ঐক্যতা লুপ্ত হ'ল। মোৱামৰীয়া সত্ৰৰ ক্ষুদ্ৰ মহন্তই ৰজাক এই নিষেধাজ্ঞাক যুক্তি তৰ্কৰ বাবেও প্ৰত্যাহ্বান জনাইছিল। কিন্তু তেওঁ আহোম ৰাজসভাত শাস্ত্ৰৰ যুক্তিৰে শূদ্ৰ মেধিয়ে ব্ৰাহ্মণক শৰণ দিব পাৰে এই কথাষাৰ পতিয়ন নিয়াব নোৱাৰাত স্বৰ্গদেউ ৰুদ্ৰসিংহই তেওঁক অতি বেয়া ধৰণে অপমান কৰি ৰাজসভাৰ পৰা খেদি পঠাইছিল।

**বিদ্ৰোহ আৰু ষড়যন্ত্ৰ দমন ঃ** ৰুদ্ৰসিংহ সিংহাসনত উঠাৰ পিছতে ১৬৯৭ খ্ৰীঃৰ ছেপ্তেম্বৰ মাহত চাৰিং ৰজা আৰু চুঙি বৰুৱাই মিলিত হৈ তেওঁৰ বিপক্ষে এক ষড়যন্ত্ৰ কৰে। কিন্তু ৰজাই সঠিক সময়ত উমান পাই ষড়যন্ত্ৰকাৰী দুজনক প্ৰাণদণ্ড দিয়ে। ইয়াৰ অলপ দিন পাছতে ৰজাই নিজা ভায়েক লেচাইৰ নেতৃত্বত আন এক ষড়যন্ত্ৰৰ আঁচনি লোৱাৰ খবৰ পায়। ৰজাই বিশেষ খবৰ নোলোৱাকৈয়ে ভায়েক লেচাইৰ এটা চকু কঢ়াই বন্দী কৰে। কিন্তু পাছত ভালদৰে অনুসন্ধান কৰি লেচাইৰ নিৰ্দোষিতাৰ প্ৰমাণ পাই ৰুদ্ৰসিংহ অনুতপ্ত হয় আৰু ভায়েকক সন্মানেৰে নামৰূপীয়া ৰজা পাতে।

ৰুদ্ৰসিংহৰ দিনত ১৭০১ খ্ৰীঃৰ ডিচেম্বৰ মাহত কিছুমান নামচঙীয়া নক্টে নগাই হঠাতে বৰহাটত থকা আহোম লোণ শালত আক্ৰমণ কৰি ৬০ জন অসমীয়া সেনাক হত্যা কৰে। ৰুদ্ৰসিংহই এজন ফুকনৰ তলত নগাসকলৰ বিপক্ষে অভিযান পঠোৱাত নগাসকলে বিনা যুদ্ধে আহোম ৰজাৰ বশ্যতা স্বীকাৰ কৰে।

**কছাৰী আৰু জয়ন্তীয়াৰ লগত সম্পৰ্ক ঃ** কছাৰী আৰু জয়ন্তীয়াৰ লগত আহোমসকলৰ সংঘৰ্ষ স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্বকালৰ এক উল্লেখনীয় ঘটনা। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ সমসাময়িক কছাৰী ৰজা তাম্ৰধ্বজে প্ৰত্যেক্ষভাৱে নিজকে স্বাধীন বুলি ঘোষণা কৰি আহোম ৰজালৈ স্বাধীন ৰজাৰ দৰে পত্ৰ প্ৰেৰণ কৰিলে। কছাৰী ৰজাৰ এনে আচৰণত অপমানবোধ কৰি কছাৰী ৰজাক বশ কৰাৰ উদ্দেশ্যৰে ৰুদ্ৰসিংহই বৰবৰুৱাৰ অধীনত ধনশিৰিৰ বাটেৰে আৰু পানীফুকনৰ অধীনত কপিলীৰ বাটেৰে দুটা সৈন্য বাহিনী কছাৰী ৰাজ্য অভিমুখে প্ৰেৰণ কৰিলে। মুঠ আশী হাজাৰ সৈন্য বাহিনীৰে গঠিত এই দুটা বাহিনীয়ে কছাৰীসকলক পৰাভূত কৰি কছাৰী ৰাজধানী মাইবং অধিকাৰ কৰিলে। ইতিমধ্যে আহোম সৈন্য বাহিনীয়ে কমতাপুৰ অধিকাৰ কৰিবলৈ যো-জা কৰোতেই তেওঁলোকৰ মাজত মহামাৰী হৈ বহুতৰে প্ৰাণ গ'ল। এনে পৰিস্থিতিত পানীফুকনে খাচপুৰ আক্ৰমণ স্থগিত ৰাখি মাইবঙৰ পৰা উভতি আহিল।

আহোম বাহিনী প্ৰত্যাৱৰ্তনৰ খবৰ পাই কছাৰী ৰজা তাম্ৰধ্বজে লগে লগে জয়ন্তীয়া ৰজালৈ পূৰ্বে বিচৰা সহায়ৰ প্ৰয়োজন নহ'ব বুলি জনালে। কিন্তু জয়ন্তীয়া ৰজা ৰামসিংহই পৰিস্থিতিৰ সুযোগ বহন কৰি কছাৰী ৰাজ্যৰ ওপৰত নিজ আধিপত্য স্থাপন কৰিবৰ বাবে বন্ধুত্বৰ ছলেৰে কছাৰী ৰজাক বন্দী কৰি নিজ ৰাজধানী জয়ন্তীয়া পুৰলৈ লৈ গ'ল। উপায় বিহীন হৈ তাম্ৰধ্বজে দুজন আহোম বৈৰাগীৰ হাতত পত্ৰ প্ৰেৰণ কৰি ৰুদ্ৰসিংহৰ ওচৰত পূৰ্বৰ ভুলৰ বাবে ক্ষমা খুজিলে আৰু ৰামসিংহৰ পৰা উদ্ধাৰ কৰিবলৈ কাতৰ প্ৰাৰ্থনা কৰিলে। স্বৰ্গদেউ ৰুদ্ৰসিংহই তাম্ৰধ্বজৰ অনুৰোধ ৰক্ষা কৰি বৰবৰুৱা আৰু বৰফুকনৰ নেতৃত্বত দুটা বৃহৎ সেনা বাহিনী জয়ন্তীয়াপুৰ আক্ৰমণৰ বাবে প্ৰেৰণ কৰিলে। জয়ন্তীয়া সৈন্য বাহিনীক পৰাভূত কৰি আহোম সৈন্যই জয়ন্তীয়াপুৰ অধিকাৰ কৰে (১৭০৮ খ্ৰীঃ) আৰু জয়ন্তীয়া ৰজা ৰামসিংহ আৰু কছাৰী ৰজা তাম্ৰধ্বজক বন্দী কৰিলে। কছাৰী ৰজা তাম্ৰধ্বজে আহোম ৰজাৰ কৰতলীয়া হ'বলৈ মান্তি হোৱাত তেওঁক মুক্তি দিয়া হ'ল। জয়ন্তীয়া ৰজাই বশ্যতা স্বীকাৰ কৰিবলৈ মান্তি নোহোৱাত তেওঁক পুত্ৰসহ বন্দী কৰি ৰখা হ'ল। এই জয়ন্তীয়াসকলৰ লগত হোৱা যুদ্ধত ভালে কেইজন বিষয়াসহ মুঠ ২৩৬৬ জন আহোম সেনাৰ মৃত্যু হয়। শেষত জয়ন্তীয়া ৰজাইয়ো আহোমৰ বশ্যতা স্বীকাৰ কৰে।

**বঙ্গৰ অভিযান ঃ** কছাৰী আৰু জয়ন্তীয়াসকলক পৰাভূত কৰাৰ পিছত স্বৰ্গদেউ ৰুদ্ৰসিংহই বঙ্গ জয় কৰাৰ এক পৰিকল্পনা লৈছিল। এই পৰিকল্পনাৰ জৰিয়তে ঔৰংগজেবৰ মৃত্যুৰ পিছত দ্ৰুতগতিত পতনমুখী হৈ পৰা মোগল সাম্ৰাজ্যৰ অধীনৰ পৰা বঙ্গদেশ আৰু সমগ্ৰ পুব ভাৰত সম্ভৱ হ'লে ৰুদ্ৰসিংহই পদানত কৰিব বিচাৰিছিল বুলি কিছুমান ঐতিহাসিকে ক'ব খোজে। স্বৰ্গদেউ ৰুদ্ৰসিংহই এই বিশাল পৰিকল্পনাক বাস্তৱত ৰূপ দিয়াৰ উদ্দেশ্যৰে অম্বৰৰ ৰাজপুত ৰজাকে আদি কৰি ভাৰতবৰ্ষৰ বিভিন্ন হিন্দু ৰজা, জমিদাৰ আদিৰ লগত যোগাযোগ কৰিছিল। চুবুৰীয়া শক্তিসমূহে এই অভিযানৰ সহযোগ কৰিবলৈ উৎসাহেৰে আগুৱাই আহিল। এই চুবুৰীয়া শক্তিবোৰৰ সাহাৰ্য স্বৰ্গদেৱে চাৰি লাখ সৈন্যৰ এক বিৰাট বাহিনী গুৱাহাটীত একত্ৰিত কৰিলে। কিন্তু দুৰ্ভাগ্যবশতঃ এই উচ্চাশাপূৰ্ণ অভিযানৰ প্ৰস্তুতি চলি থাকোতেই স্বৰ্গদেউ ৰুদ্ৰসিংহই শেষ নিশ্বাস ত্যাগ কৰিলে (১৭১৪ খ্ৰীঃ আগষ্ট মাহ)। তেওঁৰ পুত্ৰ তথা উত্তৰাধিকাৰী শিৱসিংহই এই উচ্চাকাঙ্খাক বাস্তৱত ৰূপায়িত কৰাৰ কোনো ব্যৱস্থা নোলোৱাত এই আঁচনিত ৰুদ্ৰসিংহৰ মৃত্যুৰ লগে লগে

পৰিত্যক্ত হ'ল।

**প্ৰশাসনীয় আৰু অন্যান্য কাৰ্যাৱলী ঃ** ৰাষ্ট্ৰৰ প্ৰশাসনৰ দক্ষতা বৃদ্ধিৰ উদ্দেশ্যৰে ৰুদ্ৰসিংহই পাঁচটা নতুন খেলৰ সৃষ্টি কৰিছিল। এই খেলকেইটা হ'ল- কটকী, কাকতি, বৈৰাগী, খাউণ্ড আৰু দলৈ। কটকীসকলে ৰজাৰ পত্ৰ বাহক হিচাপে অন্যান্য দেশৰ ৰজা নৱাব বা ৰাজ্যৰ ভিতৰৰে অন্যান্য বিষয়াসকলৰ ওচৰলৈ যাব লাগিছিল। কাকতিসকলে ৰজা ঘৰৰ ধনৰ আয়-ব্যয় আৰু পাইকৰ হিচাপ ৰাখিছিল। বৈৰাগীসকলে ছদ্মবেশেৰে ঘূৰি ফুৰি দেশ-বিদেশৰ খবৰ, ঐতিহাসিকে ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ সম্পৰ্কে ৰজাক অৱগত কৰাব লাগিছিল। খাউণ্ডসকলে বিদেশলৈ গৈ বজাৰ বয়বস্তু ক্ৰয় কৰাৰ লগতে মৃত ৰজা বা ডাঙৰীয়াসকলৰ অস্থি বিসৰ্জন আৰু দান দক্ষিণা আদিৰ কামো কৰিব লাগিছিল। দলৈসকলে জ্যোতিষ শাস্ত্ৰমতে গণনা কৰি দেশৰ ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ ভাল-বেয়াৰ বিষয়ে ক'ব লাগিছিল।

ৰুদ্ৰসিংহ এজন বিদ্যানুৰাগী ৰজা আছিল। নিজে নিৰক্ষৰ হৈয়ো তেওঁ কিন্তু দেশৰ শিক্ষা, সঙ্গীত, আৰু সাহিত্যৰ প্ৰসাৰৰ বাবে পৃষ্ঠপোষকতা আগবঢ়াইছিল। ব্ৰাহ্মণসকলক শিক্ষাৰ কাৰণে তেওঁ বহুতো টোল স্থাপন কৰাৰ উপৰি মেধাবী ছাত্ৰক তেওঁ অসমৰ বাহিৰতো শিক্ষা লাভৰ সুযোগ প্ৰদান কৰিছিল। তেওঁ হিন্দুস্তানী সঙ্গীত আৰু বাদ্যযন্ত্ৰ শিক্ষাৰ উদ্দেশ্য ভালেকেইজন লোকক দিল্লীলৈ প্ৰেৰণ কৰিছিল । তেওঁৰ ৰাজসভাত সমাদৰ লাভ কৰা পণ্ডিতসকলৰ ভিতৰত 'শঙ্খচূড় বধ' নাটক আৰু 'দুষ্যন্ত চৰিত্ৰমালা'ৰ ৰচক কবিৰাজ চক্ৰৱৰ্তী অন্যতম।

স্থাপত্য শিল্পৰ প্ৰতিও তেওঁ প্ৰবল অনুৰাগ আছিল। তেওঁ বঙ্গ দেশৰ পৰা বহু শিল্পী কাৰিকৰ আনি অসমত সংস্থাপন কৰিছিল। কোঁচবিহাৰৰ ঘনশ্যাম নামৰ এজন খনিকৰ অনাই ৰুদ্ৰসিংহই মেটেকাত এখন নগৰ পাতি এই নগৰক 'ৰংপুৰ' নাম দিছিল। নিজ মাতৃ জয়মতীৰ নাম চিৰস্মৰণীয় কৰাৰ বাবে তেওঁ বিশাল 'জয়সাগৰ' পুখুৰী খন্দাই ইয়াৰ পাৰত 'জয়দৌল' নিৰ্মাণ কৰিছিল। তদুপৰি 'ৰজনাথৰ দৌল', 'ফাকুৱা দৌল', 'নামডাঙৰ শিলৰ সাঁকো', 'খৰিকটিয়া আলি', 'ডুবৰি আলি', 'মেটেকা আলি' আদিও ৰুদ্ৰসিংহৰ দিনতে নিৰ্মাণ কৰা হৈছিল।

স্থানীয় আৰু বিদেশী দুয়োবিধ কলা কৃষ্টিকে তেওঁ সমাদৰ কৰিছিল। তেওঁৰ দিনতে জোতা, পাগুৰি আদি বিদেশী সাজ-পোছাক আহোম ৰাজসভা আৰু ৰাজ্যত প্ৰচলন হয়। ৰুদ্ৰসিংহই প্ৰথম এসপ্তাহজোৰা বিহু উৎসৱ পালন কৰা ৰীতি আৰম্ভ কৰে। নৃত্য-গীত আৰু খেল-ধেমালিৰ উৎকৰ্ষ সাধনৰ বাবে তেওঁ 'গায়ন বৰুৱা' 'শেনচোৱা বৰুৱা', 'কুকুৰচোৱা বৰুৱা' আদি বিষয়াৰ নিযুক্তি দিছিল। ৰজা আৰু ডা-ডাঙৰীয়াই এই খেল-ধেমালি আৰু নৃত্য-গীত উপভোগ কৰিবৰ বাবে এক প্ৰকাণ্ড ঘৰ ৰূপহী পথাৰত সজাই এই ঘৰৰ নাম তেওঁ ৰংঘৰ ৰাখিছিল।

**কৃষ্ণৰাম ভট্টাচাৰ্য ন্যায়বাগীশৰ আগমন ঃ** স্বৰ্গদেউ ৰুদ্ৰসিংহই যদিও প্ৰথমতে আউনীআটীৰ বৈষ্ণৱ সত্ৰাধিকাৰৰ ওচৰত শৰণ লৈছিল কিন্তু আচলতে তেওঁ শাক্ত ধৰ্মৰ প্ৰতিহে অধিক বিশ্বাসী আছিল। সেয়েহে তেওঁ বংগ দেশৰ নদিয়া জিলাৰ কৃষ্ণৰাম ভট্টাচাৰ্য ন্যায়বাগীশ নামৰ এজন শাক্ত পণ্ডিতক দীক্ষা ল'বৰ বাবে মতাই আনিছিল। কিন্তু পিছত হঠাতে তেওঁ মত পৰিৱৰ্তন কৰি দীক্ষা নোলোৱাকৈয়ে শাক্ত পণ্ডিতজনক ঘূৰাই পঠালে। কথিত আছে যে তেওঁ ঘূৰি যোৱাৰ পিছত অসমত এক প্ৰবল ভূমিকম্প হোৱাত স্বৰ্গদেউৱে ভট্টাচাৰ্যৰ ৰোষৰ বাবে এনে হোৱা বুলি ভাবি তেওঁক পুনৰ মতাই আনে। কিন্তু ঘটনা চক্ৰত তেওঁৰ ওচৰত শৰণ লোৱাৰ আগতে ৰুদ্ৰসিংহৰ মৃত্যু হ'ল। অৱশ্যে মৃত্যুৰ আগে আগে ৰুদ্ৰসিংহই তেওঁৰ পুত্ৰসকলক কৃষ্ণৰাম ভট্টাচাৰ্যৰ ওচৰত শৰণ ল'বলৈ আৰু এই শাক্ত পণ্ডিতজনক কামাখ্যাত সংস্থাপন কৰিবলৈ আদেশ দিছিল।

**স্বৰ্গদেউ ৰুদ্ৰসিংহৰ চৰিত্ৰ আৰু কাৰ্যাৱলী মূল্যায়ন ঃ** স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ১৮ বছৰীয়া চমু শাসনকাল আহোম যুগৰ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ সময়। বহুতো পণ্ডিতে তেওঁক আহোম যুগৰ সৰ্বশ্ৰেষ্ঠ বুলি অভিহিত কৰিব বিচাৰে।

বিশ্বৰ ইতিহাসৰ অন্যান্য শ্ৰেষ্ঠ ৰজাৰ দৰেই ৰুদ্ৰসিংহৰ কাৰ্যাৱলীও সমালোচনাৰ উৰ্ধত নহয়। তেওঁ ভালদৰে বিবেচনা নকৰাকৈয়ে ভায়েক লেচাই কোঁৱৰক ষড়যন্ত্ৰত লিপ্ত থকা বুলি চকু কঢ়াইছিল। ৰুদ্ৰসিংহৰ বৈষ্ণৱ নীতিয়েও দেশত জটিল সমস্যাৰ সৃষ্টি কৰিছিল। তেওঁ কৃষ্ণৰাম ভট্টাচাৰ্যক আমন্ত্ৰণ কৰি আনি শাক্ত ধৰ্মৰ পৃষ্ঠপোষকতা কৰাৰ ফলশ্ৰুতিস্বৰূপে সংখ্যাগৰিষ্ঠ প্ৰজাৰ ধৰ্মৰ পৰা ৰজাৰ ধৰ্ম আঁতৰি গৈছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা দ্বন্দই ৰুদ্ৰসিংহৰ মৃত্যুৰ অৰ্ধ শতাব্দীৰ পিছত মোৱামৰীয়া বিদ্ৰোহ সূচনা কৰাই আহোম ৰাজত্বক এক মৰণ আঘাত দিছিল।

উপৰোক্ত সমালোচনাৰ সত্বেও আহোম ৰজাসকলৰ ভিতৰত স্বৰ্গদেউ ৰুদ্ৰসিংহ নিঃসন্দেহে শ্ৰেষ্ঠতাৰ দাবী কৰিব পাৰে। প্ৰভাৱশালী বৈষ্ণৱসকলক ক্ৰমবৰ্ধমান শক্তিৰ পৰা আহোম ৰাজ ক্ষমতাক ৰক্ষা কৰাটো তেওঁৰ বাবে এক ৰাজনৈতিক আৱশ্যকতা হৈ পৰাৰ বাবেই তেওঁ শূদ্ৰ আৰু ব্ৰাহ্মণ মেধিসকলৰ মাজত বিভেদ সৃষ্টি কৰিছিল। শিক্ষা, সঙ্গীত আৰু সংস্কৃতিৰ পৃষ্ঠপোষক ৰুদ্ৰসিংহই স্থানীয় সংস্কৃতি তথা চিন্তাধাৰাক এক বহল ৰূপ দিবৰ বাবে ভাৰতীয় সংস্কৃতিৰ লগত ইয়াক পৰিচয় কৰাই দিছিল। চুবুৰীয়া জাতি যেনে— নগা, ডফলা মিৰি,

জয়ন্তীয়া, কছাৰী আদিৰ লগত স্বৰ্গদেউ ৰুদ্ৰসিংহই সম্পৰ্ক স্থাপন কৰি উত্তৰ-পূৰ্বাঞ্চলৰ ঐক্যৰ ভেটি প্ৰতিষ্ঠা কৰিছিল।

মুঠতে আহোম ৰজাসকলৰ ভিতৰত স্বৰ্গদেউ ৰুদ্ৰসিংহ সৰ্বশ্ৰেষ্ঠ আছিল। এই আসনৰ আন দুজন দাবীদাৰ চুহুংমুং আৰু প্ৰতাপসিংহ যোগ্যতাক সম্পূৰ্ণৰূপে স্বীকাৰ কৰিও আমি নিৰপেক্ষ দৃষ্টিকোণৰ পৰা আমি এই কথা ক'ব পাৰো যে চুহুংমুঙে তেওঁ ৪২ বছৰীয়া আৰু প্ৰতাপ সিংহই ৩৯ বছৰীয়া সুদীৰ্ঘ শাসন কালত যিমানখিনি সফলতা আৰু কৃতিত্ব আহৰণ কৰিছিল ঠিক সিমানখিনি সফলতাই মহাৰাজ ৰুদ্ৰসিংহই ১৮ বছৰীয়া চমু শাসন কালতে আহৰণ কৰিবলৈ সক্ষম হৈছিল। এই দিশৰ পৰা চাবলৈ গ'লে ৰুদ্ৰসিংহৰ শ্ৰেষ্ঠতা সম্পৰ্কে সন্দেহৰ অৱকাশ নাই।

ওপৰৰ আলোচনাৰ পৰা ক'ব পাৰি যে ৰুদ্ৰসিংহৰ ৰাজত্বকাল নিঃসন্দেহে অসমৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাসৰ বাবে অতিকৈ গুৰুত্বপূৰ্ণ। ৰাজনৈতিক আধিপত্য প্ৰতিষ্ঠাৰ লগে লগে সাংস্কৃতিকভাৱে অসমীয়া সমাজখনক বহিঃজগতৰ লগত সংযোগ ঘটাই তেওঁ এক ঐতিহাসিক দায়িত্ব পালন কৰি গৈছে। নিঃসন্দেহে অসমীয়া জীৱন ধাৰাই স্থানীয় ঠেক পৰিসৰ পৰিহাৰ কৰি সৰ্বভাৰতীয় পৰ্যায়লৈ প্ৰবাহমান হোৱাৰ এয়াই আছিল প্ৰথম পদক্ষেপ। বৈষ্ণৱসকলক পুনৰ সংস্থাপন কৰিলেও শাক্তপন্থাৰ প্ৰতি থকা অত্যাধিক স্নেহ আৰু পৃষ্ঠপোষকতাৰ ফলত মোৱামৰীয়া বিদ্ৰোহে আহোম ৰাজতন্ত্ৰ ভাঙি থান-বান কৰিছিল। যি কি নহওক সীমাবদ্ধতাৰ সত্বেও ৰুদ্ৰসিংহৰ প্ৰশাসনিক কৃতিত্ব অসমৰ সামাজিক আৰু সাংস্কৃতিক ইতিহাসৰ ক্ষেত্ৰটো এক মাইলৰ খুটি আছিল বুলি ক'ব পাৰি।■

**প্ৰসঙ্গ পুথি ঃ**

১। দেৱী, লক্ষ্মী ঃ অসম দেশৰ বুৰঞ্জী।
২। হুছেইন, তছদ্দুক আমানুল ঃ অসম বুৰঞ্জী।
৩। Gait, E.A : A History of Assam.
৪। Nath, D : Assam Buranji.

## ঘৰুৱা চিকিৎসা বিধান

- ৰাতিপুৱা টোপনিৰ পৰা উঠি বাহী মুখতে এক গিলাচ পানী কুল কুল কৰি খালে পেটৰ বিবিধ ৰোগৰ পৰা মুক্তি পোৱা যায়।
- খাদ্য খোৱাৰ অন্তত এক ঘণ্টা আগত বা পাছত পানী খালে হজমৰ বাবে লাভদায়ক।
- মাহত বা পোন্ধৰ দিনত এবাৰ উপবাস থাকিলে শৰীৰ সুস্থ থাকে।
- মাটিৰ পাত্ৰত ৰন্ধা খিচিৰি খালে ডায়েবেটিছ ৰোগৰ উপশম হয়।
- তামৰ গিলাচত থোৱা পানী খালে স্মৃতিশক্তি বঢ়ায়।
- গাখীৰৰ লগত টেঙা জাতীয় ফল, দৈ, পিয়াঁজ, কঠাল আৰু ঘি খালে শৰীৰৰ অপকাৰ হয়।

সংগ্ৰাহক - **নিলুফা বেগম,** ষষ্ঠ ষাণ্মাসিক

# জৈৱ বৈচিত্র্যৰ প্ৰয়োজনীয়তা

**বৰ্ণালী বৰা**, তৃতীয় ষাণ্মাসিক

ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা ভু-পৃষ্ঠত উদ্ভিদ, প্ৰাণী আৰু অণুজীৱৰ বিভিন্ন প্ৰজাতিয়ে পৰিৱেশ চহকী কৰি আহিছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে ভু-পৃষ্ঠত থকা অজস্ৰ প্ৰাণী আৰু উদ্ভিদৰ বহু সংখ্যকে পৰিৱৰ্তিত পৰিৱেশৰ সৈতে খাপ খুৱাই বৰ্তি থাকিবলৈ জৈৱিক সংশোধনী তথা উন্নতি ঘটোৱাৰ ফলস্বৰূপে নতুন জীৱ প্ৰজাতিৰ সৃষ্টি হৈছে। তাৰ পৰিৱৰ্তে পৰিৱৰ্তিত পৰিৱেশত তিষ্ঠি থাকিব নোৱাৰি বহু জীৱ আৰু উদ্ভিদ বিলুপ্ত হৈছে। ক্ৰমবিৱৰ্তনৰ এই দীঘলীয়া প্ৰক্ৰিয়াত সৃষ্টি হোৱা আৰু বিলুপ্ত হোৱা সকলো ধৰণৰ জীৱ আৰু উদ্ভিদ প্ৰজাতিৰ সমষ্টিয়েই হৈছে জৈৱ বৈচিত্ৰ্য।

পৃথিৱীৰ কোনো এক অঞ্চলত পোৱা একেই প্ৰাণী বা উদ্ভিদ একোটাহঁত অন্য এটা অঞ্চলত বেলেগ ৰূপত পোৱা যায়। উদাহৰণস্বৰূপে আমাৰ অসমৰ হাতী আৰু আফ্ৰিকাৰ হাতীকেই উল্লেখ কৰিব পাৰি। তাৰোপৰি জলবায়ু, উষ্ণতা তথা পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰি কোনো কোনো অঞ্চলত এক বিশেষ প্ৰজাতিৰ প্ৰাণী বা উদ্ভিদ পোৱা যায়, যাক অন্য কোনো



অঞ্চলত পোৱা নাযায়। এনেধৰণৰ বিচিত্ৰতাই হ'ল জৈৱ বৈচিত্ৰ্যতা।

জৈৱ বৈচিত্ৰ্যতা বুলিলে একোটা অঞ্চলত একোটা সময়ত বাস কৰা বিভিন্ন প্ৰকাৰৰ জীৱ তথা সিহঁতৰ চাৰিত্ৰিক অথবা জিনীয় ভিন্নতা আৰু জীৱসমূহক পৰিবেষ্টিত কৰি ৰখা পৰিৱেশৰ ভিন্নতাকে সামৰি লোৱা দেখা যায়। অৰ্থাৎ পৃথিৱীত বাস কৰা প্ৰায় ৫০ নিযুত বিভিন্ন প্ৰজাতিৰ জীৱকে ধৰি সিহঁতৰ চাৰিত্ৰিক অথবা জিনীয় বিভিন্নতা আৰু জীৱসমূহক পৰিবেষ্টিত কৰি ৰখা পৰিৱেশৰ ভিন্নতাক জৈৱ বৈচিত্ৰ্যতাই সামৰি লয়।

মানৱ জীৱনত জৈৱ বৈচিত্ৰ্যতাৰ গুৰুত্ব অপৰিসীম। আমাৰ দৈনন্দিন জীৱনৰ প্ৰায়বোৰ কাৰ্য পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে জৈৱ বৈচিত্ৰ্যৰ ওপৰত নিৰ্ভৰশীল। মেকনিলী নামৰ বিজ্ঞানীজনে জৈৱ বৈচিত্ৰতাৰ গুৰুত্ব বা কাৰ্যাৱলীসমূহক সাতটা ভাগত ভাগ কৰিছে।

**উপভোগীয় ব্যৱহাৰিক গুৰুত্ব ঃ**

জৈৱ বৈচিত্ৰতাৰ বিভিন্ন ব্যৱহাৰিক উপযোগিতাবোৰ হ'ল—

ক) খাদ্য

খ) ঔষধ

গ) ইন্ধন

ঘ) সাৰ

ঙ) আঁহ উৎপাদন

**উৎপাদনী ব্যৱহাৰিক গুৰুত্ব ঃ**

ইয়াৰ ভাগবোৰ হ'ল —

ক) সামাজিক গুৰুত্ব

খ) নৈতিক মূল্য

গ) নৈসৰ্গিক মূল্য

ঘ) বিকল্প মূল্য

ঙ) পৰিস্থিতি তন্ত্ৰৰ সেৱা মূল্য

**মহা জৈৱ বৈচিত্ৰ্যৰ দেশ হিচাপে ভাৰত ঃ**

ভাৰতৰ মহা জৈৱ বৈচিত্ৰ্যক তিনিটা দিশৰ পৰা চাব পাৰি। সেইবোৰ হ'ল—

ক) স্থানিকতা

খ) সৃষ্টিৰ কেন্দ্ৰ

গ) সাগৰীয় বিচিত্ৰতা।

**জৈৱ বৈচিত্ৰতাৰ উষ্ণ অঞ্চল হিচাপে ভাৰত ঃ**

বিশ্বৰ ২৫ খন জৈৱ বৈচিত্ৰ্যৰ উষ্ণ অঞ্চলৰ দুখন ভাৰতত অৱস্থিত। ভাৰতৰ জৈৱ বৈচিত্ৰ্যৰ অঞ্চল দুটা হৈছে—

ক) উত্তৰ-পূৰ্বাঞ্চল আৰু

খ) পশ্চিমঘাট অঞ্চল।

**জৈৱ বৈচিত্ৰতাৰ প্ৰতি ভাবুকি ঃ**

অতি সম্প্ৰতি জৈৱ বিচিত্ৰতাৰ মানৱ জীৱনত থকা বিভিন্ন গুৰুত্বৰ প্ৰতি লক্ষ্য কৰি বিশ্বৰ সকলো প্ৰান্তত ইয়াৰ সংৰক্ষণৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লোৱা হৈছে। কিন্তু একেটা সময়তে সংৰক্ষণৰ বিভিন্ন ব্যৱস্থা হাতত লোৱা সত্বেও জৈৱ বৈচিত্ৰ্যৰ উপস্থিতিৰ ওপৰত গুৰুতৰ ভাবুকিৰ সৃষ্টি হৈছে। অৱশ্যে এবিধ জীৱৰ সৃষ্টি আৰু ধ্বংস ক্ৰমবিকাশৰ এটা স্বাভাৱিক বা প্ৰাকৃতিক ঘটনা। জীৱশ্ৰেষ্ঠ মানুহে প্ৰাণী, উদ্ভিদ আৰু অণুজীৱবিলাকৰ জীয়াই থকাৰ অধিকাৰ বলপূৰ্বকভাৱে কাঢ়ি নিছে। সেয়েহে মানুহে আজি উপলব্ধি কৰিছে যে প্ৰতিবিধ জীৱৰে এই পৃথিৱীত জীয়াই থকাৰ অধিকাৰ আছে। তাৰোপৰি প্ৰতিবিধ জীৱই মানৱ জীৱনলৈ প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে বিভিন্নধৰণৰ সহায় আগবঢ়ায়। বিখ্যাত জীৱ বিজ্ঞানী এডৱাৰ্ড অ' উইলছনৰ মতে বৰ্তমান বিশ্বত উপস্থিত থকা মুঠ জীৱিত ২০% প্ৰজাতি ২০২০ চনৰ ভিতৰত লুপ্ত পাব। সম্প্ৰতি বিশ্বত প্ৰায় ৩৪০০০ বিধ উদ্ভিদ আৰু ৫২০০ বিধ প্ৰাণী বিলুপ্তিৰ গৰাহত পৰিছে। বহল অৰ্থত ক'ব পাৰি যে মানুহৰ বিভিন্ন কাৰ্যৰ বাবে আজি জৈৱ বৈচিত্ৰ্যই ভাবুকিৰ সন্মুখীন হৈছে।

জৈৱ বৈচিত্ৰ্য লোপ পোৱাৰ মূল কাৰণ বা জৈৱ বৈচিত্ৰ্যৰ প্ৰতি প্ৰধান ভাবুকি বিলাক হৈছে—

ক) বাসস্থানৰ হানি

খ) চোৰাং চিকাৰ

গ) মানুহ আৰু বন্য জন্তুৰ সংঘাত আদি।

জৈৱ বৈচিত্ৰতাৰ গুৰুত্ব আৰু প্ৰধান ভাবুকিবিলাকৰ মূল জগৰীয়া হৈছে মানুহ। মানুহেই হৈছে প্ৰাণী, উদ্ভিদ আৰু অণুজীৱ বিলাকৰ বিলুপ্তিৰ কাৰণ। গতিকে মানুহেই এইবোৰৰ সংৰক্ষণ কৰাৰ ব্যৱস্থা হাতত ল'ব লাগিব। ■

---


**প্ৰসঙ্গ পুথি ঃ**

১। শইকীয়া, অপূৰ্ব ঃ পৰিৱেশ অৰ্থবিজ্ঞান, দ্বিতীয় প্ৰকাশ, বনলতা প্ৰকাশন।

২। গগৈ, ৰোহিনী, বুঢ়াগোহাঁই, প্ৰাঞ্জল প্ৰতীম, বৰা, দুৰ্লভ, গগৈ, ডলি ঃ পৰিৱেশ অধ্যয়ন, বনলতা প্ৰকাশন।



# বৰক'লাৰ অসমীয়া শিখসকল

**লোহিত লস্কৰ,** পঞ্চম ষাণ্মাসিক

নগাঁও জিলাৰ সদৰ কাৰ্যালয়ৰ পৰা প্ৰায় ১৮ কি.মি. দূৰত্বত বৃহত্তৰ বৰক'লা গাঁওখন অৱস্থিত। এই গাঁওখনত জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে বিভিন্ন লোক বসবাস কৰি আছে। সেইসকলৰ ভিতৰত অসমীয়া শিখসকলো অন্যতম। এই অসমীয়া শিখসকল হাদিৰা চকীৰ ৰণৰ সময়তে বৰক'লা গাঁৱলৈ আহিছিল। অসমক মান সেনাই আক্ৰমণ কৰাৰ সময়ত ১৮২০ চনত আহোম ৰজা চন্দ্ৰকান্ত সিংহই পঞ্জাৱৰ ৰজা ৰঞ্জিত সিংহক সহায় বিচাৰিছিল। ৰজা ৰঞ্জিত সিঙেও পাঁচশ সৈন্য-সামন্ত অসমলৈ পঠিয়াই দিছিল। আহোমসকলৰ সৈতে মিলি শিখ সৈন্যসকলেও মানৰ লগত অৰ্থাৎ হাদিৰা চকীৰ ৰণত যুদ্ধ কৰে। এই যুদ্ধত আহোম ৰজা চন্দ্ৰকান্ত সিংহৰ লগতে বহু শিখ সৈন্যৰ মৃত্যু হয়। যিসকল শিখ সৈন্য বাছি থাকিল সেইসকলে পাঞ্জাৱলৈ ঘূৰি নগৈ কপিলী নদীৰ পাৰতে থিতাপি লৈ এই নদীয়েদি পুনৰ উজাই গৈ তেওঁলোকে ৰহাস্থিত তিতাইমৰা ঠাইত শিবিৰ স্থাপন কৰে। এই ঠাইতে ঘৰ-বাৰী পাতি কালক্ৰমত পাঞ্জাবী শিখসকলে অসমীয়া মানুহৰ সৈতে মিলা-মিচা কৰি থাকিবলৈ লয়। উল্লেখযোগ্য যে তেওঁলোকৰ আদি বাসস্থান হিচাপে চাপৰমুখ-ৰহাৰ মাজত অৱস্থিত গাঁওখনৰ নাম এতিয়াও সিং গাঁও নামে জনাজাত। পৰৱৰ্তী সময়ত চাপৰমুখৰ পৰা কিছু লোক জীৱিকা আৰু খেতি-মাটিৰ সন্ধানত কলঙেদি উজাই আহি হাৰিয়া নদীয়েদি বেবেজীয়াৰ দক্ষিণ দিশে থকা বৰক'লা অঞ্চলত বসবাস কৰিবলৈ লয়।

যুদ্ধত বাছি অহা ৰাম সিং চুবেদাৰে বৰক'লা গাঁৱত প্ৰথমে শিখসকলৰ গুৰুবাণী উপাসনা আৰু গুৰুবাণী পাঠ কৰিবৰ কাৰণে 'নিচান চাহিব' (শিখ ধৰ্মৰ প্ৰতীক) প্ৰতিষ্ঠা কৰি গুৰুগৃহ স্থাপন কৰে। ইয়াৰ উপৰিও তেওঁ লগত লৈ অনা গুৰুগ্ৰন্থ চাহিবও প্ৰতিষ্ঠা কৰে। বৰ্তমান পুৰণি বাৰীৰ ঔগছৰ তলত সেই ঐতিহাসিক গুৰুগৃহটি অসমৰ তৃতীয়টি গুৰুগৃহ হিচাপে জনাজাত। উল্লেখযোগ্য যে ৰামসিং চুবেদাৰে লগত লৈ অনা শ্ৰীগুৰুগ্ৰন্থ চাহিবখন আজিও বৰক'লা পুৰণা গুৰুদ্বাৰত সংৰক্ষিত হৈ আছে। তেতিয়াৰ পৰাই অসমত নগাঁও জিলাৰ বৰক'লা অসমীয়া শিখগাঁওখন দ্বিতীয়খন ঐতিহাসিক শিখ গাঁওৰূপে পৰিগণিত হয়। এইখনেই হৈছে বৰ্তমান অসমত বসবাস কৰা বৃহৎ অসমীয়া শিখ গাঁও।

বৰ্তমান এই শিখসকলে অসম মাতৃভূমিকে নিজ মাতৃ ভূমি বুলি গণ্য কৰি নিজকে অসমীয়া শিখ হিচাপে পৰিচয়

দিয়ে। অসমত বসবাস কৰা দিনৰে পৰা নিজৰ মাতৃভাষা এৰি অসমীয়া ভাষাকে নিজৰ ভাষা হিচাপে গ্ৰহণ কৰি আহিছে। বৰ্তমান তেওঁলোকৰ জনসংখ্যা প্ৰায় ১৫০০ জন। পূৰ্বতে শিক্ষিতৰ হাৰ কম আছিল যদিও বৰ্তমান তেওঁলোক সকলো ক্ষেত্ৰতে আগবঢ়া। প্ৰায় ৮০ শতাংশ লোকেই চৰকাৰী চাকৰীয়াল। তাৰে ২০ শতাংশ লোক কৃষিকৰ্মৰ ওপৰত নিৰ্ভৰশীল। গাঁওখনত বৰ্তমান যাতায়তৰ সুব্যৱস্থা থকাৰ লগতে চৰকাৰী বিদ্যালয়, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু চিকিৎসালয় সেৱাও উপলব্ধ।

অসমৰ নগাঁও জিলাৰ বৰক'লা অঞ্চলত স্বাধীনতাৰ পূৰ্বৰে পৰা বসবাস কৰা অসমীয়া শিখসকলৰ ধৰ্মীয় তথা সাংস্কৃতিক পৰম্পৰাও মন কৰিবলগীয়া। তেওঁলোকৰ জাতীয় চেতনাৰ ক্ষেত্ৰত শিখ ধৰ্মগুৰুসকলৰ অৱদান অনস্বীকাৰ্য। এই ক্ষেত্ৰত শিখ ধৰ্মৰ জনক তথা দহজন গুৰুৰ প্ৰথমজন গুৰু শ্ৰীগুৰু নানক দেৱজীৰ নাম উল্লেখযোগ্য। তেওঁ বহু দেশ-বিদেশ, তীৰ্থস্থান ভ্ৰমণ কৰি একেশ্বৰবাদৰ বাণী সমূহ জনমানসত বিলাই দিছিল। গুৰুনানকে সাম্য, ভাতৃত্ববোধ, প্ৰেম, সামূহিক কল্যাণ আৰু পুণ্যৰ ওপৰত ভিত্তি কৰি পৱিত্ৰতাৰে সামাজিক আৰু ৰাজনৈতিকভাৱে মঞ্চ স্থাপন কৰিছিল। শিখ ধৰ্মৰ প্ৰৱৰ্তক গুৰু নানকে তেৰাৰ প্ৰথম পৱিত্ৰ ভ্ৰমণ কালত (১৫০৫-১৫০৮) তেওঁৰ অন্যতম সংগী মৰ্দনাৰ সৈতে তাহানিৰ কামৰূপলৈ আহি অসমত শিখ ধৰ্মৰ বীজ সিঁচি থৈ গৈছিল। গুৰু নানকৰ জন্ম হৈছিল ইংৰাজী ১৪৬৯ চনৰ এপ্ৰিল মাহৰ ১৫ তাৰিখে। অৰ্থাৎ কাতি মাহৰ পূৰ্ণিমাত গুৰু নানকৰ জন্ম হৈছিল। এই কাতি মাহৰ পূৰ্ণিমাতে মহান ধৰ্ম গুৰুজনাৰ জন্ম উৎসৱ বৰক'লাৰ অসমীয়া শিখসকলেও খুব উলহ-মালহেৰে উদ্‌যাপন কৰে। এইদিনা মন্দিৰ তথা গুৰুদ্বাৰত গুৰুজনাৰ জন্ম তিথিৰ উপলক্ষে অখণ্ড পাঠেৰে তিনিদিনীয়া কাৰ্যসূচী ৰূপায়ণ কৰে। পাঠৰ অন্তত শ্ৰৱণ-কীৰ্তন, জীৱনী আখ্যান দাঙি ধৰা হয়। শেষত সকলোৱে মাহ, প্ৰসাদৰ উপৰিও নিৰামিষ আহাৰ গ্ৰহণ কৰে। ইয়াৰ উপৰিও তেওঁলোকৰ অন্যতম শিখ ধৰ্মৰ ধৰ্মাচাৰ্য গুৰুগুৰু গোবিন্দ সিংজীৰ জন্ম তিথি উৎসৱো পালন কৰে। গোবিন্দ সিংজীৰ জন্ম হৈছিল ১৬৬৬ চনৰ ডিচেম্বৰ মাহৰ ২২ তাৰিখে। এইজনা মহান গুৰুৰ জন্ম উপলক্ষে প্ৰতিবছৰে পুহ মাহৰ শুক্ল সপ্তমীত জন্ম তিথি উৎসৱ আয়োজন কৰে। এইদিনা তেওঁলোকেও গুৰুদ্বাৰত অখণ্ড পাঠেৰে তেওঁৰ জীৱনী আখ্যান ব্যাখ্যা কৰে। প্ৰণিধানযোগ্য যে জেঠ মাহত শিখসকলৰ পঞ্চমজন গুৰু অৰ্জুন দেৱজীৰ মৃত্যু দিনটোক 'শ্বহীদ দিৱস' হিচাপে পালন কৰে। এইজন ধৰ্মগুৰু অৰ্জুন দেৱজীক মুছলমানসকলে ইছলাম ধৰ্মলৈ ধৰ্মান্তৰকৰণ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু তেওঁক ধৰ্মান্তৰকৰণ কৰিব নোৱাৰি গৰম তেল গাত ঢালি, গৰম তাৱাত বহুৱাই শাস্তি দি প্ৰাণ বিসৰ্জন দিয়াইছিল। সেয়েহে সেইদিনাৰ পৰা শিখসকলে 'লচ্ছি' অৰ্থাৎ ঠাণ্ডা পানী সেৱন কৰি 'শ্বহীদী তিথি' পালন কৰে। গতিকে বৰক'লাৰ অসমীয়া শিখসকলেও এইজনা মহান ধৰ্মগুৰুৰ 'শ্বহীদী তিথি' তেওঁলোকৰ নীতি-নিয়মেৰে পালন কৰে। আঘোণ মাহৰ শুক্লা তৃতীয়া তিথিৰ দিনা নৱম ধৰ্ম গুৰু টেগ বাহাদুৰজীৰ 'শ্বহীদি তিথি'ও পালন কৰে। লগতে মুছলমানৰ শাসন কৰ্তাই টেগ বাহাদুৰজীৰো ইছলাম ধৰ্মলৈ ধৰ্মান্তৰকৰণ কৰিব নোৱাৰি দিল্লীত শিৰচ্ছেদ কৰিছিল। তেওঁৰ মৃত্যুৰ তিথিৰ দিনা অসমীয়া শিখসকলেও গুৰুদ্বাৰত গুৰুগ্ৰন্থ চাহেবৰ অখণ্ড পাঠেৰে তিথি পালন কৰে। সাধাৰণতে শিখ ধৰ্মীয় পৰম্পৰাত ধৰ্মগুৰুসকলৰ মৃত্যু তিথি পালন কৰা নহয় যদিও তেওঁলোকৰ ধৰ্মীয় পৰম্পৰা ৰক্ষাৰ্থে প্ৰাণ আহুতি দিয়া পঞ্চম ধৰ্মগুৰু অৰ্জুন দেৱজী আৰু নৱম ধৰ্মগুৰু টেগ বাহাদুৰজীৰ মৃত্যু তিথিহে 'শ্বহীদি তিথি' হিচাপে পালন কৰা হয়।

তেওঁলোকৰ ধৰ্মগুৰুসকলৰ জন্ম-মৃত্যু তিথি পালন কৰাৰ উপৰিও বৰক'লাৰ শিখসকলেও বাপটি সাহোন বিহু তিনিটি উলহ-মালহেৰে পালন কৰি আহিছে। ব'হাগ বিহুৰ আগদিনা অৰ্থাৎ গৰু বিহুৰ দিনা সকলোৱে পুৱাৰ ভাগত তেওঁলোকে নদী বা পুখুৰীত গৰুৰ গাত মাহ, হালধি সানি গৰুক গা ধুৱায়। মানুহ বিহুৰ দিনা তেওঁলোকে গুৰুদ্বাৰত পাঠ আৰু শ্ৰৱণ-কীৰ্তন কৰে। উল্লেখযোগ্য যে ব'হাগ বিহুৰ দিনাই দশম ধৰ্ম গুৰু গোবিন্দ সিঙে তেওঁলোকৰ পৱিত্ৰ 'শিখ গ্ৰন্থ' প্ৰতিষ্ঠা কৰিছিল। সেয়ে সেইদিনা ডেকা-গাভৰুৰ মঙ্গলাৰ্থে অমৃত প্ৰচাৰ (শৰণ দিয়া) পাঠ কৰা হয় আৰু অভিলাষী সকলেও সেৱা গ্ৰহণ কৰা নীতি পালন কৰে।

প্ৰতি মাহৰ সংক্ৰান্তি (দোমাহী)ৰ আগবেলাৰ ভাগতে গুৰুগৃহ অৰ্থাৎ গুৰুদ্বাৰত গ্ৰন্থ চাহিবৰ বাণী অধ্যাংশ 'বাৰমাহ' পাঠেৰে মাঘ বিহু উদ্‌যাপন কৰে। প্ৰতিজন অসমীয়া শিখেও এই উৎসৱত অংশগ্ৰহণ কৰি ৰং আনন্দ কৰে। ইয়াৰ উপৰিও এই শিখসকলে অসমৰ বিভিন্ন উৎসৱ-অনুষ্ঠানসমূহতো মুকলি মনেৰে অংশগ্ৰহণ কৰা দেখা যায়।

শিখ ধৰ্মত ভাদ মাহটো পৱিত্ৰ মাহ। এই গোটেই মাহতে ধৰ্মগ্ৰন্থ পাঠ, নাম-প্ৰসংগ, গুৰুৰ জীৱনী ব্যাখ্যা, শ্ৰৱণ-কীৰ্তন আদি কৰে। গুৰুদ্বাৰ হৈছে তেওঁলোকৰ ধৰ্ম চৰ্চা কৰা এক পৱিত্ৰ অনুষ্ঠান। বৰক'লাৰ অসমীয়া শিখসকলেও বৰ্তমান তেওঁলোকৰ ধৰ্মীয় পৰম্পৰা, ঐতিহ্য ৰক্ষাৰ্থে আৰু তেওঁলোকৰ পূজা-উপাসনাৰ কাৰণে ৪ টা গুৰুগৃহ তথা গুৰুদ্বাৰ নিৰ্মাণ কৰি ধৰ্মৰ নীতি-নিয়ম পালন কৰি আহিছে। উল্লেখনীয় যে ধৰ্মীয় পৰম্পৰাৰ বাহিৰে এই শিখসকলৰ সমাজ-সাংস্কৃতিক তথা ভাষিক ক্ষেত্ৰত পৰিৱৰ্তন আহি পৰিছে। তেওঁলোকৰ জনপ্ৰিয় গীত-নৃত্য

'ভাংৰা' অনুষ্ঠানৰ সলনি বিহু গীত-নৃত্যৰ প্ৰচলন দেখা যায়। খাদ্যৰ ক্ষেত্ৰতো পৰম্পৰাৰ পৰিৱৰ্তন দেখা যায়। বৰ্তমান এই শিখসকলে তেওঁলোকৰ পৰম্পৰাগত খাদ্য ৰুটি-তৰকাৰ সলনি ভাত-শাক গ্ৰহণ কৰে। তেওঁলোকৰ প্ৰিয় খাদ্য তালিকাত পোৱা যায় ভাতৰ সৈতে মাছৰ টেঙা, খাৰলি, আলু পিটিকা আদি নানান সুব্যঞ্জন। বৈবাহিক ক্ষেত্ৰত আন আন সম্প্ৰদায়ৰ সৈতেও বিয়া-বাৰু পাতি সামাজিকভাৱে বসবাস কৰি আহিছে।

শেষত ক'ব পাৰি যে বৰক'লা অঞ্চলত বসবাস কৰি থকা শিখসকল বৰ্তমান পাঞ্জাৱী শিখ হৈ থকা নাই। তেওঁলোকে বৰ্তমান অসমীয়া ভাষা, সংস্কৃতি গ্ৰহণ কৰি নিজকে 'অসমীয়া শিখ' বুলি চিনাকি দি অসমীয়া জগতলৈ বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই আহিছে। ■


প্ৰসঙ্গ পুথি ঃ

১। সিং, দৰবাৰ ঃ স্মৃতিগ্ৰন্থ, কেন্দ্ৰীয় গুৰুদ্বাৰ, বৰক'লাৰ নৱনিৰ্মিত ভৱন উদ্বোধনী সমাৰোহ, ২৮ মে' ২০০৬।

২। সিং বৰক'লা, নন্দ ঃ অসমীয়া শিখ ঃ বেদনাৰ দস্তাবেজ, অসম সাহিত্য সভা আৰু ভৱানী বুকচ পাব্লিকেশ্যন, ২০১৭।

৩। সিং, প্ৰতাপ ঃ বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয় সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ, ২০১৬-১৭।


সংবাদদাতা ঃ

১। প্ৰতাপ সিং (৫০), অধ্যক্ষ, বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰক'লা।

২। দৰবাৰ সিং (৭০), সমাজকৰ্মী, বৰক'লা।

৩। ইন্দ্ৰ মোহন ডেকা (৭৫), প্ৰাক্তন অধ্যক্ষ, বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়, বৰক'লা।

## জানিবলগীয়া কথা

- এ কে - ৪৭ (AK-47) ৰাইফল চীন দেশত নিৰ্মিত হয়।
- এটাও ম'হ নোহোৱা দেশ হৈছে ফ্ৰান্স।
- বিহুত বজোৱা গগনা বাদ্যবিধ এবেগেত অৰ্থাৎ ৯ ইঞ্চি বা ২২ ছে.মি. দৈৰ্ঘ্য আৰু বহলে ১ ছে.মি.।
- পোন প্ৰথমবাৰৰ বাবে হেণ্ড গ্ৰেনেড ব্যৱহাৰ কৰিছিল মংগোলীয়ান নেতা কুবলা খানে।
- মানুহৰ মস্তিষ্কৰ আটাইতকৈ ডাঙৰ অংশটোৰ নাম প্ৰমস্তিষ্ক বা চেৰিব্ৰাম।
- অসমৰ প্ৰথম লোক আদালত স্থাপন হৈছিল হাজোত।
- কম্পিউটাৰৰ সহায়ত ছপা প্ৰথম অসমীয়া গ্ৰন্থ ড° দিলীপ কুমাৰ দত্তৰ 'প্ৰেমত পৰিলোঁ নেকি?'
- পৃথিৱীৰ বৃহত্তম ঘণ্টা 'যাৰ কোলোকোল' নামৰ ঘণ্টাটো ৰাছিয়াত আছে, যিটোক আজিলৈকে এবাৰো বজোৱা হোৱা নাই।
- মহাকাশৰ পৰা দেখা পোৱা পৃথিৱীৰ একমাত্ৰ কীৰ্তি চিহ্নটো হৈছে চীনৰ প্ৰাচীৰ।
- চেতনানাশক হিচাপে ৰোগীক ক্ল'ৰফৰ্ম ব্যৱহাৰ কৰা প্ৰথম চিকিৎসকজন আছিল ডাঃ জন স্নো।

সংগ্ৰাহক - **জ্যোতিষ্ক ভূঞা**, প্ৰথম ষাণ্মাসিক



# লিওনাৰ্ডো-ডা-ভিঞ্চি

**ভনিতা বৰা**, পঞ্চম ষাণ্মাসিক

পৃথিৱীৰ মনীষী তথা প্ৰতিভাশালী ব্যক্তিসকলৰ ভিতৰত লিওনাৰ্ডো-ডা-ভিঞ্চি অন্যতম। তেওঁ আছিল পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ চিত্ৰকৰ আৰু ভাস্কৰ্য শিল্পী। বিজ্ঞানী আৰু আৱিষ্কাৰক হিচাপেও তেওঁৰ প্ৰতিভা আছিল অসাধাৰণ। সেয়ে তেওঁক বিশ্বৰ এগৰাকী সৰ্বশ্ৰেষ্ঠ বিজ্ঞানী বুলি অভিহিত কৰা হৈছে।

আজিৰ পৰা বহু বছৰ পূৰ্বে তেওঁ আধুনিক বিজ্ঞানৰ বহুতো তত্বৰ সূচনা কৰে। মানুহে বিমানত উঠি আকাশলৈ উৰা মৰাৰ আগতেই তেওঁ বিমান এখনৰ আৰ্হি আঁকি দেখুৱাইছিল। ভিঞ্চি আছিল একেধাৰে অভিযন্তা, বিজ্ঞানী, সংগীতজ্ঞ, গণিতজ্ঞ, ৰসায়নবিদ, লেখক আৰু গৱেষক। ইটালীৰ ফ্লোৰেন্স নগৰত ১৪৫২ খ্ৰীষ্টাব্দৰ ১৪ এপ্ৰিলত লিওনাৰ্ডো-ডা-ভিঞ্চিৰ জন্ম হয়। চিত্ৰাংকনৰ প্ৰতি প্ৰবল অনুৰক্ত লিওনাৰ্ডো-ডা-ভিঞ্চিয়ে এন্দ্ৰিয়াভেল ভেৰিচ্চিয় নামৰ বিখ্যাত চিত্ৰকাৰজনৰ শিষ্য হোৱাৰ সুবিধা লাভ কৰে। ১৪৯৩ চনত মিলানৰ ডিউকে লিওনাৰ্ডো-ডা-ভিঞ্চিক মিলানলৈ নিমন্ত্ৰণ কৰে আৰু মিলানত থকা অৱস্থাতেই 'দ্যা লাষ্ট চুপাৰ', 'মনালিছা', 'লেডি উইথ এন এৰমাইন', 'ভাৰ্জিন অফ দ্যা ৰকছ', 'ছেলভেটৰ মুন্দী' আদি বিখ্যাত চিত্ৰ অংকন কৰে। এই আটাইবোৰ চিত্ৰতকৈ 'মনালিছা' চিত্ৰখনেই সবাতোতকৈ বিখ্যাত হৈ পৰিল। মনালিছাৰ উজ্জ্বল চকু আৰু ৰহস্যময় হাঁহিৰে সৈতে এই চিত্ৰখনক শতাব্দীৰ পিছত শতাব্দী ধৰি নাৰীত্বৰ চিৰন্তন ৰহস্যৰ সৰ্বোৎকৃষ্ট শৈল্পিক প্ৰকাশ বুলি বিশ্বই গণ্য কৰি আহিছে। সেয়ে এই চিত্ৰখন পৃথিৱীৰ ইতিহাসৰ আটাইতকৈ বিখ্যাত চিত্ৰৰূপে পৰিগণিত হয়। লিওনাৰ্ডো-ডা-ভিঞ্চিৰ মৃত্যু হয় ১৫১৯ চনৰ ২ মে' তাৰিখে ফ্ৰান্স চহৰত। ■

# সাম্প্ৰতিক সময়ত যুৱ উচ্ছৃংখলতা

**ৰক্তিম শইকীয়া**, প্ৰথম ষাণ্মাসিক

যুৱ উচ্ছৃংখলতা সাম্প্ৰতিক সময়ত এক ব্যাধি ৰূপে সমাজত দেখা দিছে। আগৰ সময়ৰ গুৰু শিষ্যৰ পৱিত্ৰ সম্পৰ্ক যেন লাহে লাহে ক'ৰবাত হেৰাই যোৱাৰ উপক্ৰম হৈছে। অভিভাৱকসকলেও নিজৰ সন্তানক নিয়ন্ত্ৰণ কৰাত কেতিয়াবা কেতিয়াবা ব্যৰ্থ হোৱা যেন অনুমান হয়। নিজৰ সন্তানৰ ভৱিষ্যত উজ্বল কৰাৰ স্বাৰ্থত প্ৰতিজন অভিভাৱক সদায় সচেতন হৈ থাকে। কিন্তু বহুজনে এই ক্ষেত্ৰত নিজেই নিজৰ ওচৰত আত্মসমৰ্পন কৰিবলগীয়া যেন অনুমান হয়।

যুৱ উচ্ছৃংখলতাৰ কাৰণবোৰ ফহিয়াই চালে আমি দেখা পাওঁ যে বেছি সংখ্যক পিতৃ-মাতৃয়ে নিজ সন্তানৰ মৰমত অন্ধ হয়। ফলত সন্তানৰ সকলো প্ৰয়োজন পূৰণৰ বাবে অহৰহ চেষ্টা কৰে। দৰাচলতে যুক্তি-সংগতভাৱে তথা বিচাৰ-বিশ্লেষণ কৰিহে সন্তানৰ প্ৰয়োজন পূৰণ কৰাৰ ক্ষেত্ৰত অভিভাৱকে গুৰুত্ব দিয়া উচিত। কোন পিতৃ-মাতৃয়ে নিজৰ সন্তানক আদৰ-সাদৰ নকৰে! কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে সন্তানৰ প্ৰতি অধিক মৰমৰ বশৱৰ্তী হৈ অপ্ৰয়োজনীয় ভাৱে সন্তানৰ প্ৰয়োজন পূৰ কৰিব। বৰ্তমান সৰুৰে পৰাই শিশুবোৰে ম'বাইল ফোনৰ প্ৰতি আগ্ৰহী হোৱা দেখা যায়। ফলত ক্ৰমান্বয়ে শিশুসকল ম'বাইল ফোনৰ প্ৰতি আসক্ত হৈ পৰে। ল'ৰা-ছোৱালীবোৰে কোনোমতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ মহাবিদ্যালয়ত ভৰি দিয়েই একো একোটা 'এনড্ৰইড' সংযুক্ত ম'বাইল ফোন আৰু একোখন দামী দুচকীয়া বাহনৰ প্ৰয়োজন বোধ কৰে। বহু সংখ্যক অভিভাৱকে এই দুয়োবিধ সামগ্ৰী নিজৰ সন্তানক কোনো যুক্তি বিচাৰ নকৰাকৈ তেওঁলোকৰ হাতত তুলি দিয়ে। যদি কোনো অভিভাৱকে সন্তানৰ ভৱিষ্যতৰ কথা চিন্তা কৰি সেই প্ৰয়োজন পূৰণ কৰিবলৈ অপৰাগ হয় সন্তানে বিভিন্ন অজুহাত দেখুৱাই হ'লেও নিজৰ পিতৃ-মাতৃৰ পৰা আদায় কৰিবলৈ নেৰানেপেৰা প্ৰচেষ্টা চলায়। সাম্প্ৰতিক সময়ত ম'বাইল ফোনৰ বিভীষিকা সম্পৰ্কে সকলোৱে জ্ঞাত। ম'বাইল ফোনে পঢ়াৰ যি আনন্দ, পুথি অধ্যয়নৰ যি মাদকতা তাক লাহে লাহে নোহোৱা কৰি পেলাইছে। মানুহক আত্মকেন্দ্ৰিক কৰি তুলিছে। শিক্ষানুষ্ঠানবোৰত পুথিভঁড়ালৰ গুৰুত্ব ক্ৰমাৎ যেন নোহোৱা হৈ আহিছে। ম'বাইল, ইণ্টাৰনেট ব্যৱস্থাই যেন নৱ প্ৰজন্মক এফালৰ পৰা গ্ৰাস কৰি পেলাইছে। কলেজীয়া শিক্ষাৰ্থীসকলক ম'বাইল ফোনৰ অপব্যৱহাৰ আৰু বাইকৰ ব্যৱহাৰে যেন ধ্বংসৰ গৰাহলৈ ঠেলি নিছে। উন্নত দেশবোৰলৈ লক্ষ্য কৰিলে আমি দেখা পাওঁ যে আমাৰ যুৱ সমাজ ম'বাইল ফোনৰ কৰাল গ্ৰাসত নিমৰ্জ্জিত হৈছে। তাৰ তুলনাত সেই দেশবোৰৰ যুৱ সমাজ বহু পৰিমাণে আঁতৰত। এই দুটা সামগ্ৰীৰ অপব্যৱহাৰৰ ফলশ্ৰুতিত বহু মেধাৱী ছাত্ৰ-ছাত্ৰী লক্ষ্যভ্ৰস্ত হোৱাৰ উপৰিও শিক্ষানুষ্ঠান সমূহৰ শৈক্ষিক মানদণ্ডৰ দিশত এক ডাঙৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগাত পৰিছে।

আমাৰ অভিভাৱকসকল আজি নিজৰ সন্তানক লৈ প্ৰতিযোগিতাৰ পিছে পিছে দৌৰি ফুৰিছে। ই সমাজখনৰ প্ৰতি এক শুভ লক্ষণ। কিন্তু এখন ভাল উন্নত মানদণ্ডৰ প্ৰমাণ পত্ৰৰ বাবে নামী-দামী আগশাৰীৰ শিক্ষা প্ৰতিষ্ঠান বিচাৰি ফুৰাটো কিমান যুক্তি সংগত? আনহাতে আমি যেন মূল্যবোধৰ প্ৰকৃত শিক্ষাৰ পৰা কিছু পৰিমাণে আঁতৰি আহিছো। যাৰ ফলত আমাৰ মনত সৃষ্টি হোৱা উচ্চাকাংক্ষাই যুৱ উচ্ছৃংখলত উদ্‌গনি যোগাইছে। ফলত আমাৰ যুৱ সমাজে জীৱনৰ প্ৰকৃত সত্য উপলব্ধি কৰিব নোৱাৰি খোজে খোজে বিপদত পৰিব লগা হৈছে। অভিভাৱকৰ অজস্ৰ ধন-সম্পত্তিৰ গৰ্বই কেতিয়াবা সন্তানক বিপথে পৰিচালিত কৰিছে। মাদক দ্ৰব্যৰ ব্যৱহাৰ আৰু অসামাজিক কাৰ্যই যুৱ উচ্ছৃংখল বৃদ্ধিত যথেষ্ট অৰিহণা যোগাইছে। সাম্প্ৰতিক সময়ত অহংকাৰী স্বভাৱেও যুৱ উচ্ছৃংখল সৃষ্টি কৰি আহিছে।

সভ্যতাৰ চূড়ান্ত শিখৰত আজি আমি আৰোহণ কৰিবলৈ ওলাইছো। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই গোটেই বিশ্ব ব্ৰহ্মাণ্ড ক্ষুদ্ৰ

কৰি পেলাইছে। এনে প্ৰেক্ষাপটত নিজৰ আদৰ্শক জীয়াই ৰাখিবলৈ হ'লে সময়ৰ লগত আমি খোজ মিলাই আগবাঢ়িবই লাগিব। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উত্তৰণক আমি বিনাদ্বিধাই মানি লৈ ইয়াৰ উচিত ব্যৱহাৰ কৰা উচিত। আমাৰ মানসিকতা সলনি কৰাৰ সময় সমাগত। আধুনিকতাৰ নামত মূল্যবোধ আৰু নৈতিকতাক উপেক্ষা কৰাটো উচিত নহয়। সন্তানক উপযুক্ত শিক্ষাৰে শিক্ষিত কৰি প্ৰকৃত মূল্যবোধৰ মাজেৰে আগবঢ়াই নিয়াটো প্ৰত্যেক পিতৃ-মাতৃৰ কৰ্তব্য। জটিল সন্ধিক্ষণত যুৱ সমাজক যুৱ উচ্ছৃংখলতাৰ পৰা আঁতৰাই আনি বিজ্ঞানৰ প্ৰকৃত সত্যক উপলব্ধি কৰাবই লাগিব। তেনে ক্ষেত্ৰত শিক্ষা প্ৰতিষ্ঠান সমূহৰ কৰ্তৃপক্ষ, চিন্তাবিদ তথা সুধি সমাজে এই সম্পৰ্কে বিচাৰ-বিশ্লেষণ তথা আলোচনাৰ মাধ্যমেদি নৱ-প্ৰজন্মক উচিত পথৰ সন্ধান দিব পাৰিলে সুস্থ, সবল সমাজ এখন গঢ় লৈ উঠিব। অন্যথা এনে উচ্ছৃংখল যুৱ সমাজে অনাগত দিনত সমগ্ৰ সমাজ খনকে পংগু কৰি তুলিব। ■

## প্ৰথম অসমীয়া মহিলা

- ✦ মুখ্যমন্ত্ৰী - চৈয়দা আনোৱাৰা টাইমুৰ (৬ ডিচেম্বৰ, ১৯৮০)
- ✦ প্ৰথম গ্ৰেজুৱেট - সুখলতা দুৱৰা আৰু সাধুলতা দুৱৰা
- ✦ পদ্মশ্ৰী - নলিনীবালা দেৱী
- ✦ জ্ঞানপীঠ বঁটা - মামনি ৰয়ছম গোস্বামী (২০০০)
- ✦ কেন্দ্ৰীয় মন্ত্ৰী - ৰেণুকা দেৱী বৰকটকী (শিক্ষা আৰু সমাজ কল্যাণ)
- ✦ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ শ্ৰেষ্ঠ অভিনেত্ৰী - মলয়া গোস্বামী
- ✦ আন্তঃৰাষ্ট্ৰীয় খেলৰ মঞ্চত সোণৰ পদক - হিমা দাস
- ✦ আন্তঃৰাষ্ট্ৰীয় বোলছবি মহোৎসৱত ভাগ লোৱা প্ৰথম গৰাকী অভিনেত্ৰী - জ্ঞানদা কাকতি
- ✦ অৰ্জুন বঁটা - মনালিছা বৰুৱা মেহতা (১৯৮৩)
- ✦ মহাবিদ্যালয়ৰ মহিলা অধ্যক্ষা - ৰাজবালা দাস
- ✦ প্ৰথম মহিলা উপাচাৰ্য - লীলা দেৱী (গুৱাহাটী বিশ্ববিদ্যালয়)
- ✦ ফ্ৰান্সত পি. এইচ. ডি লাভ - ড° কমলা ৰায়
- ✦ লণ্ডনত পি. এইচ. ডি. লাভ - ড° তিলোত্তমা গগৈ
- ✦ আই. এ. এছ - পাৰুল দাস (১৯৭৪)
- ✦ এ. চি. এছ - সুচিব্ৰতা ৰায় চৌধুৰী
- ✦ অসম সাহিত্য সভাৰ সভাপতি - নলিনী বালা দেৱী
- ✦ গ্ৰন্থাকাৰ - পদ্মাৱতী দেৱী ফুকননী
- ✦ যমুনালাল বাজাজ বঁটা - অমল প্ৰভা দাস (১৯৮০)
- ✦ ৰাষ্ট্ৰীয় ক্ষুদ্ৰ উদ্যোগৰ বঁটা - নিৰুপমা বৰুৱা (১৯৩৯)
- ✦ সাহিত্য অকাডেমী বঁটা - নলিনী বালা দেৱী (অলকানন্দা, ১৯৬৮)
- ✦ কথা পুৰস্কাৰ বঁটা - মামনি ৰয়ছম গোস্বামী (১৯৯৩)
- ✦ ভাৰত সেৱা বঁটা - শাস্ত্ৰীয় নৃত্যশিল্পী পুষ্পা ভূঞা (১৯৯৪)
- ✦ সাহিত্যিক পেঞ্চনাৰ - নলিনা বালা দেৱী
- ✦ অসম সাহিত্য সভাৰ উপাধি লাভ - ধৰ্মেশ্বৰী দেৱী বৰুৱানী (কাব্য-ভাৰতী, ১৯৫৬)
- ✦ যুদ্ধক্ষেত্ৰলৈ যোৱা বীৰাঙ্গনা - মূলা গাভৰু
- ✦ মাতৃভূমিৰ স্বাধীনতাৰ বাবে শ্বহীদ - কনকলতা বৰুৱা (২০ ছেপ্টেম্বৰ, ১৯৪২)

সংগ্ৰাহক - **দীপাঙ্কৰ বৰা,** দ্বিতীয় ষাণ্মাসিক




# ছাত্ৰ ৰাজনীতি আৰু ইয়াৰ প্ৰাসংগিকতা

**পংকজ বৰা**, চতুৰ্থ ষাণ্মাসিক

ছাত্ৰই ৰাজনীতিত অংশগ্ৰহণ কৰা উচিত নে অনুচিত, ই এক বিতৰ্কিত বিষয় হিচাপেই পৰিগণিত হৈ আহিছে। এই ক্ষেত্ৰত মানুহে দুটা মেৰুত অৱস্থান কৰা দেখা যায়। যিসকলে ছাত্ৰৰ ৰাজনীতিত অংশগ্ৰহণৰ বিৰোধিতা কৰে তেওঁলোকৰ মতে ৰাজনীতি এক কদৰ্যময় ক্ৰীড়া যিয়ে ছাত্ৰৰ মানসিক শান্তি আৰু পৰিপুষ্টিত ব্যাঘাত জন্মায়। ৰাজনীতিয়ে নানান দল-সংগঠনৰ সৃষ্টি কৰি স্থায়ী শত্ৰুও বৃদ্ধি কৰে। তেওঁলোকৰ মতে ছাত্ৰৰ একমাত্ৰ উদ্দেশ্য হোৱা উচিত অধ্যয়ন। অধ্যয়ন ছাত্ৰসকলে তপস্যাৰ দৰে কৰা উচিত আৰু ৰাজনীতিৰ দৰে বিলাসিতাৰ পৰা আঁতৰি থকা উচিত।

'ছাত্ৰনং অধ্যয়নং তপঃ।' অধ্যয়নেই হৈছে ছাত্ৰৰ তপস্যা। এজন ছাত্ৰৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হৈছে অধ্যয়ন আৰু জ্ঞানাৰ্জন। কিন্তু ছাত্ৰসকল হ'ল সমাজৰ এক অভিন্ন অংগ। গতিকে ছাত্ৰসকলে সমাজৰ প্ৰতি সম্পূৰ্ণ উদাসীন হোৱাটো গ্ৰহণযোগ্য নহয়। নিজৰ সমাজখনক বিভিন্ন সমস্যা, অন্যায়-অনীতি, কু-সংস্কাৰ আদিৰ পৰা মুক্ত কৰাৰ চিন্তা-চৰ্চা কৰাটোও প্ৰত্যেকজন ছাত্ৰৰ দায়িত্ব আৰু কৰ্তব্যৰ ভিতৰত পৰে। কোৱা হয় শিক্ষানুষ্ঠান সমূহেই ৰাজনীতিৰ কঠীয়াতলী আৰু স্কুলীয়া জীৱনতেই একোজন ছাত্ৰৰ চিন্তা-চৰ্চাত ৰাজনৈতিক চেতনাৰ উন্মেষ ঘটে। ছাত্ৰ সমাজেই ভৱিষ্যতৰ নেতা আৰু দেশৰ চালিকা শক্তি। সেয়ে দেখা যায় যুগে যুগে ছাত্ৰ সমাজেই দেশ আৰু জাতিৰ উন্নয়নৰ ইতিহাসত নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। এজন ভাল ৰাজনীতিবিদ হ'বলৈ প্ৰথমে এজন ভাল ছাত্ৰ হ'বই লাগিব। বহুতৰ মতে ছাত্ৰসকলে ৰাজনীতিত অংশগ্ৰহণ কৰিলে সি এক নিৰ্দিষ্ট গণ্ডীৰ ভিতৰত সীমাবদ্ধ হোৱা উচিত। ছাত্ৰৰ যিহেতু প্ৰাৰম্ভিক উদেশ্যই হৈছে শিক্ষা। গতিকে প্ৰথমে তেওঁ শিক্ষিত হোৱাটো অতি জৰুৰী। এজন সুদক্ষ ৰাজনীতিক হ'বলৈ ছাত্ৰজনৰ সমসাময়িক ৰাজনীতি, সমাজনীতি, বুৰঞ্জী, অৰ্থনীতি, ভূগোল আদিৰ লগতে বৈদেশিক নীতি, কূটনীতি, আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক আদিৰ বিষয়ে জ্ঞান থকাটো অতি জৰুৰী।

সক্ৰিয় ৰাজনীতিত অংশগ্ৰহণে ছাত্ৰক প্ৰকৃততে এক গণতান্ত্ৰিক জীৱন শৈলীৰ পাঠদান কৰোৱাৰ লগতে দেশখনৰ সুনাগৰিক হ'বলৈও উদ্বোদ্ধ কৰে। ই ছাত্ৰজনক সংবিধানিক অধিকাৰসমূহ অনুশীলন কৰাৰো পূৰ্ণ সুযোগ প্ৰদান কৰে। ৰাজনৈতিক অংশগ্ৰহণে ছাত্ৰ সমাজ তথা দেশখনৰ প্ৰতি দায়িত্বশীল কৰি তোলে। ছাত্ৰৰ মনত দেশপ্ৰেমৰ ভাৱেৰে নিজৰ কামৰ প্ৰতি কৰ্তব্যশীল কৰি তোলাৰ লগতে সমাজ প্ৰেম আৰু মানৱ প্ৰেমৰ ভাৱ তেওঁলোকৰ মনত জগাই তোলে। ই বিশ্ব ৰাজনীতিৰ বিষয়েও সম্যক ধাৰণা দিয়ে। ৰাজনৈতিক অংশগ্ৰহণে ছাত্ৰজনক বাক্পটু তথা সুবক্তা কৰি গঢ়ি তোলাৰ লগতে সুনেতৃত্বৰো অনুশীলন কৰোৱায় আৰু ছাত্ৰজনক কৰ্তব্যনিষ্ঠ, সমাজ সেৱাৰ প্ৰতি মনোভাৱ, সাহস আৰু সহযোগিতা আদি গুণেৰে পৰিপূৰ্ণ কৰি তোলে।

উল্লেখযোগ্য যে বহুতো বিখ্যাত ৰাজনীতিকেই ছাত্ৰ জীৱনত ৰাজনৈতিকভাৱে যথেষ্ট সক্ৰিয় আছিল। গতিকে ছাত্ৰই ৰাজনীতিত অংশগ্ৰহণ নকৰিলে অৰ্থাৎ ৰাজনীতিৰ প্ৰতি একেবাৰে উদাসীন হ'লে তেওঁ বহুতো গুৰুত্বপূৰ্ণ দিশৰ বিষয়ে অজ্ঞ হৈ থাকি যোৱাৰ অৱকাশ থাকে। গতিকে ক'ব পাৰি যে ছাত্ৰই ৰাজনীতিত অংশগ্ৰহণ কৰা উচিত। অৱশ্যে এই অংশগ্ৰহণ কিমান সক্ৰিয় হ'ব সিও এক চিন্তনীয় বিষয়। স্বাধীনতা আন্দোলন, অসম আন্দোলন, ভাষা আন্দোলন আদিত ছাত্ৰসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। বহুতে অসম আন্দোলনৰ নামত নিজৰ মূল্যৱান শিক্ষাবৰ্ষ উৰ্চগা কৰিছিল।

মুঠতে বিভিন্ন আন্দোলনত ছাত্ৰসকলৰ সক্ৰিয়তাই

আন্দোলনৰ গতি বৃদ্ধি কৰিছিল আৰু বহু আন্দোলনৰ ফলপ্ৰসু সামৰণি পৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত ছাত্ৰসকলৰ ভূমিকা উল্লেখযোগ্য আছিল। বিভিন্ন আন্দোলনত বহুতো ছাত্ৰ শ্বহীদ হোৱাৰো উদাহৰণ আছে। ই ইয়াকে বুজায় যে দেশ আৰু দহৰ নামত ছাত্ৰই নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰে। গতিকে বৰ্তমানৰ পৰিস্থিতি লৈ লক্ষ্য ৰাখি এইটো অনুমেয় যে বৰ্তমান দেশত যি বিশৃংখলতাৰ সৃষ্টি হৈছে, তাৰ পৰা উদ্ধাৰ পাবলৈ ছাত্ৰসকলে এক নিৰ্দিষ্ট ভূমিকা পালন কৰা উচিত। এই খিনিতে এটা সৰু উদাহৰণ দিব পাৰি। শেহতীয়াকৈ নাগৰিকত্ব সংশোধনী বিধেয়কৰ বিৰুদ্ধে প্ৰতিবাদ কৰি কটন কলেজকে প্ৰমুখ্যে কৰি ভালেসংখ্যক অসমৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰেণী বৰ্জনৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। অসমৰ সম্প্ৰতিক ৰাজনৈতিক দৃশ্যপটত ই এক তাৎপৰ্যপূৰ্ণ ঘটনা। মুঠতে ৰাজনৈতিক পথাৰত ছাত্ৰৰ ভূমিকা নুই কৰিব নোৱাৰি। ■

## প্ৰথম ব্যক্তিসকল

- ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি - ড° ৰাজেন্দ্ৰ প্ৰসাদ
- ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী - জৱাহৰলাল নেহেৰু
- ভাৰতৰ প্ৰথম চলচ্চিত্ৰ পৰিচালক - দাদা চাহেব ফাল্কে
- প্ৰথম ভাৰতীয় মহিলা মুখ্যমন্ত্ৰী - সুচেতা কৃপালিনী
- প্ৰথম ভাৰতীয় মহিলা ৰাজ্যপাল - সৰোজনী নাইডু
- প্ৰথম মহিলা প্ৰধানমন্ত্ৰী - ইন্দিৰা গান্ধী
- উচ্চতম ন্যায়ালয়ৰ প্ৰথম মহিলা ন্যায়াধীশ - ফাতেমা বিবি
- প্ৰথম মহিলা আই পি এছ - কিৰণ বেদী
- প্ৰথম ভাৰতীয় মহাকাশচাৰী - ৰাকেশ শৰ্মা
- প্ৰথম ভাৰতীয় মহিলা মহাকাশচাৰী - কল্পনা চাওলা
- প্ৰথম ভাৰতীয় চাৰ্কাছ - চাত্ৰে চাৰ্কাছ
- ভাৰতৰ প্ৰথম মহাবিদ্যাল ঃ ইউলিয়াম কলেজ, কলকতা
- ভাৰতৰ প্ৰথম ৰঙীণ টেলিভিচন সেৱা আৰম্ভ - ১৯৮২ চনৰ ২৫ এপ্ৰিল
- ভাৰতৰ প্ৰথম আই আই টি - খড়গপুৰ
- প্ৰথম ভাৰতীয় স্নাতক - বঙ্কিম চন্দ্ৰ চট্টোপাধ্যায় আৰু যদুনাথ বেগম (১৮৫৮)
- অক্সিজেন নোহোৱাকৈ এভাৰেষ্ট বিজয়ী প্ৰথম ভাৰতীয় - ফু দৰ্জি
- প্ৰথম ভাৰতীয় মিছ ইউনিৰ্ভাছ - সুস্মিতা সেন
- ভাৰতৰ প্ৰথম মানি অৰ্ডাৰ প্ৰথম প্ৰচলন - ১ জানুৱাৰী, ১৯৮০
- ভাৰতৰ প্ৰথম বাতৰি কাকত - দি বেঙ্গল গেজেট
- ভাৰতৰ প্ৰথম মুক্ত বিশ্ববিদ্যালয় - অন্ধ্ৰপ্ৰদেশ মুক্ত বিশ্ববিদ্যালয়
- অস্কাৰ বঁটা বিজয়ী প্ৰথম ভাৰতীয় - ভানু আঠাইয়া
- ভাৰতৰ প্ৰথম তাৰকাগৃহ - বিৰলা প্লেনেটেৰিয়াম, কলকাতা
- ভাৰতৰ প্ৰথম দূৰদৰ্শন কেন্দ্ৰ - দিল্লী (১৯৫৯)
- ভাৰতৰ প্ৰথম ডাকঘৰ - কলকাতা (১৯৫৪)
- ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ প্ৰথম ভাৰতীয় সভাপতি - বিজয় লক্ষ্মী পণ্ডিত
- প্ৰথম মহিলা স্নাতক - চন্দ্ৰমুখী বসু
- প্ৰথম মহিলা ভাৰতৰত্ন - ইন্দিৰা গান্ধী
- প্ৰথম মহিলা ডাক্তৰ - ডাঃ কাদম্বিনী গাঙ্গুলী
- প্ৰথম ভাৰতীয় কৃত্ৰিম উপগ্ৰহ - আৰ্যভট্ট
- প্ৰথম মহিলা জ্ঞানপীঠ বঁটা বিজয়ী - আশাপূৰ্ণা দেৱী

সংগ্ৰাহক - **মধুস্মিতা শইকীয়া,** চতুৰ্থ ষাণ্মাসিক

# সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত আধ্যাত্মিক শিক্ষাৰ প্ৰয়োজনীয়তা

**দেৱশ্ৰী শইকীয়া**, চতুৰ্থ ষাণ্মাসিক

আধ্যাত্মিকতা হ'ল মানৱ জীৱন উত্তৰণৰ এটি স্তৰ। এই স্তৰত উপনীত হ'বলৈ মানুহে অহিংসা, ব্ৰহ্মচাৰ্য, তপস্যা, আস্তেয়, ঈশ্বৰ প্ৰাণিধান আদি সাধনাসমূহ অতিক্ৰম কৰিব লাগিব। এই অৱস্থাপ্ৰাপ্ত হ'লেহে মানুহ নামৰ যোগ্য হয়। আধ্যাত্মিক জ্ঞানহীন এজন ব্যক্তিক প্ৰকৃত মানুহ বুলি গণ্য কৰা নহয়। আধ্যাত্মিক শক্তি এনে এক কল্যাণকাৰী শক্তি যাৰ দ্বাৰা নিজ আত্মাক পৰমাত্মাৰ লগত সংযোগ ঘটাব পাৰে। ই মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি মনক স্থিত অৱস্থালৈ আনিব পাৰে।

চমুকৈ আধ্যাত্মিকতা মানে আত্মা সম্বন্ধীয় জ্ঞান। অধি + আত্মা + ষ্ণিক প্ৰত্যয় লগ হৈ আধ্যাত্মিকতা শব্দটো গঠিত হৈছে। অৰ্থাৎ যি শিক্ষাই আত্মা সম্বন্ধীয় জ্ঞান দিবৰ বাবে সক্ষম, যি শিক্ষাই সকলো জীৱকে একে আত্মা বুলি ভাৱিবলৈ শিক্ষা দিয়ে 'মানুহেই দেৱ মানুহেই সেৱ' বুলি ভাৱিবলৈ শিক্ষা দিয়ে সেই শিক্ষাকে আধ্যাত্মিক শিক্ষা বোলে। সাম্প্ৰতিক যুগটো হ'লে উত্তৰ আধুনিকতাৰ যুগ। সকলো ফালেই এক আমূল সংস্কাৰৰ যোগেদি এক প্ৰত্যাহ্বান গ্ৰহণ কৰি নতুন প্ৰজন্মক আগবঢ়াই নিয়াৰ এক পৰিকল্পনা কৰি শিক্ষাৰ দিশতো কেতবোৰ যুগান্তকাৰী পদক্ষেপ হাতত লোৱা হ'ল। নতুন শিক্ষা নীতি প্ৰয়োগ কৰা হ'ল। NCERT, CBCS আদি নানা ধৰণৰ পাঠ্যক্ৰম হাতত লৈ ছাত্ৰ-ছাত্ৰীক যুগ সাপেক্ষ কৰি গঢ়ি তুলিবৰ বাবে চেষ্টা কৰা হৈছে।

আধ্যাত্মিকতা মানে কোনো ধৰ্ম নহয়। কিন্তু ধৰ্ম শাস্ত্ৰসমূহে আধ্যাত্মিকতাৰ শিক্ষা দিয়ে। এই শিক্ষাই এখন সমাজত শান্তিৰ বাতাবৰণ ধৰি ৰখাত অৰিহণা যোগায়। অমৃতৰ সন্তান হিচাপে জন্ম লোৱা প্ৰতিটো মানৱ শিশুক অতীতৰ মহাকাব্যিক যুগৰে পৰা এই শিক্ষাৰে শিক্ষিত কৰি সমাজৰ হিতৈষী একো একোজন ব্যক্তি হিচাপে যোগ্য কৰি তুলিবলৈ প্ৰয়াস কৰা হৈছিল। এখন আদৰ্শ সমাজ গঠনৰ বাবে প্ৰয়োজন হয় আদৰ্শ ব্যক্তিৰ, নৈতিক আৰু আধ্যাত্মিকভাৱে উন্নত ব্যক্তিৰ। নৈতিকতাৰ স্খলন য'ত পদে পদে হয় তেনে ঠাইত কেতিয়াও আদৰ্শ সমাজ গঠন সম্ভৱপৰ নহয়। এই কথা অনুভৱ কৰিছিল গ্ৰীচৰ মহান দাৰ্শনিক যাক কোৱা হয়— 'The greatest of all Greek Ever born...' ছক্ৰেটিছ।

আজিৰ শিক্ষা পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীৰ জ্ঞান আৰু মগজুৰ বিকাশ সাধন হৈছে সঁচা, কিন্তু মগজুৰ বিকাশ আৰু জ্ঞানৰ বিস্ফোৰণ প্ৰকৃত উন্নতিৰ বাহক হ'ব নোৱাৰে। সুস্থ মানসিক স্বাস্থ্য অবিহনে কোনো ব্যক্তিয়ে শান্তিপূৰ্ণভাৱে জীৱন অতিবাহিত কৰিব নোৱাৰে। আধ্যাত্মিকতাৰ অনুভুতিয়ে মানুহৰ ভাৱ চিন্তা আৰু ক্ৰিয়া আচৰণ প্ৰকৃত মানৱীয় ৰূপত গঢ় দি তুলিব পাৰে। বৰ্তমান দৈহিক প্ৰয়োজনমুখী ব্যক্তিকেন্দ্ৰিক শিক্ষা নীতি আৰু পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীৰ মন আৰু ধ্যান-ধাৰণা যন্ত্ৰ চালিত কৰি তুলি আধ্যাত্মিকতাৰ দিশ অধিক সংকুচিত কৰি পেলাইছে। যান্ত্ৰিক সভ্যতাই মানুহৰ মনলৈ কেতবোৰ অশান্তি আৰু জটিলতাৰ ভাৱ আনি দিয়ে। যন্ত্ৰৰ প্ৰয়োগে মানুহৰ কায়িক আৰু মানসিক শ্ৰম নিম্নতম কৰি তুলিছে যদিও ইয়াৰ ফলত কৰ্মহীন, কৰ্মবিমুখ আৰু দুঃচিন্তা অৱস্থা এটালৈ মানুহক ঠেলি দিছে। অধিক পৰিমাণৰ আজৰি সময় কটোৱাটো এক মানসিক সমস্যাত পৰিণত হৈ উঠিছে। আনহাতে সকলো দিশতে প্ৰগতি আৰু অগ্ৰগতিৰ চঞ্চলতা আৰু দ্ৰুততাই মানুহৰ মনত এক অসুস্থ আৰু অশান্তিদায়ক প্ৰতিযোগিতাৰ ভাৱ সৃষ্টি কৰিছে।

মনক নিয়ন্ত্ৰণ কৰা একমাত্ৰ উপায় হৈছে যোগাভ্যাস। বেয়াক আঁতৰাই মনৰ ভাল গুণক নিয়মিত যোগাভ্যাসৰ দ্বাৰা সাৰপানী যোগাই থাকিলে মন সুস্থ, সবল হৈ থাকিব পাৰে। যোগাভ্যাস বৰ্তমান শাৰীৰিক আৰু মানসিক প্ৰশান্তিৰ এক মাধ্যম হিচাপে দেশে-বিদেশে জনপ্ৰিয়তা আৰ্জিছে। যোগাভ্যাসৰ গুৰুত্ব বিশ্ব সমুদায় উপলব্ধি কৰাৰ ফলশ্ৰুতিতে ২০১৪ চনৰ ১১

ডিচেম্বৰ তাৰিখে ৰাষ্ট্ৰসংঘৰ গৃহীত এক প্ৰস্তাৱ যোগে প্ৰতিবছৰে ২১ জুন তাৰিখটো 'আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস' হিচাপে পালন কৰাৰ আনুষ্ঠানিক সিদ্ধান্ত গ্ৰহণ কৰে।

সেয়েহে আমি নৱ প্ৰজন্মই বৰ্তমানৰ চিন্তাধাৰাক এক সুস্থিৰ গতি প্ৰদান কৰি আগুৱাই যাব পাৰিলেই এখন সুন্দৰ সমাজ গঢ়ি তোলাটো সহজ হৈ পৰিব। সংস্কাৰমুখী মনোভাৱেৰে প্ৰত্যেকেই আগুৱাই আহি নিজৰ কৰ্মখিনি নিষ্ঠা, সততা আৰু সাহসেৰে কৰি গ'লেই এক নতুন দিগন্তৰ সূচনা হ'ব। নৱ-প্ৰজন্মৰ সুস্থ সবল চিন্তা, নেতৃত্ব আৰু কৰ্মৰ মাজেৰে অসমী আই উন্নতি তথা শান্তিৰ মুকুট পৰিধান কৰি জিলিকি উঠিব পাৰিব। সমাজত চলি থকা উশৃংখলতা দূৰ কৰিবৰ বাবে সাম্প্ৰতিক শিক্ষা ব্যৱস্থাত আধ্যাত্মিকতা মানৱতাৰ প্ৰকৃত ধাৰণা সন্নিবিষ্ট কৰিবই লাগিব ই ধ্ৰুৱ সত্য। ■

## অসমৰ নদ-নদী

| | | |
|---|---|---|
| ১। দিহাং-ছিয়াং | ২। লোহিত | ৩। বালিজান |
| ৪। ন দিহিং | ৫। বুঢ়ী দিহিং | ৬। দিচাং |
| ৭। দিখৌ | ৮। নামছাং | ৯। জাঁজী |
| ১০। ভোগদৈ | ১১। ধনশিৰি | ১২। কলং |
| ১৩। সোণাই | ১৪। বকো | ১৫। বৰপানী |
| ১৬। কপিলী | ১৭। যমুনা | ১৮। সোৱণশিৰি |
| ১৯। জীয়া ভৰলী | ২০। পাঁচনৈ | ২১। চম্পাৱতী |
| ২২। পাগলাদিয়া | ২৩। বৰনদী | ২৪। জিৰি |
| ২৫। জাটিংগা | | |

সংগ্ৰাহক - **মনালিছা লস্কৰ,** চতুৰ্থ ষাণ্মাসিক



# বৃন্দাবনী বস্ত্ৰ

**পাৰ্থ প্ৰতীম বৰা,** ষষ্ঠ ষাণ্মাসিক

কোঁচ ৰজা নৰনাৰায়ণে শংকৰদেৱৰ পাণ্ডিত্যত মুগ্ধ হৈ কৃষ্ণলীলা ৰস পান কৰিব খোজাত বৃন্দাবনী বস্ত্ৰখন বৈ উলিয়ায়। বস্ত্ৰখনৰ দীঘ আছিল ছয় কুৰি হাত আৰু পুতল আছিল তিনি কুৰি হাত। বস্ত্ৰখন ব'ই উলিয়াবলৈ সূতাৰ প্ৰয়োজন হৈছিল বাৰ ভাৰ। কোনোৰ মতে বস্ত্ৰখনৰ বোৱনৰ স্থল বৰপেটাৰ কীৰ্ত্তন ঘৰৰ চোতালখন। আন কাৰোবাৰ মতে বয়ন শিল্পৰ কাৰখানা থকা তাঁতীকুছিৰ কেন্দুপৰি। যিয়েই নহওক, এই মহত্বপূৰ্ণ বৃন্দাবনী বস্ত্ৰখন সংৰক্ষণ কৰি ৰখা হৈছিল মধুপুৰ সত্ৰত। কোনোৰ মতে কোঁচবেহাৰৰ ৰাজসংগ্ৰহালয়ত সংৰক্ষিত। বৰ্তমান বৃটিছ মিউজিয়ামত এই বস্ত্ৰৰ অংশবিশেষ সংৰক্ষিত হৈ আছে। ■



# মহিলা সবলীকৰণ আৰু সমাজ উন্নয়নত মহিলাৰ ভূমিকা

**কংকনা লস্কৰ**, চতুৰ্থ ষাণ্মাসিক

নাৰী-পুৰুষ সমন্বয়তে এটি পৰিয়াল আৰু এখন সমাজ গঢ়ি উঠে। পুৰুষ আৰু মহিলা এজন আনজনৰ পৰিপূৰক। মহিলা নথকা সমাজ এখন বা দেশ এখনৰ কথা যেনেকৈ কল্পনা কৰিব নোৱাৰি, তেনেকৈ পুৰুষ নথকা সমাজ এখনৰ কথাও ভাবিব নোৱাৰি। সৃষ্টিৰ নিতান্ত প্ৰয়োজনতে সৃষ্টিকৰ্তাই নাৰী-পুৰুষৰ সৃষ্টি কৰিছে। একেই শৰীৰ, একেই তেজ, চকু-কাণ, নাক-মুখ, ভাৱ-অনুভূতি। সৃষ্টিকৰ্তাৰ সৃষ্টিত কোনো ভেদাভেদ নাই। সমাজত নাৰীৰ বিৰুদ্ধে যি বৈষম্যমূলক আচৰণ সেয়া সমাজৰহে সৃষ্টি। মাতৃ গৰ্ভত থকালৈকে এটি পুত্ৰ সন্তানেই হওঁক বা কন্যা সন্তানেই হওঁক এগৰাকী মাতৃয়ে সম স্নেহ আৰু সম আদৰেই ধাৰণ কৰি থাকে। ভূমিষ্ঠ হোৱাৰ লগে লগে সমাজে আৰম্ভ কৰি দিয়ে বৈষম্যতা 'এ ছোৱালীহে জন্ম হ'ল! কি কৰিবা তোমাৰ কপালেই বেয়া', 'বৰবাৰ বোৱাৰী বৰ লখিমী বোৱাৰী দেই। দুটাকৈ ল'ৰা সন্তান জন্ম দিছে' ইত্যাদি। জন্মতে আৰম্ভ কৰা ভেদ ভাৱ মৃত্যুলৈকে থাকে। পিতৃ-মাতৃ তথা আত্মীয়ৰ মৃত্যুত যি ক্ৰিয়া কৰ্ম কৰা হয় সেই কৰ্ম কন্যা সন্তানক কৰিবলৈ দিয়া নহয়। সন্তান সন্তানেই সি ল'ৰাই হওঁক বা ছোৱালীয়েই হওঁক দুয়োৰে জন্ম প্ৰক্ৰিয়া একেই। একেই মাতৃৰ প্ৰসৱ যাতনা। একেখিনি যত্ন কৰিয়েই দুয়োকে ডাঙৰ কৰা হয়, তেনেস্থলত সামাজিক ৰীতি-নীতিত এনে বৈষম্য ভিত্তিহীন। ৰামায়ণ, মহাভাৰত আদি পৌৰাণিক কাহিনীসমূহতো এনেবোৰ ক্ৰিয়া কৰ্ম পুত্ৰ সন্তানৰ দ্বাৰাহে কৰোৱাৰ কথা উল্লেখ আছে। সেইবিলাক পৌৰাণিক কাহিনীৰ প্ৰভাৱ বৰ্তমান সমাজতো মানুহৰ মনত শিপাই আছে। সেই সময়ত মহিলাসকলক জ্যেষ্ঠসকলে 'পুত্ৰৱতী ভৱ' বুলিহে আশীৰ্বাদ প্ৰদান কৰিছিল আৰু সেয়ে বোধকৰো পুত্ৰ সন্তানৰ সংখ্যাই নিশ্চয় সেই সময়ত যথেষ্ট বৃদ্ধি পাইছিল। আনফালে কন্যা সন্তানৰ সংখ্যা হ্ৰাস পাইছিল। বহু সময়ত এগৰাকী কন্যাৰ বাবেই ৰজাসকলৰ মাজত যুদ্ধৰ সূত্ৰপাতো নোহোৱাকৈ থকা নাছিল। বৰ্তমানতো এনে অসমতা হাৰিয়ানা ৰাজ্যত আৰম্ভ হৈছে। তাৰ যুৱকসকলে কন্যা বিচাৰি অসমলৈ ঢাপলি মেলিব লগা হৈছে। সময় থাকোতেই সমাজ সজাগ নহ'লে এই ব্যাধিয়ে সকলোকে প্ৰভাৱান্বিত কৰিব।

মহিলা সবলীকৰণ আৰু সমাজ উন্নয়নত মহিলাৰ দায়িত্ব বিষয় দুটি একোটা মুদ্ৰাৰে দুটা পিঠিৰ দৰে। এখন সমাজৰ মূল সম্পদ হৈছে মানৱ সম্পদ। মানৱ সম্পদৰ উন্নয়ন অবিহনে সমাজ এখনৰ উন্নয়ন সম্ভৱ নহয়। শিক্ষাৰ অবিহনে সমাজ এখনৰ কোনো ধৰণৰ উন্নয়ন হ'ব নোৱাৰে। সমাজখনৰ পুৰুষ-মহিলা সমানে শিক্ষিত হ'লেহে সকলো প্ৰকাৰৰ উন্নয়ন সম্ভৱ। বৰ্তমান আমাৰ দেশত নাৰীসকল অন্ধবিশ্বাস, কু-সংস্কাৰৰ ফলত অন্ধকাৰত নিমজ্জিত হৈ আছে। আজিও দেশৰ প্ৰায় পঞ্চাশ শতাংশ মহিলাই নিৰক্ষৰ।

গতিকে সচেতন আৰু গণতান্ত্ৰিক মানুহৰ নিৰন্তৰ সংগ্ৰাম তথা মহিলা সবলীকৰণৰ জৰিয়তে সমাজ তথা দেশৰ উন্নয়ন সম্ভৱ কৰি তুলিব পাৰি। ■



# ড্ৰাগছ ঃ এক সামাজিক ব্যাধি

**প্ৰিয়ংকা বৰা,** প্ৰথম যাণ্মাসিক

দেশৰ সামাজিক উন্নয়নৰ মূল চালিকা শক্তি হৈছে যুৱ সমাজ। এই যুৱ সমাজেই এক সবল ভূমিকা পালন কৰে দেশ তথা সমাজখনক আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত। সম্প্ৰতি এচাম যুৱক-যুৱতীয়ে বিভিন্ন ক্ষেত্ৰত আত্ম নিয়ন্ত্ৰণ হেৰুৱাই বিপথে পৰিচালিত হোৱা পৰিলক্ষিত হৈছে। প্ৰায় সংখ্যক উঠি অহা প্ৰজন্ম তথা যুৱক-যুৱতীয়ে কৃত্ৰিম সুখানুভূতি লাভৰ কাৰণে সহজতে মাদক দ্ৰব্য তথা আন আন নিচাযুক্ত দ্ৰব্য সেৱন কৰা দেখা যায়। ইয়াৰ ভিতৰত মাৰাত্মক নিচাযুক্ত দ্ৰব্যবিধেই হ'ল 'ড্ৰাগছ'। ড্ৰাগছ আসক্তিৰ সংখ্যা সম্প্ৰতি সমগ্ৰ বিশ্বতে এক ভয়াবহ ৰূপত গা কৰি উঠিছে।

সাধাৰণতে ড্ৰাগছ তৈয়াৰ কৰা হয় আফিঙৰ পৰা। ইয়াৰ লগত ৰাসায়নিক প্ৰক্ৰিয়াৰে অন্যান্য নিচাযুক্ত পদাৰ্থ সংযোগ কৰা হয়। বৰ্তমান উপলব্ধ বৰবিহ সদৃশ ড্ৰাগছ বিধ বিভিন্ন প্ৰকাৰৰ পোৱা যায়। যেনে- এল এছ ডি হেৰোইন, চৰাচ ইত্যাদি। উল্লেখ্য যে ড্ৰাগছ এবাৰ সেৱন কৰিলে ইয়াক পৰৱৰ্তী সময়ত সহজে ত্যাগ কৰাটো কঠিন হৈ পৰে। ড্ৰাগছ সেৱনকাৰীয়ে সাধাৰণতে বেজিৰ চিৰিঞ্জৰ সহায়ত শৰীৰৰ সিৰাত, ধূম্ৰপান অথবা গিলিৰ জৰিয়তে গ্ৰহণ কৰে। ড্ৰাগছ সেৱন কৰাৰ ফলাফল অতি ভয়ানক। সাধাৰণ শ্ৰেণী লোকৰ বাবে ড্ৰাগছ সেৱন কৰাটো সহজসাধ্য নহয়। সেয়ে ড্ৰাগছ ব্যৱসায়ী তথা অসাধু চক্ৰৰ লোকে ধনী শ্ৰেণীৰ যুৱক-যুৱতী তথা ল'ৰা-ছোৱালী বোৰক বিভিন্ন প্ৰকাৰে প্ৰলোভিত কৰি ড্ৰাগছ সেৱনত অভ্যস্ত কৰোৱা হয়।

ড্ৰাগছ সেৱনৰ ফলত একো একোজন ব্যক্তি তিলতিলকৈ মৃত্যু মুখত পৰে। বেজীৰে ড্ৰাগছ লোৱাৰ ফলত এইড্ছৰ দৰে মাৰাত্মক ৰোগৰ সংক্ৰমণ হয়। বীজাণু সংক্ৰমণৰ ফলত যকৃতৰ বিভিন্ন ৰোগ যেনে- হেপাটাইটিছ, দৃষ্টিহীনতা, নিদ্ৰাহীনতা আদি ৰোগে দেহত থিতাপি লয়। কেতিয়াবা কেঞ্চাৰ ৰোগ হোৱাৰ সম্ভাৱনা অধিক। ড্ৰাগছ সেৱনৰ ফলত মানসিক আৰু শাৰীৰিক ভাৱে যথেষ্ট প্ৰভাৱ পৰে। লক্ষণসমূহৰ ভিতৰত অকাৰণতে উত্তেজিত হোৱা, হতাশা, উদাসীনতাত ভোগা, অপৰাধ প্ৰৱণতাত ভোগা আদি অন্যতম।

সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষতো ২০১৭-২০১৮ বৰ্ষৰ তথ্য অনুসৰি ৩০ শতাংশলৈ ড্ৰাগছ সেৱনকাৰীৰ সংখ্যা বৃদ্ধি পাইছে। ইয়াৰ নিৰ্মূলকৰণৰ কাৰণে বিশ্ব স্বাস্থ্য সংস্থাই প্ৰতি বছৰে জুন মাহ ২৬ তাৰিখে 'বিশ্ব ড্ৰাগছ দিৱস' পালনৰ জৰিয়তে সমগ্ৰ বিশ্বতে নতুন নতুন আঁচনি তথা পদক্ষেপ ৰূপায়ণ কৰা দেখা যায়। ড্ৰাগছমুক্ত এখন সমাজ গঢ়ি তুলিবলৈ হ'লে সমাজৰ প্ৰতিজন ব্যক্তি, অভিভাৱক, শিক্ষকে সচেতন হৈ ছাত্ৰ-ছাত্ৰী তথা উঠি অহা যুৱ প্ৰজন্মক বিপথে পৰিচালিত নহ'বলৈ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগিব। তেনেক্ষেত্ৰত চৰকাৰখনেও শিক্ষানুষ্ঠান-প্ৰতিষ্ঠান তথা ৰাজহুৱা সভা-সমিতিসমূহত ড্ৰাগছ নিৰ্মূলকৰণৰ বিভিন্ন কাৰ্যসূচী হাতত ৰূপায়ণ কৰিব লাগিব। তেহে সুন্দৰ এখন সমাজ গঢ় লৈ উঠিব। ■



# অসমৰ টাই ফাকে বা ফাকিয়ালসকল

**পূজা ভূঞা**, পঞ্চম ষাণ্মাসিক

অসমত বসবাস কৰা টাই ফাকে বা ফাকিয়ালসকল বৃহৎ টাই নৃ-গোষ্ঠীৰ এক সম্প্ৰদায়। টাই জাতিৰ বহু কেইটা ভাগ আছে। সেই ভাগ কেইটা হ'ল— টাই আহোম, টাই ফাকে, টাই টুৰুং, টাই খামটি, টাই খাময়াং, টাই আইতন ইত্যাদি। 'ফাকে' শব্দৰ পৰাই ফাকিয়াল শব্দৰ উৎপত্তি। ফাকে টাই শব্দ। 'ফা'ৰ অৰ্থ হ'ল ৰজা বা শিল্পৰ দ্বীপ বা বেৰ আৰু 'কে'ৰ অৰ্থ পুৰণি বা যুগ। অৰ্থাৎ পুৰণি বা বুঢ়া ৰজাৰ বংশধৰ অথবা পুৰণি শিল্পৰ দ্বীপৰ বাসিন্দা।

বৰ্তমান ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত ফাকিয়ালসকলৰ বসতি অধিক দেখা যায়। নাহৰকটীয়া অঞ্চলত নাম ফাকিয়াল আৰু চিপমা ফাকিয়াল, মাৰ্ঘেৰিটা অঞ্চলত বৰ ফাকিয়াল মানমৌ আৰু লিডু অঞ্চলত ফাকিয়াল নামে গাঁও আছে। তেওঁলোকৰ মাজত খামুংমান হাই, টংমুটেন আদি ফৈদও পোৱা যায়। ফাকিয়ালসকলে অতীজৰে পৰা চাংঘৰত বাস কৰি আহিছে। তেওঁলোকে থাকিবৰ বাবে উত্তৰা-দক্ষিণাকৈ চাংঘৰবোৰ সাজে। চাংঘৰবোৰত টুপ থাকে। চাংঘৰবোৰৰ চালবোৰ টকৌ পাতেৰে সজা। কিছু লোকে পাক ঘৰবোৰ পৃথকে পৃথকে সাজে আৰু কিছু লোকে মূল ঘৰতে ৰন্ধা-বঢ়া কৰে।

ফাকিয়ালসকল মূলতঃ বৌদ্ধ ধৰ্মীৰ লোক। গাঁৱৰ ধৰ্মৰ সকলো কাম 'বাপুৱে' কৰে। প্ৰত্যেক গাঁৱত বৌদ্ধ বিহাৰ থাকে। বৌদ্ধ বিহাৰত কেইবাজনো 'বাপু' থাকে। প্ৰতিঘৰে ৰাতিপুৱাই বৌদ্ধ বিহাৰত (বাপুচাঙত) চেঁৱা আৰু ভাত দিয়াৰ নিয়ম প্ৰশস্ত থাকে। বাপু হ'ব খোজাসকলক ল'ৰালিতে বাপুচাঙত ৰখা হয়। তাতে বাৰ্মা টাই আৰু পালি ভাষাত শিক্ষা দিয়া হয়। তেওঁলোকে ব্ৰহ্মদেশৰ পঞ্জিকা অনুসৰি নিয়ম-নীতি মানি চলে। বৌদ্ধসকল আহাৰ মাহৰ পূৰ্ণিমাৰ পৰা আহিনৰ পূৰ্ণিমালৈ বৰ্ষা বাস কৰে। এই তিনি মাহৰ শুক্লপক্ষৰ প্ৰত্যেক অষ্টমী আৰু পূৰ্ণিমা আৰু কৃষ্ণপক্ষত অষ্টমী আৰু অমাৱস্যাত গাঁৱৰ পুৰুষ, মহিলা, ল'ৰা-ছোৱালী সকলোৱে বৌদ্ধ বিহাৰত মন্ত্ৰ পাঠ কৰে। অষ্টমীলৈ মন্ত্ৰ গ্ৰহণ কৰা সকলে জীৱ বধ নকৰে। ফাকিয়ালসকলে ফাগুনৰ পূৰ্ণিমাত মেজি পুৰে আৰু নিশা ভোজ-ভাত খায়। ভোজ-ভাতৰ প্ৰয়োজনীয় সামগ্ৰীখিনি ঘৰে ঘৰে হুঁচৰি গাই সংগ্ৰহ কৰে। ফাকিয়ালসকলেও ব'হাগ বিহু পালন কৰে। সেইদিনা বৌদ্ধ মূৰ্তিক গা ধুৱায়। অষ্টমীত মন্ত্ৰ গ্ৰহণ কৰাসকলক সকলোৱে হাত ভৰি, গা ধুৱাই আশীৰ্বাদ লয়। তাৰ পিছতে ডেকা-গাভৰুসকলে ইজনে আনজনৰ লগত গাত পানী ঢালি ৰং ধেমালি কৰি বিহুৰ দিনা তেওঁলোকৰ ৰীতি অনুসৰি ৰাইজৰ মংগল কামনা কৰি বিহু সামৰে। ■

# গুণোৎসৱ আৰু প্ৰাথমিক শিক্ষাৰ ভৱিষ্যৎ

**পৰিমিতা লস্কৰ**, চতুৰ্থ ষাণ্মাসিক



অসমৰ প্ৰাথমিক পৰ্যায়ৰ বিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উন্নয়নৰ বাবে অসম চৰকাৰে গুণোৎসৱৰ আয়োজন কৰে। এই গুণোৎসৱত মন্ত্ৰী, বিধায়ক, প্ৰশাসনীয় বিষয়া, আৰক্ষী বিষয়া, বন বিষয়া প্ৰমুখ্যে প্ৰাথমিক শিক্ষা বিভাগ, অসম ৰাজ্যিক শিক্ষা গৱেষণা পৰিষদ, বিদ্যালয় পৰিচালনা সমিতি, ছাত্ৰ-ছাত্ৰী, অভিভাৱকৰ লগতে সংবাদ মাধ্যমৰ লোকসকলে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অংশগ্ৰহণ কৰে। তেওঁলোকে প্ৰতিখন জিলাৰ মূল্যায়ক বা পৰ্যবেক্ষক হিচাপে থাকি বিদ্যালয়খনৰ গুণগত মান, আন্তঃগাঠনিকে ধৰি শিক্ষাৰ্থীৰ বিভিন্ন দিশৰ পৰীক্ষা-নিৰীক্ষা চলায়। এই গুণোৎসৱ কাৰ্যসূচীক লৈ প্ৰতিখন জিলাৰ বিদ্যালয় সমূহত উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। মুঠৰ ওপৰত এই গুণোৎসৱ কাৰ্যসূচীৰ আৰম্ভণিৰে পৰা বিদ্যালয়সমূহৰ কৰ্মচাৰীকে ধৰি শিক্ষকসকলেও বিদ্যালয়খন আটকধুনীয়াকৈ সজোৱাৰ লগতে শিক্ষাৰ্থীসকলকো বিশেষ শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰে। কিন্তু কিছু কিছু বিদ্যালয়ৰ দুৰাৱস্থাৰ বাবে গুণোৎসৱৰ সফলতাক লৈ সচেতন মহল চিন্তিত হৈ পৰিছে যদিও কিছুমান বিদ্যালয়ৰ সফলতা দেখি সেই চিন্তা কিছু প্ৰশমিত হৈছে।

এই গুণোৎসৱ কাৰ্যসূচীৰ আকাংক্ষিত ফলাফলসমূহ এয়ে যে প্ৰাথমিক পৰ্যায়ৰ প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীক বিদ্যায়তনিক দিশৰ লগতে সহ-বিদ্যায়তনিক বিষয়ৰ খতিয়ান মূল্যায়ন দাঙি ধৰা। এই গুণোৎসৱৰ আকাংক্ষিত ফলাফল হিচাপে ক'ব পাৰি যে ইয়াৰ দ্বাৰা—

- ছাত্ৰ-ছাত্ৰীৰ শিক্ষা ব্যৱস্থাৰ ব্যৱধান সঠিকভাৱে চিনাক্ত কৰিব পৰা হ'ব।
- শিক্ষা ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি আৱশ্যকীয় আঁচনি গ্ৰহণ আৰু নিদানমূলক কাৰ্যসূচী কাৰ্যকৰীকৰণৰ যোগেদি ছাত্ৰ-ছাত্ৰীৰ ইপ্সিত পাৰদৰ্শিতা নিশ্চিত কৰিব পৰা হ'ব।
- শিক্ষাৰ্থীৰ শিক্ষণ পদ্ধতি উন্নীতকৰণৰ বাবে ধাৰাবাহিকভাৱে ব্যৱস্থা গ্ৰহণ কৰাটো সুনিশ্চিত কৰাৰ সুবিধা গুণোৎসৱে দিব।
- ছাত্ৰ-ছাত্ৰীৰ মাজত বিদ্যালয়মুখী প্ৰৱণতা বৃদ্ধি কৰি বিদ্যালয় আধাতে এৰি যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰাত এই কাৰ্যসূচী সহায়ক হ'ব।
- সমাজত শিক্ষাৰ উপযোগিতা বিষয়ক সজাগতা বৃদ্ধি কৰা আৰু বিশেষভাৱে বিদ্যালয় সম্পৰ্কীয় কাম-কাজত সংশ্লিষ্ট সকলোৰে অংশগ্ৰহণৰ ব্যৱস্থা কৰা। তাৰ দ্বাৰা সামগ্ৰীকভাৱে শৈক্ষিক পৰিৱেশৰ উন্নতিকৰণ নিশ্চিত হ'ব।
- প্ৰাথমিক বিদ্যালয়সমূহৰ সৰ্বতো প্ৰকাৰৰ উন্নয়ন তৰান্বিত কৰাৰ ক্ষেত্ৰত গুণোৎসৱ হৈছে এক কাৰক।

গুণোৎসৱৰ এই আকাংক্ষিত ফলাফলৰ পৰা শিক্ষাৰ্থীৰ ভৱিষ্যৎ জীৱনৰ লক্ষ্য, সুনিশ্চিত কৰাত সহায় কৰিব বুলি আশা কৰিব পাৰি। ■

# সময়ৰ সদ্ব্যৱহাৰ

**কাকলি দেৱী, পঞ্চম ষাণ্মাসিক**

পল পল দন্দ্ব কৰি সময় গৈছে উৰি
পাখি লগা কাঁড়ৰ দৰে অবিৰাম গতিত...।

সময় যেন এক পাখি লগা কাঁড়। পাখি মেলি উৰি যায় অনন্ত গতিৰে, অবিৰাম ভাৱে কালৈকো উভতি নাচায়। সময়ক ৰোধ কৰিব পৰা ক্ষমতা মানুহৰ নাই। প্ৰত্যেক মানুহেই এটা নিৰ্দিষ্ট সময়ৰ কাৰণে এই পৃথিৱীত জীয়াই থাকে। সেই ফালৰ পৰা চাবলৈ গ'লে মানুহৰ জীৱনটো হ'ল সময়ৰ অসংখ্য মুহূৰ্তৰ সমষ্টি মাথো। সময়ক নৈৰ সোঁতৰ লগত তুলনা কৰা হয়, কাৰণ উজনিৰ পৰা ভাটিলৈ বৈ যোৱা পানীখিনি কেতিয়াও পুনৰ উজনিলৈ উভতি আহিব নোৱাৰাৰ দৰে পাৰ হৈ যোৱা মুহূৰ্তবোৰো আমাৰ জীৱনলৈ কেতিয়াও উভতি নাহে। ঘড়ীৰ কাটাৰ প্ৰত্যেকটো টিক্ টিক্ শব্দই একো একোটা মুহূৰ্তৰ চিৰবিদায়ৰ কথা ঘোষণা কৰে। গতিকে জীৱনৰ প্ৰত্যেকটো মুহূৰ্ত আমি কেনেকৈ যাপন কৰোঁ তাৰ ওপৰতে নিৰ্ভৰ কৰে জীৱনৰ সাৰ্থকতা।



অৱশ্যে সময়ৰ সদ্ব্যৱহাৰৰ পৰিকল্পনা মানুহৰ কাৰণে একে হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে, যি মানুহে জীৱিকা নিৰ্বাহৰ কাৰণে খন্তেক জিৰণি নোলোৱাকৈ নিৰবচ্ছিন্ন পৰিশ্ৰম কৰিব লগা হয়, তেওঁৰ কাৰণে সময়ৰ আন কোনো প্ৰকাৰৰ ব্যৱহাৰৰ প্ৰশ্ন উঠিব নোৱাৰে। কাৰণ একমাত্ৰ খোৱা আৰু শুৱাৰ বাহিৰে আন কোনো কামৰ কাৰণে তেওঁৰ হাতত ৰাহি সময় নাথাকে। আনহাতে যি মানুহে জীৱিকা নিৰ্বাহৰ কাৰণে কোনো প্ৰকাৰৰ শাৰীৰিক বা মানসিক পৰিশ্ৰম কৰিব লগা নহয় বা প্ৰতিদিনে মাত্ৰ কেইঘণ্টামান পৰিশ্ৰম কৰিলেই হয়, তেওঁৰ কাৰণে প্ৰচুৰ আজৰি সময় কেনেকৈ কটোৱা যায় সেইটোৱেই এটা ডাঙৰ সমস্যা হৈ দেখা দিয়ে। ঠিক সেইদৰে জীৱনৰ আগ বয়সৰ সদ্ব্যৱহাৰৰ পৰিকল্পনা বহু পৰিমাণে নিৰ্ভৰ কৰে প্ৰত্যেক ব্যক্তিৰ নিজস্ব জীৱন ধাৰা আৰু জীৱনৰ বিভিন্ন অৱস্থাৰ ওপৰত।

ব্যক্তিভেদে বা অৱস্থাভেদে সময়ৰ সদ্ব্যৱহাৰৰ পৰিকল্পনা বেলেগ বেলেগ হ'বলৈ বাধ্য হ'লেও যিটো মূল নীতি আমি সকলোৱে মানি চলা উচিত সেইটো কিন্তু সকলো ক্ষেত্ৰতে একেই থাকে। সেইটো হ'ল, যিহেতু পাৰ হৈ যোৱা সময়বোৰ আমাৰ জীৱনলৈ কেতিয়াও ঘূৰি নাহে, আমি কেতিয়াও সময়ৰ অপচয় বা অপব্যৱহাৰ হ'বলৈ দিব নালাগে। সময়ৰ অপচয় মানেই জীৱনৰ অপচয়। সময়ৰ অপচয় পৰিহাৰ কৰি চলাৰ প্ৰধান উপায় হ'ল জীৱনৰ এটা প্ৰধান লক্ষ্য ঠিক কৰি লোৱা আৰু সেই লক্ষ্যত উপনীত হ'বৰ কাৰণে জীৱনৰ প্ৰতিটো দিন সু-পৰিকল্পিত ভাৱে অতিবাহিত কৰা।

প্ৰত্যেক মানুহেই প্ৰতিদিনে শাৰীৰিক বা মানসিক ভাৱে যিকোনো এক প্ৰকাৰৰ পৰিশ্ৰম

কৰিব লগা হয়। পৰিশ্ৰম যি উদ্দেশ্যে নহওক কিয় যেতিয়ালৈকে মানুহে পৰিশ্ৰম কৰি থাকে, তেতিয়ালৈকে সময় অপচয় বুলি ক'ব নোৱাৰি। পৰিশ্ৰমে মানুহৰ দেহ আৰু মনক ক্লান্ত কৰে। সেই ক্লান্তি দূৰ কৰি দেহ আৰু মনক পুনৰ সঞ্জীৱিত কৰি তুলিবৰ কাৰণে এটা নিৰ্দিষ্ট সময়ৰ কাৰণে জিৰণি লোৱাৰো প্ৰয়োজন হয়। সেই জিৰণিকো সময়ৰ অপচয় বুলি ক'ব নোৱাৰি, কাৰণ পৰিশ্ৰমৰ ক্লান্তি দূৰ কৰিবৰ কাৰণে যি জিৰণি লোৱা হয়, সেই জিৰণিয়ে আমাৰ দেহ মন সঞ্জীৱিত কৰি জীৱনটো উপভোগ্য কৰি তোলে। এলাহৰ বশৱৰ্তী হৈ কাম বন নকৰি শুই-বহি বা আমোদ-প্ৰমোদত মগ্ন হৈ থাকি সময় কটালে তাক জিৰণি বুলি ক'ব নোৱাৰি। সি কেৱল সময়ৰ অমাৰ্জনীয় অপচয় মাত্ৰ।

কাম আৰু আমাৰ জিৰণিৰ বাহিৰেও খেলা-ধূলা বা আমোদ প্ৰমোদৰো নিশ্চয় প্ৰয়োজন আছে। সময়ৰ সদ্ব্যৱহাৰ বুলিলে সাধাৰণতে আমি এই কেইটা কথাকে বুজিব লাগিব যে জীৱনৰ এটা বিশেষ লক্ষ্য সন্মুখত ৰাখি মানুহে নিয়মিত ভাৱে পৰিশ্ৰম কৰিব লাগে। এক প্ৰকাৰ চাবলৈ গ'লে মানুহৰ সমগ্ৰ সভ্যতা-সংস্কৃতিয়েই হ'ল মানুহৰ আজৰি সময়ৰ সৃষ্টি। যেতিয়া কৃষি কৰ্ম কৰি হোৱাৰ পিছত মানুহৰ হাতত কিছু আজৰি সময় থাকে, তেতিয়াহে মানুহে চিন্তা আৰু কল্পনা কৰিবলৈ অৱকাশ পায়। সেই কাৰণে আমি আমাৰ প্ৰকৃত আজৰি সময়খিনি কেৱল আমোদ-প্ৰমোদত অপচয় নকৰি আমাৰ দৈহিক আৰু মানসিক উৎকৰ্ষ সাধনৰ কাৰণে ব্যৱহাৰ কৰা উচিত।

শৈশৱেই কৰ্ম জীৱনত প্ৰৱেশ কৰাৰ তোৰণদ্বাৰ, জীৱনৰ প্ৰস্তুতিৰ সময়। ভৱিষ্যতে জীৱনৰ সকলো কৰ্মৰ দায়িত্ব, উপযুক্ততা অৰ্জন কৰি ল'ব লাগিব জীৱনৰ আগভাগতে। সেয়েহে এই অমূল্য সময় অবাবত নকটাই সময়ৰ কাম সময়মতে কৰি যোৱাটোৱেই সময়ানুবৰ্তিতা। সময়ানুবৰ্তিতাই কৰ্মত শৃংখলা আৰু জীৱনত পৰিপাটি আনে। গতিকে আমি সময়ানুৱৰ্তী হৈ নিজ কৰ্তব্যৰ পথত আগবাঢ়ি যোৱা উচিত।■

---

# অসম চুক্তি

**গীতাঞ্জলী বৰা,** ষষ্ঠ ষাণ্মাসিক

অসমলৈ অবৈধভাৱে অহা বিদেশী নাগৰিকৰ বহিষ্কৰণৰ দাবীত ১৯৭৯ চনৰ পৰা সুদীৰ্ঘ ছবছৰ ধৰি অসমত সংঘটিত ব্যাপক গণ আন্দোলনৰ ফলত ১৯৮৫ চনৰ ১৫ আগষ্টত আন্দোলনৰ নেতৃবৃন্দ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত স্বাক্ষৰিত ঐতিহাসিক মীমাংসা পত্ৰখনেই হৈছে অসম চুক্তি। সৰ্বমুঠ পোন্ধৰটা দফাত বিভক্ত 'অসম চুক্তি' অসমৰ ৰাজনৈতিক আৰু আৰ্থ-সামাজিক ইতিহাসৰ এক অতি উল্লেখযোগ্য দলিল। চুক্তিখনত অসমৰ পৰা বিদেশী বহিষ্কৰণ, অসমীয়া ৰাইজৰ সাংস্কৃতিক, ভাষিক আৰু সামাজিক সুৰক্ষা, ৰাজ্যখনৰ অৰ্থনৈতিক, থলুৱা কৃষ্টি আৰু সাংস্কৃতিক সম্পদৰ সংৰক্ষণ তথা বিকাশ আদি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ সন্নিৱিষ্ট কৰা হৈছে। চুক্তিখনৰ কেইবাটাও দফা ইতিমধ্যে কাৰ্যকৰী (সম্পূৰ্ণ বা আংশিকৰূপে) হৈছে যদিও মুল দফা, বিদেশী বহিষ্কৰণৰ প্ৰসংগত কোনো লক্ষণীয় অগ্ৰগতি হোৱা নাই।

অসম আন্দোলনত ৮৫৫ জন লোক শ্বহীদ হৈছিল। শ্বহীদ হোৱা কেইজনমান ব্যক্তিৰ নাম হৈছে শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰ, শ্বহীদ প্ৰমোদ কলিতা, শ্বহীদ প্ৰফুল্ল ডেকা, শ্বহীদ অনিল বৰা, শ্বহীদ প্ৰতাপ বৰ্মন, শ্বহীদ মহেশ তালুকদাৰ, শ্বহীদ গোলক দাস আদি অন্যতম।■

## অমৃত বাণী

জীৱনৰ অন্য নাম সংগ্ৰাম, সংগ্ৰাম বা সংঘাতৰ স'তে যুঁজি যুঁজি মানুহে যি সাহস, মনোবল তথা প্ৰেৰণা লাভ কৰে, সি তেওঁক অসাধ্য সাধন কৰাত শক্তি দিয়ে।

— নেপোলিয়ন বোনাপাৰ্ট

# মোৰ দৃষ্টিত কামপুৰ মহাবিদ্যালয়

**পল্লৱী লস্কৰ**, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী

২০১৭ চনৰ আগষ্ট মাহৰ ১ তাৰিখে মহাবিদ্যালয়ত চতুৰ্থ বৰ্গৰ পদত কাম কৰিবৰ বাবে যেতিয়া প্ৰথম দিনা যোগদান কৰিছিলো, মনত কিছুমান অহেতুক ভয় আৰু লাজে আগুৰি ধৰিছিল। এইখন মহাবিদ্যালয়ৰে অসমীয়া বিভাগৰ প্ৰাক্তন ছাত্ৰী আছিলো যদিও কিয় জানো প্ৰথম অৱস্থাত মোৰ মন মগজুৱে চিন্তা-চৰ্চা কৰি মনটোক কিছু খেলি-মেলিৰ সৃষ্টি কৰিছিল। ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা ওলাই আহি এই বৃহৎ শিক্ষানুষ্ঠানখনৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা সহকৰ্মীসকলৰ সৈতে মিলিব পাৰিমনে নাই আদি হাজাৰটা প্ৰশ্ন মনলৈ আহিছিল।

মহাবিদ্যালয়ত ৯-৩০ বজাৰ পৰা ৩-৩০ বজালৈকে সকলো নিজ নিজ কামত ব্যস্ত হৈ পৰোঁ। দুপৰীয়া ২ বজাৰ সময়খিনিত কেন্টিনৰ ৰুবী বাইদেউ, বিমলা মাহীৰ নিজ হাতেৰে বনোৱা লাৰু, পিঠাৰ সোৱাদ লওঁ। লগৰবোৰৰ মাজৰ পৰা কোনোবা এজন কলেজলৈ নাহিলে সকলোৰে খবৰ কৰোঁ। কঠোৰ পৰিশ্ৰমী, সদা হাস্যমুখী খৰ্গেশ্বৰ দাই মাজে মাজে এসাঁজ ৰান্ধি সকলোকে পৰম তৃপ্তিৰে খুৱায়। এই সৰু সৰু আনন্দবোৰে মনটোক ভৰাই তোলে।

পুথিভঁৰালৰ দুমহলীয়া অট্টালিকাৰ খিৰিকীখনেৰে যেতিয়া বাহিৰলৈ চাওঁ, গেটৰ কাষৰ কৃষ্ণচূড়া, ৰাধাচূড়া আৰু সোণাৰু ফুলৰ বিভিন্ন ৰঙেৰে ৰাঙলী শোভাই পৰিৱেশটো যে কিমান সুন্দৰ কৰি ৰাখে! গোটেই পৰিৱেশটো আমোলমোলাই থাকে। বিবিধ চৰাইবোৰে এজোপা গছৰ পৰা আন এজোপা গছলৈ কিমান



যে মুকলি মনেৰে জঁপিয়াই ফুৰে সেই সকলোবোৰ দৃশ্য প্ৰত্যক্ষ কৰি মোৰ মনটো প্ৰশান্তিৰে ভৰি পৰে। তদুপৰি মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ বাইদেউসকলে মোৰ সৈতে কৰা ধেমালিবোৰ, তেওঁলোকৰ উৎসাহ ভৰা পৰামৰ্শবোৰে সঁচাকৈ মোৰ মনটোক আনন্দৰে ভৰাই পেলায়। কেতিয়াবা বাইদেউসকলৰ প্ৰাণ খুলি মৰা হাঁহিয়ে গোটেই পৰিৱেশ সজীৱ কৰি তোলে। বৰ্তমান মই নিজকে বহুত সৌভাগ্যৱান বুলি ভাৱো কিয়নো শিক্ষাগুৰুসকলৰ পৰা ছাত্ৰী অৱস্থাত যিমানখিনি মৰম-স্নেহ পাইছিলো, তাতকৈ দুগুণ বৰ্তমান পাইছো। এদিনো এষাৰো টান কথা শুনা নাই, নিজেই কেতিয়াবা ভাৱো, মইহে তেওঁলোকক একো উপকাৰ কৰিব পৰা নাই। পুথিভঁৰালৰ গ্ৰন্থাগাৰিকা শ্ৰদ্ধেয়া দীপামণি বাইদেৱে মোক আৰু পুলিন দাক অতি আগ্ৰহেৰে কম্পিউটাৰৰ শিক্ষা দি যি উৎসাহ দিছে সঁচাকৈয়ে ই প্ৰশংসনীয় আৰু মই কৃতজ্ঞ।

আমাৰ কামপুৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰদ্ধাৰ ড° হৰেকৃষ্ণ দেৱ শৰ্মা ছাৰ এজন বিশাল ব্যক্তিত্বৰ অধিকাৰী ব্যক্তি। তেখেতে সহকৰ্মী-কৰ্মচাৰী সকলোকে আপোন সুলভ ব্যৱহাৰ কৰে। মৃদুভাষী ছাৰৰ মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত মাজে সময়ে খং উঠে যদিও নিমিষতে নোহোৱা হয়। সময় আৰু নিয়মৰ মাজেৰে কাম কৰি ভালপোৱা দেৱ শৰ্মা ছাৰৰ মানসিক মনোবল দেখি সঁচাকৈয়ে আমি গৌৰৱবোধ কৰোঁ। সকলোকে শৃংখলাবদ্ধভাৱে কাম কৰিবৰ বাবে আগ্ৰহ জন্মায়। মহাবিদ্যালয়ত কাৰ্যনিৰ্বাহ কৰা ছাৰৰ তিনিটা বছৰ অতিক্ৰম কৰিলে। আৰম্ভণিৰ পৰা বৰ্তমানলৈকে ছাৰে ধৈৰ্য আৰু সাহসেৰে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ বিত্তীয় খেলি-মেলিৰ স্থায়ী সমাধানৰ যি পদক্ষেপ লৈছে ই সঁচাকৈ প্ৰশংসনীয়। ইয়াৰ কাৰণে ছাৰৰ ওচৰত সদায় মহাবিদ্যালয়ৰ সমূহ শিক্ষক-কৰ্মচাৰী চিৰকৃতজ্ঞ। এনে এজন সবল, নিৰ্ভীক ব্যক্তি সমাজৰ বাবে আদৰ্শস্বৰূপ।

মানসিকভাৱে দুৰ্বল, সদায়ে ঋণাত্মক চিন্তা কৰা, চকুৰ পানীৰে নিজৰ জীৱনটো সজোৱা 'মই' জনীক সম্পূৰ্ণৰূপে সলনি কৰিলে মোৰ আদৰৰ কামপুৰ মহাবিদ্যালয়ৰ এই বৃহৎ পৰিয়ালটোৱে। এই পৰিয়ালটোৰ মাজৰ এজন সদস্য নোহোৱা হ'লে কিজানি বহু কথাই জীৱনত শিকিব নোৱাৰিলোহেঁতেন। জীৱনত দুখ, সমস্যা থাকেই। কিন্তু জীয়াই থাকিবলৈ হ'লে অন্তৰত আৱেগ, অনুভূতি আৰু কিছু নৈতিকতাৰ প্ৰয়োজন। টকা আৰু মানসিক শান্তি দুটা বেলেগ দিশ। সাধাৰণভাৱে জীৱন-নিৰ্বাহ কৰা লোকসকলৰ বাবে সৰু যেন লগা সুখৰ একোটা মুহূৰ্তই মনত শান্তি দিয়ে আৰু হাঁহিবলৈ শিকায়। আনহাতে যিসকলে ধন টকা-পইচাৰ বিলাসিতাক লৈ সদা ব্যস্ত তেওঁলোকে শান্তি তেনেদৰেই পায়। পৃথিৱীৰ সকলো মানুহৰে দৃষ্টিভংগী পৃথক পৃথক। লগতে অনুভৱো সুকীয়া সুকীয়া। এই তিনিটা বছৰত কামপুৰ মহাবিদ্যালয়ৰ পৰিয়ালটোৰ পৰা প্ৰথমে নিজক ভাল পাবলৈ শিকাৰ লগতে নিজৰ বৃত্তিক সন্মান কৰি বৰ্তমান সুখী আৰু আত্মনিৰ্ভৰশীল হ'ব পাৰিছো বুলি ধাৰণা কৰিছোঁ।

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া আদি নানান দিশত আগবাঢ়ি গৈছে যদিও প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীৰ কিছু পৰিমাণে ব্যক্তিত্ব আৰু সাহসৰ অভাৱ। মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভা, কলেজ সপ্তাহ আদি সভা অনুষ্ঠানবোৰত বক্তৃতা দিবলৈ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা মাত্ৰ এজন বা দুজন ওলাই অহাটো চিন্তনীয় বিষয়। তেওঁলোকৰ মনত আত্মবিশ্বাস তথা সাহসৰ অভাৱ। লগতে ম'বাইলৰ অপব্যৱহাৰ, নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্তিত এচাম যুৱক-যুৱতী শাৰীৰিক আৰু মানসিকভাৱে দুৰ্বল হৈ এটা উচ্ছৃংখল জীৱন যাপন কৰা পৰিলক্ষিত হৈছে। শেষত কবিৰ ভাষাত—

"জীৱন জীৱন বৰ অনুপম
মৰণ বিজয়ী সাধনা
মৰণে আৱৰা মৰুৰ মাজতে
তোলা জীৱনৰ মূৰ্চ্ছনা।"

ড° নিৰ্মলপ্ৰভা বৰদলৈৰ এই কবিতাফাঁকি সদায় মনত ৰাখি ছাত্ৰ-ছাত্ৰীসকলৰ মনৰ মাজৰ দুৰ্বলতাবোৰ আঁতৰাই ধৈৰ্য, একাগ্ৰতা, অনুশীলন, কঠোৰ পৰিশ্ৰম, ত্যাগ আদি গুণ আয়ত্ব কৰি ভৱিষ্যতে সকলো দিশতে আগবাঢ়ি পৰিয়াল, সমাজৰ সকলোৰে বাবে এজন সন্মানীয় আদৰ্শৱান ব্যক্তিত্বৰ অধিকাৰী হ'ব পাৰে তাৰে কামনা কৰিছো। শেষত মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উত্তৰোত্তৰ কামনা কৰিলো। ■

# গল্প শিতান

# আকাশৰ ছাঁ

**ঝৰ্ণা বৰা**, পঞ্চম ষাণ্মাসিক

'তই আৰু পঢ়িব নোৱাৰ, এইয়াই মোৰ শেষ সিদ্ধান্ত।' হঠাৎ দেউতাকৰ এনে আচৰিত কথাই হায়াৰ ছেকেণ্ডাৰীত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা গুণৰ মনটোক ক্ষন্তেকতে বিদ্ৰোহী কৰি তুলিলে।

কিয় নপঢ়িব তাই, কি যুক্তিত দেউতাকে কোনো কাৰণ নোহোৱাকৈ তাইক পঢ়া শেষ কৰিবলৈ ক'ব। সেই সময়খিনিতে তাই ভাবি পেলালে যে জীৱনটো তাইৰ। গতিকে নিজৰ জীৱনটো নিজৰ মতে সজাবলৈ তাইক কোনেও বাধা দিব নোৱাৰে। মাক নোহোৱা দিন ধৰি তাইক লালন-পালন কৰাৰ নামত শাসনৰ বাঘজৰীৰে মেৰাই থকা দেউতা বুলি মতা মানুহজনৰটো তাইক বাধা দিয়াৰ অলপো অধিকাৰ নাই। যেতিয়া লগৰ মমীহঁতে স্কুলৰপৰা ফুৰিবলৈ যাবলৈ দেউতাকহঁতৰ পৰা অনুমতি লৈ পিছদিনা উৎফুল্লিত হৈ স্কুললৈ আহে তেতিয়া তাই দেউতাকৰ অনুমতিৰ পৰিৱৰ্তে এশ এবুৰি অজুহাত লৈ স্কুল আহি ক'ব লগা হয়, 'মই যাব নোৱাৰোঁ। দেউতাৰ গা বেয়া।'

শৈশৱৰ সেই দিনবোৰ তাই কিদৰে পাহৰে। তেতিয়া সমনীয়াবোৰে শৈশৱৰ সোণালী দিনবোৰ উপভোগ কৰি স্মৃতিৰ টোপোলা টনকিয়াল কৰিছিল, তেতিয়া তাই সিহঁতৰ লগত একেলগে নৈ পাৰত গৈ লুকাভাকু খেলাৰ পৰিৱৰ্তে দেউতাকৰ একান্ত বাধ্য ছোৱালী হৈ ঘৰত সোমাই থাকিবলগীয়া হৈছিল। আজি যদি মাক থাকিলেহেঁতেন তাইক কেতিয়াও কোনো কামতে বাধা নিদিলেহেঁতেন।

খং আৱেগ মিশ্ৰিত মনেৰে তাই মাকৰ ছবিখন চকু মুদি মনত পেলাবলৈ চেষ্টা কৰিলে। কিন্তু এটা অস্পষ্ট অৱয়বৰ বাহিৰে তাই একো মনত পেলাব নোৱাৰিলে। মাত ফুটো-নুফুটো সময়তে তাইক এৰি যোৱা মাকৰ প্ৰতিও তাইৰ মনটো আকৌ এগালমান অভিমানেৰে ভৰি পৰিল। তেওঁনো কিয় তাইক ইমান সোনকালে এৰি যাব লাগে। স্কুলৰ পৰা আহি মাকে যতনাই দিয়া এসাঁজ খাবলৈ তাইৰ কিমান মন যায় সেয়াটো তেওঁ নাজানে।

'মা অ' মোৰ চোলাটো ক'ত আছে চাই দেচোন এপাক দেওবৰীয়া হাটৰ পৰা আহোগৈ।' দেউতাকৰ মাত শুনি মনৰ ভাৱনাবোৰ সামৰি তাই লৰালৰিকৈ চোলাটো আলনাডালৰ পৰা একে টানে আনি মোনাটোৰ সৈতে বাৰাণ্ডাত বৈ থকা দেউতাকলৈ এবাৰো নোচোৱাকৈ আগবঢ়াই দি ক'লে— 'হোল' এইটো চোলা আৰু মোনাটোৰ মাজত থকা কাগজখনতে লিখি থোৱা বস্তু কেইটা আনিবি।'

দেউতাকে সেমেকা হাঁহি এটা মাৰি তাইলৈ চালে আৰু তাইৰ হাতৰ পৰা বস্তু কেইটা লৈ গামোচাখন কান্ধতে পেলাই ভঁৰালৰ কাষতে আওজাই থোৱা চাইকেলখন ঠেলি ঠেলি পদুলিমুখ পালেহি। নঙলা ডাল মাৰি চকুৰ পতাত ভৰ কৰা নিজৰ অসমৰ্থতাৰ প্ৰমাণ স্বৰূপে চকুপানী কেইটোপাল তেওঁ ততাতয়াকৈ মচি ল'লে। নাই তেওঁ নিজৰ মতৰ পৰা কেতিয়াও পিছলিব নোৱাৰে। সেই ভয়ংকৰ অতীতৰ পুনৰাবৃত্তি অন্তত তেওঁ জীয়াই থকালৈকে হ'ব নিদিয়ে।

সেই নিষ্ঠুৰ অতীতৰ বাবেইটো তেওঁ আৰু জোনাকীয়ে মিলি সজোৱা মৰমৰ ফুলনিখনৰ ৰুণ নামৰ ফুলৰ কলিটি অকালতে মৰহি গৈছিল। আৰু ৰুণৰ পাছে পাছে তেওঁৰ মৰমৰ জোনাকীয়েও কণমানি জনীক তেওঁৰ হাতত গতাই গুচি গৈছিল।

কথাবোৰ মনত পৰি তেওঁৰ বুকুখন ধৰফৰাই উঠে। হওঁক সমাজৰ চকুত, গুণৰ চকুত তেওঁ এজন নিষ্ঠুৰ পিতৃ হৈয়ে জীয়াই থাকিব। কিন্তু গুণক যোগ্য এজনৰ হাতত নগতোৱালৈকে অন্তত তেওঁৰ চকুৰ আগৰ  পৰা এক মুহূৰ্তৰ বাবেও আঁতৰ কৰিব নোৱাৰে। তাইৰ বাহিৰেটো তেওঁৰ নিজৰ বুলিবলৈ কোনোৱেই নাই।

কথাবোৰ ভাৱি-গুণি তেওঁ বজাৰ পালেগৈ। হিচাপৰ বস্তু

কেইপদ লৈ কিবা এটা ভাৰি কাষৰ দোকান খনলৈ গৈ তাইৰ বাবে ফ্রক এটা কিনি ল'লে। যোৱা কেইদিনমানৰ পৰা তাই পিন্ধি থকা ফিচিকি যোৱা চোৰাটোলৈ মনত পৰি তেওঁৰ মনটো বেয়া লাগি গ'ল। মাক নোহোৱা দিন ধৰি তেওঁৱেই মাকৰ দায়িত্ব পালন কৰি আহিছে যদিও দিনে দিনে অসুস্থ হৈ অহা দেহাটোৱে কেতিয়াবা কামবোৰ কৰোতে বৰকৈ বিধি পথালি দিয়ে।

হাটৰ পৰা আহি ঘৰ পাইহি মানে সন্ধিয়া নামিলেই। ততাতয়াকৈ গাটো তিয়াই তেওঁ গোসাঁই ঘৰত সোমাল। ইফালে অজস্র অভিমান মনত সামৰি গুণে বিছনাত ইকাটি সিকাটি কৰি সময়বোৰ পাৰ কৰি থাকিল।

দিন বাগৰাৰ লগে লগে তাইৰ অভিমানবোৰ লাহে লাহে জেদলৈ পৰিৱৰ্তন হ'ল। তাই ভাৱি পেলালে ঘৰৰ চাৰিবেৰৰ মাজত সোমাই থাকিলে তাইৰ উচ্চ শিক্ষাৰ সপোন কেতিয়াও বাস্তৱায়িত নহয়। তাইও দেউতাকৰহে ছোৱালী গতিকে তেওঁ যদি নিজৰ মতত অটল হৈ থাকিব পাৰে তেতিয়া হ'লে তাইও তাইৰ সপোনবোৰক বাট দেখুৱাই নিবলৈ যিকোনো পৰ্যায়লৈ যাব পাৰে। যিজন মানুহে নিজৰ ছোৱালীৰ মনটোক বুজি নাপালে, সেইজনৰ ছত্র-ছায়াত থাকি তাই নিজৰ আশা-আকাংক্ষাবোৰৰ শ্রাদ্ধ পাতিব নোৱাৰে।

প্রয়োজনীয় কাগজ পাতি লৈ এদিন সন্ধ্যা তাই ঘৰৰ পৰা ওলাই আহিল। মনত মাথোন এটাই বিশ্বাস কিবা এটা কৰি হ'লেও সেই জেদী মানুহজনক দেখুৱাই দিব যে তাই তেওঁতকৈও ভীষণ জেদী। এদিন নহ'লেও এদিন তাই নিজক প্রতিষ্ঠিত কৰিবই।

সৰুৰে পৰা দেউতাকৰ কঠোৰ তত্ত্বাৱধানৰ মাজত ডাঙৰ হোৱা গুণ আছিল জটিল পৃথিৱীৰ কুটিলতাবোৰৰ স্পৰ্শৰ পৰা বহু আঁতৰত। ঘৰৰ ভিতৰত থাকি কল্পনা কৰা ৰঙীণ পৃথিৱীখনে যে ঘৰৰ পদুলিত অকলে থিয় হোৱাৰ লগে লগে তাইৰ লগত বিশ্বাসঘাটকতা কৰিব এই কথা তাই সপোনতো ভৱা নাছিল।

গাঁৱৰ পৰা ভালেমান দূৰ গৈ পানী বটল এটা কিনিবলৈ বুলি দোকান এখনত সোমাবলৈ লৈ তাই দেখিলে কেইজনমান ল'ৰা বহি তাচপাত খেলি আছে আৰু কাষতে কেইটামান ল'ৰাই মদৰ বটল লৈ বহি আছে। মদ, চিগাৰেটৰ গোন্ধই ঠাইখিনি আৰু অস্বস্তিকৰ কৰি তুলিছে। আন্ধাৰে-মুন্ধাৰে হঠাতে এজনী অকলশৰীয়া গাভৰু ছোৱালীক দেখি ল'ৰা কেইটাই তাচপাতৰ পৰা মূৰ তুলি চালে। ল'ৰাকেইজনৰ লোলুপ দৃষ্টিয়ে তাইৰ সৰ্ব শৰীৰ অজান আশংকাত কপিবলৈ ধৰিলে। খৰখেদাকৈ দোকানখনৰ পৰা ওলাই আহি ভয়তে তাই পুনৰ ঘৰৰ অভিমুখে কোবাকোবিকৈ আহিবলৈ ধৰিলে। যিমানে খৰ খোজেৰে ঘৰলৈ আহিছে সিমানেই তাইৰ অনুভৱ হৈছে যেন কোনোবাই তাইৰ পিচা কৰি আহি আছে।

চকুপানীবোৰ হাতেৰে মচি বেগটো যিমান পাৰি টানি ধৰি তাই দৌৰিবলৈ ধৰিলে। হঠাৎ কিবা এটাত উজুটি খাই মাজ ৰাস্তাতে তাই কফাল কাই পৰিল। কোনোমতে বেগটো হাতত লৈ তাই পিছলৈ ঘূৰি চাই দেখে চাৰিজন ল'ৰাই চিগাৰেট হুপি হুপি এক ভয়ানক হাঁহি মাৰি তাইলৈ একেথিৰে চাই আছে। দেউতাকৰ লগত কৰা জেদৰ পৰিণতি যে ইমান ভয়ানক হ'ব সেয়া তাই সপোনৰো অগোচৰ আছিল। চিঞৰি কাৰোবাৰ পৰা সহায় বিচাৰিবলৈও তেতিয়া তাইৰ কাষত কোনো নাছিল। সেই সময়তে পহৰা দিয়া দল এটাই ততাতৈয়াকৈ সেই ঠাইলৈ আহি তাইক সেই পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰে।

যেতিয়া তাইক মাজৰাতি আনি কোনোবাই ঘৰত নমাই দিয়ে তেতিয়ালৈকে বাৰাণ্ডাত টিপ চাকি এটা জ্বলাই তাই লিখি থৈ যোৱা চিঠিখন হাতত লৈ দেউতাক বহি আছিল। চেপি ৰখা কান্দোনটো বাঢ়ি আহিল তাইৰ। ওচৰলৈ আহি উচুপি উচুপি দেউতা বুলি মতাৰ লগে লগে মানুহজনে উঠি আহি গাৰ সমস্ত জোৰেৰে তাইক এক চৰ মাৰিলে। অতৰ্কিতে মৰা চৰটোত তাই একে কোবে গৈ বেৰত খুন্দা মাৰি মজিয়াত বহি পৰিল। মৰমৰ জীয়ৰীক প্রতাৰণাৰ আক্রোশত যে তাই এক ভয়ংকৰ সৰ্বনাশৰ পৰা বাচি আহিছে। লাহে লাহে তেওঁ গৈ তাইৰ কাষতে বহি তাইৰ মুখখন দুয়ো হাতেৰে তুলি ধৰি মুখলৈ মেলি মেলি বৈ থকা চুলি কেইডাল ঠিক কৰি দিলে।

'মা অ' মোৰ ফালে এবাৰ চা চোন, তোৰ এই অৱস্থাৰ দায়ী তোৰ এই দেউতাৰা। মোক যি শাস্তি দিব বিচাৰ্ দে।' গুণে আচৰিত হৈ মূৰ তুলি দেউতাকলৈ চালে। তেওঁ বেৰত আঁৰি থোৱা জোনাকীৰ অস্পষ্ট হৈ পৰা ফটোখন চাই হাতযোৰ কৰি কান্দি উঠিল। 'তোমাক দিয়া কথা মই ৰাখিব নোৱাৰিলো। জোনাকীক হেৰুৱাৰ ভয়ত অকণমানী জনীক সজাত আবদ্ধ কৰি পেলালো। ফটোখনৰ কাষৰ পৰা আঁতৰি গৈ তেওঁ চকুপানীখিনি মচি ল'লে। তেওঁ আজি আৰু দুৰ্বল হ'লে নহ'ব। গুণক সকলো কথা খুলি ক'বই লাগিব। দীঘল উশাহ টানি গুণৰ আগত তেওঁৰ জীৱনৰ সুঁতি সলাই পেলোৱা অতীতৰ স্মৃতিৰ পৃষ্ঠাবোৰ মেলি ধৰিলে।

মাজনী, তোৰ দেউতাৰ আচলতে তই ভৱাৰ দৰে ইমানো নিষ্ঠুৰ নহয়। তোক হেৰুৱাৰ ভয়ে আচলতে মোক হৃদয়হীন কৰি পেলালে। অগা-পিছাকৈ ৰুণ আৰু জোনাকীক হেৰুৱাই মই যেন নিঠৰুৱা হৈ পৰিছিলোঁ। যাৰ বাবে তোক এক মুহূৰ্তৰ বাবেও মোৰ চকুৰ আঁতৰ হ'বলৈ দিয়া নাছিলো, কিন্তু সেইখিনিতেই মই তোৰ জীৱনৰ লগত মাৰাত্মক অন্যায় কৰিলো। মোৰ ভয়-শংকাবোৰৰ বাবে তই যে ভিতৰি কষ্ট পাবি মই

ভাৱিবলৈও পাহৰি গৈছিলো। কেইবাটাও পাষণ্ডই যেতিয়া মোৰ মাত্ৰ দহ বছৰীয়া ফুল কুমলীয়া ছোৱালীক ধৰ্ষণ কৰি হত্যা কৰিছিল তেতিয়া তোৰ এই নিষ্ঠুৰ পিতৃৰ বুকু দহি গৈছিল অ' মাজনী। তোৰ গাত হাত তোলা এই দুখনেৰেই মই মোৰ ৰুণজনীৰ নিথৰ দেহটো চিতাত তুলি দিছিলো। চোতালত শোৱাই থোৱা তাইৰ নিস্তেজ দেহাটো দেখাৰ পিছত তোৰ মাৰেও মানসিক ভাৰসাম্য হেৰুৱাই মোক অকলশৰে এৰি গুচি গৈছিল।

চেপি ৰখা চকুপানীবোৰ লুকুৱাবলৈ অসমৰ্থ হোৱাত দেউতাকে হাতেৰে মুখখন ঢাকি উচুপি উঠিল। দেউতাকৰ মুখেৰে কাহানিও নুশুনা কথাবোৰ শুনি তাই বহাৰ পৰা একে কোবে উঠি দেউতাকৰ বুকুৰ মাজত সোমাই পৰিল। নিজৰ মন পছন্দৰ কামবোৰ কৰিবলৈ নিদিয়াৰ বাবে তাই এনেকুৱা এজন মানুহক দোষ দি আহিছিল। যিয়ে একমাত্ৰ তাইক হেৰুৱাৰ ভয়ত তাইৰে ঘৃণাৰ পাত্ৰ হৈছিল। নাই আৰু দেউতাকৰ অমান্য নহয় তাই। দেউতাকে তাই আৰু নপঢ়াটো বিচাৰিছে যেতিয়া তাইও উচ্চ শিক্ষাৰ সপোনবোৰ ইমানতে সমাপ্তি কৰিব।

দেউতাকক আৰু নপঢ়ো বুলি ক'বলৈ ধৰোতেই তাইৰ মূৰত হাত বুলাই দেউতাকে ক'লে এতিয়াও দেৰি হোৱা নাই মাজনী। কালিলৈ ওলাবি চাৰিআলিলৈ। ইউনিৰ্ফমৰ জোখটো দি আহিম। আকৰিৰ দৰে একো নুবুজি দেউতাকৰ মুখলৈ আচৰিত হৈ চোৱা গুণৰ চকুপানীখিনি মচি দি হাঁহি এটা মাৰি তেওঁ ক'লে 'কিয় নতুন কলেজত পঢ়িবলৈ মন নাই নাই নেকি!'

দেউতাকৰ কথা শুনি তাইৰ অনুভৱ হ'ল পৃথিৱীৰ এটাই ধ্ৰুৱসত্য সেইয়াই হ'ল দেউতাই ঈশ্বৰ আৰু ঈশ্বৰে কেতিয়াও ভুল কৰিব নোৱাৰে। ■

## অমৃত বাণী

তুমি ইংৰাজী ভালেই লিখা বা বেয়াই লিখা তাত ইংৰাজী ভাষাটোৰ একো আহে নাযায়। তুমি বা আন ইংৰাজী ভাষাত লিখাসকলে জাবৰ লিখিলেও ইংৰাজী ভাষাৰ মৰ্যাদা কোনো হীনডেঢ়ি নঘটে। কিন্তু আমি এটা কথা উপলব্ধি কৰা উচিত যে যিসকলে অসমীয়া ভাষাত অৰ্থাৎ আমাৰ মাতৃভাষাত লিখা পঢ়া কৰে, তেওঁলোকে যদি ভুল অসমীয়া লিখে তেতিয়া কিন্তু অসমীয়া ভাষাটোৰ প্ৰচুৰ ক্ষতি হ'ব।

— হীৰেন ভট্টাচাৰ্য

# প্ৰতিদান

**নিকুমণি লস্কৰ,** চতুৰ্থ ষাণ্মাসিক

আন দিনাতকৈ পলি সেইদিনা অলপ সোনকালেই শোৱাৰ পৰা উঠিল। সাৰ পায়ো বিছনাত এনেয়ে পৰি থকাটো তাইৰ অভ্যাস আছিল। সেইদিনা প্ৰায় পাঁচমান বজাতেই শোৱাৰ পৰা উঠিল। কাৰণ সেইদিনা পলিক চাবলৈ নগাঁওৰ পৰা ল'ৰা এজন অহাৰ কথা। পলিৰ ল'ৰাৰ আগত ওলাই ওলাই বিৰক্তি লগা হৈছে। কাৰোবাৰ পছন্দ নহয়, কাৰোবাৰ পছন্দ হ'লেও যৌতুক সম্পূৰ্ণ নিদিলে ছোৱালী নিনিয়ে। এইবোৰ আৰু পলিৰ কাৰণে অসহ্যকৰ হৈ পৰিছে। সেইবাবে সেইদিনা পলিয়ে মাকক কৈয়ে পেলালে 'মা, মই আৰু বিয়াত নবহো।' তাইৰ দুখৰ কথা ক'বলৈ মাকৰ বাহিৰে ঘৰখনত কোনো নাছিল। ভায়েক এটা আছিল যদিও সৰু আছিল। মাকৰ কথা পেলাব নোৱাৰি শেষ বাৰৰ বাবে ল'ৰাৰ আগত দেখা কৰাৰ সিদ্ধান্ত ল'লে। সেইদিনা পলিৰ মাক আৰু ভায়েকৰ আনন্দৰ সীমা নাই। হয়তো এইবাৰ পলিৰ বিয়া হ'ব। যথা সময়ত নগাঁৱৰ পৰা ল'ৰাটো আহিল। পলিয়ে চাহ-জলপান লৈ ল'ৰাৰ আগত অনিচ্ছা সত্বেও দেখা কৰিলে। ল'ৰাৰ মাক-দেউতাকে ছোৱালী পছন্দ কৰিলে আৰু ঘৰৰ পৰিয়ালৰ সৈতে আলোচনা কৰি পাছত খবৰ দিম বুলি কৈ গুচি গ'ল। পলিৰ মাক আৰু ভায়েকৰ আনন্দৰ সীমা নাই। পছন্দ হৈছে যেতিয়া এইবাৰ তাইৰ বিয়া হ'বই। পলিয়ে কিন্তু ভালদৰে বুজিছিল। এইবাৰো যে তাইৰ বিয়া নহয়। পলিৰ আজি তিনিবছৰে অভিজ্ঞতা হৈ গৈছে কোন কেনেকুৱা। কেইদিনমানৰ পিছত খবৰ আহিল যদি ছোৱালীৰ লগত পঞ্চাশ হাজাৰ টকা যৌতুক হিচাপে দিয়ে তেতিয়াহে ছোৱালী বিয়া কৰাব। কিন্তু পলিহঁতৰ ঘৰখনৰ দৰে মানুহে ইমান টকা গোটাব নোৱাৰে আৰু টকাৰ বিনিময়ত বিয়া হৈ যোৱাৰ ইচ্ছা একেবাৰেই নাই পলিৰ। কথাবোৰ শুনি পলিহঁতৰ ঘৰখনত হঠাতে আনন্দ নোহোৱা হৈ পৰিল। পলিৰ মাকে চাৰিওফালে মাথো অন্ধকাৰ দেখিলে।

পলিক ঘৰত বিয়াৰ কথা ক'লে পিছলৈ তাই জ্বলি পকি উঠা হ'ল। এদিন খঙতে মাকক পলিয়ে কৈয়ে দিলে- 'মা মোক আৰু বিয়া হোৱাৰ কথা তুমি কোনো দিনেই নক'বা। মইতো বজাৰৰ দোকানত সজাই থোৱা বস্তু নহয় যে মোক লৈ কোনোবাই দৰ-দাম কৰিব আৰু দামে দৰে মিলিলে কিনি লৈ যাব'। দুখবোৰ মাকে বুজিব পাৰিলে। কিন্তু কৰিবনো কি? তাইৰ ভাগ্যত হয়তো সেয়াই লিখা আছে। দিনে দিনে মাকৰো বয়স হৈ আহিল। লোকৰ ঘৰত কাম কৰিবলৈ যাব নোৱাৰা হ'ল। টিউচন কৰি পোৱা টকা আৰু কাপোৰ চিলাই পোৱা টকাকেইটাৰে ভায়েকৰ পঢ়াৰ ব্যৱস্থা কৰিলে পলিয়ে। ভায়েকে ভালদৰেই মেট্ৰিক পাছ কৰিলে। মেট্ৰিক পাছ কৰাৰ পিছত ভায়েকক পলিয়ে বিজ্ঞান শাখাত নাম লগাই দিলে। সকলোকে আচৰিত কৰি এদিন উচ্চতৰ মাধ্যমিক পৰীক্ষাত দ্বিতীয় হৈ উত্তীৰ্ণ হ'ল। পলি আৰু মাকৰ আনন্দৰ সীমা নাই। পলিৰ সপোন হয়তো এদিন বাস্তৱত পৰিণত হ'ব। তাই ভায়েকক ডাক্তৰ পঢ়োৱাৰ সিদ্ধান্ত কৰিলে। ভায়েকৰো ডাক্তৰ পঢ়াৰ তীব্ৰ হেপাহ আছিল। সাধাৰণ কেইটামান টিউচন আৰু কাপোৰ চিলাই কৰি পোৱা টকাৰে ভায়েকক পঢ়োৱা আৰু ঘৰখন চলোৱা তাইৰ বাবে কঠিন হৈ পৰিল। ওচৰতে থকা খেতি মাটিখিনি বিক্ৰী কৰি হ'লেও তাই ভায়েকলৈ প্ৰয়োজনীয় টকা পঠাই থাকিল।

এদিন পলিৰ মাকো অসুস্থ হৈ পৰিল। পুতেকক চাবৰ বাবে মাক আকুল হৈ পৰিল। পলিয়ে ভায়েকলৈ মাকৰ অসুখৰ খবৰটো চিঠিৰ জৰিয়তে দিলে আৰু মাকক চাবৰ বাবে আহিবলৈ ক'লে। ভায়েকৰ সেই সময়ত পৰীক্ষা চলি থকাৰ বাবে আহিব নোৱাৰিলে। এদিন পলিক এৰি মাকে চকু মুদিলে। পলি একেবাৰে অকলশৰীয়া হৈ পৰিল। একমাত্ৰ ভায়েকটোৰ বাহিৰে এই পৃথিৱীত তাইৰ আপোন বুলিবলৈ কোনোৱেই নাই। ভায়েকে ডাক্তৰ হৈ ওলাই গুৱাহাটীতে প্ৰতিষ্ঠিত হ'ল। ভায়েক ব্যস্ত হৈ পৰিল। বায়েকে মাথো ভায়েক ঘূৰি অহালৈকে অপেক্ষা কৰি

আছিল। এদিন ভায়েকৰ চিঠি আহিল। চিঠিখন পায়েই পলি আনন্দত আত্মহাৰা হৈ উঠিল। কিমান দিনৰ মূৰত যে ভায়েকৰ খবৰ আহিছে। খৰধৰকৈ পলিয়ে চিঠিখন খুলি পঢ়িলে। কিন্তু চিঠিখনত লিখা আছিল বা, মই মাৰ মৃত্যুৰ খবৰ পায়ো যাব নোৱাৰিলো তই বেয়া নাপাবি। অহা মাহত মোৰ বিয়া ঠিক কৰিছো। ঘৰলৈ হয়তো আৰু ঘূৰি যাব নোৱাৰিম। ইয়াতে স্থায়ীভাৱে বাস কৰিম। তইতো মই থকা ঠাইখিনি চিনি পাবই। বিয়ালৈ এবাৰ আহিবি। অহা মাহৰ ২৮ তাৰিখে। সময় মোৰ হাতত একেবাৰেই কম। ঘৰলৈ যাব নোৱাৰাৰ বাবে বেয়া নাপাবি।

পলিয়ে চিঠিখন পঢ়াৰ পাছতে পাগলৰ দৰে কান্দিবলৈ ধৰিলে। যিটো ভায়েকৰ কাৰণে তাই জীৱনৰ সকলো সুখ ত্যাগ কৰিছিল, সেইটো ভায়েকে তাইক প্ৰতিদান হিচাপে কি দিলে? তাইৰ সমস্ত সপোন ভাঙি-ছিঙি চুৰমাৰ কৰি দিলে। তাইক দিলে মাথো দুখ আৰু বেদনা। হঠাৎ পুব আকাশৰ সূৰ্যৰ ৰাঙলী কিৰণ পশ্চিম আকাশত বুৰ গৈ পৃথিবীৰ বুকুলৈ ঘন অন্ধকাৰ নামি আহিল। পলিৰ চাৰিওফালে মাথো অন্ধকাৰ। সকলোতে কেৱল অন্ধকাৰ। নাই পোহৰৰ ৰেঙণি, নাই আশাৰ ৰেঙণি। ■

## নীতিজ্ঞান

প্ৰাৰ্থনা কৰাৰ আগতে - বিশ্বাস কৰা
কথা কোৱাৰ আগতে - শুনা
খৰচ কৰাৰ আগতে - উপাৰ্জন কৰা
লিখাৰ আগতে - চিন্তা কৰা
হাৰ মনাৰ আগতে চেষ্টা কৰা
মৃত্যুৰ আগতে ভালদৰে জীয়াই থকা।

xxx xxx

লালয়েৎ পঞ্চ বৰ্ষাণি/দশ বৰ্ষাণি তাপয়েৎ
প্ৰাপ্তেত ষোৰষে বৰ্ষে/পুত্ৰং মিত্ৰৱৎ আচৰেৎ
অৰ্থাৎ
শিশুক পাঁচ বছৰ পৰ্যন্ত মৰম-চেনেহৰ মাজত ৰাখিব লাগে। পাঁচৰ পৰা দহ বছৰ পৰ্যন্ত শাসনৰ বাঘজৰীডাল কটকটীয়া কৰিব লাগে আৰু সন্তানে ষোল্ল বছৰ প্ৰাপ্তিৰ পাছত নিজ বন্ধুৰ দৰে জ্ঞান কৰিব লাগে।

সংগ্ৰাহক ঃ কিব্ৰিয়া আহমেদ, পঞ্চম ষাণ্মাসিক

# কাল ধুমুহা

**মামুন লস্কৰ, ষষ্ঠ ষাণ্মাসিক**

গুৰুম্ গুৰুম্ শব্দ। কাৰো মাত বোল নাই একো নুশুনি। অন্ধকাৰ সকলো ফালে অন্ধকাৰ। মাজে মাজে পশ্চিম ফালে আকাশখন বিজুলীৰ পোহৰত একোবাৰ ৰঙা হৈ উঠে আকৌ অন্ধকাৰ হৈ পৰে। বতাহ জাক পুব দিশৰ পৰা মাৰিছে, মানুহ উৰাই নিয়া যেন অৱস্থা। ৰাস্তা-ঘাটত সকলো জনশূন্য।

দূৰণিত এটি জুপুৰীৰ ঘৰ। ঘৰটো বিজুলীৰ পোহৰত এক মুহূৰ্তৰ বাবে জিলিকি উঠে আকৌ আন্ধাৰত বিলীন হয়। ঘৰটোৰ বেৰবোৰ বাঁহৰ। বাহিৰৰ পৰাই সকলো দেখি। ঘৰটোৰ ভিতৰত এটি কেৰাচিন তেলৰ চাকি। চাকিটো বতাহত নুমাও নুমাও অৱস্থা। মণিয়ে মুনক সাৱটি ধৰিছে, মুনে চিঞৰি চিঞৰি কান্দিবলৈ ধৰিছে।

জয়পুৰৰ এখন সৰু গাঁও। গাঁওখনৰ প্ৰায়বোৰ মানুহেই মধ্যবিত্ত। পূৰ্ণিমা এজনী বিধৱা তিৰোতা। বিয়াৰ ছয় বছৰৰ পিছতে দুটি সন্তানৰ পিতৃ পূৰ্ণিমাৰ স্বামীয়ে এক অচিন বেমাৰত চিৰ দিনৰ কাৰণে এই সংসাৰ ত্যাগ কৰিলে। সেইদিন ধৰি সিহঁতৰ সন্তান মণি আৰু মুনক আশাৰ সম্বল হিচাপে বুকুত বান্ধি লোকৰ ঘৰত দিন হাজিৰা কৰি পূৰ্ণিমা কোনোমতে জীয়াই আছে। বৰ্তমান মণি বাৰ বছৰীয়া আৰু মুন ছয় বছৰীয়া।

বিহুলৈ মাজত মাত্ৰ দুদিনহে বাকী। আনৰ ঘৰত এসপ্তাহ দিন হাজিৰা কৰি পোৱা টকাকেইটা লৈ পূৰ্ণিমা আহি ল'ৰা-ছোৱালী দুটাৰ বিহুৰ কাপোৰ কিনাৰ উদ্দেশ্যে ৰাতিপুৱাই বজাৰলৈ বুলি ওলাই গৈছিল। কিন্তু এতিয়া নিশা প্ৰায় ন বাজিবৰ হ'ল, পূৰ্ণিমা এতিয়াও ঘূৰি অহা নাই। মণিৰ এটাই চিন্তা ইমান বতাহ বৰষুণত মাক ক'ত বা আছে? বতাহ বৰষুণ লাহে লাহে কমিবলৈ ধৰিলে। ৰাতি বাৰ বাজিবৰ হ'ল এতিয়াও মাক ঘূৰি অহা নাই। এনেদৰে থাকোতেই সিহঁতৰ টোপনি আহিল।

পুৱা ছয় মান বাজিছে। কোনোবাই দুৱাৰত শব্দ কৰাতহে মণি আৰু মুনে সাৰ পালে। মাক আহিছে বুলি তাই লৰা-লৰিকৈ দুৱাৰখন খুলিবলৈ বুলি দৌৰি গ'ল। দুৱাৰখন খুলি তাই চিঞৰি উঠিল 'মা'.....। এটি ৰক্তাক্ত মৃতদেহ লৈ চাৰিজন মানুহ। যোৱাকালি বজাৰত কোনোবা উগ্ৰপন্থী সংগঠনে দিয়া বোমা বিস্ফোৰণত মাকৰ মৃত্যু হৈছে। মণিৰ উশাহ-নিশাহ বন্ধ হৈ গ'ল। এজাক প্ৰচণ্ড ধুমুহাই তাইৰ সৰ্ব শৰীৰ কোবাবলৈ ধৰিলে। এই ধুমুহাজাক যোৱাকালিৰ ধুমুহা জাকতকৈও ভয়ংকৰ। মাকৰ নিৰ্বাক নিথৰ শৰীৰটোক তাই জোৰেৰে সাৱটি ধৰিলে। মুনে মাকৰ মাটিত পৰি থকা মৃতদেহটোৰ ফালে কেৱল চাই থাকিল।■

## অমৃত বাণী

জীয়াই থাকিবা বেছিদিন, আপত্তি কৰিবা কমকৈ। হাঁহিবা বেছিকৈ, দুখ-চিন্তা কৰিবা কমকৈ। ঘৃণা কৰিবা কমকৈ, ঈশ্বৰৰ আশীৰ্বাদ বিচাৰিবা বেছিকৈ।

*— পীটাৰ জি জেমৃছ ছিনক্ৰেয়াৰ*

# এমুঠি জোনাকৰ সন্ধানত

**দেৱশ্ৰী শইকীয়া**, চতুৰ্থ যাণ্মাসিক

চোতালত মূঢ়া এটাত বহি লৈ প্ৰজ্ঞানে স্কুলত তাৰ লগৰ ল'ৰাবোৰে কৰা ধমকি, ঠাট্টা-মস্কৰাবোৰৰ কথাকে ভাবি আছে। প্ৰজ্ঞান দাল-দৰিদ্ৰ, দিন হাজিৰা কৰি পেট প্ৰৱৰ্তোৱা ৰাধাপুৰ গাঁৱৰ মহেন্দ্ৰ বৰাৰ পুত্ৰ। এইবাৰ সি দশম শ্ৰেণীত। ভনীয়েক ৰিমি সপ্তম শ্ৰেণীত পঢ়ে। তাৰ সহপাঠীবোৰৰ প্ৰায় সকলোৱে আৰ্থিকভাৱে তাতকৈ উন্নত। দুখীয়া দেউতাকে তাৰ লগৰীয়াবোৰৰ দৰে জিনছ্ পেণ্ট, চাৰ্ট, চাইকেল আদি কিনি দিব পৰা নাই। সেইবুলি পঢ়াশুনাৰ বাবে প্ৰয়োজনীয় সকলো বস্তুৰেই দেউতাকে দুয়োজন ল'ৰা-ছোৱালীকে দিবলৈ চেষ্টাৰ ক্ৰুটি কৰা নাই। দিনটো হাড় ভঙা পৰিশ্ৰম কৰি মজুৰি হিচাপে পোৱা এশ টকা ঘৰৰ খৰচ-পাতি কৰাৰ পাছত দুই এপইছা যি ৰাহি হয় তাৰেই পঢ়া সজুঁলিবোৰৰ যোগান ধৰে। কাম নাপালে কেতিয়াবা লঘোনে থাকে। স্কুলত তাৰ আপোন বন্ধু এজনো নাই। দুখীয়া ঘৰৰ লেতেৰা ল'ৰা বুলি সকলো তাৰ পৰা আঁতৰি থাকে। হাৱাই চেণ্ডেল আৰু টাপলি মৰা চোলা পিন্ধে বুলি প্ৰজ্ঞানক সকলোৱে জোকায়। প্ৰথমে প্ৰজ্ঞানৰ বৰ দুখ লাগিছিল। আজিকালি পিছে তাৰ দুখ নালাগে। সি বুজে সিহঁতৰ অৱস্থাটোৰ কথা। সেইবাবে সি কষ্টেৰে পঢ়িছে। স্কুলত ছাৰ-মেম সকলেও তাৰ মেধা শক্তিক উৎসাহ যোগায়। পশ্চিম আকাশত বেলি লহিয়াইছিল। মাকে তাক টকা পঞ্চাশটা দি কেৰাচিন, তেল, চাউল আলুকেইটামান আনিবলৈ দোকানলৈ পঠিয়াইছে।

দোকানত বৰ ভিৰ। ভিৰ কমালে বাট চাই সি কাষৰ বেঞ্চ এখনতে বহিল। ইতিমধ্যে সন্ধিয়া হওঁ হওঁ হৈছে। মাকে দিয়া পঞ্চাশ টকা পকেটত আছে। সি টকা কেইটা এবাৰ চুই চালে। দোকানত ভিৰ কমিল। সি কেৰাচিন, তেল, আলু কেইটামান আৰু চাউল এক কেজি ল'লে। তিনি টকা ৰাহি হৈছিল তাৰে সি ৰিফিল এডাল কিনি কোবা-কোবিকৈ ঘৰলৈ ঘূৰিল। ঘৰখন চাগে আন্ধাৰত ডুব গৈ আছে। চাকি জ্বলাবলৈ তেল এটুপিও নাই। বাটত যাওঁতে সি ভাবি গ'ল। নঙলামুখতে মাক বৈ আছিল। মাকক বস্তু কেইটা দি সি নদীত মুখ-হাত কেইটা ধুই ল'লে। দেউতাক চোতালতে বহি আছে। মাকে চাকি দুটাত তেল ভৰাই এটা টেবুলত থৈ আনটো পাকঘৰলৈ লৈ গ'ল। প্ৰজ্ঞানে টেবুলৰ কাষত বহি একান্ত মনে পঢ়িবলৈ ধৰিলে।

ভাত খাই প্ৰজ্ঞান বিছনাত উঠিল। বাঁহৰ দুৱাৰখনত ডাংডাল লগাই দেউতাকো শুলে। দেউতাকে খুব কম কথা কয়। বৰ ঠাণ্ডা মানুহ। চাকিটোত ফু মাৰি মাক বিছনাত উঠিল। প্ৰজ্ঞানে মাকক বৰ ভাল পায়। সি স্কুলত লগৰবোৰে কোৱা কথাবোৰ মাকৰ আগত ক'লে। মাকে তাক বুজালে, 'তুমি ভালদৰে পঢ়ি ভাল মানুহ হ'বলৈ যত্ন কৰা। দেখিবা, ভাল মানুহে সদায় ভাল বন্ধু পায়।' লগৰবোৰে ঠাট্টা- মস্কৰা কৰিলে প্ৰজ্ঞানৰ বৰ বেয়া লাগে। অন্তৰত শোকে খুন্দা মাৰি ধৰে। সি সকলোকে বন্ধু বুলি ল'ব বিচাৰে। কিন্তু কোনেও তাক বন্ধু বুলি গণ্যই নকৰে। আনকি তাৰ লগত বহা ৰামুহঁতেও নকৰে। বহু ৰাতি হ'ল। প্ৰজ্ঞানে এইবাৰ শোৱা পাটিতে ভাৱিলে যে সি ভালকৈ পঢ়িব। নালাগে তাক কোনেও বন্ধু বুলি ল'ব। মাকেতো কৈছেই ভাল মানুহে সদায় ভাল বন্ধু পায় বুলি। সি পঢ়ি-শুনি ভাল মানুহ হ'বলৈ চেষ্টা কৰিব। কিতাপক তাৰ অন্তৰংগ বন্ধু বুলি ল'ব। কথাবোৰ ভাৱি সি নিজকে সান্ত্বনা দিলে। মনটো ফৰকাল লাগিল। ইতিমধ্যে জোনটোৱে ডাৱৰৰ মাজৰ পৰা ওলাই আহি ধৰাখনি জোনাকেৰে ভৰাই তুলিলে। ■

# টেলিফোন

**শংকৰজ্যোতি বৰুৱা**, দ্বিতীয় যাণ্মাসিক

আজি এপ্ৰিল মাহৰ ২৬ তাৰিখ। এই চহৰৰ বিখ্যাত ব্যৱসায়ী বিপুল ৰাজখোৱা এই চহৰত বাস কৰা বাৰ বছৰ হ'ল। বিপুল ৰাজখোৱাৰ পৰিবাৰৰ নাম অমৃতা গগৈ ৰাজখোৱা। তেওঁলোকৰ পুত্ৰ অভিনৱ ৰাজখোৱা বৰ্তমান দিল্লী বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণৰত আৰু জীয়েক শ্যামলিমা বৰ্তমান গুৱাহাটীৰে এখন বিখ্যাত বিদ্যালয়ৰ ছাত্ৰী। শ্যামলিমা হোষ্টেলৰ ছাত্ৰী। ঘৰত তিনিজন কৰ্মচাৰীৰে দুয়ো থাকে। দুয়োৰে তেওঁলোকৰ সন্তানে যি বিচাৰিছে তাকে দিছে। মুঠতে ৰাজখোৱাৰ পৰিয়ালটো সুখী পৰিয়াল।

বিপুল ৰাজখোৱাদেৱৰ সম্পত্তি অজস্ৰ— ছয়খনকৈ চাহ বাগিছা, দুখন বিলাসী ৰেষ্টুৰেণ্ট, দুটা ইটা ভাটা আৰু এখন বৃহৎ মটৰ পাৰ্টছৰ দোকান। এইবোৰৰ দৰে বৃহৎ সম্পত্তিৰ মালিক যদিও তেওঁৰ কোনো অহংকাৰ নাই। এই ক্ষেত্ৰত পিছে তেওঁৰ পত্নী আৰু জীয়েক পৃথক। ৰাজখোৱাই দান দি ভাল পায়, কিন্তু তেওঁৰ এই স্বভাৱৰ বাবে পত্নীয়ে তেওঁক ভাল নাপায়। সেয়ে ৰাজখোৱাই মাজে মাজে শোৱা পাটিত পত্নীক বুজায় 'দান কৰিলে মান বাঢ়ে।' তথাপিও পত্নীয়ে তেওঁৰ কথাৰ প্ৰতি গুৰুত্ব নিদিয়ে। পত্নী অমৃতাই নিজ প্ৰসাধন সামগ্ৰী, বিলাসী সামগ্ৰী আদি কিনি টকা খৰচ কৰে। তদুপৰি ৰাজখোৱাৰ হৃদয়ত থকা মানৱীয় গুণখিনি তেওঁৰ পত্নীৰ ক্ষেত্ৰত অভাৱ থকা দেখা যায়। অমৃতাক চাহ সময়মতে নিদিলে, ঘৰত সজোৱা বস্তুবোৰ তেওঁৰ মতে একেদৰে নাপালে তেওঁৰ খং একেবাৰে চুলিৰ আগ পায়। মাজতে জাপি এটা হাতৰ পৰা পিছলি পৰোতে কাম কৰা ল'ৰা মোহনক যিদৰে ককৰ্থনা কৰিলে, লগতে কাঁচৰ গিলাছ মাৰি তাৰ মূৰৰ পৰা তেজ উলিয়াইহে শান্তি পাইছিল। দিনক দিনে সম্পত্তি যিমানে বাঢ়িছে তেওঁৰ পৰিয়ালৰ দৰ্পও বাঢ়ি গৈ আছে।

এদিন হঠাৎ ক্ৰিং ক্ৰিং কৈ টেলিফোনটো বাজি উঠিল। পিছে কোনেও উঠোৱা নাই। অমৃতা শুই আছে। বিপুল অফিচ গ'ল। বাকী কাম কৰা বিলাকে নিজ কাম কৰিছে। আকৌ এবাৰ টেলিফোনটো বাজিল। এইবাৰ পিছে অমৃতাই ফোনটো ৰিছিভ কৰিলে। বিপৰীত দিশৰ পৰা পুৰুষ কণ্ঠত ক'লে, 'আপ অভিনৱ কী মা হ্যাঙ্গ' অমৃতাই ক'লে- 'হয়, পিছে আপুনি কোন?' বিপৰীত দিশৰ পৰা কণ্ঠত ভাহি আহিল, 'ম্যে ইন্সপেকটৰ দলবীৰ চৌহান হ্যো। আপকা লৰকা কা মৌত হো গয়া হ্যে' অমৃতা কিছুসময়ৰ বাবে নিথৰ হৈ ৰ'ল। পিছত কাম কৰা ল'ৰা মোহনে জোকাৰি দিয়াত জড়তা ভাগিল। তেওঁ পুনৰ ইন্সপেকটৰজনক সুধিলে পুত্ৰৰ বিষয়ে। তেতিয়া প্ৰত্যুত্তৰত ক'লে, 'আপকা বেটা ড্ৰাগছ এডিকটেড থা ঔৰ ইচী কে কাৰণ এইড্‌ছ হোকৰ উছকা মত হো গয়া' এইবুলি কৈ তেওঁ ফোন থ'লে।

এই কথা শুনিয়েই অমৃতাই নিজৰ মানসিক ভাৰসাম্য একেবাৰে হেৰুৱাই পেলালে। অনবৰত পুত্ৰৰ কথা ক'বলৈ ধৰিলে। অফিচৰ পৰা আহি বিপুলে অমৃতা, অমৃতা বুলি চিঞৰিবলৈ ধৰিলে। পিছে ভিতৰত অমৃতাৰ অৱস্থা দেখি তেওঁক তৎক্ষণাত হাস্পতালত ভৰ্তি কৰিলে। যদিও চিকিৎসা ফলৱৰ্তী নহ'ল। আৰু ডাক্তৰে অমৃতাই মানসিক ভাৰসাম্য হেৰুৱাইছে বুলি কোৱাৰ লগে লগে তেওঁৰ মূৰৰ ওপৰত আকাশ খহি পৰিল।

বছৰ পাৰ হৈ গৈ আছে। অমৃতা আৰু বিপুল অকলশৰীয়া হৈ পৰিছে। অমৃতাক পুনৰ সুস্থ কৰাৰ আশাতে তেওঁৰ সকলো সম্পত্তি বিক্ৰী হ'ল। কিন্তু তথাপিও অমৃতা সুস্থ হৈ নুঠিল। আনহাতে একমাত্ৰ জীয়ৰী শ্যামলিমা সুদূৰ আমেৰিকাবাসী জৰ্জ হেনৰিৰ লগত বিবাহ পাশত আবদ্ধ হ'ল। আৰু দুয়ো এতিয়া আমেৰিকাবাসী।

বিপুল মদাহী হৈ পৰিল, যি বিপুলে তামোল অকনো খোৱা নাছিল। এদিন সন্ধ্যা ফোন বাজিল, কাম কৰা ল'ৰা মোহনে ফোনটো উঠালে ফোনত কথাবোৰ পাতি হোৱাৰ পিছত সি ঘৰত তলা মাৰি তৎক্ষণাত ওলাই গ'ল। এটা গেলা নলাৰ পৰা বিপুলৰ মৃতদেহটো আনিলে আৰু সিয়েই সৎকাৰৰ ব্যৱস্থা কৰিলে। দেউতাকৰ শ্ৰাদ্ধলৈও আহিবলৈ শ্যামলিমাৰ সময় নহ'ল।

এতিয়া এসময়ত অমৃতাই অত্যাচাৰ কৰা, কাম কৰা ল'ৰা মোহনহে তেওঁৰ আপোন হৈ পৰিল। ■

# ৰঙীন মুখত ক'লা দাগ

**মনোৰঞ্জন পাটৰ,** ষষ্ঠ যাণ্মাসিক

চাৰিটি পৰিয়ালেৰে এখন সুন্দৰ ঘৰ। মনোজ আৰু স্বপ্নাৰ এটি সন্তান আৰু বুঢ়ী মাকৰ সৈতে হাঁহি ধেমালিৰে দিনবোৰ পাৰ হৈ যাবলৈ ধৰিলে। আজিৰ পৰা প্ৰায় এবছৰ মানৰ আগতে দেউতাকে এই সংসাৰৰ পৰা বিদায় মাগিছিল। সেইবাবে সিহঁত চাৰিটিয়ে এতিয়া পৰিয়ালটিৰ সদস্য।

মনোজৰ ল'ৰা নীলিমে এইবাৰ শংকৰদেৱ বিদ্যানিকেতনৰ তৃতীয় শ্ৰেণীলৈ উত্তীৰ্ণ হৈছে। নীলিম পঢ়া-শুনাৰ লগতে অন্য দিশতো সমানে পাৰদৰ্শী হোৱাৰ বাবে তেওঁক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলেও বৰকৈ মৰম কৰে।

মনোজে এতিয়া আগৰ দৰে বৰকৈ আহৰি নাপায়। সি আজি কিছুদিনৰ পৰা ওচৰৰে মানুহ এঘৰত গাড়ী চলায়। সেইবাবে কেতিয়াবা কেতিয়াবা ৰাতি ন-দহ বজাতহে ঘৰ পায়হি। আৰু আহিয়েই পোনতে নীলিমৰ কথা সোধে, তাৰ পিচতহে বাকীবোৰ প্ৰাণীৰ কথা। একেবোৰ কথা প্ৰত্যেক দিনা সোধাৰ বাবে কেতিয়াবা কেতিয়াবা স্বপ্নাৰ খঙটো চুলিৰ আগ পায়গৈ কিন্তু স্বপ্নাই খঙটো প্ৰকাশ নকৰি কথাৰ প্ৰতি কথাটো কৈ যায়।

আজি নীলিমহঁতৰ বিদ্যালয়ত বাৰ্ষিক সমাৰোহৰ বঁটা বিতৰণী সভাৰ আয়োজন কৰিছে আৰু এই সভাত নীলিমহঁতৰ দৰে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্য কৰি বক্তৃতা ৰাখিছে, উপদেশ দিছে আৰু অন্য ছাত্ৰ-ছাত্ৰীসকলকো নীলিমহঁতৰ দৰে হ'বলৈ কৈছে।

অন্য দিনাৰ তুলনাত মনোজে আজি অলপ সোনকালে ঘৰ পালেহি। চোতাল পায়ে সি নীলিমক মাত লগালে 'সোণ' চোতালত দেউতাকৰ মাত শুনি ভিতৰত আইতাকৰ সৈতে কথা পাতি থকাৰ পৰা একে দৌৰে চোতাল পালেহি। আহিয়ে তেওঁলোকৰ বিদ্যালয়ত হোৱা সভা আৰু সেই সভাত তেওঁলোকক কৰা প্ৰশংসা, তেওঁ লাভ কৰা পুৰস্কাৰ আদি সকলো কথা কৈ গ'ল। দেউতাকে মৰমতে নীলিমক দুগালে দুচুমা দি, মিঠাইৰ টোপোলাটো তাৰ হাতত দি দুয়ো ভিতৰলৈ সোমাই গ'ল। সঁচাকৈয়ে তেওঁলোকৰ পৰিয়ালটো আজি বৰকৈ আনন্দিত। তেওঁলোকে ভাৱিছে নীলিমেই হয়তো তেওঁলোকক উচ্চ শিখৰলৈ লৈ যাব। আৰু এনেদৰে তেওঁলোকে নীলিমক লৈ বহুতো ৰঙীন সপোন দেখা পাইছিল। মনোজ আৰু স্বপ্নাই আলোচনা কৰি নীলিমৰ বাবে কিছু টকা ৰখাৰ ব্যৱস্থা কৰিছিল যাতে নীলিমে এই স্কুলখনৰ পৰা উত্তীৰ্ণ হোৱাৰ পাছত অন্য এখন ভাল স্কুলত নাম ভৰ্ত্তি কৰি দিব পৰা যায়।

অন্য দিনাৰ দৰে আজিও আবেলি পৰত নীলিমে আইতাকৰ সৈতে পদুলিৰ মুখতে ক্ৰিকেট খেলি আছিল। আগতে এই ৰাস্তাটোৰে বৰকৈ যান-বাহন অহা-যোৱা নকৰিছিল। কিন্তু ৰাস্তাটো পকী হোৱাৰ পৰা বৰকৈ যান-বাহন চলিছে সেইবাবে আইতাকে নীলিমক অকলে খেলিব নিদি তাৰ লগতে নিজেও থাকে। এনেদৰে দুয়ো খেলি আছিল। এবাৰ হঠাতে বলটো ৰাস্তাৰ মাজ পালেগৈ। আইতাকে কিবা এটা কোৱাৰ আগতে নীলিমো সেই ঠাই পালেগৈ আৰু বিপৰীত দিশৰ পৰা অহা এখন তীব্ৰ বেগী বাহনে নীলিমক খুন্দিওৱাত নীলিম চিতিকি পৰিল। আইতাকে দৃশ্যটো দেখি হতভম্ব হ'ল আৰু কি কৰোঁ কি নকৰোঁ কৈ 'সোণ', 'সোণ' বুলি চিঞৰিবলৈ ধৰিলে। স্বপ্নায়ো কি হ'ল বুলি উধাতু খাই ভিতৰৰ পৰা দৌৰি অহাৰ দৰে ওলাই আহিল। আহিয়ে আইতাকক ৰাস্তাৰ মাজভাগত দেখা পাই স্বপ্না পাগল হৈ পৰিল আৰু আইতাকৰ কোলাৰ পৰা প্ৰায় আজুৰি অনাৰ দৰে নীলিমক নিজৰ বুকুৰ মাজত সাৱতি ধৰি হিয়া ভাঙি কান্দিবলৈ ধৰিলে। অলপ সময়ৰ ভিতৰতে ঠাইডোখৰ মানুহেৰে ভৰি পৰিল। বেলিটিও ডুবু ডুবু হৈ পৰিল ৰঙীন বেলিটিও যেন সম্পূৰ্ণ ঘটনাটো চাই বিষাদ ভৰা এটি মন লৈ ক'লা মেঘৰ বুকুলৈ বুলি সেউজীয়া ধৰাৰ পৰা বিদায় মাগিলে। ■

# উপলব্ধি

**প্ৰতীক্ষা ভট্টাচাৰ্য,** ষষ্ঠ যাণ্মাসিক

মহেন্দ্ৰ বৰুৱা বকুলপুৰ গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ এজন আদৰ্শৱান শিক্ষক। যিয়ে তেওঁৰ নীতি আদৰ্শৰ কাৰণে এজন আদৰ্শৱান ব্যক্তিৰূপে গাঁওখনত নিজৰ নাম ৰাখিছিল। তেওঁ নিজৰ সন্তানক নিজস্ব নীতি-আদৰ্শৰে সৰুৰে পৰা গঢ় দি আহিছে। ৰিকি এইবাৰ বকুলপুৰ হাইস্কুলৰ দশম শ্ৰেণীৰ ছাত্ৰ আৰু মিনিও সেই স্কুলৰে অষ্টম শ্ৰেণীৰ ছাত্ৰী। সকলো ঠিকেই চলি আছিল। মাক-দেউতাকৰ নিৰীক্ষণত তথা নিজৰ কষ্টৰ জৰিয়তে ৰিকিয়ে 'ষ্টাৰ' নম্বৰ লৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাত এটা সুন্দৰ ফলাফল কৰিলে। ঘৰখনৰ লগতে তাৰ গাঁওখনৰো এক সুনাম কঢ়িয়াই আনিলে। মাক-দেউতাকে সকলোকে ক'বলৈ ল'লে যে তেওঁলোকৰ দিন-ৰাতিৰ কষ্টক সি সাৰ্থক কৰি দেখুৱালে আৰু মিনিকো ককায়েকৰ দৰে ভাল হ'বলৈ বুলি সকলোৱে উৎসাহিত কৰিলে। লাহে লাহে দিন বাগৰি আহিল। শিক্ষক বৰুৱাই ৰিকিক চহৰৰ এখন মহাবিদ্যালয়ত নাম ভৰ্ত্তি কৰাই দিলে। ৰিকিয়েও মনত বহুত সপোন লৈ এই নতুন পৰিৱেশত খোজ দিলে।

কিন্তু এই নতুন পৰিৱৰ্তন যেন ৰিকিৰ পক্ষে সুবিধাজনক নহয়। সি নিজৰ সপোনবোৰ যেন পাহৰি আন আন ডাঙৰ ঘৰৰ 'জীৱনৰ বাট হেৰুৱা' লগৰীয়াৰ লগত নিজৰ জীৱনটো ঢালি দিলে। সি লাহে লাহে দেউতাকৰ নীতি-আদৰ্শবোৰ পাহৰি কলেজ খতি কৰাৰ লগতে বিভিন্ন অগতানুগতিক কামত নিজকে নিয়োজিত কৰিবলৈ ল'লে। মাদক দ্ৰব্য সেৱনৰ পৰা আৰম্ভ কৰি অসামাজিক কামৰ ফালেও তাৰ মনটো ঢাল খালে। সি আগৰ দৰে যে হৈ থকা নাই সেই কথা মাক-দেউতাকে তাৰ আচৰণৰ পৰা উপলব্ধি কৰিলে। সি মাক-দেউতাকৰ কথা নুশুনা হ'ল। ধনী ঘৰৰ ল'ৰাবোৰৰ দৰে মাক-দেউতাকক বিভিন্ন বস্তুৰ কাৰণে লাগি থকা হ'ল। কিন্তু মধ্যবিত্ত শ্ৰেণীৰ মহেন্দ্ৰ বৰুৱাৰ বৰ বেছি ধন-সম্পত্তি নাছিল। তেওঁ গাঁৱত শিক্ষকতা কৰিয়েই তেওঁৰ সংসাৰখন নিয়াৰীকৈ চলাই নিছিল। কিন্তু বৰুৱাৰ সুখৰ সংসাৰখনত যেন ক'ৰবাত আউল লাগি গ'ল।

ৰিকিৰ আবদাৰবোৰ দিনক দিনে বাঢ়ি গ'ল। সি যেন একোৱেই বুজি নোপোৱা হ'ল। সি দেউতাকক এখন দামী বাইকৰ বাবে বহুত অশান্তি কৰিলে। দেউতাকেও অৱশেষত তাৰ কথাত মান্তি হ'ল কিন্তু তেওঁ তাৰ ওচৰত এটা চৰ্ত ৰাখিলে যে সি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দৰে উচ্চতৰ মাধ্যমিকৰ ফলাফলো ভাল কৰিব লাগিব। সিয়ো দেউতাকক কথা দিলে যে সি ভাল ফল দেখুৱাব।

পৰীক্ষা ওচৰ চাপি আহিল। কিন্তু ৰিকিৰ যে পঢ়াত মন নবহিল। সংগ দোষে তাক বাৰুকৈয়ে জুৰুলা কৰিলে। সি তাৰ আত্মবিশ্বাস হেৰুৱাই পেলালে। অৱশেষত আহি পালে তাৰ ফলাফলৰ দিনটো। সি দেউতাকে কোৱাৰ দৰে ৰিজাল্ট কৰিব নোৱাৰিলে। ৰিকিৰ কিন্তু ৰিজাল্ট ভাল নোহোৱাৰ বাবে দুখ লগা নাছিল। তাৰ দুখ লাগিছিল বাইক নোপোৱাৰ বাবে। তাৰ খং উঠিছিল দেউতাকৰ ওপৰত আৰু সেয়েহে সি ঘৰৰ পৰা কাকো মাত নলগোৱাকৈ ওলাই আহিল। সি ভাবিলে কিয় সি এনেকুৱা এখন ঘৰত জন্ম হ'ল য'ত তাৰ আবদাৰ বোৰ পূৰাব নোৱাৰে। খন্তেকত তাৰ চিন্তা শক্তি ক্ৰমান্বয়ে হ্ৰাস পালে। হঠাৎ যেন সকলো সলনি হৈ গ'ল। তাৰ অন্য মনস্কতাৰ বাবে এখন গাড়ীয়ে তাক খুন্দিয়াই ৰাস্তাৰ কাষতে পেলাই থৈ গ'ল। তাৰ বেয়াকৈ আঘাত হ'ল। ওচৰৰ মানুহ দুজনমানে তাক চিনি পাই ঘৰলৈ লৈ আহিল। সি আহি যি পৰিস্থিতি দেখিলে ঘৰখনত তাৰ দুগালে চকুলো বৈ আহিল। লগতে সি যে এটা বিশৃংখল জীৱনৰ ফালে ধাৱমান হৈছিল সেই কথাটো উপলব্ধি কৰিলে। দেউতাকে মাকক কৈছিল— 'সি ফলাফল ভাল নকৰিলে আমি কষ্ট পাইছো কাৰণ আমি সকলোৱে তাৰ এটা উজ্জ্বল ভৱিষ্যত কামনা কৰোঁ। কিন্তু তাৰ ৰিজাল্টটো ভাল হ'ব বুলি ভাৱিয়েই মই বেংকৰ পৰা সাঁচতীয়া টকা কেইটাৰে তাৰ কাৰণে এখন বাইক ল'লো। ৰিজাল্টটো শুনি মই তাক একো ক'ব নোৱাৰিলো। এতিয়া আহিলে অন্ততঃ তাক বাইকখন দি মনটো ভাল কৰি আগৰ দৰে তাক ভালকৈ পঢ়িবলৈ কম।' ■

# কবিতা
## শিতান

# তাই
## (মোৰ সহকৰ্মী)

**পূৰ্ণানন্দ নাথ**
অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ



তাই কথাত ওঁঠ লৰাই
ৰূপ চৰাই
মনোমোহা কিতাপ এখন
চকুৰে যায় বগাই
তাই পেহী, তাই মাহী, তাই জেঠাই
পাতে মমতা ফুলৰ বাগিচা
তাই মৃদু কণ্ঠী
সাজোন-কাচোন ফুলমতী
নিখুঁত স্বাস্থ্য বিলাসনা
জাকত জিলিকা প্ৰভাময়ী
চকুত লগা বাইদেউ
অনন্যা জীৱন উদ্‌যাপন
পাতে এক চানেকি।
তাই উত্তপ্ত হৈও হাঁহিব পাৰে
বৰফ চেঁচা হৈও হাঁহিব পাৰে
বতাহী হৈ আনকো হন্‌হনাব পাৰে
শিলখণ্ডত স্পৰ্শ দিবও পাৰে
কেঁচা মাটিত উমাল উমো দিব পাৰে
মৰমৰ ধাৰ তীক্ষ্ণ কৰি
চকু ৰঙা কৰি ফুলে।
তাই বয়সৰ জোখ কমাই
উল্লাসিত হ'ব পাৰে
ওঁঠৰ অনুৰ্ধ ঠেহ পাতিব পাৰে
মৰম আৰ্কলুৱা হ'ব পাৰে
চল্লিশক ঢাকি যোল্ল হ'ব পাৰে
তাই খোজৰ হিচাপ কৰে
মাত্ৰা টানি কথা কয়, এৰে নিৰৱে
মনত সাজে এখন আপোচ ফুলৰ বাগিচা।

তাই শব্দৰ তিতা হজম কৰে
শব্দৰ বিহ ঢালিব নোৱাৰে
শ্ৰুতি দুষ্ট নহৈ সকলো হজম কৰে
মনত পোহে এপাহ নিয়ৰ শীৰ্ণ ফুল। ■

# অক্লান্ত পথিক

**পদুম কাকতি,** সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

অক্লান্ত পথিক মই
আত্ম স্বত্বৰ অধিকাৰত
ৰৈ আছো ইয়াত মই
কৰ্মৰ পৃথিৱীত
মোৰ অহংকাৰ
হেৰুৱাইছো বহু
আশা আছে বুকুত
পদাধিকাৰৰ থাপনাত
কিমান যুঁজ-বাগৰ
স্বত্ব হেৰুৱাইছো
ক'তবাৰ—
তথাপি মই অক্লান্ত পথিক
অৰ্থৰ স্বাধীনতা
মোৰ দুহাতত
লোকৰ পদূলিত ভিক্ষা কৰা
মোৰ বৃত্তি নহয়
মোৰ স্থিতি ইয়াত
সততা, কৰ্মনিষ্ঠা, নৈতিক চিন্তাৰে
মই বলীয়ান
বিশাল পৃথিৱীত মই
এজন ক্ষুদ্ৰ পথিক
চিনি নাপায় কোনেও
কিন্তু—
মই চিনি পাওঁ নিষ্ঠুৰ হাতোৰাৰ
কঠিন হৃদয়
কৰ্মত বিচাৰি পাওঁ
জ্ঞানৰ সঁফুৰা, সেয়ে মই অক্লান্ত পথিক,
যাত্ৰাত নাই কোনো বাধা। ■

# দেউতা

**ড° নিৰঞ্জন ঠেঙাল,** সহকাৰী অধ্যাপক, শিক্ষা বিভাগ

দেউতা,
তোৰ চাগে ভাগৰ লাগিছে।
জিৰণি বিচাৰিবলে
মই দেখোন আহৰি পোৱা নাই।
দলঙত হাতে হাত ধৰি
পাৰ হোৱাৰে পৰা
মন মুকলি হ'ল।
সাহসে কুঁহিপাত মেলি
পূৰঠ কৰিলে মোৰ অস্তিত্বক।
তোৰ পৰশ পোৱা
প্ৰতিটো শিলে
তীব্ৰতৰ কৰে মোৰ হেঁপাহক।
সৰিয়হ-আলু-ধানৰ স'তে
লুকা-ভাকুৰ খেলখন
শেষেই হোৱা নাই।
বৰশীত খোঁট মৰা
প্ৰতিটো মাছৰ হিচাপ কৰিছো,
সকলো ঠিকেই আছে।
তোৰ ক্লান্তিবোৰ
জটায়ুৰ পাখিত বান্ধি
উৰুৱাই দিব খোজো
বহু ... উ... উ... ত দূৰলে...
তোৰ আশাবোৰ একগোট কৰি
ভুলি ভৰাই দিব খোজো।
সময়বোৰ ৰাখিবিনে দেউতা?
চিনাকি দিব খোজো
তোৰেই পুত্ৰ মই
শত-সহস্ৰ যুগলে...। ■

# নুবুজাকৈ

**অতনু বৰা,** কাৰ্যালয় সহায়ক

সৌ সিদিনাৰ কথা
নামি আহিছিলো
ধৰাৰ বুকুলৈ, একো নজনাকৈ
একো নুবুজাকৈ
অংগ সঞ্চালনৰে জাননী দিছিলো
আই, মোৰ জন্ম সমাগত
প্ৰস্ফুটিত মোৰ চকু হালত বোলে
হাজাৰটা তৰা জিলিকি উঠিছিল

লাহে লাহে আশাবোৰে
গঁজালি মেলিছিল
আকাংক্ষাবোৰে সপোন ৰচিছিল
কিন্তু নিয়তিৰ কি কুটিল তাচ্ছিল্য
জীৱন যুঁজখনত
আজিও যুঁজিয়েই আছো মই

কোনে জানো ক'লে
মই বোলে ভাগৰুৱা হৈছো
মই ভাগৰুৱা নহয়, নহয় মই ক্লান্ত
কৰ্ম ক্ষেত্ৰৰ পৰা ধৰ্ম ক্ষেত্ৰলৈ
সকলোতে
মোৰ দৰে হাজাৰ বীৰৰ অক্লান্ত যুদ্ধ
ৰক্তেৰে ৰঞ্জিত মই
আঁঠু লোৱা নাই, সেওঁ মনা নাই
অৰ্থৰ দাবানলত
জাহ যোৱা নাই মই
ভাৱিছো ...
এৰা ভাৱিয়েই আছো
প্ৰয়োজন সাপেক্ষে ভিক্ষা মাগিম মই
অৰ্থৰ ওচৰত নহয়
শত্ৰুৰ ওচৰতো নহয়
মাথো নিজৰ ওচৰত
নিজৰ বিবেকৰ ওচৰত। ■



# বন্ধু

**হিমাক্ষী দেৱী,** পঞ্চম ষাণ্মাসিক

মনত পৰেনে বন্ধু
সেই যে পাৰ হৈ যোৱা
অতীতৰ মধুৰ স্মৃতি
শীতল বুকুৰ মাটিত
লুকা-ভাকু খেলি খেলি
ভাগৰি পৰা সোণোৱালী সপোনৰ
এনাজৰীৰ সাঁফৰত
ঢাকি থোৱা নিৰ্মল মৰমখিনি

পাহৰি নাযাবা বন্ধু
জীৱনৰ নতুন বাটত
সদায় থাকিবা মোৰ লগৰী হৈ
হাঁহি হাঁহি পাৰ কৰিব খোজো
অনাগত দিন ভৱিষ্যত

পাহৰি যাব খুজিলে
অতীতৰ পৃষ্ঠাবোৰ
এখন এখনকৈ খুলি
লুটিয়াই চাবা
অতীতৰ মনোমোহা ৰংবোৰ।
যি ৰঙেৰে ফুলি উঠিব
হেঁপাহৰ ৰঙীণ বাগিছা
সেউজীয়া দলিচাত বহি
পান কৰিম সুগন্ধি ফুলৰ
কেঁচা সুৰভি। ■

# পোচাকৰ যৌৱন

**শান্তিৰাম লস্কৰ,** চতুৰ্থ বৰ্গৰ কৰ্মচাৰী

আধুনিক যুগৰ তুমি
সৌন্দৰ্য গৰাকীনী
ৰূপৰ মাধুৰী আনি
সাজিছা নিজে আজি
যৌৱনে কাল হয় আৰু
মৰমেই হয় বিহ
তাক তুমি কেতিয়াবা
পাবা জানো বুজি?
বুজি তুমি পাইছা এই
চিনাকি পৃথিৱীখনি
বুজি পাইছা, দেখা পাইছা
ৰূপৰ মাধুৰী
দুদিনৰ বাবে পাইছা
এই দেহাটি
দুদিনৰ শেষ হ'লে
যাবা পাহৰি
কেইদিনৰ বাবে তোমাৰ
দেহাত থাকিব যৌৱন
কেইদিন পাৰিবা বিলাব
জীৱন মদিৰা?
মদিৰা শুকাই গ'লে
তোমাৰ কাষলৈ আৰু
নাহে ওভতি
কলিয়া ভোমোৰা
সেইদিনা তুমি বাৰু
কাক লৈ খেলিবা!
নিজকে নিজে চাই তুমি
কিমান যে কান্দিবা
উন্মুক্ত মঞ্চহৰ বুকুৰ
যৌৱনৰ নদীখন
এদিন হ'লেও খহি পৰি যাব
চিৰদিনৰ সাকো
বয়সে তোমাক আজি
অন্ধ কৰিছে
নতুন যুগে তোমাক
কৰিছে বলিয়া
চুটি কাপোৰ পিন্ধি
যৌৱনৰ ৰংবোৰ
আধুনিক সমাজক
নিজেই দেখুওৱা। ■



# মাতৃ

**বৰ্ণালী শৰ্মা,** চতুৰ্থ ষাণ্মাসিক

যাৰ মাতত পুৰাৰ টোপনি ভাগে
যাৰ মাতত নিশা টোপনি আহে
যাৰ মৰমত পৃথিৱীৰ সকলো দুখ আঁতৰে
যাৰ কাৰণে এই সুন্দৰ ধৰণী আমাৰ চকুত পৰে।
যিয়ে কান্দিলে আমাৰ চকুৰ পানী সৰে
যোনে সুধিলে পৃথিৱীৰ মিছাবোৰ সঁচা হৈ পৰে
যিয়ে অলপ টানকৈ ক'লে তেওঁৰ ওপৰত অভিমান জাগে
আমাৰ দুখ-সুখত যিয়ে অহৰহ সংগ দিয়ে
সেই সকলো গুণৰ অধিকাৰী
মোৰ মৰমৰ মাতৃ
মাতৃ হ'ল পৃথিৱীৰ প্ৰকৃত শব্দ
যি শব্দই দুখ-সুখ, সঁচা-মিছা সকলো।
অনুভৱ আমাক জন্মাবলৈ সক্ষম হয়। ■

# অপৰাজেয়

**ৰক্তিম শইকীয়া,** প্ৰথম যাণ্মাসিক

আউসীৰ আন্ধাৰৰ মাজত
আলোকৰ সন্ধান বিচাৰি
আজি মই ওলাই আহিছো।
অযুত আশা বুকুত হেঁচি
পোৱা নোপোৱাৰ হিচাপ কৰিছো।
নাই! কোনো ফালে যে নিমিলা অংক
কি যে জটিল সন্ধিক্ষণ।
বিখ্যাত গণিতজ্ঞৰ সূত্ৰইও সমাধান দিব নোৱাৰে
তথাপি মই ক্লান্ত নহয়।
বৰষুণৰ পিছত ৰ'দৰ আগমন
এন্ধাৰৰ পিছত পোহৰৰ হাঁহি
তাকে ভাবি আগবাঢ়িছো মই
আত্মবিশ্বাস, অধ্যৱসায়ে হ'ব মূল মন্ত্ৰ,
কৰ্তব্য পৰায়ণ হ'ব মোৰ আদৰ্শ
বিচাৰি উলিয়াম সেই অমূল্য শক্তি
স্থিত প্ৰজ্ঞতাৰে হাঁহি হজম কৰিম ক্লান্তি
তথাপি বিচাৰিম মই জীৱনৰ পোহৰ তৃপ্তি
হাৰি নাযাওঁ, পিছুৱাইও নাযাওঁ
জীৱনৰ কণ্টকময় পথত
মই হৈ ৰ'ম অপৰাজেয়। ■



# ল'ৰালি

**পৰিস্মীতা ভৰালী,** পঞ্চম যাণ্মাসিক

হাঁহি-ধেমালি কৰি
জানিলো কথা এষাৰি
এয়াই যে ল'ৰালি
ধূলি বালিৰ ঘৰ সাজি
কৰিলো লেতেৰা হাত ভৰি
এয়াই যে ল'ৰালি।
দৌৰি ঢাপলি
নাচি-বাগি
এয়াই যে ল'ৰালি।
বন্ধুৰ লগত খেল-ধেমালি
কেতিয়াবা হাঁহি-ধেমালি
এয়াই যে ল'ৰালি।
কৰিম স্ফূৰ্তি যিমান পাৰি
বেয়া লাগে তেতিয়া
যেতিয়া জানো
কেতিয়াও ঘূৰি নাহে
মোৰ ল'ৰালি। ■

# আশাৰ কঠিয়া

**নিজৰা হীৰা,** দ্বিতীয় ষাণ্মাসিক

সংসাৰ পথাৰৰ সময় কলিত
সিঁচি দিলো আশাৰ কঠিয়া
ঠন ধৰি,
সেউজীয়া হ'ব এদিন জীৱন ফুলনি,
হাঁহিৰে ভৰিব গোটেই জীৱন জুৰি।
মনৰ পখীটি উৰিব জাকি মাৰি,
দিগন্ত শুৱনি কৰি
সময়বোৰ পাৰ হ'ল
সোণ মইনাহঁত পঢ়ি শুনি ডাঙৰ হ'ল
জীৱনবোৰ বেকাই হ'ল, আশাবোৰ নিৰাশ হ'ল
যোগ্যতাৰে বিচাৰি পোৱা নাযায় জীৱনৰ সুৰীয়া পথ।
আশাৰ কঠিয়াবোৰ মৰহি গ'ল,
সংসাৰ মৰুত কৰ্কৰকাই থাকোতে
পূৰ নহ'ল বাসনাৰ পথাৰখন
বেদনা বুকুতে বান্ধি
নীৰৱে সহিছো কত যে যাতনা...।
কেতিয়াবা আশাবোৰে
পোখা মেলি ঠন ধৰি উঠি পুৱাবনে
জীৱনৰ সেউজীয়া ৰং।
ওঁঠত ফুটি উঠিবনে আনন্দৰ কুমলীয়া হাঁহি
অপেক্ষাৰে আছো বাট চাই
দিনে দিনে প্ৰতিদিনে। ■



# কৃষক

**কাজু শইকীয়া,** তৃতীয় ষাণ্মাসিক

ৰ'দ বতাহ নেওচি
তেওঁ তাতেই থাকে
পিঠিত তেওঁৰ প্ৰখৰ জেঠ।
পথাৰৰ সৈতে তেওঁৰ প্ৰেম
বহু পুৰণি।
ধানৰ বোজা কান্ধত লৈ
তেওঁ কপালৰ ঘামেৰে
সজীৱ কৰে
চিৰাল ফটা মাটি।
নাঙলৰ সীৰলুত
সিঁচি দিয়ে
সেউজীয়া সপোন
তেওঁ পথাৰৰ কবি
চকুত তেওঁৰ সোণালী
আঘোণ। ■



# চকুলো

**ৰিয়া দে,** প্ৰথম ষাণ্মাসিক

হৃদয়ৰ যন্ত্ৰণাত
তুমি মোৰ লগৰীয়া
কোনে দিব মোক সান্ত্বনা
মোৰ দুখৰ মজিয়াত
তুমিয়েই একমাত্ৰ লগৰীয়া।

মোৰ দুচকু ভৰি
হৃদয়ৰ কোঁহে কোঁহে
বৈ থাকে
মাত্ৰাহীন যন্ত্ৰণাৰ ধাৰাসাৰ বৰষুণ

মোৰ মনৰ দাপোণত
গজি উঠে হঠাতে
ধৰ্মৰ সাৰুৱা বীজ
ৰোপণ কৰোঁ নিৰলে
সাহস বুকুত বান্ধি
তোমাৰ স'তে
আগবাঢ়ো আগলৈ

এতিয়া তুমি মোৰ
জয় যাত্ৰাৰ মূল
অনুপান নহ'লেও
বিজয়ৰ নিচান উৰুৱাই
স্মৰণ কৰোঁ
তোমাক তুমি মানৱৰ এক জলন্ত প্ৰমাণ। ■

# অনামিকা

**শঙ্কৰজ্যোতি বৰুৱা,** দ্বিতীয় ষাণ্মাসিক

প্ৰতিটো শৰতৰ স্নিগ্ধ চন্দ্ৰমাৰ
জোনাক নিশাত
নদীৰ পাৰত বহি চাওঁ দিগন্তলৈ
শীতল বতাহ ছাটিয়ে কৈ গ'ল
'অনামিকা' তোমাৰ
সদায় তোমাৰ।

অনামিকাৰ ঠিকনা বিচাৰি
যেতিয়া খাওঁ হাবাথুৰি
মনত পেলাওঁ অনামিকাৰ কথা
তুমিয়েইতো কৈছিলা তোমাৰ ঠিকনা
জোনাকীৰ পৰুৱা বাটত তুমি।

সন্ত্ৰাস জৰ্জৰ আধাখিনি বাটত
এমুঠি অন্নৰ তাড়নাত
সংগ্ৰাম কৰোঁ
তুমি হয়তো ভয় খাইছিলা,
পলাইছিলা।
মই এতিয়াও জীয়াই আছোঁ
অনামিকা
কলম হাতত তুলি সংগ্ৰাম কৰিছো
অহৰ্নিশে
পাহৰা নাই তোমাক
তুমি দেখা দিয়া অনামিকা
প্ৰেমৰ এথোপা ফুল লৈ
তোমাৰ বাবে আছো ৰৈ। ■

# অপূৰ্ণ

**মহিদুল ইছলাম,** ষষ্ঠ ষাণ্মাসিক

জীৱনৰ বিয়লি বেলাত
শৰতৰ কোমল পুৱাত
প্ৰিয়া,
কেতিয়াবা আজৰি পালে লাখুটিত ভৰ দি
থৰক-বৰক খোজেৰে হ'লেও
এবাৰ চিনাকি দি যাবা
শৰতৰ শেৱালিৰ সুবাস থলিত।
মই মৰিলেও গছজোপাক মোৰ চেনেহ দিবা
তোমাৰ ৰুক্ষ, শোটোৰা হাতত
কেতিয়াও তুলি নল'বা তলসৰা শেৱালিবোৰ
নৱ প্ৰভাতৰ নতুন সূৰ্যৰ প্ৰাপ্য এই ফুলবোৰ
নয়ন থিৰ কৰি চাই ৰ'বা মাথো
নিয়ৰৰ আলিঙ্গনত শেৱালিৰ দুৰ্বাৰ হেঁপাহ
মৰহি নাযায় কেতিয়াও।
যদিওবা তোমাৰ মোৰ চকুত
অথবা পথাচাৰীৰ ভৰিৰ গচকত
মৰহা শেৱালিৰো চিন-চাব নাথাকিব।

নতুন যুগৰ নৱ প্ৰজন্মৰ প্ৰেমিকাইও
আদৰেৰে গঁথা কুসুম মালা
বাটৰ ধূলিত বিলীন হ'ব নিয়ৰসিক্ত কুসুম
সৌৰভো হেৰাই যাব পৱনৰ চাকনৈয়াত
সকলো চিন-চাব নাইকিয়া হ'ব
মাথো ৰৈ থাকিব
একালৰ আমাৰ গোপন সাক্ষাৎ
আৰু পুনৰ মিলনৰ প্ৰতিশ্ৰুতি।

জীৱনৰ প্ৰৌঢ় পৰত
কেতিয়াবা এপলক আজৰি পৰত
ধেমালিতে উদঙাই চাবা এবাৰ
সময় ধূলিবোৰ ফু মাৰি আঁতৰাই
সৌন্দৰ্যৰ প্ৰাচুৰ্যৰে ভৰা যৌৱনৰ
বাকচটো খুলিলেই পাবা
'ইতি, জন্ম, জন্মান্তৰে তোমাৰ...'
বুলি লিখা চিঠিবোৰ।
জীৱনৰ পাশা খেলৰ খতিয়ান তাৰেই বিচাৰি পাবা।
পৰাভূত, নিঃসংগ বুলি ভাৱিলেও
আত্মাৰ অম্লান জেউতিত জ্যোতিৰ্ময়ী সত্যই
সোঁৱৰাই দিব জীৱনৰ মাপকাঠি।
স্মৃতিৰ দোলনাত আউজি আওৰাবা
মই লিখা প্ৰেমৰ মালিতাবোৰ।
আজি শেষ সাক্ষাতৰ ভ্ৰষ্টলগ্নত
লিখো এইফাঁকি কবিতা
বেলি লহিওৱা সন্ধিয়া পৰত
সাগৰ তীৰৰ মৃদু তৰংগত ঠেঙা কোঁচাই,
তোমাৰ সতে চৰণ পখালিবৰ
স্বপ্ন অপূৰ্ণ হৈয়ে ৰ'ল। ■



# সপোন ভগাৰ সপোন

**মানসজ্যোতি শইকীয়া,** প্ৰথম ষাণ্মাসিক

আশাৰ সেউজীয়া সপোন
হালধীয়া হ'ল
বেলিটো লুকাই থাকিল
ডাৱৰৰ ভাঁজত
অমাৱস্যাই ঘণীভূত কৰিছে
সেউজীয়া সপোনৰ আচল ৰং।

সপোন ভঙাৰ সপোনত
দেখিছো নতুন ৰূপ
কলীয়া ডাৱৰ জাকে
পৃথিৱীলৈ নমাই দিয়ক
ধাৰাসাৰ বৰষুণৰ জাক
প্ৰতি টোপাল বৰষুণত
তিতি বুৰি হেৰুৱাই
পেলাব খোজো
সপোনৰ হালধীয়া ৰং
ধৰাত নামি আহক
সকলোৰে বাবে
এটা শান্তিৰ নতুন সপোন। ■



# শান্তি বিচাৰি

**বিংকী বৰদলৈ,** পঞ্চম ষাণ্মাসিক

শান্তি বিচাৰি অবিৰত যাত্ৰা
ক'তো নাই শান্তি
দুৰ্নীতি, হিংসা, খোৱা-কামোৰা
বাক্‌বিতণ্ডাত ৰুদ্ধ হৈ গৈছে
শান্তিৰ শুভযাত্ৰা
বোমা-বাৰুদৰ গোন্ধত
অশান্ত পৰিৱেশ চৌদিশে
দপ্‌দপকৈ জ্বলিছে ক্ষোভৰ অগনি
নিৰাপত্তা ক'ত আছে বাৰু
সাধাৰণ মানুহৰ বাবে
তথাপি বিচাৰি
আছো শান্তি
শান্তিৰ বাবেই
আৰম্ভ কৰিছো এক অবিৰত যাত্ৰা। ■

# প্ৰতীক্ষা

**কাকলি দেৱী,** পঞ্চম ষাণ্মাসিক

প্ৰতীক্ষাৰ কি কৰুণ অনুভৱ
তুমি হয়তো নাজানা
ভগ্ন হৃদয়ৰ কিমান বেদনা
তুমি নুবুজা

তোমাৰ প্ৰতীক্ষাতেই ক্লান্ত কবি মই।
বৰ ফিকা হৈ পৰিছে
মোৰ আশা
অদৃশ্য হৈ পৰিছে সপোন
আশাবোৰ ডুবিছে অমানিশাত
সপোন হেৰাইছে প্ৰহেলিকাত
এতিয়া হৃদয়ৰ নিঃকিন পঁজাত
অকলশৰীয়া মই
তোমৰ অস্তিত্বৰ শিপা বিচাৰি
অন্তহীন প্ৰতীক্ষাত মই আছো ৰৈ। ■





# নাৰী তুমি দেৱী

**মানসজ্যোতি সিংহা,** তৃতীয় ষাণ্মাসিক

অপৰূপ সেই নাৰী
যাৰ অপ্ৰতিদ্বন্দ্বী সৌন্দৰ্যতাই
পথৰ কাষৰ যুৱকৰ অশ্লীল শব্দৰ চিকাৰ নহয়,
বেকা চাৱনিৰ পৰা চকু বচাই
তুলিব লগা নহয়
বুকুৰ বস্ত্ৰ।
সন্মান ভক্তিৰ প্ৰতিজন পুৰুষে মূৰ দোৱাই
আশীৰ্বাদ লয় তোমাৰ চৰণত
কাৰণ তুমি দুৰ্গা, তুমি দেৱী
তুমি দুৰ্গতি নাশিনী, তুমি ত্ৰাণকৰ্তা
তুমি প্ৰলয় প্ৰহৰী, তুমি নাৰী
তুমি শক্তি, তুমি শক্তি
যুগে যুগে হৈ আছা
নৰজন্মৰ অধিকাৰিণী। ■

# English Section

# Selflessness : The Foundation of Leadership

**Deep Kalita**
Assistant Professor, Department of Economics

*(The contents of this writing are not my own thoughts. It is from a compiled book by Indian Army Officials. This is just for sharing to the readers.)*

The world that we live in today is guided by self-interest, self-interest has become the goal of life. So, it is not surprising that the leaders now lack the quality of selflessness, they feel uncomfortable with selflessness."Selfishness is human, selflessness is divine"-is the truth of noble virtue. It is the core of all that is good and moral in a human being. Selflessness is the elevation to the ideal and reaching above the 'me-first' principle. Anyone who achieves this, becomes divine.

The degree of selflessness depends in the nature of the vision. Higher the vision, higher the degree of selflessness, then higher the potential for leadership and this is the law in virtual form. But, there is strong resistance among the humans to accept this to be a leader. As quoted by Swami Vivekananda "I can't ask everybody to be totally selfless; it is not possible. But, if you cannot think of humanity at large, at least think of your country. If you cannot think of your country, think of your community. If you cannot think of your community, think of your family. If you cannot think of your family, at least think of your wife. For heaven's sake, do not think merely of yourself."

If we interpret this, it becomes clear that at the lowest end it is 'I, me and mine' and at the highest 'humanity'. Thus, selflessness is a relative quality. Total selflessness is rare, but, it does exist. Those who achieve total selflessness become the great leader and attain divine.

If we analyze selflessness, we can find five human values which are noble in a human being. They are:-

**TRUTH, RIGHT CONDUCT, LOVE, CALMNESS and NON-INJURY.**

The central to all these five values is the faith in God, conscience, the inner voice or whatever. Out of these five, if anyone can achieve the first two, i.e., TRUTH and RIGHT CONDUCT, then it becomes easy to acquire honesty, integrity and loyalty. There is an ancient Indian edict based on these two values, i.e., "SATYAM VADA, DHARAM CHARA." It translates-speak the truth and act as appropriate to the duties and obligations of your position, whatever they may be. And when one acts with unselfish love, then there is perfect peace and calmness in success or failure, pleasure or pain and joy or grief.

A selfless person is neither greedy nor looking for shortcuts to success, hence, his integrity never become weaker. He seeks no unfair advantage over others, hence, honesty comes naturally to him. He is

not a self-seeker, hence, his loyalty is steady and strong. When a person has these virtues, then his thoughts, words and deeds become pure and well integrated. He says what he thinks and does what he says. There is no 'double standard' in his nature. That establishes his credibility and he is trusted. A trustworthy person alone can become a leader.

**Network of Selfishness:**

'SELFISHNESS IS HUMAN, SELFLESSNESS IS DIVINE'. We have to understand the weakness of human nature. Anyone wishing to improve his potential has to break out of the chains of selfishness, self-centered-individualism or any other respectable sounding name we might give it. We are selfish because our current masters hold us in bonded slavery. Their shackle is so strong in our lives that we are not even aware of our vast potential. We have to set ourselves free from the masters of BOUNDLESS DESIRE, BLINDING SELF-LOVE, FLAMING JEALOUSLY, GALLOPING GREED, RED-HOT ANGER and LUST.

**Selfish Ambition and Leadership:**

There is a widespread belief that AMBITION is a good motive force for achievement that, without ambition, a person becomes lazy and placid. It is true that ambition is a powerful motivator. Men, eager for personal success and advancement, are dynamic and can produce very good short-term results. However, they are those who are driven by ambition for an ideal, or a vision higher than themselves, who really achieve enduring results. The English analyst Francis Bacon observes that ambitious men, if they find the way open for their rising, and still get forward, they are rather busy than dangerous; but, if they be checked for their desires, they become secretly discontent, and look upon men and women with an evil eye, become venomous for others. He concludes that ambition is a motivating force, but, the greatest good is done by those who are 'more sensible of duty than of rising.' However, it is not easy for human beings to break away from the pull of 'I, me and mine'. Consequently, nations, societies and organizations, who value leadership, use various techniques to create environments in which leaders learn to rise to higher ideals, above their self-interest and divert their selfish ambitions, which are quite natural in a person.

Selflessness based on an ideal or a vision is the real foundation of leadership. It inspires a leader and also those he leads, to achieve the impossible.

"As long you are clouded over with this possessive attitude, thinking only of yourself, your family, your people, your things, you can be certain that sooner or later you will be cast into sorrow. You must travel from the stage of identifying yourself with 'I' and 'mine' to the higher stage where you are constantly identifying yourself with 'We' and 'Ours'. From selfishness you must gradually travel to selflessness, from bondage to liberation."

– Sai Baba ■

# Professional Ethics of Teacher

**Dr. Niranjan Thengal**
Assistant Professor, Department of Education

**Introduction**

It is said that teaching is the noblest of all professions. It may be true as because it is only the teacher who gets the opportunity to mould a human personality and makes them ready to serve mankind. I personally feel that the influence of a teacher is so profound that it can convert the worst to the best. But teaching is not everybody's cup of tea. To shape a human being according to the prevalent social, economic, psychological and spiritual set up is a very difficult task. It may be due to the commodification of human life and education, especially after globalisation. If we study the ancient Indian society, the Gurus believed in "Simple Living and High Thinking". Now it is quite impossible to maintain the same as complexity has overpowered simplicity. And of course, without intrinsic motivation towards teaching profession, a person can't be prepared as a teacher.

**What is Ethics ?**

The English word 'ethics' is derived from the Ancient Greek word 'ethos' which means 'character/moral nature'. Richard William Paul & Linda Elder define ethics as "a set of concepts and principles that guide us in determining what behaviour helps or harms sentient creatures".

**What is professional ?**

A professional is a member of a profession or any person who earns their living from a specified professional activity. The term also describes the standards of education and training that prepare members of the profession with the particular knowledge and skills necessary to perform their specific role within that profession.

**What is Professional Ethics ?**

Professional ethics is a combination of two words; Professional and Ethics. Here, Professional means an expert, specialized, qualified, proficient, skilled, trained, practiced, certified, licensed, mature etc. So, Professional is a term denoting a level of knowledge and skills possessed by an individual to perform an assignment, that is attained through extensive education and training. Secondly, Ethics means principles, morals, beliefs, moral principles, moral values, moral code etc. Thus professional ethics means the beliefs and values required for a profession after having skills and expertise of the same.

**Teaching as a Profession**

Teaching is a profession as it is an occupation for which people are paid. It involves prolonged training and a formal qualification. It is a very hard job to do well, especially without an understanding of the science of learning.

**Professional Ethics of a Teacher**

Every profession, in order to regulate its terms, conditions, norms and quality of service rendered,

has its own professional ethics. In the term professional ethics, the word ethics adds to the professional obligation that a profession abides by. As a teacher, one should be familiar with the ethics of teaching profession. These are the guiding principles for teachers which make teaching meaningful. Different educational commissions and policies articulate ethics for teaching profession from time to time. Here are some professional ethics of a teacher (HEI) as envisaged by University Grants Commission (UGC), New Delhi, 18th July, 2018-

**Teachers and their Responsibilities-**

